


OKDISCD

# সাম্প্ৰতিক সামায়িকী

সাহিত্য সংস্কৃতি বিষয়ক মাহেকীয়া আলোচনী


## সূচীপত্ৰ

### সম্পাদকীয় ॥


নাগা আৰু মিজো ॥ ৩
অসম কাৰ্বন শ্ৰমিক সংঘৰ সংগ্ৰাম ॥ ৪


### সাংস্কৃতিকী ॥


গুৱাহাটী আৰ্টিষ্ট গীল্ডলৈ গৈছিলো ॥ বিশেষ প্ৰতিনিধি ॥ ৭


### আন্তৰ্জাতিক ৰাজনীতি ॥


কেৰিল্'ক ভয় কৰে কোনে ? ॥ প্ৰদীপ আচাৰ্য ॥ ১২


### প্ৰবন্ধ ॥


অসমত ব্ৰেখ্ট আৰু ব্ৰেখ্টীয় নাট্যৰীতি ॥ ৰুবি দেউৰী ॥ ৩৬
ভাৰতীয় ইতিহাস প্ৰসংগ ॥ দ্বিজেন দাস ॥ ৮৫
চীনৰ জনস্বাস্থ্য আৰু কৃষক ॥ মূল ঃ জে, এচ, হৰ্ণ, অনু ঃ দিলীপ দাস ॥ ৯১


### গল্প ॥


জাগৰণ ॥ মদন শৰ্মা ॥ ১৭
কুকুৰ ॥ মূল ঃ মোহন ৰাকেশ, অনু ঃ মৃদুলা চলিহা ॥ ২৩
একেই তেজ ॥ ৰবীন চন্দ্ৰ শৰ্মা ॥ ২৮
শিজু গছত গোলাপ ॥ উদয়াদিত্য ভৰালী ॥ ৪১
অপৰাধ ॥ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ॥ ৪৩
লক্ষীনাৰায়ণ ৰেষ্টুৰেন্টত হেমামালিনী ॥ সত্যসুন্দৰ বৰুৱা ॥ ৬৯

জনপ্ৰিয়তা সম্পৰ্কে (ব্যংগচিত্ৰ) ॥ মৃণাল দেউৰী ॥ ৩৪


### বিতৰ্ক ॥


সাংস্কৃতিক বিপ্লব, বিপ্লবী সংস্কৃতি আৰু গণভিত্তি ॥ হীৰেন গোহাঁই ॥ ৬০


### নাটক আৰু অভিনয় প্ৰসংগ ॥


গৰম ভাতৰ ধোঁৱা আৰু মুক্তিৰ স্বপ্ন ॥ জ্ঞান পূজাৰী ॥ ৬৭


OKDISCD

## কবিতা ॥


চিলনীৰ সাধু ॥ নলিনীধৰ ভট্টাচাৰ্য । ১৪
কবৰৰ কণ্ঠ ॥ দিলীপ তালুকদাৰ ॥ ১৫
ভাইলৈ ॥ নগেন শইকীয়া ॥ ১৫
মোৰ প্ৰেম ॥ দিগন্ত গোহাঞি ॥ ৭৬
তিমিৰ নদীত গা ধুই ॥ কৌস্তভমণি শইকীয়া ॥ ৭৬
তোমাৰ, মোৰ, আমাৰ বাস্তৱ ॥ লাবণ্য দেৱী গোস্বামী ॥ ৭৭
মোৰ দেশৰ মানুহ ॥ উদয়শংকৰ বৰগোহাঞি ॥ ৭৭
হেজাৰ বন্ধুৰ হাতত ধৰি ॥ মেহদী আলম ॥ ৭৭
অবাঞ্চিত ॥ স্মৃতি বৰুৱা ॥ ৭৮
উপলব্ধি ॥ ৰাজু বৰুৱা ॥ ৭৮
ধলফাটৰ আগমুহূৰ্তত ॥ চিদানন্দ বৰা ॥ ৭৮


## আলোচনা ॥


সমাজতান্ত্ৰিক বাস্তৱতা আৰু ৰোমান্টিকতা ॥ প্ৰসেনজিৎ চৌধুৰী ॥ ৭৯
বুদ্ধিজীৱী, ইমাৰজেন্সী আৰু জনগণ ॥ ভাস্কৰ চক্ৰৱৰ্তী ॥ ৮২


## চিঠি-পত্ৰ ॥ ৯৫

## পুথি-সমালোচনা ॥


হেমাংগ বিশ্বাসৰ 'আকৌ চীন চাই আহিলোঁ' (২য় খণ্ড) ॥ ১০৩
'ৰত্নকান্ত বৰকাকতিৰ গদ্যসম্ভাৰ' (সম্পাদনা, যোগেন্দ্ৰ নাৰায়ণ ভূঞা) ॥ ১০৫
ডঃ হীৰেন গোহাঁইৰ 'কাল-ভ্ৰমৰ' ॥ ১০৭


## ন-পুথিৰ চিনাকি ॥


মেদিনী চৌধুৰীৰ দুখন নতুন উপন্যাস ॥ অনু বৰা ॥ ১১১


## চলচ্চিত্ৰ ॥


ডঃ ভবেন্দ্ৰনাথ শইকীয়াৰ 'সন্ধ্যাৰাগ', তিনিটা অভিমত ॥ ১১৪


## সাময়িক প্ৰসংগ ॥


ভাৰত-চীন মৈত্ৰী সন্থাৰ অভিবৰ্তন ॥ বিশেষ প্ৰতিনিধি ॥ ১২৩
মাও ছে-তুঙৰ মৃত্যু বাৰ্ষিকী ॥ বিশেষ প্ৰতিনিধি ॥ ১২৫



প্ৰচ্ছদপট ॥ গুৱাহাটী আৰ্টিষ্ট গীল্ড

ছপা ॥ হেমকোষ প্ৰিণ্টাৰ্ছ ॥ গুৱাহাটী—৭৮১০০৩

উপদেষ্টা ॥ নলিনীধৰ ভট্টাচাৰ্য

সম্পাদক ॥ নিত্য বৰা


# সম্পাদকীয়

## নাগা আৰু মিজো

আমাৰ বহুতৰে বাবে নাগা আৰু মিজোসকল দুটা সমস্যা মাত্ৰ—নাগা সমস্যা আৰু মিজো সমস্যা! তেওঁলোক যে মানুহ, তেওঁলোকৰ স্ব-অধিকাৰ দাবীৰ পিছত যে মানবীয় আবেগ আৰু বিশ্বাস থাকিব পাৰে—বহুতৰে মনত নেখেলায়। অলপতে লণ্ডনত প্ৰবাসী নাগা নেতা ফিজোৰ লগত হোৱা সাক্ষাৎকাৰত প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইৰ বিভিন্ন নিষ্ঠুৰ আৰু ভোটা উক্তিৰ পৰা প্ৰমাণ হয় যে, তেওঁৰ বাবেও নাগাসকল এটা সমস্যা মাত্ৰ। দেশাইৰ মতে এই সমস্যাও প্ৰায় শেষ হৈ আহিছে। নাগালেণ্ডত এতিয়া কোনো সমস্যা নাই। যি এমুঠি নাগাই বিদ্ৰোহ (?) কৰিছে দেশায়ে সেই সকলোকে নিঃচিহ্ন কৰিব—ক্ষমাৰ কোনো প্ৰশ্ন নাই। দেশাইৰ দৰে আমাৰ বহুতৰে ধাৰণা এয়ে যে, এনে সমস্যাৰ চূড়ান্ত সমাধান বোমা-বাৰুদ—আন্তৰ্জাতিকভাবে জাতিহত্যা ( genocide ) অপৰাধ বুলি স্বীকৃত হোৱা সত্বেও।

কিন্তু দেশাইৰ দাম্ভিকতা বা ভাৰতৰ শাসকগোষ্ঠীৰ মতেই শেষ কথা হোৱাহেঁতেন নাগালেণ্ডত কেতিয়াবাই শান্তি প্ৰতিষ্ঠা হ'লহেঁতেন। আজি ইমান বছৰ ধৰি নাগা আৰু মিজোসকল তেওঁলোকৰ স্বাধীনতাৰ বাবে সংগ্ৰামত লিপ্ত হৈ আছে, ইমান নিৰ্যাতন আৰু শাস্তি দৃঢ়তাৰে সহ্য কৰি আছে, সংখ্যা আৰু অস্ত্ৰ-শস্ত্ৰৰ পিনৰপৰা বহু বেছি শক্তিশালী ভাৰতীয় সৈন্যবাহিনীৰ লগত মৰণপণ যুদ্ধ চলাই আছে যে ঘটনাটো এচাম অপৰাধীৰ কাণ্ড বুলি ভাবিবলৈ আৰু থল নাথাকে। বাহিৰৰ উচটনিয়েও এনে দীৰ্ঘস্থায়ী সংগ্ৰামৰ প্ৰেৰণা যোগাব নোৱাৰে। অৰ্থাৎ এইকথা ভাৰতীয় নাগৰিকসকলেও আজি স্পষ্টকৈ চিন্তা কৰি চোৱা উচিত যে নাগা আৰু মিজোসকলে জাতীয় স্বাধীনতাৰ বাবেই সংগ্ৰাম কৰিছে। এই সত্যটোৰ যথোচিত স্বীকৃতি নিদিলে এই 'সমস্যা' সমাধানৰ পথত আগ-বাঢ়িব নোৱাৰি।

নাগা আৰু মিজোসকলক স্বাধীনতা দিলে ভাৰতৰ অন্যান্য উপজাতিৰ মাজতো এনে আন্দোলন প্ৰবল হৈ উঠিব পাৰে বুলি কোনো কোনোৱে আশংকা কৰে। ভৌগোলিক আৰু ৰাজনৈতিকভাবে তেনে বহু দাবী হয়তো অবাস্তৱ যেন লাগিব পাৰে। কিন্তু এইবোৰ উপজাতিৰ মাজত স্বাধীনতাৰ ত্ৰিশ বছৰৰ মূৰতো সামান্য অৰ্থনৈতিক বিকাশো যে দেখিবলৈ পোৱা নাযায়, বৰং তেওঁলোকৰ ওপৰত বহিৰাগতৰ শোষণ যে আৰু নিষ্ঠুৰ হৈ উঠিছে এই কথা আমি পাহৰি থাকোঁ বা পাহৰি থকাৰ যত্ন কৰোঁ। চাওঁতাল গাভৰুৰ আমদানি-ৰপ্তানি দেহ ব্যবসায়ীবিলাকৰ হাতত এটা বৃহৎ ব্যবসায় হৈ উঠিছে। অন্ধ্ৰৰ

OKDISCD

'গিৰিজন'সকলৰ দুৰ্দশাই তেওঁলোককো বিদ্ৰোহী কৰি তুলিছে। কোনো বিদেশী শক্তিয়ে এওঁলোকক সহায় কৰা নাই ; কৰিছে আদৰ্শবাদী ভাৰতীয় নাগৰিকেই। এইবোৰ বিদ্ৰোহৰ কাৰণ কি ? ভাৰতীয় হিচাবে অন্যান্য নাগৰিকে ভোগ কৰা সামান্যতম সা-সুবিধাও এওঁলোকৰ বাবে আকাশ-কুসুম। চিকিৎসা, শিক্ষা, আধুনিক যোগাযোগ এওঁলোকৰ অঞ্চলবোৰত অজ্ঞাত। দুৰ্ভিক্ষ এটা ভয়ংকৰ কিন্তু সুপৰিচিত ঘটনা। তথাকথিত সু-সভ্য সমাজত এওঁলোকৰ প্ৰতি তুচ্ছ-তাচ্ছিল্যৰ ভাব। এনে অবস্থাত ভাৰতীয় জাতীয়তাৰ প্ৰতি এওঁলোক আকৃষ্ট নহ'বৰে কথা। তাৰ প্ৰতিক্ৰিয়া হিচাবে যেতিয়া ক্ৰমে এওঁলোকৰ মাজত জাতীয় মুক্তি আন্দোলনে গঢ় লৈ উঠে তেতিয়া এওঁলোকৰ মাজত প্ৰসাদ বিলোৱাৰ দৰে টকা-পইচা বা অন্যান্য সা-সুবিধা বিলাই ভাৰত চৰকাৰে বালিৰ-বান্ধ দিবলৈ আহে। তাত যেতিয়া অবধাৰিতভাবে কাম নিসিজে তেতিয়া সন্ত্ৰাস চলাই যায় বছৰৰ পিছত বছৰ ধৰি। বিদ্ৰোহীসকলক জঘন্য অপৰাধীৰ দৰে ব্যৱহাৰ কৰা হয়। তেওঁলোকৰ আদৰ্শ, বিশ্বাস আৰু লক্ষ্যক কোনো মূল্য দিয়া নহয়।

এইবোৰ 'উপদ্ৰুত অঞ্চল'ত চৰকাৰ আৰু সৈন্যবাহিনীৰ উপদ্ৰব সম্পৰ্কে সাধাৰণ ভাৰতীয় নাগৰিকে ভু নাৰাখে। আমাৰ বহুপ্ৰচাৰিত মাধ্যমবোৰতো এই সম্পৰ্কে শাসক শ্ৰেণীয়ে যোগান দিয়া খবৰৰ বাহিৰে আন কথা নোলায়। কিন্তু গাঁও-ভূঁই জ্বলাই দিয়া, ব্যাপক নাৰীধৰ্ষণ, বিচাৰহীন দণ্ডনীতি তাত অজ্ঞাত নহয়। প্ৰতিবাদ দূৰৰে কথা, স্বাধীনভাৱে ফুৰাচকা কৰাৰ স্বাধীনতাও তাত অবলুপ্ত কৰা হয়। এনেবোৰ পন্থাই বিদ্ৰোহী জাতিৰ মাজত স্বাধীনতাৰ আকাংক্ষা দুগুণে জ্বলাই তোলে।

আগৰ কংগ্ৰেছী চৰকাৰ আৰু মোৰাৰজী দেশাইৰ চৰকাৰৰ শ্ৰেণীগত পাৰ্থক্য নাই। কিন্তু গণতন্ত্ৰৰ জয়ঢোল কোবোৱা নতুন জনতা চৰকাৰৰ মুৰব্বীজনে যি চৰম অহমিকা-সুলভ মন্তব্য দিবলৈ আৰম্ভ কৰিছে--তাৰ পৰা ভাব হয় ইতিহাসৰ সামান্যতম শিক্ষা লবলৈও এওঁলোক নাৰাজ।

জয়প্ৰকাশ প্ৰমুখ্যে দুই এজনে সমতাৰ ভিত্তিত আলাপ আলোচনাৰ মাজেদি বিদ্ৰোহী নেতাসকলৰ লগত বুজা-পৰাত আহিবলৈ দিয়া আহ্বান উল্লেখযোগ্য। প্ৰকৃত মৰ্যাদাৰ ভিত্তিত এনে আলোচনাক আমি আদৰণি জনাম। আন যিয়েই নহওক, স্বেচ্ছাই তেওঁলোকে গ্ৰহণ নকৰা কোনো সমাধানেই শেষপৰ্যন্ত কাৰ্যকৰী নহ'ব। ++

## অসম কাৰ্বন শ্ৰমিক সংঘৰ সংগ্ৰাম

বেচৰকাৰী খণ্ডত প্ৰতিষ্ঠিত অসম কাৰ্বন উদ্যোগৰ শ্ৰমিকসকলে যোৱা প্ৰায় ৫০ দিন ধৰি তেওঁলোকৰ বিভিন্ন দাবীৰ সমৰ্থনত অবিৰত ধৰ্মঘট চলাই আছে। যি অসীম ধৈৰ্য আৰু নিষ্ঠাৰে শ্ৰমিকসকলে তেওঁলোকৰ এই দীৰ্ঘস্থায়ী ধৰ্মঘট পৰিচালনা কৰিছে, অসমৰ শ্ৰমিক আন্দোলনৰ ইতিহাসত ই এক সুস্থ নজীৰ সৃষ্টি কৰিছে।



অসম কাৰ্বন কৰ্তৃপক্ষৰ শ্ৰমিক বিৰোধী নীতিয়েই শ্ৰমিকসকলক ধৰ্মঘটৰ পথলৈ ঠেলি দিছে। জৰুৰীকালীন অবস্থাৰ সুযোগত পূৰ্বৰ পৰা পাই অহা বিভিন্ন ধৰণৰ সুবিধাৰপৰা শ্ৰমিকসকলক বঞ্চিত কৰি ৰখা, কৰ্মী ছাটাই, বোনাছ নিদিয়া আৰু চুক্তিৰ সময় সীমা উকলি যোৱাৰ বাবে দৰমহাৰ নতুন নিৰিখ ধাৰ্য কৰাৰ দাবী আওকাণ কৰাৰ প্ৰতিবাদত তেওঁলোকে আন্দোলনৰ বিভিন্ন পৰ্যায় পাৰ হৈ অৱশেষত যোৱা ১২ আগষ্ট তাৰিখৰ পৰা ২১ দফীয়া দাবীৰ ভিত্তিত অবিৰাম ধৰ্মঘট চলাই গৈছে।

অসম কাৰ্বন ওৱাৰ্কাৰ্ছ এণ্ড এমপ্লইজ ইউনিয়নৰ তৰফৰপৰা ভাৰতৰ প্ৰধান মন্ত্ৰী, উদ্যোগ মন্ত্ৰী, শ্ৰম মন্ত্ৰী, অসমৰ মুখ্য মন্ত্ৰী, শ্ৰমমন্ত্ৰী, শ্ৰম আয়ুক্ত আদিলৈ যি স্মাৰক পত্ৰ দিয়া হৈছে তাত মালিক পক্ষৰ ওপৰত কেতবোৰ গুৰুতৰ অভিযোগ অনা হৈছে। অনিয়মীয়া নিয়োগ নীতি, দৰমহাৰ বৈষম্য, টকা-পইচাৰ লেন-দেনত কেলেংকাৰী, শ্ৰমিকৰ প্ৰতি দুৰ্ব্যৱহাৰ, অন্যায় শ্ৰমনীতি, মেনেজিং ডিৰেক্টৰৰ স্বজন-তোষণ নীতি আদি ভালেমান অভিযোগ তোলা হৈছে। কৰ্তৃপক্ষই এই অভিযোগসমূহৰ যথোচিত উত্তৰ দিব পৰা নাই। এই ক্ষেত্ৰত অসম চৰকাৰৰ হেমাহিয়ে পৰিস্থিতি ক্ৰমে জটিল কৰি তুলিছে। ইতিমধ্যে পুলিছৰ সহায়ত প্ৰশাসনীয় দপ্তৰৰ কাৰ্যালয় খুলিবলৈ কৰা অপচেষ্টাই চৰকাৰে এই ক্ষেত্ৰত লোৱা শ্ৰমিক বিৰোধী মনোভাব স্পষ্ট কৰি তুলিছে।

অসম চৰকাৰৰ এই শ্ৰমিক বিৰোধী ভূমিকাত আমি আচৰিত হোৱা নাই ; আচৰিত হৈছোঁ সৌ সিদিনালৈকে বিশিষ্ট শ্ৰমিক নেতাৰ ভূমিকাত থকা কেন্দ্ৰীয় মন্ত্ৰী জৰ্জ ফাৰ্নান্দেজৰ এই ক্ষেত্ৰত দেখুউৱা শীতল মনোভাব দেখি। প্ৰতিদিনে বাতৰি কাকতত শ্ৰমিক-দৰদী বিবৃতি দিয়াৰ বাহিৰে জনতা চৰকাৰৰ শ্ৰমিকৰ প্ৰতি আন কিবা কৰণীয় আছে বুলি পাহৰি গৈছে।

অসম কাৰ্বন শ্ৰমিকসকলৰ এই বীৰত্বপূৰ্ণ সংগ্ৰামলৈ আমাৰ আন্তৰিক সমৰ্থন আৰু অভিনন্দন জনাইছোঁ। ++

এই আলোচনীত প্ৰকাশিত সকলো প্ৰবন্ধ-পাতিৰ বক্তব্যৰ লগত আমি একমত নহ'বও পাৰোঁ। দৃষ্টি-ভংগী লেখকসকলৰ নিজৰ। সম্পাদকীয় বক্তব্য একান্তভাৱে 'সাম্প্ৰতিক সাময়িকী'ৰ ॥

--সম্পাদক

# সাম্প্ৰতিক সামৰিকী

## সাহিত্য-সংস্কৃতি বিষয়ক মাহেকীয়া আলোচনী

সাম্প্ৰতিক সামৰিকী সাহিত্য সংস্কৃতি বিষয়ক মাহেকীয়া আলোচনী। প্ৰতি ইংৰাজী মাহৰ প্ৰথম সপ্তাহত আলোচনী প্ৰকাশ হয়। জনগণ বিৰোধী কোনো লেখা এই আলোচনীত ছপা নহয়। লেখাৰ ভাষা সাধাৰণ পাঠকৰ বোধগম্য হ'ব লাগিব। ইংৰাজী উদ্ধৃতি যথা-সম্ভৱ বাদ দিব। (এনে উদ্ধৃতি অপৰিহাৰ্য হলে লগত অসমীয়া তৰ্জমা দিব লাগিব।) প্ৰকাশৰ অযোগ্য প্ৰবন্ধ-পাতি লগে লগে নষ্ট কৰি পেলোৱা হয়। লগত ডাক টিকট দিলেও প্ৰবন্ধ-পাতি ঘূৰাই পঠোৱা সম্ভৱ নহয়। লেখকৰ লগত ব্যক্তিগত যোগাযোগ সকলো সময়তে সম্ভৱ নহয়। লেখক নহয়, লেখাৰ গুণাগুণ চাইহে প্ৰবন্ধ-পাতি ছপোৱা হয়।

### গ্ৰাহকসকললৈ নিবেদন ঃ

ডাক-মাচুল সহ বছেৰেকীয়া বৰঙণি ২৪·০০ টকা। সাধাৰণ ডাকত আলোচনী পঠোৱা হয়। সাধাৰণ ডাকত পঠালে আলোচনী হেৰোৱাৰ ভয় থাকে। ৰেজিষ্ট্ৰী ডাকত আলোচনী পঠাবলৈ হলে প্ৰতি সংখ্যাৰ বাবদ গ্ৰাহকে ওপৰঞ্চি ২ টকা পঠাব লাগিব। এবছৰৰ বৰঙণি পঠালে বছৰৰ যিকোনো সময়তে গ্ৰাহক ভুক্ত হ'ব পাৰিব।

### এজেণ্টসকললৈ নিবেদন ঃ

২০ কপিৰ কমে এজেন্সি দিয়া নহয়। প্ৰতি কপি আলোচনীৰ বাবদ ২ টকাকৈ আমানত ধন জমা দিব লাগিব। আলোচনী ভি, পি ডাকত পঠোৱা হয়। ভি, পি খৰছ আমাৰ। এজেন্সি বন্ধ কৰিবলৈ এমাহৰ আগতে আমাক জনাব লাগিব। কোনো স্পষ্ট কাৰণ নেদেখুৱাকৈ ভি, পি পেকেট ঘূৰাই পঠালে এজেন্সি লগে লগে বাতিল কৰা হয়। এজেণ্টসকলক ২৫% কমিছন দিয়া হয়।

ঠিকনা

সাম্প্ৰতিক সামৰিকী ॥ হেদায়ৎপুৰ ॥ গুৱাহাটী ৭৮১০০৩

ফোন ২৭০২৩





# গুৱাহাটী আৰ্টিষ্ট গীল্ডলৈ গৈছিলো

বিশেষ প্ৰতিনিধি

কিছু দিনৰপৰা বাতৰি কাকতত এটি নতুন অনুষ্ঠানৰ বা-বাতৰি সঘনে চকুত পৰি আহিছে। এই অনুষ্ঠানটো হৈছে 'গুৱাহাটী আৰ্টিষ্ট গীল্ড'।

বাতৰি কাকতত গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ বাতৰিবোৰ পঢ়োতে এটি কথাই মনলৈ আহে, আৰ্টিষ্ট মানে ছবি আঁকা শিল্পীৰ গীল্ডো তেন্তে অসমত সম্ভৱ হৈ উঠিল। কথাটো মনলৈ অহাৰ লগে লগে মনৰ এটা কোণ ভৰি উঠে বহুতো নতুন সম্ভাবনাৰে, বহুতো নতুন নতুন আশাৰে। সেইবাবে গীল্ডত এভুমুকি মৰাৰ কথা বহুদিনপৰা ভাবি আছিলোঁ।

গোপীনাথ বৰদলৈ পথত, শিলপুখুৰী বজাৰৰ ওচৰত দঁক্ষিণ দাতিত থকা বহু-দিনীয়া আঁহত গছজোপাৰ বিপৰীতে পোনে পোনে সোমাই যোৱা ঠেক আলিটোৰেদি সোমাই যাওঁতে ভাবিছিলোঁ এতিয়া কাৰোবাক লগ পাম নে বাৰু? কিন্তু পাইছিলোঁ, এজনকে মাথোন নহয় কেবাজনকো।

সেইদিনা গুৱাহাটীত বেছ গৰম পৰিছিল। আৰ্টিষ্ট গীল্ডৰ কাৰ্যালয়ৰ লগতে থকা ষ্টুডিঅ'ত কেবাজনো ডেকাই কামিজ খুলি ছবি এখন সমুখত লৈ কিবা আলচি আছিল। এজনে সুধিছিল 'এইখিনিতে আৰু অলপ ডিপ বং দি দিলে ভাল হ'বনেকি বাৰু ?'

তেনেতে মই মাত দিলো। মোৰ প্ৰথম মাতষাৰ অথলে গ'ল। তেওঁলোক ইমান ছিৰিয়াছ হৈ আছিল যে মোৰ মাতষাৰ শুনাকে নেপালে।

--নালাগে দিয়া এনেকৈয়ে ভাল হৈছে।

শিল্পীসকলৰ ছিৰিয়াছনেছ দেখি আমনি কৰিবৰ মন নাছিল। তথাপি মই আকৌ মাতিলো।


এইবাৰ এজনে মূৰ ঘূৰাই চালে।

—অ' আহক আহক।

এজনে চকী এখন মোৰ ফালে আগবঢ়াই দিলে। মই কোঠাটোৰ চাৰিওফালে চকু ফুৰালোঁ। বিশৃংখল হৈ পৰি আছে বহুটো ৰঙৰ টিং, সৰু ডাঙৰ তুলিকা, আধা আঁকা বা সম্পূৰ্ণ পেইন্টিং স্কেছ। সিটো চুকত কিছুমান ফ্ৰেম বনাই থোৱা কেনভাছ। সেই সৰু কোঠাটোতে যেন বিশ্বব্ৰহ্মাণ্ডখনৰ এফাল সোমাই আছে। বিশ্বব্ৰহ্মাণ্ড নহয়নো কি? এইখন গুৱাহাটীৰ ফাঁচীবজাৰৰ স্কেছ, সেইখন কাহিলিপাৰাৰ লেণ্ডস্কেপ, ইখন অভাৱগ্ৰস্তা



OKDISCD



শিশু-চিত্ৰকলা কেন্দ্ৰ উদ্বোধনত প্ৰবীণ শিল্পী শ্ৰীযুগল দাস।

আশ্ৰয়হীনা নাৰীৰ ছবি, সেইখনত এটা ছাগলীয়ে মূৰ দাঙি ঘাঁহ খাইছে, তাৰ সিফালৰ খনত আকৌ এটা বাওনা, তাৰ সিফালৰ খনত এজনৰ ছেল্ফ পোট্ৰেইট আৰু বহুত ছবি। বহুত। কিছুমান সম্পূৰ্ণ, কিছুমান অৰ্ধসমাপ্ত, কিছুমানৰ মাত্ৰ ড্ৰইংটোহে হৈছে, কিছুমানত দুটামান আঁক।

ছবিবোৰ চাই চাই মই বোধহয় অলপ অভিভূত হৈ পৰিছিলো। মনত পৰিছিল সৰুতে পঢ়া কবিতা এফাকিলৈ--'সদায় চকুৰে দেখা গছ পাতটিও ছবি হ'লে ভাল হৈ পৰে' আৰু মনত পৰিছিল 'artists are nearer to God' বোলা কথাষাৰলৈ।


গীল্ডৰ সাধাৰণ সম্পাদক শ্ৰীননী বৰপূজাৰীয়ে তামোল এখন আগবঢ়াই দিলে। মই লাহেকৈ সুধিলো, বৰ্তমান আপোনালোকৰ একটিভ মেম্বাৰ কেইজন ?

--বৰ্তমান আমাৰ প্ৰেক্টিছ আৰ্টিষ্ট মেম্বাৰ ১৬ জন।

--বাৰু আপোনালোকে যে এই বিশেষ ৱৰ্কশ্বপটো কৰিলে তাৰ উদ্দেশ্য কি ?

--আমাৰ মূল উদ্দেশ্যটো হ'ল সমূহীয়াভাবে একে সময়তে কিছু ভাল, মানে সুস্থ ছবি সৃষ্টি কৰা। ইয়াৰ অৰ্থ এইটো নহয় যে আন সময়ত আমি ছবি নাআঁকো। একে লগে বহি সকলোৱে কামত ধৰিলে এটা টিম স্পিৰিট পোৱা যায় আৰু লগে লগে ছবিৰ বিষয়বস্তু আৰু তাৰ ট্ৰিট্মেন্টৰ বিষয়েও আলোচনা কৰিব পাৰি। এই ধৰক, মই এইটো বিষয় লৈছোঁ, তেওঁ সেইখন ধৰিছে।





ড্ৰইং আৰু স্কেছৰ প্ৰদৰ্শনী গুৱাহাটীৰ ৰাজ্যিক আৰ্ট গেলেৰীত মুকলি কৰে ডঃ হীৰেন গোহাঁয়ে।

--আচ্ছা, ছবি আঁকা, কবিতা লেখা এইবোৰ কামতো মানুহে অকলেই কৰিব পাৰে। তেনেস্থলত আপোনালোকে গীল্ড এটা গঠন কৰাৰ কথা ভাবিলে কিয় ?

--পাৰি, অকলেও কৰিব পাৰি। কিন্তু সমূহীয়া প্ৰচেষ্টাৰ কথাটো অধিক গুৰুত্বপূৰ্ণ। জানেইতো বৰ্তমানলৈকে আমাৰ শিক্ষিত সমাজতো চিত্ৰ শিল্পই যথোচিত সমাদৰ লাভ কৰিব পৰা নাই। আমাৰ সমাজত প্ৰকৃত চিত্ৰশিল্পনো কি তাৰেই এটা সম্যক ধ্যান-ধাৰণা সৃষ্টি হোৱা নাই। এতিয়ালৈকে আমাৰ সমাজত জনতা চাবোনৰ লেবেলৰ ছবিখন আৰু কেনভাছত আঁকা সৌ লেণ্ডস্কেপখনৰ পাৰ্থক্যনো কি তাৰো যথাৰ্থ বিচাৰ হোৱা নাই। গতিকে ছবি আঁকাৰ লগে লগে অসমত এটা art movement গঢ়ি তোলাই আমাৰ মূল উদ্দেশ্য। কিন্তু এই কাম কেৱল ব্যক্তিগত প্ৰচেষ্টাৰে সম্ভৱ নহয়।

গীল্ডৰ সম্পাদক আৰু অন্যান্য সদস্যসকলৰ লগত কথা-বতৰা হৈ জানিব পাৰিলোঁ তেওঁলোকৰ এক দীৰ্ঘম্যাদী কাৰ্যসূচী আছে। চিত্ৰ তাংকনৰ লগে লগে সিবিলাকক মানুহৰ মাজলৈ লৈ যোৱাৰ বাবেও গীল্ডে কাৰ্যসূচী প্ৰস্তুত কৰিছে। তাৰ প্ৰথম পৰ্যায় হিচাবে যোৱা জুন মাহত ৰাজ্যিক আৰ্ট গেলেৰীত ড্ৰইং আৰু স্কেছৰ এখন তিনিদিনীয়া প্ৰদৰ্শনী অনুষ্ঠিত কৰে। ড্ৰইং আৰু স্কেছ চিত্ৰশিল্পৰ প্ৰথম ধাৰা বাবেই পোনতে পেইন্টিঙৰ প্ৰদৰ্শনী নকৰি এই প্ৰদৰ্শনীখনৰ আয়োজন কৰাটো গীল্ডৰ দূৰদৰ্শিতাৰ পৰিচায়ক। অৱশ্যে এই অক্টোবৰ মাহতে পেইন্টিঙৰ প্ৰদৰ্শনী এখনো গীল্ডে



OKDISC

গুৱাহাটীত কৰিব । এইদৰে তেওঁলোকে সমাজত ছবিৰ প্ৰতি এটা পদ্ধতিগত ৰুচি গঢ়ি তুলিব বিচাৰে ।

অসমৰ বাহিৰেও ভাৰতৰ অন্যান্য ঠাইত চিত্ৰ প্ৰদৰ্শনী উপস্থাপনৰ কাৰ্যসূচীও গীল্ডে হাতত লৈছে । তাৰে প্ৰথম পৰ্যায় হিচাবে এই বছৰ নতুন দিল্লী আৰু কলিকতাত প্ৰদৰ্শনী পাতিব । ইতিমধ্যে যোৱা চেপ্তেম্বৰত ছিলঙৰ পাৰ্বত্য বিশ্ববিদ্যালয়ত এই পৰ্যায়ৰ প্ৰথম খন প্ৰদৰ্শনী অনুষ্ঠিত হৈ গৈছে । অহা জানুৱাৰী মাহত নতুন দিল্লী আৰু কলিকতাত বাকী দুখন প্ৰদৰ্শনী হ'ব । পিছত ভাৰতৰ অন্যান্য ঠাইত প্ৰদৰ্শনী পতাৰো চিন্তা কৰিছে ।

আৰ্টিষ্ট গীল্ডে কেৱল ছবি অঁকা আৰু সেই ছবিবোৰৰ প্ৰদৰ্শনীৰ আয়োজন কৰিয়েই কিন্তু ক্ষান্ত থকা নাই । তাৰ লগে লগে নতুন শিল্পীৰ সৃষ্টি কৰাৰ বাবেও কাৰ্যকৰী ব্যৱস্থা হাতত লৈছে । সপ্তাহত দুদিনকৈ গীল্ডৰ ষ্টুডিঅ'ত ছবি অঁকাও শিকাইছে । বৰ্তমান ৩৫ জন ছাত্ৰ-ছাত্ৰীয়ে তাত নিয়মীয়াকৈ প্ৰশিক্ষণ লৈছে । গীল্ডৰ কাৰ্যসূচী দেখি আনন্দ পালোঁ । লগে লগে প্ৰায় আচৰিতো হ'লো মাত্ৰ এটা বছৰৰ ভিতৰতে ইমানবোৰ কাম সফলতাৰে কৰি পেলোৱা দেখি । নহ'মনো কিয় ? জন্ম কেতিয়া ? ১৯৭৬ চনৰ ১১ জুলাইৰ দিনা । ১৯৭৬ চনৰ জুলাইত গঠন হোৱা গীল্ডৰ সেই বছৰৰে নবেম্বৰৰপৰা আৰ্ট ক্লাছ । এবছৰৰ পিছতে ৰাজ্যৰ বাহিৰতো চিত্ৰপ্ৰদৰ্শনীৰ আয়োজন ! হঠাতে মোৰ মনত প্ৰশ্ন হ'ল । গীল্ড চলিছে কেনেকৈ ? কথাটো সুধি পেলালো ।

--আপোনালোকে চৰকাৰৰপৰা কিবা সাহায্য পাইছেনেকি ?

--নাই--আমি এতিয়ালৈকে কাৰোপৰা আৰ্থিক সাহায্য পোৱা নাই । যি খৰছ পাতিব আৱশ্যক নিজেই কাম কৰি চলাই আছোঁ ।

অৰ্থাৎ বৰ্তমান আমাৰ যি ব্যাৱহাৰিক কলা-চৰ্চা চলি আছে তাক এটা বিশিষ্ট মানদণ্ড দিবলৈ যত্ন কৰিছোঁ, যাতে তাৰপৰা আমাৰ আৱশ্যকীয় খৰছ পাতি যোগাৰ



ছিলঙৰ উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ত পতা গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ চিত্ৰপ্ৰদৰ্শনী।



হোৱাৰ লগে লগে আমাৰ ব্যাৱহাৰিক কলা শিল্পইও এটা বিশিষ্ট ৰুচিপূৰ্ণ মানদণ্ড লাভ কৰে । ধৰক আমি ৰুচিপূৰ্ণ কিতাপৰ বেটুপাত, আভ্যন্তৰীণ সাজ সজ্জা, ৰুচিপূৰ্ণ প'ষ্টাৰ ইত্যাদিৰ কাম কৰিছোঁ । আমাৰ দৃঢ় বিশ্বাস এনেধৰণৰ কাম কৰাৰ লগে লগে ছিৰিয়াছ কামো কৰিব পাৰিছোঁ । আমি বহুত পৰিকল্পনা কৰিছোঁ যেনে--এখন artists' colony পতাৰ । সেই কলনীত থাকিব আৰ্ট মিউজিয়াম । তাত আমি দেশ বিদেশৰ শিল্পকৰ্ম সংৰক্ষণ কৰিম । তাত থাকিব প্ৰশিক্ষণৰ ব্যৱস্থা; আমাৰ পিছৰ 'জেনেৰেছনে' তাত ছবি আঁকিবলৈ শিকিব পাৰিব । তাত থাকিব সুন্দৰ এটা আৰ্ট গেলেৰী, মুঠতে আমাৰ গীল্ডৰ যোগেদি অসমত আমি এটা আৰ্ট মুভমেণ্ট গঢ়ি তুলিব খোজোঁ, সুস্থ, নিকা, সংস্কৃত শিল্প চৰ্চাৰ পৰিবেশ গঢ়ি তুলিব খোজোঁ । তাৰ লগে লগে আমি অন্যান্য সাংস্কৃতিক দিশৰ বিকাশতো আমাৰ ফালৰপৰা সম্ভৱ সকলো ধৰণৰ সহযোগিতা আগবঢ়াম ।

জীৱনৰ দুই এটা দিনৰ কথা বহুদিনলৈ মনত থাকে । সেইদিনটোৰ কথাও মোৰ মনত থাকিব । মনত থাকিব পথেকজোৱা আৰ্টিষ্ট গীল্ডৰ ৱৰ্কশ্বপত এভুমুকি মৰাৰ কথা । আৰ্টিষ্ট গীল্ডৰ ৱৰ্কশ্বপত দেখা ব্ৰহ্মাণ্ডখনৰ কথা । লগতে মনত থাকিব যে ৱাল্ ফ ফকৰ দৰে গীল্ডেও উপলব্ধি কৰিছে, 'সংস্কৃতি কেৱল নন্দনতাত্ত্বিক ধ্যান ধাৰণাৰ বস্তু নহয়, ইয়াক আমি জীয়াই থকাৰ বাবেও কামত প্ৰয়োগ কৰোঁ । ++


# মনত ৰাখিব ঃ

* সকলো পাপকাৰ্য্য আৰু দুস্কৃতিৰ মূলতে মদ ।
* সুৰা সেৱন কৰা লোকৰ সঙ্গ ত্যাগ কৰক ।
* মাদক দ্ৰব্যই চৰিত্ৰ আৰু স্বাস্থ্যৰ অৱনতি ঘটায় ।
* খন্তেকীয়া সুৰাপানৰ আনন্দই চিৰ অশান্তি আনে ।
* পুৰুষে মদ খায়, তিৰোতাই কষ্ট ভোগে ।
* সুৰাপায়ী লোকক কোনো দায়িত্বশীল সম্মানিত আসনত ৰখা উচিত নহয় ।
* চিকিৎসক সকলৰ মতে মদে শৰীৰত ৩৫ বিধ ৰোগৰ সৃষ্টি কৰে ।

গতিকে ঃ সমাজৰ পৰা মদ ৰৰবিহ নিৰ্মূল কৰক

ৰাজ্যিক মাদকদ্ৰব্য নিবাৰণী পৰিষদৰ প্ৰচাৰ বিভাগৰ দ্বাৰা প্ৰচাৰিত, গুৱাহাটী—৩

## কেৰিল'ক ভয় কৰে কোনে ?

প্ৰদীপ আচাৰ্য

ক্ৰেমলিনে। এই ভীতি কিন্তু অহেতুক নহয়। অতিৰঞ্জিতো নহয়। ক্ৰেমলিনৰ ৰোষত পৰি লেখক হিচাবে কেৰিল' তৰি গলেও প্ৰাভ্‌দা আৰু নিউ টাইম্‌ছে স্পেইনৰ কমিউনিষ্ট পাৰ্টিক বিচ্ছিন্ন কৰি তুলিবলৈ আপ্ৰাণ চেষ্টা চলাইছে আৰু আংশিকভাবে সমৰ্থও হৈছে। স্পেইনৰ কমিউনিষ্ট পাৰ্টিৰ সাধাৰণ সম্পাদক চান্টিয়াগো কেৰিল'ৰ খৰখেদাকৈ লিখি উলিওৱা নিৰ্বাচনী পেম্পলেট 'ইউৰোকমিউনিজম এণ্ড দা ষ্টেট'ক মস্কোৰ 'নিউ টাইমছ্‌' পত্ৰিকাত কৰা বিষোদ্‌গাৰে প্ৰায় 'বেষ্টছেলাৰ'ৰ পৰ্যায়লৈ লৈ গৈছে।

এই পুস্তিকাৰ মতে ৰুছ পদ্ধতিত আদৰ্শ সমাজতান্ত্ৰিক ৰাষ্ট্ৰ প্ৰতিষ্ঠিত হ'ব নোৱাৰে। কেৰিল'ৰ মতে 'Highly Industrialised' ইউৰোপৰ ঐতিহাসিক পৰিস্থিতি প্ৰাক্‌ বিপ্লব কালৰ ৰুছ দেশৰ পৰিস্থিতিতকৈ গুণগত ভাবেই বেলেগ। সেয়েহে পশ্চিম ইউৰোপত সমাজতন্ত্ৰ প্ৰতিষ্ঠাপনৰ কাৰণে বেলেগ পদ্ধতিৰ আবশ্যক। কেৰিল'ৰ মতে সেয়া সাধাৰণ নিৰ্বাচন আৰু পাৰ্লামেণ্টেৰী পদ্ধতিৰেই সম্ভৱ। নিৰ্বাচনত বিজয়ী হৈ ক্ষমতাত অধিষ্ঠিত হোৱাৰ পিছত পুনৰ নিৰ্বাচনত হাৰিলে জনসাধাৰণৰ ৰায় মানি ললেই হ'ল। কেৰিল'ৰ মতে ইতিমধ্যেই সমাজতন্ত্ৰৰ ফালে আগবঢ়া পুঁজিবাদী ৰাষ্ট্ৰসমূহ কেৱল ইউৰো কমিউনিষ্টৰ বুঢ়াৰ হেচুকনীলৈহে ৰৈ আছে। মস্কোৱে এনেধৰণৰ বহুকেন্দ্ৰবাদী বিচ্যুতি বৰদাস্ত নকৰে আৰু সৰ্বহাৰাৰ একনায়কত্ববাদৰ কথা আকৌ সকিয়াই জনাই দিয়ে। ৰুছ অভিজ্ঞতাৰ অদৰকাৰিতাৰ অভিযোগেৰেই কেৰিল'ই আচলতে মস্কোৰ খং তুলিব পাৰিছে যদিও তেওঁ ৰুছ দেশৰ ভুলৰ পৰা বহুতো শিকিব লগা আছে বুলি কয়।

স্পেইনৰ কমিউনিষ্ট পাৰ্টি ইটালী বা ফ্ৰান্সৰ পাৰ্টিতকৈ বহু দুৰ্বল। ইটালী আৰু ফ্ৰান্সত শক্তিশালী দল দুটাক পোনপটিয়াকৈ আক্ৰমণ কৰিব নোৱাৰি মস্কোৱে কেৰিল'ৰ যোগেদি এই দুই শক্তিশালী কমিউনিষ্ট পাৰ্টিকহে গুৱাল গালি পাৰিছে। ইউৰোকমিউনিজমৰ মূল সূত্ৰ স্বৰূপ জাতীয়তাবাদৰ প্ৰতি পশ্চিম ইউৰোপীয় প্ৰায় সকলো দলেই আকৃষ্ট, হাংগেৰী আৰু পোলেণ্ডকে ধৰি। নিউ টাইমছ্‌ আৰু প্ৰাভ্‌দাত প্ৰকাশিত প্ৰবন্ধ ৰাজিয়ে ইউৰোকমিউনিজমৰ লগত দৃষ্টিকটু হলি গলিত কৰা কিছু পূৰ্ব ইউৰোপীয় মিত্ৰ দেশক কাবু কৰাৰ মত্‌লব প্ৰকট। পোলেণ্ড আৰু হাংগেৰীয়ে মস্কোৰ লগত কিছু অনিচ্ছাসত্বেও সুৰ মিলোৱা দেখা গৈছে। হাংগেৰীৰ দলীয় নেতা জেনাছ কাদৰে এই লৈ দৰকাৰতকৈ বেছি হাল্লা কৰা হৈছে বুলি কয় আৰু ইউৰোকমিউনিজমৰ বিষয়ে তেওঁ ৰাজহুৱা সভাত কৰা মন্তব্যক নিতান্তই ব্যক্তিগত বুলি কয়। কিন্তু যি কোনো ৰাজনৈতিক, বিশেষকৈ এনে আদৰ্শগত সমস্যাত ব্যক্তিগত মতামতৰ অহংকাৰৰ অবকাশ নাই। পোলেণ্ডৰ মতে পশ্চিম ইউৰোপৰ লগত তেওঁলোকৰ সাংস্কৃতিক যোগসূত্ৰ অধিক পুৰণি হোৱাত মস্কোৰ লগত থকা কুমলীয়া ৰাজনৈতিক যোগসূত্ৰতকৈ পশ্চিম ইউৰোপৰ সুদীৰ্ঘ গণতান্ত্ৰিক ঐতিহ্যৰ প্ৰতি আকৃষ্ট হোৱাটো বৰ অস্বাভাবিক নহয়। চেক'শ্লোভাকিয়া আৰু বহিৰ্মংগোলিয়াইও মস্কোৰ পথ অনুকৰণ কৰিলেও নিউ টাইম্‌ছৰ প্ৰবন্ধই কোনো মতামত নিদিয়াকৈহে প্ৰকাশ কৰিছিল।

সৰ্বশেষত টিটোৰ বিশ্ব কমিউনিজমৰ কথা শুনোতে আমি মনত ৰখা উচিত যে চীন আৰু ৰুছ দেশৰ আদৰ্শগত বিবাদ আৰম্ভ হোৱাৰ আগতে ৰুছদেশেই নেতৃস্থানীয় কমিউনিষ্ট পাৰ্টি আছিল। তাৰপিচত এফালে ৰাছিয়া আৰু আনফালে চীন, এতিয়া এটা তৃতীয় শক্তিৰ আবিৰ্ভাব হৈছে, সেয়ে হ'ল ইউৰোকমিউনিষ্টসকল। কেৰিল'ই দাবী কৰা মতে যদি ইউৰোকমিউনিজমৰ বক্তব্য কৌশলগত নহয় নীতিগতহে তেন্তে ই নিশ্চয় চিন্তাৰ বিষয়। মাৰ্কিণ ৰাষ্ট্ৰ সচিব ছাইৰাছ ভেন্সে চিন্তা কৰিছেই। তেওঁৰ মতে ইউৰোকমিউনিজমে নাটো ( Nato )তকৈয়ো বেছি সমস্যাৰ সৃষ্টি কৰিব পাৰে।

এই সমস্ত ঘটনাৰ পৰিপ্ৰেক্ষিতত প্ৰেছিডেন্ট টিটোৰ ৰুছ আৰু চীন যাত্ৰা খুবেই উল্লেখযোগ্য। তেওঁ ৰাছিয়ালৈ গৈ ব্ৰেজনেভৰ টুটি অহা প্ৰভাব কিছু বঢ়ালে। আৰু ১৯৭৬ চনৰ বাৰ্লিন অধিবেশন, বৰ্তমান ইউৰো-কমিউনিজম এই চৱৰে পৰিপ্ৰেক্ষিতত পাৰস্পৰিক স্বাধীনতা আৰু আভ্যন্তৰীণ সমস্যাত হস্তক্ষেপ নকৰাৰ চুক্তিৰে যুটীয়া বিবৃতিত চহী কৰাটো উল্লেখযোগ্য। তেওঁ চীনলৈ যোৱাত আৰু চীনৰ টিটোৰ প্ৰতি যি মতিগতি তাত আলবেনিয়া অসন্তুষ্ট হৈছে। টিটোৱে চীন আৰু ৰুছ দেশৰ মাজত মিলাপ্ৰীতিৰ চেষ্টা কৰিব নেকি ? আৰু কৰিলে সক্ষম হ'ব নেকি ? ৰাজনৈতিক মহলত এই দুটাই এতিয়া আটাইতকৈ দৰকাৰী প্ৰশ্ন। ++

নাটক-অভিনয় আৰু পৰিচালনা

প্ৰগতিশীল নাট্য আন্দোলনৰ কৰ্মীসকলৰ বাবে এখন অপৰিহাৰ্য আলোচনী।
যোগাযোগ কৰক ঃ পুলিন বৰঠাকুৰ, সম্পাদক ঃ 'ক-খ-গ'
চাৰিআলি-৭৮৪১৭৬

OKDISCD

# কবিতা

## চিলনীৰ সাধু/নলিনীধৰ ভট্টাচাৰ্য

আমাক অবাক কৰি
শৰশয্যা ল'লে চিলনীয়ে
তথাপিও শুনো তাৰ গান
আকাশে-বতাহে
গানে তাৰ
ফুলালে মাথোন দেশে—দেশে
বাজীফুল জীয়া বিৰিখত ;

ৰক্তবীজ চিলনী যে মৰি মৰি জী উঠে
এইবাৰ জানিলোঁ সঁচাই ;
পৃথিবীৰ বহু ওপৰত উৰি উৰি থপিয়ায়
ঘামে-তিতা সহস্ৰ হাতৰ মাংস
শূইনত সাজে তাৰে বিলাসৰ নীড় ;

আমাক অবাক কৰা চিলনীৰ সাধ
ইতিহাসে যুগে যুগে শুনালে আমাক ঃ
চিলনীৰ শৰশয্যা ঘেৰি
শগুণৰ কুৎসিৎ আৰাও
তথাপিও
বঢ়ায় লোভৰ হাত, বহুত ওখৰ পৰা
নিৰ্বিকাৰ হৈ চাই ৰয়
পৃথিবীৰ দেৱালত ক্ষুধাৰ পোষ্টাৰ।

তোমাক প্ৰণাম ইতিহাস, তুমিতো জীৱন্ত
দেখুৱালা ক্ৰমাগত শেষ হৈ অহা
মৃত্যুৰ এন্ধাৰ ;
দেখিছো প্ৰত্যয় নামে পৃথিবীৰ মানুহৰ
শিবিৰে শিবিৰে, ফুলগুৰি—পথৰুঘাটৰ তেজ লৈ
হমুনিয়া হ'ল আজি চিক্ মিক্ চোকা হাতিয়াৰ
চোঁ মৰা চিলনীৰ লুণ্ঠনক
একেবাৰে কবৰ দিয়াৰ। ++

## কবৰৰ কণ্ঠ/দিলীপ তালুকদাৰ

অনেক দিনৰ নীৰবতাৰ পিছত
আজি উমান পালো
জ্বলন্ত শব্দৰ উৎস
শীৰ্ণ শিৰে শিৰে
মগজুৰ তাঁৰলৈ প্ৰবাহিত
হে মোৰ বাঞ্ছিত শব্দ
প্ৰাচীন নিশব্দতাৰ কবৰত
হৃদয় কঠিন কৰা
তোমাৰ স্পৰ্শৰ বিশালতা
আৰু সত্বা ?
প্ৰজ্বলিত লোহাৰ দৰে
অন্ধকাৰ গহ্বৰতো জ্বলি ৰক
তোমাৰ তেজাল অস্তিত্বত। ++

## ভাইলৈ/নগেন শইকীয়া

মোৰ ভিতৰত এখন যুদ্ধ চলিছে
প্ৰতিনিয়ত
অস্ত্ৰৰ ঝন্ঝননিত
সুলকি পৰা শব্দৰ শৃংখল
শব্দ নাই
এটাও শব্দ নাই
নিস্তব্ধতাৰ মাজত ওপঙি থাকে
এখন মুখ ঃ
ফুলৰ দৰে কোমল
তীখাৰ দৰে কঠিন
মোৰ ভাই এটিৰ মুখ
শাণিত ক্ৰোধ আৰু
অশ্ৰু বিগলিত হিয়াৰে।
তাক তোমালোকে ভুল নুবুজিবা।

সি মোৰ ভদ্ৰ অক্ষমতাৰ
অহংকাৰ ভাঙি
এখন নিচান উৰাব খোজে।
উৰি থাকক
উৰি থাকক। ++

পৰেশ কলিতাৰ নিৰ্দেশত ডেকা ল'ৰাকেইজনে নঙলামুখত শুদা গাৰে গামোচা এখন পিন্ধি থকা নৰেশ্বৰৰ ওচৰ চাপি আহিল। কলিতাপাৰা আৰু কুমাৰপাৰা--এই দুটা চুবুৰীৰ ভোট দিব পৰা মানুহৰ সংখ্যা সিহঁতে জানে। এতিয়া কথা হ'ল, নৰেশ্বৰে গোঁসাইহঁতৰ পুৰণি চিনাকি আৰু মিত্ৰ মানহ হিচাপে নিজৰ যৎসামান্য প্ৰভাৱ খটুৱাই ভোটখিনি পোৱাৰ ব্যৱস্থা কৰি দিব লাগে। নৰেশ্বৰে মনে মনে গুনি গ'ল। মনত পৰিল--পঞ্চায়তৰ নতুন নিৰ্বাচন আহি পালেহি। আগতে এই বিষয়ে শুনিলেও চাউল এমুঠি যোগাৰ নোহোৱা অৱস্থাত ইলেক্‌চনৰ প্ৰতি সিঁহতৰ উৎসাহ আৰু আগ্ৰহ নোহোৱা হৈ আহিছে। গাঁওখনৰ সৰহ ভাগেই এইবিলাক খাবলৈ পোৱা ভদ্ৰলোকৰ অৰ্থহীন কাম বুলিয়েই ভাৱে। কাগজত চাব মাৰিলেই সিঁহত ডাঙৰ মানুহ হৈ যাব নোৱাৰে। দৰিদ্ৰ যি দৰিদ্ৰই। অন্ততঃ সিঁহতে কেতিয়াও দৰিদ্ৰ এজনক পঞ্চায়তৰ প্ৰেছিডেন্ট, এম, এল, এ আদিৰ দৰে ডাঙৰ মানুহ হোৱা দেখা নাই।

"ঐ নৰেশ্বৰ, আমাৰ দেখোন খবৰ চবৰ নোলোৱাই হলি"---মাতত বেছ আন্তৰিকতা সানি জনাৰ্দন গোঁসায়ে ক'লে আৰু নৰেশ্বৰৰ কাষ চাপি আহিল, "তহঁতৰ ওপৰতে ভাৰসা। পুৰণি বন্ধু মানুহ। চাকৰ-মালিকৰ সম্পৰ্কৰ কথা নহয়, তিনিপুৰুষৰ আত্মীয়তা। তোৰ বিপদৰ সময়ত শক্তিয়ে আঁতেমানে সহায় কৰিলোঁ। এতিয়া মোকো অলপ সহায় কৰ"। "আমিনো আৰু কি---" নৰেশ্বৰে অস্ফুটস্বৰে কলে। গোঁসাইৰ কথাৰ তাৎপৰ্য সি ঠিকেই বুজিছিল। এই ডাঙৰ মানুহবোৰে নিজৰ স্বাৰ্থত বিনয়ৰ অৱতাৰ হৈ যাব পাৰে!

"অন্য সহায় নালাগে। কেৱল তহঁতৰ এই চুবুৰীটো আৰু শহৰেৰহঁতৰ চুবুৰীটোৰ এই আটৈশ ভোট যদি পাওঁ বৰ ডাঙৰ সহায় হ'ব। তইতো পুৰণি মিত্ৰ মানুহ------আৰু তোৰ কথাও ইহঁতে শুনে, গতিকে---" গোঁসায়ে ক'লে।

ঠিকাদাৰে নৰেশ্বৰৰ বৰপুতেক মহেন্দ্ৰৰ ফালে চাই ক'লে, "ইহঁত ডেকামখাইও খাটি মেলি দিব পাৰে। কাম কাজো নাই, দিনটোত দুই চাৰিটকা বা ভাত এসাজ পালেও বহুত।"

নৰেশ্বৰে মহেন্দ্ৰ আৰু কিছু আঁতৰত থিয় হৈ থকা ডেকাকেইটাৰ ফালে চাই হুমুনিয়াহ কাঢ়িলে। ডেকা ল'ৰাৰ চেহেৰা! এসময়ৰ পেশীবহুল দেহাত এতিয়া হাড় লেখিব পাৰি। ডেকাল'ৰা দপ্‌দপাই ফুৰিব লাগে---হাল মাৰি, খেতি বাতি কৰি। পিছে খেতি কৰিবলৈ মাটি ক'ত? বিছঘৰ মানুহৰ ভিতৰত দুঘৰ নে তিনিঘৰৰহে ভেঁটিৰ মাটিৰ বাহিৰে খেতি-মাটি কেই-বিঘামান আছে। আগৰে পৰাই আধিয়া খোৱা মানুহ--হয় জনাৰ্দন গোঁসাই, নহয় ঠিকাদাৰৰ মাটি। আজি কালি গাওঁবুঢ়াইও মাটি আধিলৈ দিয়ে। নতুন আইন হ'লত মাটিবোৰ পুতেকহঁতৰ নামত লিখাই ললে। পুতেকহঁতেও আধিলৈ দিয়াতকৈ ট্ৰেক্‌টৰ আনি বনুৱা লগাই নিজে খেতি কৰা ভাল বুলি ভাবিলে। কিন্তু মাটি হ'ল এহালিচা অ'ত, এহালিচা ত'ত। সেয়েহে বাধ্য হৈ কিছুমাটি আধিলৈ দিবলগীয়া হৈছে। এইবাৰ বতৰ খৰাং হোৱাত খেতি উছন গ'ল। মালিকক দি বোৱা ধানেৰে তিনিমাহেই নগ'ল। তেতিয়াৰে পৰা সৰহভাগে দিন মজুৰী কৰি চলি আছিল। পিছে আজিকালি চবৰে একে অৱস্থা, কোনেনো বনুৱা ৰাখি কাম কৰে! মাটি থকা কিয়ৰেও টানৰ দিনত কম দামতে ধানবোৰ বেচি দিয়ে যজ্ঞ মহাজন, ৰথীন বেপাৰীহঁতৰ ওচৰত। এতিয়া সিহঁতেই চাৰিগুণ দামত বেপাৰীৰ পৰা সেই একে ধানকে কিনিব লাগে। দিনকাল উলটিল-- নৰেশ্বৰে ভাবিলে। হঠাৎ চমকি উঠি গোঁসাইহঁতৰ উপস্থিতিৰ প্ৰতি সচেতন হ'ল। লাহে লাহে তাৰ খং উঠিল। ক'ত দুবেলা দুসাজ খাই থকাৰ উপায় দিব, ইহঁত আহিছে ভোট কিনি দেশ



চলাবলৈ। ৰাজপাটখন লাগে ঠিকেই, লাগিলে প্ৰজা নাখাই মৰক। কাৰো মুখলৈ নোচোৱাকৈ দ্বিধাজড়িত মাতেৰে অৱশেষত সি ক'লে,--"ডেকাহঁতক কথা শুনোৱাই টান। আমি বুঢ়াবোৰক ভাৰসা কৰিব পাৰে। ইহঁতে জন্মৰ পৰাই একোকে পোৱা নাই--শিক্ষা-দীক্ষাৰ কথা নকৰেঁই, এমুঠি ভাতো ঠিকমতে খাব পৰা নাই। এতিয়া অনবৰত খঙতেই থাকে. ভোট-ইলেক্‌চনৰ কথা ওলালেই খেঙখেঙাই উঠে। আমাৰ মহেন্দ্ৰলৈকে চকচোন---" নৰেশ্বৰে ম্লান দৃষ্টিৰে পুতেকৰ ফালে চাই অবিৰাম কাহিবলৈ ধৰিলে। শেষত কাহৰ কোবত ৰ'ব নোৱাৰি নঙলাৰ খুটাটোত ধৰি লাহে লাহে মাটিত বহি ভীষণ কষ্টৰে কফখিনি উলিয়াই গোঁসাইহঁতৰ আগতে পেলালে!

অনিচ্ছাসত্বেও জনাৰ্দন গোসাঁইৰ জোঙা নাকটো কিঞ্চিৎ কোঁচ খোৱা দেখা গ'ল। পিচে তেওঁ কামৰ মানুহ, গতিকেই যিমান সম্ভৱ কোমল কিন্তু দৃঢ় মাতেৰে নৰেশ্বৰক উদ্দেশ্য কৰি আটায়ে শুনাকৈ ক'লে, "হওঁতে তুমি ঠিকেই কৈছা। আমাৰ দিনতেই দিনকাল ওলোটা হোৱা দেখিলোঁ। পিছে মানুহে নিজে নিজৰ ব্যৱস্থা নকৰিলে জানো দুখৰ ওৰ পৰে? ডেকা মানুহ, কাম-কাজ নাই, মনবোৰ তিক্ত হ'বই। মোৰ মাজু ল'ৰাটো, এই কলেজত পঢ়ে যে সিয়েই নহয়----" এই বুলি তেওঁ ঠিকাদাৰলৈ চালে। ঠিকাদাৰে বিনয়েৰে মিচিকিয়াই মূৰটো লৰালে। তেওঁ ভালকৈ জানে যে গোঁসাইৰ কলেজীয়া পুত্ৰই এতিয়ালৈকে দুবাৰ বাপেকৰ গাড়ী লৈ এম এল এ জাতীয় লোকৰ কন্যা-সন্তানৰ সতে উধাও হোৱাৰ ৰেকৰ্ড কৰিছে।

গোঁসায়ে পুনৰ আৰম্ভ কৰিলে, "নৰেশ্বৰ, তোক এইবোৰ কোৱাৰ কাৰণ আছে। তহঁতৰ খবৰ কিবা নোপোৱাকৈ আছোনে, পাইছো। অস্ অস্ অস্ মানুহবোৰৰ কি বিলৈ নহৈছে!" গোঁসাইয়ে পকেটৰ পৰা চেন্টসনা ৰুমাল উলিয়াই সেমেকা চকুহাল মচি মচি থোকা থুকি মাতেৰে কৈ গ'ল, "সেই কাৰণতেইতো আহিছো, বোপাইহঁত। মই কথা দিলো যেনেকৈ পাৰো সহায় কৰিম। এতিয়া আটায়ে মোৰ কাৰণে অলপ লাগি দিলে অন্ততঃ চাউল-নিমখৰ খৰচ খিনিতো ওলাব। আৰু ভগৱন্তৰ কৃপাত জিকিব পাৰিলেতো-----।"

ঠিকাদাৰে বেচ গোপনীয়তাৰে সৰু সৰুকৈ, অথচ আটায়ে শুনাকৈ টিপ্পনি দিলে, "এইবাৰ যদি জিকিব পাৰে, অহাবেলি তহঁতৰ ইয়াৰ পৰাই এম এল এ উঠিব। নিজৰ মানুহ এজন জিকিলে তহঁতৰে লাভ।"

ইতিমধ্যে গোঁসাইৰ লগত অহা ডেকা কেইজনে জীপখনৰপৰা টিনৰ ফল্ডিং চকী মেজ উলিয়াই বকুল জোপাৰ তলত পাৰিলে আৰু কাগজ পত্ৰ এসোপা উলিয়াই ব্যস্ত হৈ পৰিল। বুঢ়াবোৰৰ ওঁঠত ইতিমধ্যে গোঁসাইৰ কৃপাত একোটাকৈ সস্তীয়া চিগাৰেট জ্বলিছে। পৰম তৃপ্তিৰে কিছুসময়ৰ বাবে দৈনন্দিন সমস্যাৰ যন্ত্ৰণা পাহৰি কথা পাগুলি চিগাৰেটৰ আমেজ লৈছে। সিঁহতৰ বেছি ভাগৰে বয়স কথমপি পঞ্চাশৰ দেওনা পাৰ হৈছে যদিও চুলি দাড়ি পকিছে, দুই এটা দাঁতো সৰিছে। সিহঁতৰ আঁচোৰ খোৱা ক'লা মুখ, শক্তিহীন দেহ, নিস্তেজ চাৱনিৰ ক্লান্তি--সকলোতে দাবিদ্ৰৰ আঁচোৰ স্পষ্ট। মহিলা বৃন্দৰ উপস্থিতি দেখা নগলেও নঙলা মুখত হঠাৎ একোবাৰ একোখন নিস্তেজ, শ্ৰীহীন মুখে ভুমুকি মৰা দেখা যায়। কলিতাপাৰাৰ মহিলাসকলৰ, যদিহে তেওঁলোকক মহিলাৰ সন্মান দিব পাৰি, ৰমণীয় কমনীয়তা, দেহ সৌষ্ঠৱ স্তিমিতপ্ৰায়।

গোসাঁইৰ সজাতী দলৰ ডেকা কেজনমানে মহেন্দ্ৰ, ৰজনী, প্ৰভাত, বুবুল, আদি কলিতা পাৰাৰ উঠি অহা ডেকাহঁতৰ ওচৰলৈ গৈ অবিৰাম লেক্‌চাৰ চুটাইছে। মহেন্দ্ৰহঁতে ওঁঠ কামুৰি, ভ্ৰূকুঞ্চিত কৰি কেৱল সিহঁতৰ মূৰৰ ওপৰেদি শূন্যলৈ চাই ৰল। মিঠা মিঠা কথা আৰু আশ্বাসে এতিয়া



OKDISCD

আৰু সিহঁতৰ মন টলাব নোৱাৰে। অৱশ্যে গণতন্ত্ৰ ৰক্ষাৰ বাবে উঠিপৰি লগা উৎসাহী ডেকাহঁতে ওজস্বিনী বক্তৃতা গাই গ'ল, "তোমালোকে ইচ্ছা কৰিলে ৰজা ভাঙিব পাৰা, পাতিব পাৰা। গণতান্ত্ৰিক অধিকাৰ, মানে ভোটৰ ক্ষমতা কিমান আমাৰ মানুহে নুবুজে। আমাৰ দৰে ডেকা-বিলাকেইতো এতিয়া দেশ চলাব লাগিব।"

"আমি চলাম, নে জনাৰ্দন গোসাঁই, লোক উকীল, তনু ঠিকাদাৰহঁতে ?"--মহেন্দ্ৰই আৰু ধৈৰ্য ধৰি থাকিব নোৱাৰিলে। তাৰ খং উঠি গ'ল। "চালাহঁত চলাহী কথাৰে আভুৱা ভাবিব আহিছ"! সি খঙতে ভোৰভোৰালে।

"হেঃ হেঃ এওঁ বুজা নাই," ডেকা এজনে হাঁহি মাৰি বিনয়েৰে ক'লে, "আচলতে মন্ত্ৰী এম এল এ-নো কি ; তোমালোকে ভোট দি জিকাইছা কাৰণেহে। তোমালোকে ভোট নিদিয়াকৈ থাকাচোন। বচ্ সিহঁতে কেনেকৈ কি কৰে চোৱা। আচলতে জানা," ল'ৰাটোৱে সোঁহাতৰ তৰ্জনী আঙুলিটো জোকাৰি গোপনীয়তাৰ সুৰত কৈ গ'ল, "তোমালোক দুখীয়া হলেও তোমালোকৰ শক্তি বেছি। আজি তোমালোকে ভোট নিদিয়াকৈ থাকিলে দেশেই নচলা হব। সেইবাবে ভোটটো যাকে তাকে দিলে নহ'ব। ভোটটোৰ এটা মূল্য আছে। আৰু," অলপ ৰৈ তেওঁ কলে, "জনাৰ্দন গোসাঁইকতো তোমালোকে জানাই।"

ৰজনীহঁতে একো নকলে। মহেন্দ্ৰই কিবা কয় নেকি সিহঁতে অপেক্ষা কৰিলে। হঠাৎ মহেন্দ্ৰ থিয় হ'ল আৰু খাৰাংখাচ ধৰণে কৈ উঠিল, "আমি এইবিলাক ভোট-চোটৰ কাৰবাৰত নাই"। "মানে ?" ডেকাকেইজনে মহেন্দ্ৰৰ গণতান্ত্ৰিক চেতনাৰ অভাৱ দেখি বিচ্‌তি খালে।

"মানে আমাক এতিয়া ভাত লাগে; ভোটেৰে আমি কি কৰিম ?"

এইবাৰ ৰজনী থিয় হ'ল আৰু কলে "অঁতো, চালা ভাত এসাজ খাবলৈ পোৱা নাই, ভোট লাগে। নেলাগে যা আমাক পঞ্চায়ত তঞ্চায়ত"।

"ভোট খোজাৰ পৰত ঠিক আছে। মানুহ নাখাই মৰিলেও কিন্তু খবৰ নাপায় ; চালাহঁত ইলে্চন খেলিবলৈ আহিছে"---ভগীয়ে খঙতে কিছুসময় বকি থাকিল।

ডেকা কেইজন ৰীতিমত অপ্ৰস্তুত আৰু আতঙ্কিত--আস গণতন্ত্ৰৰ পক্ষে কি সংকট ঘণীভূত হৈ আহিছে ! ডেকাহঁতৰ অৱস্থা দেখি ঠিকাদাৰ তথা স্কুল মেনেজিং কমিটিৰ প্ৰেছিডেন্ট প্ৰবীণ বৰুৱা বেগাবেগিকৈ যতীনৰ পদুলিমুখ পালেহি। "কি হ'ল, হেৰা অমল, কি হ'ল"--তেওঁ দূৰৰ পৰাই চিঞৰিলে।

অমল নামৰ ল'ৰাজনে অভিযোগৰ সুৰত কলে--"এওঁলোকক বোলে ভাতহে লাগে। ভোটৰ দৰ্কাৰ নাই"। বুজা গ'ল গণতান্ত্ৰিক ডেকাজন যথেষ্ট বিৰক্ত হৈ পৰিছে।

"কি অ', তই নৰেশ্বৰৰ পুতেক মহেন্দ্ৰ নহৱ ?" ঠিকাদাৰে সুধিলে, "কি হ'ল কচোন"। "কি হ'ব আৰু," মহেন্দ্ৰৰ মাতত কোমলতা বা শ্ৰদ্ধাৰ সব অনুপস্থিত, "ভোট দিলে কি হ'ব। মানুহৰ পেটত ভাত পৰা নাই, ভোট খুজিবলৈ লাজ লাগিব লাগিছিল। চব দেশ শাসন কৰোতা ওলাইছে"।

ইমান আস্পৰ্ধা--এসময়ত ভাওনাত ভাও লোৱা ঠিকাদাৰে ভাবিলে। তেওঁৰ নোদোকা মুখখন খঙত ৰঙা হৈ উঠিল। মদ খাই এনেয়ে ৰঙা হোৱা চকুহালে তেজৰ বৰণ ললে, "অই মহেন্দ্ৰ নে চহেন্দ্ৰ, তই কাৰ আগত কথা কৈছ জান ! গোসাঁই আৰু মোৰ ঘৰত চাকৰ খাটিয়েই পিতা-য়েৰে তোক আজি বৰকথা কব পৰা কৰিলে। মানুহ ইমান অকৃতজ্ঞ হ'ব নেপায়। ভাত নাই ? আৰে চালা তোৰেই অকল ভাত নাইনে ? দেশৰ নব্বৈ ভাগ মানুহেই ঠিকমতে এসাজ খাব পোৱা নাই। ভাত নাই, ভোটটো আছে। ভোটটো দেচোন, কিবা মূল্য নোহোৱা হলনে ভোটৰ ! শিক্ষা দীক্ষা নাই ক'ৰপৰা জানিবি তই অধমে ভোটৰ মূল্য কিমান"। অৱশ্যে ঠিকাদাৰো শিক্ষা-দীক্ষাৰ ফালে বৰ চহকী নহয়--আণ্ডাৰ মেট্ৰিক। তেওঁ চালাক মানুহ, বুজিলে পৰিস্থিতি কঠিন। সেয়েহে মাতটো কিছু কোমলাই তেওঁ সধৈৰ্য্যে মহেন্দ্ৰহঁতক বুজাবলৈ ধৰিলে। কিন্তু ডেকা ল'ৰাব জুমটো ডাঙৰ হৈ অহাৰ লগে লগে সিহঁতৰ মাজত অসন্তুষ্টি বাঢ়ি গ'ল। অৱশেষত জনাৰ্দন গোস্বামীহঁত আগুৱাই আহিল। কিছু সময় পিছত হতাশ আৰু বিৰক্ত হৈ নৰেশ্বৰৰ ওচৰ চাপিল--"নৰেশ্বৰ, তোৰ ল'ৰাৰ তেল বাঢ়িছে দেই। খাবলৈ নাপালে ইহঁতৰ দপদপনিও বাঢ়ে। ইহঁতক বুজাই মেলি শান্ত কৰ। তহঁতৰেই ভাল হ'ব"।



পৰেশ কলিতাই হয় ভৰ দি ক'লে--"অঁতো তহঁতৰ কলিতাপাৰাৰ চবৰে অৱস্থা বেয়া। ইলেক-চনত অলপ লাগি ভাগি দি যদি দুপইচা পাৱ, এসাজ পেট ভৰাই খাবলৈ পাবি।"

নৰেশ্বৰে প্ৰায় অনুনয়ৰ সুৰত পুতেকক ক'লে, "গোসাঁইহঁতৰ ঘৰখনে কৰা উপকাৰৰ কথা তই পাহৰিলেও মই নোৱাৰোঁ। তহঁত ডেকা ল'ৰা, তেজৰ গৰমত কথা কৈছ। পিচে ভৱিষ্যতৰ কথাও ভাবি চাবি। সুখে দুখে এখেতসকলেই আমাক আশ্ৰয় দি আহিছে। মানুহৰ কৃতজ্ঞতা বুলি কথা এটা আছেতো"।

"কিহৰ কৃতজ্ঞতা" ? মহেন্দ্ৰই বাপেকৰ মুখৰ ওপৰতে কৈ উঠিল, "আগতে হাল মাৰি দুবেলা দুসাজ খাবলৈ পাইছিলি, এতিয়া এসাজো নোজোৰে। তাৰ কাৰণে কৃতজ্ঞতা জনাব লাগে ? পিতাই তই যে ইমানকৈ ওকালতি কৰিছ, তোৰ পিতায়েৰৰ দিনতে গোসাইৰ ওচৰত বন্ধকী থোৱা মাটি-খিনিৰ কি হ'ল ? ভগীৰামৰ ঘৈণীয়েকৰ কাণৰ সোণ আৰু পৈতৃক মাটি দুবিঘা এতিয়াও দেখোন ঠিকাদাৰৰ হাততেই। আৰু গাওঁবুঢ়া এতিয়া কংগ্ৰেছ কৰি একেবাৰে ধনী হৈ গ'ল। আগতে চালাহঁতে এসাজ ভাত খাবলৈ নাপাইছিল, এতিয়া আমাক শুহি শুহি দালান বান্ধিছে। চব চালা আমাৰ চহা খেতিয়কক মাৰি খোৱাৰ ষড়যন্ত্ৰ ! চালাহঁতে তহঁতৰ দৰে মানহকক ঠগাই অত দিনে ৰাজ সুখত খালে। আৰু নহ'ব। চালা, তহঁতৰ লাজ লগা উচিত ; ইলেক্চন খেলিবলৈ আহিছে ! আমি গোটেই গাঁৱৰ মানুহে নাখাই মৰিবলৈ ওলাইছো, ল'ৰা-তিৰোতা নাঙঠ হৈ থাকিবলগীয়া হৈছে আৰু সিহঁতে ভোট খুজি ৰং চাবলৈ আহিছে ! পিতাই, তই সিহঁতৰ ভৰি চেলেক চেলেকি থাক, মোৰ দ্বাৰা সেইবোৰ নহ'ব"। মহেন্দ্ৰ উচাট মাৰি আঁতৰি গ'ল। নৰেশ্বৰে মূৰে কপালে হাত দি বহি পৰিল।

ঠিকাদাৰ আগুৱাই আহি বুঢ়াকেইজনৰ ওচৰতে বহিল আৰু জেপৰ পৰা এক বাণ্ডিল নোট উলিয়াই কলে, "এইখিনি ৰাখ, চাউল কিনি লবি। ল'ৰাহঁতক ভালকৈ বুজাবি। টকা লাগে যদি আৰু পাবি। কেৱল যেনে তেনে ভোটখিনিৰ ব্যৱস্থা কৰিব লাগে। তহঁতৰ ল'ৰা-তিৰোতাৰ ভালৰ কাৰণেই কৈছো"।

নৰেশ্বৰহঁতে সভয়ে খমখমীয়া নোটখিনিলৈ চাই ৰ'ল। টকাখিনি ৰাখিলে অন্ততঃ কেইসাজমান ভাতৰ চিন্তা মৰিব। ইপিনে পুতেকহঁতে বা আকৌ কি কয় ! সতৃষ্ণ নয়নে ভয়ে ভয়ে সিহঁতে টকা জাপলৈ চাই ৰ'ল। নৰেশ্বৰে অত্যন্ত সঙ্কোচেৰে হাত আগবঢ়ালে। এনেতে মহেন্দ্ৰ আৰু ৰজনী দৌৰি আহিল। দূৰৰ পৰাই মহেন্দ্ৰই চিঞৰিলে, "পিতাই" !

নৰেশ্বৰৰ প্ৰসাৰিত হাত থমকি ৰ'ল। পুতেকলৈ তাৰ সঁচাকৈ এইবাৰ ভয় লাগিল। মহেন্দ্ৰ ওচৰ চাপি আহিল আৰু পিচ পিনৰ পৰা ঠিকাদাৰৰ খদ্দৰৰ পাঞ্জাৱীৰ ডিঙিত ধৰি টানি দিলে।



OKDISCD

ঠিকাদাৰ মাটিত উফৰি পৰিল । মহেন্দ্ৰ গজি উঠিল, “চালা কুকুৰৰপোৱালি, টকাৰ গৰম দেখুৱাব আহিছ” । ইতিমধ্যে আহি মহেন্দ্ৰৰ হাত আজুৰি ধৰা গোসাঁইক ঠেলা মাৰি ক'লে, “গোসাঁই-বামুণ মনাত নাই । ভাবিছ নেকি টকাৰ গৰম দেখুৱাই দুখীয়া মানুহক কিনিব পাৰিবি ?”

অৱশেষত মাৰ খোৱাৰ উপক্ৰম দেখি ভণ্ডা ‘এমেলে’ জনাৰ্দন গোস্বামী, ঠিকাদাৰ প্ৰবীণ বৰুৱা আৰু পৰেশ কলিতাই জীপত জপিয়াই, প্ৰাণ লৈ, ধূলি উৰুৱাই কলিতাপাৰা এৰিলে ।

আকৌ আগৰদৰে কলিতাপাৰালৈ নীৰৱতা নামি আহিল । আন দিনাৰ দৰে সেইদিনাও সন্ধিয়াৰ লগে লগে দুৰ্ভিক্ষপীড়িত চুবুৰীৰ প্ৰায়বোৰ মানুহেই বিচনাত পৰিল । মহেন্দ্ৰ আৰু ৰত্ন কুমাৰ-পাৰালৈ গ'ল---তাৰ মানুহবোৰকো গোসাঁইহঁতৰ বিৰুদ্ধে সজাগ কৰি দিবলৈ ।

ৰাতি বহুতপৰলৈ নৰেশ্বৰৰ টোপনি নাহিল । জীৱন জুৰি সি কেৱল দুখকেই দেখিছে । বান-পানী-খৰাং বতৰে খেতি মাৰিলে আগ পিচেও সিহঁতে ঠিকমতে খাবলৈ নাপায় । পিচে এতিয়া মানুহক খাবলৈ নিদি মৰাৰে ষড়যন্ত্ৰ চলিছে । ইমান অন্যায়, অধৰম । যেন খেতি খোলা কৰি খোৱা মানুহৰ তেজৰ কোনো মূল্যই নাই ! কিন্তু মহেন্দ্ৰহঁততো কালিৰ ল'ৰা । ক'ত পালে ইমান সাহস । জনাৰ্দন গোসাঁই, প্ৰবীণ ঠিকাদাৰৰ দৰে মানুহকো খাতিৰ নকৰে । ইহঁতে এনেকৈ বাচিব পাৰিবনে ! হয়তো পাৰিব, কোনে জানে হয়তো------ !

ৰাতি পুহৰি পুহৰি হওঁতেই মানুহৰ কোলাহলত সি সাৰ পালে । কাৰোবাৰ ভণ্ডা ভণ্ডা কান্দোন শুনি আচৰিত হ'ল । কিবা হ'ল আকৌ । মজিয়াত চাকিৰ ম্লান পোহৰত দেখা পালে ঘৈণীয়েকে কান্দিছে । কোনোবা এজনে মহেন্দ্ৰৰ মূৰত বেণ্ডেজ কৰিব লাগিছে । সি চক খাই উঠি আহিল আৰু পুতেকৰ ওচৰত থিয় হ'ল । মহেন্দ্ৰৰ মূৰৰ পৰা তেজ ওলাই তাৰ সেঁতা মুখৰ ওপৰেদি বাগৰি গোট মাৰিছিল । তাৰ শুদা গাটোৰ অ'ত ত'ত তেজৰ চেকুৰা । মুখেৰে কেকনি তুলিছে । “কি হ'ল তাৰ ?”

ৰজনীয়ে কৈ উঠিল, “সিহঁতে মাৰি মূৰ ফটাই দিছে । বাঁহৰ তলৰ ৰাস্তাটোতে পৰি আছিল । ৰত্নৰো বহুত জখম হৈছে । পুষ্পৰ বাপেকে বাহিৰ ফুৰিবলৈ যাওঁতে দেখা পালে ।”

লাহে লাহে পোহৰ হৈ আহিবলৈ ধৰিলে । ক্ৰমশঃ মানুহবোৰ আহি নৰেশ্বৰৰ চোতালত গোট খালে । কাৰোবাৰ কান্ধত ধৰি ৰত্নও উপস্থিত হ'লহি । ইতিমধ্যে মহেন্দ্ৰই চকু মেলি কথা বতৰা কব পৰা হৈছে । বাপেকৰ ফালে কিছুসময় চাই থাকি সি ক'লে, “পিতাই তই কৈছিলি নহয় সিহঁত বৰ উপকাৰী, আমাক সিহঁতে আশ্ৰয় দিছে । এয়া আশ্ৰয় !” সি মূৰৰ বেণ্ডেজটোত হাত থলে । নৰেশ্বৰ তলমূৰ কৰি ৰ'ল ।

মহেন্দ্ৰ লাহে লাহে থিয় হ'ল আৰু বাপেকৰ বাধা নামানি ওলাই আহিল । পিৰালিৰ খুটাত ধৰি সি চোতালত গোট খোৱা মানুহবোৰলৈ চালে । এদল গৃহহীন, ভবিষ্যৎহীন ভিক্ষাৰী যেন মৃত্যুৰ সতে যুঁজি যুঁজি বৈ আছে---মুখৰ সজীৱ কোমলতা নাই, দেহৰ শক্তি অন্তৰ্হিত । মহেন্দ্ৰৰ শেঁতা মুখলৈ তেজ ঘূৰি আহিল । সি চিঞৰি উঠিলে “তহঁতে আৰু কিমান সহ্য কৰিবি ?” তাৰ চিঞৰত সকলোৱে উচপ খাই উঠিল । নৰেশ্বৰে মানুহবোৰলৈ চালে উত্তে-জনাত সিহঁতৰ দেহবোৰ অস্থিৰ হৈ উঠিছে ।

এমূৰৰ পৰা ৰজনীয়ে চিঞৰি উঠিল---“আমাক মাৰি ৰজা হবলৈ আহিছে । ব'ল সিহঁতক চাই লও ব'ল ।” নৰেশ্বৰহঁতৰ আগেদি ৰজনীহঁতৰ দলটো আগবাঢ়ি গল । সিহঁতৰ পিছে পিছে ৰত্ন আৰু মহেন্দ্ৰ । নৰেশ্বৰে জানে সিহঁতে জনাৰ্দন গোসাঁইক লগ নাপায় ; এইটোও সি জানে সিহঁতে নিজে যি পথে যাব নোৱাৰিলে এয়া সেই পথে যোৱাৰেই প্ৰস্তুতি । কিন্তু ইহঁতক এনেকৈ অকলৈ এৰিব নোৱাৰি । সেয়েহে সিহঁতৰ পিছে পিছে সি দৌৰিবলৈ ধৰিলে ++



গল্প

# কুকুৰ

মূলহিন্দী ঃ মোহন ৰাকেশ
অনুবাদ ঃ মৃদুলা চলিহা

কাৰোবাৰ মৃত্যুত শোক প্ৰকাশ কৰিবলৈ অহাদি বহুতো মানুহ অ'ত ত'ত মুখ ওন্দোলাই বহি আছিল । কিছুমানে নিজৰ নিজৰ টোপোলাবোৰ মেলি লৈ কিবা কিবি খাইছিল । দুজনমানে মূৰৰ তলত পাগুৰীবোৰ পাৰি লৈ চৌহদটোৰ বাহিৰৰ বাটৰ কাষত বাগৰ দিছিল । চানাচুৰৱালা, আইচ্-ক্ৰীমৱালাৰ ব্যৱসায় গৰম হৈ উঠিছিল আৰু কমিটীৰ পানীৰ নলৰ ওচৰত সৰু সুৰা এটা কিউৰ সৃষ্টি হৈছিল । নলটোৰ কাষতে চকী এখন পাৰি আৰ্জি নবীছজনে ধুম ধাম আৰ্জি টাইপ কৰি আছিল । মূৰৰ ঘাম কপালেদি বৈ আহি ওঁঠ পাইছিলহি ; কিন্তু মচিবৰ আজৰি নাই । বগা দাড়িৰে, লাখুটিত ভৰ দি কেইজনমান ওখ পাখ ‘জাট্’ তেওঁ আজৰি হোৱালৈ বাট চাই আছিল । ৰ'দৰ পৰা ৰক্ষা পাবলৈ আৰ্জি নবীছজনে তৰি লোৱা মৰাপাটৰ পৰ্দাখন বতাহত উৰি আছিল । অলপ আঁতৰত মূঢ়া এটাত বহি তেওঁৰ ল'ৰাটিয়ে ইংৰাজী প্ৰাথমিক পাঠ আওৰাইছিল-- চি এ টি কেট্, কেট মানে মেকুৰী । এফ্ এ টি ফেট্, ফেট মানে শকত । কামিজৰ আধা বুটাম খুলি কাষত ফাইল লৈ কেইজনমান বাবুৱে ইজনে সিজনৰ লগত চুপতি মাৰি মাৰি ৰেজিষ্ট্ৰেশ্যন ব্ৰাঞ্চ'ৰ পৰা ‘ৰেকৰ্ড ব্ৰাঞ্চ'ৰ ফালে আগবাঢ়িছিল । ওচৰে পাজৰে হোৱা ভীৰটোৰ প্ৰতি উদাসীন, ৰঙা বেল্টমৰা চাপ্ৰাচীটোৱে তাৰ টুলখনত বহি বহি কিবা এটা হিচাব কৰিছিল । মাজে মাজে তাৰ ওঁঠ দুটা লৰি উঠে, মাজে মাজে মূৰটো । চেপ্টেম্বৰৰ মাহৰ মুকলি ৰ'দ গোটেই চৌহদটোতে বিয়পি পৰিছিল । চৰাই পোৱালি কেইটামানে গছৰ ডালৰপৰা জপিয়াই, পুনৰ ওপৰলৈ উৰা মৰাৰ অভ্যাস কৰিছিল আৰু ডাঙৰ ডাঙৰ কাউৰী কেইজনীমানে পোৰ্চটোৰ ইফালৰ পৰা সিফাললৈ অহা যোৱা কৰিছিল । মূৰটো কঁপি থকা এজনী সত্তৰ বছৰীয়া বুঢ়ীয়ে, (যাৰ চেহেৰাত বাৰ্ধক্যৰ আঁচোৰৰ বাহিৰে একোৱেই নাছিল,) পুতেকৰ মৃত্যুৰ পিচত তেওঁৰ নামত এলট্ হোৱা মাটিখিনিৰ অধিকাৰী তেওঁ হ'ব পাৰিবনে নোৱাৰে আক তাক সুধি ফুৰিছিল ।

ভিতৰৰ হল ঘৰটোত ফাইলবোৰ লাহে লাহে আগবাঢ়িছিল । মাজৰ মেজখনত কেইজনমান বাবুৱে একেলগে চাহ খাইছিল । তাৰে এজনে অফিছৰ কাগজত লিখা তেওঁৰ ‘তাজা’ গজলটো বন্ধুবৰ্গক পঢ়ি শুনাইছিল আৰু বন্ধুসকলে ‘এওঁ এইটো নিশ্চয় কোনোবা আলোচনীৰ পুৰণি সংখ্যাৰ পৰা ফাক মাৰিছে'--এনে এটা বিশ্বাসত বহি বহি শুনি আছিল ।

‘আজিজ চাহাব, শায়েৰীটো আপুনি আজিয়ে কৈছে নে আগতে কোৱা শায়েৰী আজি হঠাতে মনলৈ আহিছে ?'--মাণ্ডৰ বৰণীয়া ঘন মোছৰ বাবু এজনে বাওঁ চকুটো অকণমান টিপি ধৰি সুধিলে । ওচৰে পাজৰে থিয় দি থকা মানুহবোৰৰ মুখবোৰ উজ্বল হৈ উঠিল । ‘এইটো একেবাৰে তাজা গজল'--আজিজ চাহাবে আদালতত সাক্ষ্য দিয়াৰ সুৰত ক'লে, -- ‘ইয়াৰ আগতে যদি এনে



OKDISCD

ওজনেৰে আন কিবা কৈছিলোও মনত নাই।' চকুৱে সকলোৰে মুখবোৰ এবাৰ এবাৰ পঢ়ি চাই তেওঁ পুনৰ ক'লে--'মোৰ আটাইবোৰ গজল কোনোবা গবেষকেহে প্ৰস্তুত কৰিব পাৰিব।'

ফাটি পৰা অট্ট হাঁহিটোক 'চি চি' শব্দই মাজতে হেঁচি ধৰিলে। হাঁহিত মৰা ব্ৰেকটোৰ অৰ্থ হ'ল---কমিছনাৰ চাহাবে নিজৰ কোঠাত পদাৰ্পণ কৰিছেহি। খন্তেক নীৰৱতা, তাৰ ভিতৰতে 'সুৰজিৎ সিং, পিতা গুৰমিৎ সিঙ'ৰ ফাইলটো একছনৰ বাবে আনখন মেজ পালেগৈ। 'সুৰজিৎ সিং, পিতা গুৰমিৎ সিং' হাঁহি হাঁহি হলঘৰটোৰপৰা ওলাই গ'ল আৰু যিজন বাবুৰ মেজৰপৰা ফাইলটো গৈছিল তেওঁ পাঁচ টকীয়া নোটখনত হাত ফুৰাই ফুৰাই চাহ খাই থকা ভীৰটোত যোগ দিলেহি। আজিজ চাহাবে অলপ সৰু মাতেৰে পুনৰ গজল শুনাবলৈ ধৰিলে।

চাহাবৰ কোঠাৰ 'বেল'টো বাজি উঠিল ; চাপ্ৰাচীজন এক বিশেষ ভংগীত উঠি সোমাই গ'ল আৰু সেই একেই ভংগীতে উভতি আহি টুলখনত বহিলহি।

চাপ্ৰাচীজনৰ হতুৱাই পৰ্দাখন ঠিক কৰাই, চাহাবে মেজৰ ওপৰত দমাই থোৱা কাগজবোৰত একেলগে চহী কৰি পেলালে আৰু পাইপটো জ্বলাই লৈ 'ৰিডাৰ্ছ ডাইজেষ্ট'ৰ শেহতীয়া সংখ্যাটো বেগৰপৰা উলিয়াই ললে। 'লেটিছিয়া বলড্ৰিনে' লিখা 'মই ইটালীয় পুৰুষসকলক কিয় ভাল পাওঁ' শীৰ্ষক প্ৰবন্ধটো তেওঁ পঢ়ি শেষ কৰিলে। বাকী প্ৰবন্ধবোৰৰ ভিতৰত জে, ডি, ৰেট্‌ক্লিফ্‌ৰ 'শৈল্য চিকিৎসা' বিষয়ক প্ৰবন্ধটোকে তেওঁ প্ৰথমে পঢ়িবৰ বাবে বাচি থৈছিল। এশ এঘাৰ পৃষ্ঠাটো মেলি তেওঁ হৃৎপিণ্ডৰ নতুন অস্ত্ৰোপচাৰৰ বিষয়ে পঢ়িবলৈ ধৰিলে।

তেনেতে বাহিৰত কিছু কোঢ়াল শুনা গ'ল।

চৌহদৰ বাহিৰত সিঁচৰিত হৈ থকা মানুহবোৰৰ মাজত চাৰিটা নতুন চেহেৰাই আহি দেখা দিলেহি। তাৰে এজন আদহীয়া মানুহ, তেওঁ পাগুৰিটো মাটিত পাৰি লৈ হাত দুখন পিচলৈ নি তাতে ভৰি মেলি বহি ল'লে। পাগুৰিটোৰ এমূৰে বয়সত তেওঁতকৈ অলপ ডাঙৰ এগৰাকী তিৰোতা আৰু এজনী গাভৰু ছোৱালী বহি আছিল আৰু তেওঁলোকৰ ওচৰতে থিয় হৈ দুৰ্বল যেন দেখা ল'ৰা এটিয়ে ওচৰ পাজৰৰ সকলো বস্তুকে তীক্ষ্ণ দৃষ্টিৰে চাই আছিল। আদহীয়া মানুহজনৰ ভৰি দুখন লাহে লাহে সম্পূৰ্ণ ৰূপে মেল খালে আৰু মাতটো ইমান ডাঙৰ হৈ উঠিল যে বাটেদি যোৱা মানুহৰ দৃষ্টিও তেওঁৰ ফালে আকৃষ্ট হৈ উঠিল। তেওঁ কথা কোৱাৰ লগে লগে নিজৰ আঁঠুত চপৰিয়াই গৈছিল--'চৰকাৰে সময় লৈছে! পাঁচ-দহ বছৰৰ ভিতৰত চৰকাৰে দৰ্খাস্তখন মঞ্জুৰ হ'ব লাগে নে নালাগে সিদ্ধান্ত লব! চালাহঁত, ইফালে যমেও যে আমাৰ সময়ৰ হিচাব লৈ আছে! সেই সময়ো পূৰা হ'ব, আৰু এইফালে তোমালোকৰ পৰাও খবৰ পাম যে মোৰ দৰ্খাস্ত মঞ্জুৰ হৈছে।'

চাপ্ৰাচীজনৰ ভৰি দুখন মাটিত দৃঢ় হৈ উঠিল আৰু সি পোন হৈ থিয় দিলে। চৌহদটোৰ অ'ত ত'ত সিঁচৰিত হৈ শুই বহি থকা মানুহবোৰৰ কাণ থিয় হ'ল। কিছুমানে তেওঁক আগুৰি ধৰিলেহি।

'দুবছৰ আগতেই দৰ্খাস্ত দিলো, বোলো চালাহঁত, মাটিৰ নামত তহঁতিয়ে মোক গাঁতটো দিছিলি তাৰ ঠাইত আন এডোখৰ মাটি দে। পিচে দুবছৰে দৰ্খাস্তখনে ইয়াৰ দুটা কোঠালিকে পাৰ হ'ব নোৱাৰিলে'--মানুহৰ মাজত বক্তৃতা দিয়াদি কবলৈ ধৰিলে, ---'ইটো কোঠালিৰপৰা সিটো কোঠালিলৈ যাবলৈ দৰ্খাস্তখনৰ সময় লাগে। ইখন মেজৰ পৰা সিখন মেজলৈ যাব-



লৈও সময় লাগে! চৰকাৰে সময় লৈছে! চা--আজি মোৰ গোটেই ঘৰ-গৃহস্থালী লৈ আহি ওলাইছোহি, ল--যিমান সময় ল'ব খোজ ল। সাত বছৰ খাবলৈ নাপাই থকাৰ পাচত চালাহঁতে মোক এয়া মাটি দিছে--এশ হালিচা মাটি, এশ হালিচাৰ গাঁতটো! তাত মই বোপা ককাৰ হাড় পুতিম নহয়!! দৰ্খাস্ত দিছিলো বোলো মোক এশ হালিচাৰ ঠাইত পঞ্চাশ হালিচাকে দে, পিচে মাটি দে। পিচে দৰ্খাস্তই আজি দুবছৰে সময়কে লৈ আছে। ইফালে মই খাবলৈ নাপাই মৰিবলৈ ওলাইছো আৰু সিফালে দৰ্খাস্তই সময় লৈছে।'

চকুৱে মুখে খঙৰ ভাৱ লৈ চাপ্ৰাচীজন ওলাই আহিল--'এই মিষ্টাৰ, যা-বাহিৰ হ ইয়াৰ পৰা।'

'মিষ্টাৰ আজি ইয়াৰ পৰা বাহিৰ হ'ব নোৱাৰে', মানুহজনে ভৰি দুখন আৰু অলপ বহলকৈ মেলি ক'লে, 'মিষ্টাৰ আজি দেশৰ বাদ্‌ছাহ। ইমান দিনে মিষ্টাৰে দেশৰ তাজ বিহীন বাদছাহ-সকলৰ জয়ধ্বনি দিছিল। এতিয়া তেওঁকাৰো জয়ধ্বনি নিদিয়ে। এতিয়া তেওঁহে ইয়াৰ বাদছাহ হল--নিলাজ বাদছাহ। তেওঁৰ একো লাজমান নাই। তেওঁৰ ওপৰত কাৰো হুকুম নচলে, বুজিলেনে চাপ্ৰাচী বাদছাহ?'

'পুলিছক গটাই দিলে তোমাৰ ওপৰত কাৰোবাৰ হুকুম চলে নে নচলে এতিয়াই গম পাবা'--চাপ্ৰাচীজনৰ খং চৰি গ'ল; 'পুলিছক গটাই দিলে এতিয়াই তোমাৰ বাদছাহী বাহিৰ হৈ যাব।'

'হাঃ হাঃ' নিলাজ বাদছাহে হাঁহিলে, 'তোৰ পুলিছে মোৰ বাদছাহী বাহিৰ কৰিব? মই নাঙঠ হৈ লৈ পুলিছক ক'ম--বাহিৰ কৰা মোৰ বাদছাহী। এয়া মোৰ লগত আৰু তিনিজন বাদছাহ আহিছে। এওঁ পাকিস্তানত দুই ঠেঙত ধৰি ফালি পেলোৱা মোৰ ককাইৰ বাৰী ঘৈণীয়েক। এইটো মোৰ ককাইৰ পিত্ত বেমাৰী পুতেক। এইজনী মোৰ ককাইৰ উলিয়াই দিবলগীয়া জীয়েক। এইৰ জীয়ৰী বায়েক এতিয়াও পাকিস্তানতে। আজি মই ইহঁত আটাইবোৰকে বাদছাহী দি দিছো। তই তোৰ পুলিছ লৈ আহ, ইহঁতৰ বাদছাহী বাহিৰ কৰি দিয়কহি। চালা কুকুৰ - - - -।'

ভিতৰৰ পৰা কেবাজনো বাবু ওলাই আহিছিল। 'চালা কুকুৰ'টো শুনাৰ লগে লগে চাপ্ৰাচীজন খঙত জ্বলি উঠিল। খঙতে সি মানুহজনৰ বাহুত ধৰি টানিবলৈ ধৰিলে, 'চালা কুকুৰ কোন তই এতিয়াই গম পাবি। তোক মই মৰিয়াই মৰিয়াই - - - -' সি তাৰ ফটা বুট জোৰেৰে গোৰ এটা শোধালে। মানুহজনী আৰু ছোৱালীজনী ভয়তে আঁতৰি গল। ল'ৰাটোৱে এফালে থিয় হৈ কান্দিবলৈ ধৰিলে।

ভীৰ ঠেলি বাবুহঁত আগবাঢ়ি আহিল আৰু চাপ্ৰাচীটোক তাৰ পৰা আঁতৰাই পঠালে। চাপ্ৰাচীটোৱে ভোৰ ভোৰাই থাকিল--'বদমাচ অফিছত আহি গালি পাবেহি! তোক মই এতিয়াই দেখুৱাই দিলোহেঁতেন।'

'অকল তয়েই নহয়, ইয়াত থকা তহঁত চব কুকুৰ', মানুহজনে কৈ গ'ল, 'তহঁতো কুকুৰ, ময়ো কুকুৰ। পাৰ্থক্য মাথো ইমানেই যে তহঁত চৰকাৰৰ কুকুৰ--আমাৰ হাড় চুহি খাব আৰু চৰকাৰৰ হৈ ভুক। মই ঈশ্বৰৰ কুকুৰ। তেওঁ দিয়া হাৰা খাই জীয়াই থাকো আৰু তেওঁৰ হৈ ভুকো। তেওঁৰ ঘৰ ন্যায়ৰ ঘৰ। মই তেওঁৰ ঘৰত পহৰা দিওঁ। তোমালোক তেওঁৰ ন্যায় সম্পত্তিৰ লুণ্ঠনকাৰী, তোমালোকক ভুকাটো মোৰ কৰ্তব্য। ই মোৰ মালিকৰ আদেশ। তোমালোকৰ সতে মোৰ চিৰকলীয়া শত্ৰুতা। কুকুৰৰ শত্ৰু কুকুৰ। মই তোমাৰ শত্ৰু, তুমি মোৰ শত্ৰু।



OKDISCD

মই অকলশৰীয়া, গতিকে তোমালোকে মোক ধৰি মাৰা। মোক ইয়াৰ পৰা বাহিৰ কৰি দিয়া। পিচে মই ভুকিয়েই থাকিম, মোৰ ভুক ভুকনি তোমালোকে বন্ধ কৰিব নোৱাৰা। মোৰ অন্তৰত মোৰ মালিকৰ পোহৰ আছে---মোৰ 'বাহগুৰু'ৰ তেজ আছে। মোক য'তেই বান্ধি থবা, তাতেই ভুকিম। ভুকি ভুকি তোমালোকৰ কাণ ফালি দিম। চালা মানুহৰ কুকুৰ, জুঠা হাড়ৰ বাবে মৰিবলৈ ওলোৱা কুকুৰ। নেজ জোকাৰি জোকাৰি জীয়াই থকা কুকুৰ------"।

'বাবা, বন্ধ কৰা," এজন বাবুৱে হাত জোৰ কৰি কলে,' আমাৰ প্ৰতি সদয় হোৱা, তোমাৰ এই সন্তবাণী বন্ধ কৰা। তোমাৰ কেচটো আৰু নামটো কি কোৱাচোন'।

'মোৰ নামটো ৰান টু টু ছিক্স বাই ছেভেন। মোৰ আই-বোপায়ে দিয়া নামটো কুকুৰহঁতে গ্ৰাস কৰি পেলালে। এতিয়া তোমালোকৰ অফিছে দিয়া এই নামটোহে আছেগৈ। ৰান টু টু ছিক্স বাই ছেভেন। মোৰ আন একো নাম নাই। এতিয়া মোৰ এই নামটোকে মনত ৰাখা। তোমাৰ ডায়েৰীত লিখি ৰাখা। 'বাহগুৰু'ৰ কুকুৰ ৰান টু টু ছিক্স বাই ছেভেন।"

'বাবা, আজি যোৱা, কাইলৈ বা পৰহিলৈ আহিবা। তোমাৰ দৰ্খাস্তখনৰ কাম প্ৰায় শেষ হওঁ হওঁ হৈছে।'

'প্ৰায় শেষ হওঁ হওঁ হৈছে! আৰু ময়ো প্ৰায় শেষ হওঁ হওঁ হৈছোহি। চাওঁচোন বাৰু আগতে কাম শেষ হয়নে মই শেষ হওঁ। এফালে চৰকাৰৰ কৌশল চলিছে, আন ফালে ঈশ্বৰৰ। তোমাৰ 'প্ৰায়'টো অফিছতে থাকি যাব আৰু মোৰ 'প্ৰায়'টো কবৰ পাবগৈ। চালাহঁতে গোটেইখিনি শিক্ষা খৰচ কৰি মাত্ৰ দুটা শব্দ মনত ৰাখিছে---প্ৰায় আৰু বোধ হয়। 'বোধ হয় আপোনাৰ কাগজবোৰ ওপৰলৈ গৈছে'! 'কামটো প্ৰায় শেষ হওঁ হওঁ হৈছে'!! 'বোধ হয়'ৰ পৰা উলিয়াই আনি 'প্ৰায়'ত পেলোৱাহি আৰু 'প্ৰায়'ৰ পৰা উলিয়াই আনি 'বোধহয়'ত পেলোৱাহি। 'অনুসন্ধান হওঁতে প্ৰায় তিনি চাৰি মাহমান লাগিব।' 'বোধহয় দুমাহমানৰ ভিতৰতে ৰিপোৰ্ট পাবহি'। মই আজি 'বোধ হয়' আৰু 'প্ৰায়' দুয়োটাকে ঘৰত থৈ আহিছো। ইয়াতে বহি আছো, ইয়াতে বহি থাকিম। মোৰ কাম যদি হ'বলগীয়া আছে, আজিয়ে এতিয়াই হ'ব। তোমাৰ 'প্ৰায়' আৰু 'বোধহয়'ৰ গ্ৰাহক সৌ থিয় হৈ থকাবোৰ। এইবোৰ ঠগবাজি সিহঁতৰ লগত কৰা।'

বাবুসকলে নিজৰ সদুপদেশৰ প্ৰভাৱ দেখি নিৰাশ হৈ এজন এজনকৈ ভিতৰলৈ উভতি গল।
'বহি আছে, বহি থাকিবলৈ দিয়া।'
'বকি আছে, বকি থাকিবলৈ দিয়া।'
'চালা! বদমাছি কৰি কাম উলিয়াব খুজিছে!'
'লেট্ হিম্ বাৰ্ক হিম্ছেল্‌ফ টু ডেথ্।'

বাবুসকলৰ লগতে চাপ্ৰাচীজনেও ভোৰ ভোৰালে আৰু নিজৰ টুলখনত বহিলগৈ।
'চালাহঁতৰ মই দাঁত ভাঙি দিলোহেঁতেন! বাবুসকল হ'ল হাকিম মানুহ। হাকিমৰ কথা শুনি-বই লাগিব। নহলে------'

'আৰে বাবা, অলপ ঠাণ্ডা হৈ কাম কৰা। ইয়াত খাতিৰ চলে, পয়চা চলে, কিন্তু ধমকি নচলে'। ভীৰৰ মাজৰপৰা কোনোবা এজনে তেওঁক বুজাবলৈ ধৰিলে।



'কিন্তু ঈশ্বৰৰ হুকুম সকলো ঠাইতে চলে'--মানুহটোৱে কামিজটো সোলোকাই কবলৈ ধৰিলে, 'আৰু ঈশ্বৰৰ হুকুমত নিলাজ বাদছাহ আজি নাঙঠ হৈ কমিছনাৰৰ কোঠালৈ যাব, সি তাৰ উদং পিঠিত কমিছনাৰৰ লাঠিৰ কোব খাব। সি বুটৰ আঘাত সহি প্ৰাণ দিব, কিন্তু সি কাকো খাতিৰ নকৰে। কাকো পয়চা নিদিয়ে, কাকো পূজা নকৰে। তেনেহলে বাহগুৰু'ৰ নাম লৈ------।'

তেওঁ নিজৰ কথাক কাৰ্যত পৰিণত কৰাৰ আগেয়েই দুজনমান মানুহ আগবাঢ়ি আহি তেওঁৰ লুভীখনৰ গাঁঠিত দিয়া হাতখনত ধৰিলেহি। নিলাজ বাদচাহে তেওঁৰ হাতখন একুৱাবৰ বাবে টনা-আঁজোৰা লগালে।

'মোক গৈ সুধিবলৈ দিয়া গান্ধীয়ে স্বাধীনতা কিয় আনি দিছিল? এওঁলোকে এইদৰে ভোগ কৰিবলৈ? স্বাধীনতাৰ নামত কলংক সানিবলৈ? সস্তীয়া ফাইল কিছুমানত বান্ধি ৰাখি অপমান কৰিবলৈ? প্ৰতি মানুহৰ মনত বিতৃষ্ণাৰ জন্ম দিবলৈ? মানুহৰ গাত কাপোৰ দেখি ইহঁতে কথা-বোৰ বুজি নাপায়। যিবোৰ মানুহ, সেইবোৰৰহে লাজ লাগে। মই নিজেই কওঁ---মই মানু-নহওঁ। মই কুকুৰ ----।'

হঠাতে ভীৰটো কিছু আতংকিত হোৱা দেখা গ'ল। কমিছনাৰ চাহাব নিজৰ কোঠাৰপৰা ওলাই আহিছিল। কপালৰ শিৰবোৰ কোঁচ খুৱাই আৰু মুখৰ বয়সৰ আঁচোৰবোৰ গভীৰ কৰি তেওঁ ভীৰটোৰ মাজত দিয় দিলেহি।

'কি হ'ল? কি লাগে তোমাক?'

'আপোনাক লগ পাব খোজোঁ চাহাব।' মানুহজনে তীব্ৰ চাৱনিৰে চাহাবলৈ চাই ক'লে, 'এশ হালিচাৰ গাঁত এটা মোৰ নামত এলট কৰা হৈছিল। তাকে আপোনাক সুৰাই দিবলৈ আহিছো, যাতে চৰকাৰে তাত এটা পুখুৰী খনাই দিয়ে আৰু অফিছাৰসকলে আবেলি তাত গৈ বৰশী বাব পাৰে। নহলে সেই গাঁতটোত চৰকাৰে এটা 'পোতাশাল' সাজি মোৰ নিচিনা আটাইবোৰ কুকুৰক বন্ধ কৰি থক।'

'পেক পেকাই নাথাকিবা। মোৰ ওচৰলৈ তোমাৰ কেছটো লৈ আহা।' 'মোৰ কেছটো মোৰ হাতত নাই চাহাব। দুবছৰ আগৰ পৰাই আপোনাৰ হাতত আছে। মোৰ ওচৰত মোৰ দেহাটো আৰু কাপোৰ দুডোখৰৰ বাদে একো নাই। কেইদিনমান পিচত কাপোৰ কেইডোখৰো নাথা-কিবগৈ; গতিকে সেইখিনি আজিয়েই সোলোকাই পেলাইছো। তাৰ পাচত মাত্ৰ ৰান টু টু ছিক্স বাই ছেভেন'হে বাকী ৰবগৈ। ৰান টু টু ছিক্স বাই ছেভেনক মৰিয়াই মৰিয়াই ঈশ্বৰৰ কাষলৈ পঠিয়াই দিয়া হব।'

'এই বাজে কথাবোৰ বন্ধ কৰা আৰু মোৰ সতে ভিতৰলৈ আহা।' কমিছনাৰ চাহাব নিজ কোঠালৈ সোমাই গ'ল আৰু মানুহজনে কামিজটো কান্ধত পেলাই লৈ সেই কোঠালৈ আগবাঢ়িল।

'দুবছৰ লৰা-ঢপৰা কৰি ফুৰিলো, কোনেও এটা কথা নুশুনিলে। তোষামোদ কৰিলো শাও শপত দিলো, কোনেও এটা কথা নুশুনিলে।'

(৩৫ পিঠিত চাওক)



OKDISCD

**গল্প**

# একেই তেজ

ৰবীন চন্দ্ৰ শৰ্মা

গাৰুটো এইবাৰ মুখত গুজি লৈ মদনে টোপনি যোৱাৰ চেষ্টা চলালে। বাহিৰত তেতিয়াও লেঠেৰি-নিচিগা বৰষুণ জাক। মাজে মাজে ফিৰ-ফিৰিয়া বতাহ। তথাপিতো মদন ঘামিছে। সন্মুখৰ খিৰিকীখন খুলি লৈছিল। সেইফালেৰে অহা বৰষুণৰ চিটিকনি আৰু বতাহ জাকে মদনক শীতল কৰিব পৰা নাই।

নিশা ভালেখিনি হ'ল। কাষৰ কোৱাৰ্টাৰৰ মানুহবোৰ হয়তো এতিয়া টোপনিত লালকাল। মদনে কিন্তু এতিয়াও চট্‌ফটাই আছে। সমস্ত দেহ ঘামেৰে লুতুৰি পুতুৰি। উৎকত গৰমত ৰব নোৱাৰি, ককালৰ লুঙিখনৰ বাদে দেহৰ আন কাপোৰবোৰ খুলি লৈছে।

ডেৰকুৰি বছৰীয়া জীৱনত, আজি দ্বিতীয়বাৰৰ বাবে সি অস্থিৰ। ক'ব নোৱাৰাকৈ মানুহ এজনক বিহ খুৱাই দি, যদি কোৱা হয়, তোমাক বিহ খুউৱা হ'ল তেতিয়া মানুহজনৰ মনৰ অৱস্থা যেনেকুৱা হ'ব ঠিক তদনুৰূপ এটি অবস্থা মদনৰো হৈছে। সি আজি ভীতিগ্ৰস্ত, অশান্ত। মগজুত কিযে এটা পোকে কলমলাই আছে! সাপে খোটাৰ দৰে অহৰহ কিটিং কিটিং কৈ কামোৰে। হাত-ভৰি আচাৰি মদনে চট্‌ফটাই, বিচনীখন জোৰেৰে মূৰৰ ওপৰত ঘুৰাই, বিচনাখনৰ ইফালে-সিফালে বাগৰে।------

প্ৰায় কুৰি বছৰ বয়সত সি এনে এক অস্থিৰতাৰ ৰোগত ভুগিছিল; কিন্তু সেই অস্থিৰতা আৰু আজিৰ অস্থিৰতাৰ মাজত যথেষ্ট পাৰ্থক্য আছে। সেইবেলিৰ দংশন আজিৰ দৰে ইমান তীব্ৰ নাছিল। তাদুপৰি সেই দংশন আছিল ক্ষন্তেকীয়া।

অকল্পনীয় ভাবে বাপেক মৰাৰ পিচত ঘৰৰ ডাঙৰ ল'ৰা হিচাবে মদনৰ ওপৰতে ঘৰখনৰ সকলো দায়িত্ব পৰিছিল। তেতিয়া সি মেট্ৰিক পাছ কৰি উঠিছেহে মাথোন। বয়সো তেনেকৈ হোৱা নাই। ঘৰৰ ছুটা প্ৰাণীক পোহ-পাল দিয়াৰ উপৰিও, বাপেকে বন্দবস্ত কৰি থৈ যোৱা ভণীয়েক জনীক বিয়া দিব লাগে। ইফালে ঘৰৰ অবস্থা বৰ বেয়া। খেতিৰ মাটিও নাই, পৈত্ৰিক সম্পত্তিও নাই। সিহঁত যেন ডুবু ডুবু হোৱা এখন নাৱঁৰ যাত্ৰীহে! উপায় নাপায় মদনে মেট্ৰিক পাছ কৰা চাৰ্টিফিকেটখন লৈ চহৰৰ অফিছৰ দুৱাৰে দুৱাৰে ঘুৰিব ধৰিলে।

সেইদিন কেইটা! উস কি যে ভয়ানক! কিমান নিশা টোকে টোকে সুদা পানী খাই উজাগৰে কটাই দিছিল, সেইবোৰ এতিয়াও মনত পৰিলে দেহ-মন কিবা



লাগি উঠে। কিযে এক ধুমুহাৰ মাজেৰে পাৰ হৈছিল দিনবোৰ।--------

তেতিয়াও মদনে আজিৰ দৰে অসংখ্য কীটৰ দংশন উপলব্ধি কৰিছিল। পিচে সেয়া বেচি দিনলৈ নাথাকিল। চাকৰীটো পোৱাৰ পিচতে কীটবোৰ মৰি গ'ল। সি আকৌ সুস্থ হ'ল। কিন্তু আজিৰ এই দংশন? এয়া জানো মাৰ যাব?

চকুৰ পতা জপালেই মানুহজনৰ মুখখনে মদনক হেঁচা মাৰি ধৰে। সেই ৰক্তাক্ত মুখখন। যেন ৰঙা ৰঙত জুবুৰিয়াই লৈছিল। কেনেকুৱা যে বিভৎস হৈ পৰিছিল! অসহ্য যন্ত্ৰণাত মানুহজন কেঁকাই থাকিলেও চকুহাল দগ্ মগ্ কৈ জ্বলি আছিল, জ্বলা আঙঠাৰ দৰে। চকুহালৰ সুতীব্ৰ চাৱনি মদনৰ ওপৰত এনে ভাবে পৰিছিল, যেন সেই চকুৰ জুয়ে নিমিষতে তাক পুৰি পেলাব। তাৰ দেহৰ সমস্ত তেজবোৰ মূৰলৈ গৈ মূৰটো গৰম কৰি তুলিছিল। তাৰ সৰ্বশৰীৰ কঁপি উঠিছিল।

মানুহজনৰ মৃত্যুৰ পিচতহে সি এটা স্বস্তিৰ নিঃশ্বাস পেলাইছিল। হলেও সি চিন্তাৰপৰা ৰেহাই নাপালে। অহৰহ মানুহজনৰ মুখখনে তাক খেদি ফুৰিব ধৰিলে। যেন এডাল সাপেহে পিছ লৈছে। সেই মুহূৰ্তৰ পিছৰেপৰা, সি এপলকো শান্তিত থাকিব পৰা নাই।---------

ঘটনাটোত কোনো নতুনত্ব নাছিল; অন্ততঃ তাৰ চাকৰী জীৱনৰ বাবে। চাকৰীত সোমোৱাৰ পিচৰে পৰা এনে বহু ঘটনা সি লগ পাইছে। মৃত্যু যন্ত্ৰণাত কেঁকোৱা বহু মানুহ দেখিছে। ভোঙা বান্ধি তেজৰ নৈ বোৱা দেখিছে, অথচ তেনে ঘটনাই মদনৰ মনত ৰেখাপাত কৰা নাই। কিন্তু আজিৰ ঘটনাটো?

আজিৰ ঘটনাটো সঁচাকৈ অস্বাভাবিক আছিল।

সচৰাচৰ অহাৰ দৰে আজিও দিল্লীৰপৰা এজন উচ্চ পৰ্যায়ৰ মন্ত্ৰী চহৰখনলৈ আহিছিল। মন্ত্ৰী আহিলে মদনহঁতৰ কাম বাঢ়ে। এমাহ আগৰে পৰাই ৰিহাৰ্চেল দিব লাগে। কোনটো ৰাস্তাৰে মন্ত্ৰীক আদৰি আনিব, মানুহবোৰক ক'ত শাৰী পাতি থব, হৈ হাল্লা নোহোৱাকৈ কেনেকৈ মন্ত্ৰীক যাবলৈ দিব, ইত্যাদি ইত্যাদি ঢেৰ কাম।

সময়ত মন্ত্ৰী আহিল। আলিৰ দুয়ো কাষে অগণন ৰাইজ। ফুটপাথৰ কাষত বাঁহ বন্ধা আছে, যাতে ৰাইজ আলিবাটত ঠিয় হ'ব নোৱাৰে। হুদ নথকা গাড়ী এখনত মন্ত্ৰী আগুৱাই গৈ আছে, পিছে পিছে অসংখ্য গাড়ী। মানুহবোৰে সম্ভাষণ জনাইছে। কোনোৱে বিকৃতভাবে কিৰিলী পাৰিছে।

মদনে যিখিনি ঠাইত ডিউটি দি আছিল ঠিক তাতেই ঘটি গ'ল সেই ঘটনাটো। মন্ত্ৰী আহি সেইখিনি পোৱাৰ লগে লগে, বাঁহৰ বেৰৰ ওপৰেৰে পাৰ হৈ এজন মানুহ আলিবাটত ঠিয় হ'ল। আদবয়সীয়া মানুহ। গাত মাংস থকা বুলি কবই নোৱাৰি হাড়বোৰহে জক জকায় আছে। মুখমণ্ডল ডাড়ি চুলিৰে একাকাৰ। গোটেই দেহ মাটিময়। ককালৰ সৰু কাপোৰ টুকুৰাৰ বাদে দেহৰ কোনো অংশতে কাপোৰ নাই। হয়তো মানুহজনে বহুদিন খাবলৈ পোৱা নাই। পৰিণতি স্বৰূপে পেটটো সোমাই গৈ মানুহজন কুজা পৰি গৈছে।



OKDISCD

মানুহজনক দেখি মদনৰ মূৰ গৰম হৈ উঠিল। তাৰ কাষত থকা ওপৰৱালা সকলৰো চকু দাং খালে। মন্ত্ৰীয়ে যদি এইটো দেখা পায় তেনেহলে মদনহঁতৰ ফালে আধ্যা। সিহঁত তল খাপৰ কৰ্মচাৰীৰ বাবে দায়-দোষৰ ভাৰটো সদায়ে বেচি। সাধাৰণতে ভিক্ষাৰী জাতীয় মানুহক মন্ত্ৰীৰ আগলৈ নিয়াটো অবিধিসন্মত। সেই কাৰণেই মন্ত্ৰী অহাৰ এমাহমান আগৰে পৰাই সকলো ভিক্ষাৰী জাতীয় লোকক চহৰৰ বাহিৰত থৈ অহা হয়। এইবাৰো তেনেকুৱা কৰা হৈছিল। কিন্তু এতিয়া এইটো জানো ক'ৰ পৰা ওলাল !

প্ৰথমতে মদনে দেখিও নেদেখাৰ ভাও জুৰিলে। মানুহজনে থৰক বৰক খোজেৰে আৰু অলপ আলিবাটৰ ফালে আগুৱাই আহিল। মদনহঁতে যিটো ভয় কৰিছিল সেইটোৱে হ'ল। তেনে সময়তে মন্ত্ৰীৰ গাড়ী আহি মানুজনৰ ওচৰ পালে। অসংখ্য হাত-চাপৰিৰ মাজত, এই হাড়-চাল ওলোৱা-কিম্ভূত কিমাকাৰ মানুহজনক দেখি মন্ত্ৰীৰ বমি আহিব খুজিলে। খঙত তেওঁ জ্বলি উঠিল। চকু ঘোপা কৰি তেওঁ ক্ৰূৰ দৃষ্টিৰে আলিবাটৰ ডিউটিত থকা বিষয়া সকললৈ চালে। মদনৰ ওপৰতো চাৱনি পৰিল। তাৰ এনে লাগিল সংগোপনে কাৰোবাক হত্যা কৰোতে দ্বিতীয় এজন ব্যক্তিহে যেন দেখা পালে। বুকুখন চিৰিংকৈ কঁপি গ'ল। তেনেতে মানুহজনে অভাবনীয়ভাবে, দেহৰ সমস্ত শক্তি প্ৰয়োগ কৰি চিঞৰি দিলে--------অ'ই কু---ক্কু------ৰ - - - - - - - - - -

আৰু কিবা এটা ক'ব খুজিছিল, কিন্তু নোৱাৰিলে। মুহূৰ্ততে মদনক ওপৰৱালাজনে হুকুম দিলে----দিয়াহে দুচাট লগাই দিয়া ! হুকুম পোৱা মাত্ৰেই মদনৰ লাঠিডালে ফেট তুলি উঠিল আৰু মানুহজনৰ মূৰতে এটা প্ৰকাণ্ড কোব শোধালে।

মন্ত্ৰীৰ ওঁঠত হাঁহি বিৰিঙি উঠিল। গাড়ীখন ইতিমধ্যে পাৰ হৈ গ'ল।

মানুহজন চিধাই বাগৰি পৰিল। আলিবাটৰ কাষত থিয় দি থকা মানুহবোৰে আগুৰি ধৰিলে। তেওঁৰ মূৰৰপৰা তেজৰ নদী বৈ গ'ল। ধল পুৱাতে ওলোৱা সুৰুযৰ দৰে মুখখন টিক্ টিকিয়া ৰঙা হৈ পৰিল। মানুহজন কঁপিবলৈ ধৰিলে। মদনে তেওঁৰ ফালে চাই আছিল। কঁপি কঁপি তেজলগা হাত এখন মদনৰ ফালে মেলি দিবলৈ যত্ন কৰিলে। কিন্তু নোৱাৰিলে। চাচকৈ চলি পৰিল আৰু কোনো সাৰ-শব্দ নোহোৱা হ'ল। হঠাৎ ক'ৰবাৰ পৰা এজাক ভেনা মাখি আহি মৃত মানুহজনৰ তেজ থিনিৰ ওপৰত বৰভোজ পাতিলে।

এই সামান্য ঘটনাটোৱে মদনক খুলি খুলি খাইছে। সামান্য বুলি এইবাবেই কলোঁ, চাকৰীত সোমাবৰেপৰা সি এনে বহু ঘটনাৰ সম্মুখীন হৈছে। তাৰ সেই দীঘল লাঠিৰ কোবত বহু মানুহ বাগৰি পৰিছে। বহুতৰ মৃত্যু হৈছে। সিহঁতৰ জীৱনৰ বাবে এইটো এটা দৈনন্দিন ঘটনা।

সিহঁত শান্তিৰক্ষাকাৰী। সিহঁতৰ হাতত থকা দীঘল লাঠিদাল কেৱল শান্তিৰ উদ্দেশ্যেহে ব্যবহাৰ কৰিব পাৰি। কিন্তু মানুহজনে বাৰু কি অশান্তি কৰিছিল ? হয়তো মানুহজনে ক্ষোভেৰে মন্ত্ৰীক কিবা এটা ক'ব খুজিছিল। সেইটো 'পাপ নে ? এইবোৰ মানুহেই জানো ভোটৰ দ্বাৰা মন্ত্ৰী পতা নাই ? তেনেহলে মন্ত্ৰীৰ আগত নিজৰ দুখৰ কথা কোৱাৰ কিয় অধিকাৰ নাই ?- - - - - - -

কিয়----কিয়----কিয় ?---মদনে ভাবিবলৈ ধৰিলে। কিয় তাৰ অন্তৰৰ মানবতাবোধবোৰ নোহোৱা হৈ পৰিল। কেনেকৈ সি বাঘৰ দৰে হিংস্ৰ হ'ল ! অথচ চাকৰীত সোমোৱাৰ আগলৈকেতো তাৰ অন্তৰখন তেনেই কোমল আছিল। দুখীয়া নিচলা দেখিলে তাৰ চকুপানী ওলাইছিল। অৱশ্যে সৰুৰেপৰা তাৰ খংটো আছিল প্ৰখৰ।

কাৰোবাৰ বিৰুদ্ধে যেন খঙটো। এই খঙৰ বশবৰ্তী হৈয়ে সি এদিন - - --

এৰা সেইখনেই আছিল তাৰ জীৱনৰ প্ৰথম কাজিয়া। সিদিনাই তাৰ খংটো পাগলাদিয়াৰ বাঢ়নী পানীৰ দৰে বাঢ়ি গৈছিল।

মদনৰ বাপেক ৰূপাৰাম, কণ জেঠা, নোমল কাইটি, আদি বহুতৰে পৈত্ৰিক সম্পত্তি বুলি একো নাছিল। মৌজাদাৰৰ মাটি আধি খায়ে কিবাকৈ পেট প্ৰবৰ্তন কৰিছিল। তেতিয়া মদনে মেট্ৰিক দি উঠিছিল। সিহঁতৰ মাটিখিনি বেচ ভাল, আহুশালি দুয়োটা খেতি হয়। তাৰোপৰি মাটিও আছিল ভালেখিনি, চাৰি পুৰামান হ'ব। মদনহঁতৰ আজোককাকৰ দিনৰেপৰা খাই অহা। কাজেই মাটিত ধানো হৈছিল যথেষ্ট। মৌজাদাৰৰ প্ৰাপ্যখিনি দি উঠিও বছৰটো ভালদৰে জুৰিছিল।

মদনক পঢ়ুৱাই ডাঙৰ মানুহ কৰাৰ আশা এটা বাপেকৰ আছিল। তেওঁলোকৰ আজি সাত পুৰুষ গ'ল, কোনোৱে স্কুল গছকি নাপালে। যাৰ ফলত সকলোৰে চৰ ভুকু খাওঁতেই দিন গ'ল। এতিয়া কোন সতেনো পুতেকক তেনে এটা কদৰ্য জীৱনৰ ফালে আগুৱাই নিয়ে। সেয়ে ৰূপাৰামে নিজে নাখায়, দেহা মাৰি, ধান এমোন-দুমোন বেচি মদনৰ স্কুলৰ মাচুল যোগাৰ কৰি দিছিল।

পিছে মৌজাদাৰে হুলস্থুলখন লগাই দিলে। সকলো আধিয়াৰৰ মাটি কাঢ়ি ললে। নিজে ট্ৰেক্টৰ কিনিছে, পানীৰ পাম্প বহুৱাইছে, এতিয়া মানুহ ৰাখি নিজে খেতি কৰিব। আধিয়াৰসকলৰ জীৱনলৈ নামি আহিল আঁউসীৰ আন্ধাৰ। তেওঁলোকৰ জীয়াই থকাৰ নিৰাপত্তা নোহোৱা হ'ল। মদনে মৌজাদাৰব এই কাৰ্যৰ প্ৰতিবাদ কৰিলে। এই মাটি আমি এৰি নিদিওঁ, সি সংকল্প ললে। আধিয়াৰসকলক বুজালে এই মাটি আমাৰ। আটায়ে সাহসেৰে মৌজাদাৰৰ ওচৰলৈ আগবাঢ়ি গ'ল। মৌজাদাৰ কিন্তু নিজৰ সিদ্ধান্তত অলৰ অচৰ।

আইনৰ সাহায্যত মৌজাদাৰে মাটিবোৰ কৰায়ত্ত কৰিলে। সেইদিনাই মদনৰ ভীষণ খং উঠিছিল। মুখৰ থু-এসোপা মৌজাদাৰৰ গালৈ মাৰি দিছিল। - - -

মদনে ভাবিলে--সেই মানুহবোৰৰ লগত সি একাত্ম নাছিল নে ? কণজেঠা নোমল কাইটিহঁতৰ দুখত সি নেকান্দিছিল নে ? ইয়াত কি মানবতাবোধ নাছিল ?

নিশ্চয় আছিল। অথচ চাকৰীত সোমোৱাৰ পিচতে সি ভীষণ পৰিবৰ্তন হৈ গ'ল। সি হৈ পৰিল ব্যক্তি কেন্দ্ৰিক। নিজৰ ঘৰখন, নিজক লৈয়ে সকলো চিন্তা। মৌজাদাৰৰ অত্যাচাৰত কণজেঠাহঁতে কি কৰিছে সেয়া ভাবিবলৈ তাৰ সময় নাই। গাওঁখনৰ অবস্থা কিমান তললৈ নামি গৈছে সেয়াও তাৰ চিন্তনীয় বিষয় নহয়। ব্যক্তি

কেন্দ্রিকতাই তাক লৈ গৈছে আদিমতম যুগৰ হিংস্র প্ৰাণীলৈ। বাধ্য হৈছে মৌজাদাৰ, ভগৰিমল জৈনহঁতৰ দৰে অত্যাচাৰীসকলৰ পাপৰ ধনৰ ৰক্ষক হ'বলৈ। দয়া নাই, ক্ষমা নাই, মমতা নাই। এটা যন্ত্র। চলাই দিলেই ঘচ্ ঘচ্‌কৈ চলি থাকে।

যিজন মানুহৰ মৃত্যুৱে আজি মদনক খুলি খুলি খাইছে, তেওঁ বাৰু কোন? তেওঁ মদনৰ কিবা আত্মীয় হয়নে?

মুঠেই নহয়। ইয়াৰ আগলৈকে মদনে তেওঁক দেখাই নাছিল। কিন্তু মুখখন? সেয়া যেন বহুদিনীয়া চিনাকী। সেইখন যেন তাৰ বাপেকৰহে মুখ! কোনো পাৰ্থক্য নাই। মৌজাদাৰে মাটি কাঢ়ি নিয়াৰ পিচত বাপেকো এনেকুৱা হৈ পৰিছিল। দাড়ি চুলিৰে ভোৰোকাৰ। চকুহাল জ্বলা আঙঠাৰ দৰে টিক্ টিকিয়া বণা। অৰ্ধ উন্মাদ। মৃত্যুৰ আগমুহূৰ্তত তেওঁ চিঞৰি উঠিছিল---কু--কু---ৰ, তোৰ নিস্তাৰ নাই!----

মানুহজন ঢলি পৰাৰ পিচত মুখখন দেখি মদন শিঁয়ৰি উঠিছিল। সি যেন বাপেকৰ মূৰতহে কোব মাৰি দিলে। তাৰ সমগ্ৰ সত্তা কঁপি উঠিল। মানুহজনে তেজলগা আঙুলি কেইটা টোৱাঁই তাক যেন কবলৈ ধৰিলে---তই পশু, তোৰ স্থান নৰকতো নহ'ব!------

'অ মই এটা পশু'! উত্তেজিত ভাবে মদনৰ মনটোৱে চিঞৰি উঠিল। সি পশু, আৰু মানুহবোৰ? সিহঁত মূৰ্খ! অন্যায়ভাবে জীয়া মানুহ এজন মাৰি পেলোৱা হ'ল অথচ তাত গোট খোৱা মানুহবোৰ মুক বধিৰৰ দৰে থিয় দি ৰ'ল। কিয় তেওঁ-লোকে মদনৰ মূৰটো থেতেলি নিদিলে? কিয় মৃত মানুহজনৰ ৰক্তাক্ত মুখখনত তাৰ মুখখন গুজি নিদিলে? বৰং সিহঁত পলাল কিয়? অন্যায়ৰ বিৰুদ্ধে মাত মতাৰ সাহসকণ কি সিহঁতৰ নাই?

সিহঁতে ভয় কৰে। ভয় কৰে মদনহঁতৰ দীঘল দীঘল লাঠিবোৰক, বন্দুক-বোৰক। তেনেহলে পৃথিবীত অন্যায়ৰ ৰাজত্ব সদায় চলিব?

হঠাৎ তাৰ আজি কিছুদিনৰ আগৰ ঘটনা এটা মনত পৰিল।

ৰতনলাল ফ্ল'ৰ মিলৰ বহু সংখ্যক কৰ্মীক চাটাই কৰিছিল। মালিকে কেইবা-টাও বৈজ্ঞানিক মেচিন আনি কাৰখানাত বহুৱাইছিল। যাৰ ফলত অধিক সংখ্যক কৰ্মী নলগা হ'ল। ইফালে চাটাই হোৱা শ্ৰমিকসকলৰ জীৱনলৈ নামি আহিল কাল অন্ধকাৰ। তেওঁলোকৰ ভগা জুপুৰীত চৌকাৰ জুই নজ্বলা হ'ল। ল'ৰা-তিৰোতাক লৈ শ্ৰমিকসকল যেন প্ৰবল বানপানীৰ মাজতহে পৰিল।

ইয়াৰ পৰিণতি স্বৰূপে শ্ৰমিকসকলে মালিকক ঘেৰাও কৰিলে। মিলত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হ'ল। নিজৰ মিল, সা-সম্পত্তি আৰু জীৱন ৰচাবলৈ মালিকে মদনহঁতক মাতি পঠিয়ালে। মদনহঁত হাজিৰ হ'ল। কিন্তু শ্ৰমিকসকল জ্বলি আছে। তেওঁলোকে মদনহঁতৰ বাধা নামানি মালিকক মাটিত বগৰাই দিলে। মুহূৰ্তত মদনহঁতৰ ওপৰৱালাই হুকুম দিলে----লাঠি চাৰ্জ! গৰুক কোবোৱাৰ দৰে মদন-হঁতে এফালৰপৰা শ্ৰমিকসকলক কোবাই গ'ল। ৰতনলাল মিলৰ মজিয়া তেজেৰে ৰাঙলী হ'ল।



লাঠিৰ কোব আৰু লৰা-তিৰোতাৰ তেজ দেখি শ্ৰমিকসকল আৰু বেছি ক্ৰোধা-ন্বিত হৈ পৰিল। তেওঁলোকে মদনহঁতৰ ওপৰত নিৰস্ত্ৰ ভাবেই জপিয়াই পৰিল। বহুতৰ লাঠি কাঢ়ি নিলে। মদনহঁতৰ বহুকেইজন ঘাইল হ'ল। শ্ৰমিকো দুই এজন মৰিল। শেষত বন্দুকৰ নলীয়েদিহে পৰিস্থিতি শান্ত কৰিব পৰা গ'ল। চিকাৰীক মাৰিব নোৱাৰি খঙেৰে পলাই যোৱা বাঘৰ দৰে শ্ৰমিকসকল পলাই গ'ল। সিদি-নাৰ সেই খণ্ড যুদ্ধত মদনৰো হাত এখন ভাগিল।-------

ঘটনাটো সন্মুখত লৈ মদনে অলপ দকৈ চিন্তা কৰিলে। দেখিলে তাৰ পূৰ্বৰ চিন্তা শুদ্ধ নহয়। পূৰ্বে ভবাৰ দৰে সকলো মানুহ মূৰ্খ নহয়। কিম্বা তেওঁলোকে মদনহঁতৰ লাঠি বেয়নেটকো ভয় নকৰে। এই ঘটনাৰপৰা এইটো স্পষ্ট ভাবে ওলাই পৰে যে---মানুহবোৰ, যাক বোবা কৰি ৰখা হৈছে, তেওঁলোক জংগী হৈ পৰিলে মৌজাদাৰ, ৰতনলালহঁতৰ দৰে অত্যাচাৰী আৰু মদনহঁতৰ দৰে অত্যাচাৰীৰ ৰক্ষক সকলক কোনোপধ্যেই ৰেহাই নিদিয়ে।------

গাৰুটো মূৰৰপৰা দলি মাৰি দি মদন ধহ্ মহ্ কৈ উঠি বহিল। সি ফোঁপাইছিল। উত্তেজনাত কঁপিছিল। ঘামেৰে গোটেই দেহ সিক্ত হৈ পৰিছিল। আঠুৱা-খন দাঙি সি ওলাই আহিল।

কলিজাটো বাৰে বাৰে চিৰিং চিৰিংকৈ কঁপি উঠে। তেজবোৰে মূৰত গৈ উঠে। হঠাৎ তাৰ মনৰ ভিতৰতে পুৰণি দিনৰ খংটোৱে আকৌ উক দিলে, যিটো খং মৌজাদাৰক দেখিলে বেছি হৈ পৰিছিল।

বৰযুণজাক এৰিছিল। ক'লা ডাৱৰবোৰ আঁতৰিছিল। মেলা খিৰিকীৰে এচে-ৰেঙা জোনৰ পোহৰ আহি কোঠাটোত পৰিছিল। খিৰিকীৰ কাষতে থকা মেজৰ ওপৰৰ শুধ বগা টেবিলক্লথখন জোনৰ পোহৰ পৰি বেচিকৈ জিলিকি উঠিছিল। টেবিলত থকা চাকৰীৰ সাজেৰে উঠা মদনৰ ফ'টোখনো জিলিকিছিল।

কি এক উত্তেজনাত মদনে সোঁহাতখন মুঠি মাৰি বাওঁহাতেৰে পিটিকিবলৈ ধৰিলে। এইখন হাত, এৰা, এইখন হাতেৰেই সি লাঠি চলাই, বন্দুক চলাই, মানুহৰ ওপৰত আক্ৰমণ কৰে। এইখন হাতেৰেই হাতত ধৰি কণজেঠাইহঁতৰ সৈতে মৌজা-দাৰৰ বিপক্ষে থিয় দিছিল। বাপেক মৰাৰ পিচত বিধবা মাকৰ চকুপানী মচি দিছিল। অথচ এইখন হাতেৰেই হেজাৰ হেজাৰ নিৰীহ মানুহৰ জীৱনলৈ চকুপানী বোৱাই আনিছিল। বহু মাতৃৰ শিৰৰ সেন্দুৰ মচি দিছিল।--------

হাতখনৰ প্ৰতি তাৰ ভীষণ খং উঠিল। তাৰ এনে লাগিল সেইখন যেন তাৰ হাত নহয়, এডাল বিষাক্ত সাপ! সাপডালক চূৰ্ণ বিচূৰ্ণ কৰিবলৈ তাৰ মন গ'ল। প্ৰচণ্ড জোৰে সি হাতখন টেবিলৰ ওপৰত আচাৰিব ধৰিলে। টেবিলত থকা ফ'টোখন পকাত পৰি টুকুৰা টুকুৰ হ'ল। সেইফালে তাৰ ভ্ৰুক্ষেপ নাই। নিয়াৰিব লোৰ ওপৰত কমাৰে হাতুৰী মৰাৰ দৰে সি মাথোন হাতখন আচাৰিয়ে গ'ল। এটা সময়ত তাৰ হাতখন ৰক্তাক্ত হৈ পৰিল। সি হাতখন চকুৰ আগত দাঙি ধৰিলে। মুহূৰ্তত ভাঁহি উঠিল সেই মানুহজনৰ ৰক্তাক্ত মুখখন। সি দেখিলে একেই তেজ। তেজৰ পাৰ্থক্য নাই!----



OKDISCD

এটি ব্যংগচিত্র

# জনপ্ৰিয়তা সম্পৰ্কে

(লু চুনৰ প্ৰতি কৃতজ্ঞতাৰে) মৃণাল দেউৰী

বেছ চমজদাৰ শ্ৰোতাৰ দৰে আমি দিলীপদাৰ মুখলৈ চাই ৰ'লোঁ। ৰানু ভণ্ডুৰাৰ দৰে ছিগাৰেটত জোৰেৰে হোপাটো মাৰি চকু কেইটা বখলিয়াই মেলি ল'লে তেওঁ। ভাং মিহলোৱা ছিগাৰেট। কোঠাটো ৰজনজনাই গ'ল। বিছনাখন সোতমোচ খোৱা। পুৱা ন বজালৈকে শুই বিছনাতে হাত-মুখ নোধোৱাকৈ চাহ কাপ মাৰি ল'লে। ধোঁৱাই কোঠাটো গুলুপ মাৰি ধৰিছে। মোলৈ কাৰাকৈ চাই দিলীপদাৰ অক্ষয় ভাণ্ডাৰৰ পৰা উদ্গীৰণ হ'ল ঃ

'কাম কৰাৰ পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰে বুজিছ। তেতিয়াহে বুকু ডাঠ কৰি কব পাৰিবি ব্ৰেখ্টৰ ভাষাত ঃ

'Great Carthage waged three wars
It was still powerful after the first
Still inhabited after the second
No longer to be found after the third.'

বিমুগ্ধ নয়নেৰে আমি তেওঁৰ আবৃত্তি শুনিলোঁ। পুনৰ তেওঁ গলগলীয়া কণ্ঠেৰে ক'লে ঃ আচ্ছা, তোৰ বৰ্তমান অৱস্থা কেনে? বেমাৰ কি? Diagnosis তো কৰিব লাগিব।

'মোৰ অৱস্থা সংকীৰ্ণ।'

'আৰে বোপাই! Explain with reference to the context; মানে নাটকীয় ক্ৰমবিকাশ। Development through action. আগতে দেখোন তোক অঞ্চলৰ দল-বৰ্ণ-জাতি নিৰ্বিশেষে সকলোৱে ভাল পাইছিল। আনকি পঞ্চায়তৰ সভাপতি, এ, পি, চি, চি,ৰ সদস্য বৰবোপাইহঁতেও। তোৰ ভাষাতে তেওলোক অন্ততঃ ৰুচিশীল ব্যক্তি। তহঁতক চান্দা-বৰঙণি দিয়ে।

'ঠিকেই আছিল সকলো। I mean, All quiet in the front.'

মোৰ মুখৰ ওপৰতে থাপ মাৰি ধৰি দিলীপদাই দুগুণ উদ্যমেৰে কবলৈ ধৰিলে ঃ 'ওঁ! নাটক কৰিছিলি স্থানীয় জুৰুলা ৰংগমঞ্চত। নাটকৰ জৰীয়তে সকলো প্ৰতিক্ৰীয়াশীল, সুবিধাবাদীৰ মুখা খুলিছিলি। তক্তা কটিয়াই, তামোল কটিয়াই, গাঁৱৰ ৰক্ষণশীল মানুহৰ গঞ্জনা মূৰত লৈ প্ৰথমবাৰৰ বাবে সামাজিক নাটক পাতি নায়িকা



নমাইছিলি তহঁতৰ অস্থায়ী ৰংগমঞ্চত। অঞ্চলটোৰ অভাৱ-অভিযোগ বৰ্ণাই, বিশেষতঃ দুখীয়া মানুহৰ কথা লিখি চালুকীয়া চালুকীয়া অৱস্থাৰে সংবাদ পত্ৰ প্ৰকাশ কৰিছিলি। কবিতা লিখিছিলি অগ্নিস্পৰ্শী ভাষাৰে। নেতৃস্থানীয় ব্যক্তিয়ে পিঠিত চপৰিয়াই বাঃ বাঃ দিছিল। নতুন নতুন উদ্ভাৱনাৰে ভাওনা পাতিছিলি, শংকৰ উৎসৱ পাতিছিলি, চিত্ৰ প্ৰদৰ্শনী পাতিছিলি জনসাধাৰণৰ মাজত ঐক্যভাৱ, সংহতি অটুট ৰাখিবলৈ আৰু অঞ্চলৰ সাংস্কৃতিক অনগ্ৰসৰতাৰ বিৰুদ্ধে অভিযান চলাইছিলি। পিছে কেনা লাগিল ক'ত?'

দিলীপদাৰ তীক্ষ্ণ ব্যংগৰ সুৰটোৱে মোক সচকিত কৰিছিল যদিও হৃত উদ্যম ফিৰাই আনি ক'লো ঃ 'কেনাটো লাগিল তাতে। আমাৰ কলেজখনৰ প্ৰিন্সিপাল আৰু সভাপতি তথা যথাক্ৰমে এ, পি, চি, চিৰ সদস্য আৰু পঞ্চায়তৰ সভাপতি সমন্বিতে বৰবোপাইহঁতৰ প্ৰচুৰ টকা-পয়চা লুটাৰ অবাধগতিত মই যেতিয়া ডেকাচামক লগত লৈ ভেটাগোজ হৈ থিয় দিলোঁ। I mean, লগৰ ল'ৰাজাকৰ হেঁচাত মই থাৱৰিব নোৱাৰি যেতিয়া ৰাজহুৱা মিটিঙত প্ৰকাশ্যে বৰবোপাইহঁতৰ বিৰুদ্ধে বিষোদ্গাৰ কৰিছিলোঁ----।'

ৰুদ্ধশ্বাসে দিলীপদাই মোৰ পিঠিত এক থাপৰ মাৰি চিঞৰি উঠিল---'ওঁ। এইবাৰহে জমিছে। Something must be rotten in the State of Denmark! বৰবোপাইহঁতে তেতিয়া কি ক'লে?'

'মিটিঙলৈ তেওঁলোক অহা নাছিল। পিছত তেওঁলোকৰ এজেন্টৰ যোগেদি মোক কোৱালে ঃ বৰ চোকা ল'ৰা আছিল! পিছে কি হ'ব? আমি সা-সুবিধা দিছিলোঁ। ন'লেলে। এতিয়া লগৰ আধাখুন্দাবোৰৰ দৰে দিনক দিনে কুৱাঁৰ ভেকুলী কুৱাঁৰ ভিতৰতে মূৰ আফালি মূৰ আফালি জহান্নামে যাব!' + + +

(২৭ পৃষ্ঠাৰ পিচৰ পৰা)

চাপ্ৰাচীজনে তেওঁৰ বাবে পৰ্দাখন ডাঙি দিলে আৰু তেওঁ কমিছনাৰ চাহাবৰ কোঠাত প্ৰবেশ কৰিলে। কলিং বেল বাজিলে, ফাইলবোৰ লৰিলে, বাবুসকলৰ 'কল' পৰিল আৰু আধা ঘন্টাৰ পাছত নিলাজ বাদছাহ হাঁহি হাঁহি ওলাই আহিল। এসোপা উৎসুক দৃষ্টিৰ ভীৰে তেওঁক ওলাই অহা দেখিলে আৰু তেওঁ আকৌ কবলৈ ধৰিলে, 'নিগনিৰ দৰে পিৰিক্ পাৰাককৈ চাই থাকিলে একো নহ'ব। ভুকা, ভুকা, আটাইবোৰেই ভুকা। চালাহঁতৰ কাণবোৰ তেতিয়া নিজে নিজেই ফাটি থাকিব। ভুকা--কুকুৰহঁত ভুকা---।'

গেটৰ কাষত নবৌৱেক আৰু ভতিজাকহঁত তেওঁৰ বাবে প্ৰতীক্ষা কৰি আছিল। ল'ৰা-ছোৱালীহালৰ কান্ধত হাত থৈ তেওঁ প্ৰকৃত বাদছাহৰ দৰে বাটেৰে আগবাঢ়িবলৈ ধৰিলে।

'লাজ লাগে যদি ষোল বছৰ মুখ ওন্দোলাই থিয়দি থাকা। দৰ্খাস্ত টাইপ কৰোৱা, নলৰ পানী খোৱা। চৰকাৰে সময় লৈছে। নহলে নিলাজ হোৱা। নিৰ্লজ্জতা অতি লাভপ্ৰদ বস্তু।' সি হঠাতে বৈ গল আৰু ডাঙৰকৈ হাঁহিলে---'বন্ধুহঁত নিৰ্লজ্জতা অতি লাভপ্ৰদ বস্তু।'

সি গুচি যোৱাৰ পিচত চৌহদটো আৰু তাৰ আশ-পাশৰ শোকাচ্ছন্ন পৰিৱেশটো আৰু গভীৰ হৈ উঠিল। ভীৰটো লাহে লাহে সিচঁৰিত কৰি মানুহবোৰ নিজৰ নিজৰ ঠাইলৈ আঁতৰি গ'ল। চাপ্ৰাচীজনৰ ভৰি দুটা পুনৰ টুলখনৰপৰা ওলমিবলৈ ধৰিলে। সন্মুখৰ কেন্টিনখনৰপৰা বয়টোৱে বাবুহঁতৰ বাবে একছেট চাহ লৈ গ'ল। আজিনবীছজনৰ মেচিনটো পুনৰ চলিবলৈ ধৰিলে আৰু তাৰ খট্ খট্ শব্দৰ লগে লগে তেওঁৰ ল'ৰাটোৱে আকৌ তাৰ পাঠ আওৰাবলৈ ধৰিলে, 'পি ই এন্--পেন্, পেন্ মানে কলম। এইচ্ ই এন্ হেন্, হেন্, মানে মুৰ্গী। ডি ই এন্, ডেন্, ডেন্ মানে আন্ধাৰ গুহা------।" + + +



OKDISCD

প্ৰবন্ধ

# অসমত নাটক আৰু ব্ৰেখ্‌টীয় নাট্যৰীতি

ৰুবি দেউৰী

ষাঠিৰ দশকৰ শেষৰপিনে অসমত 'সমকালীন' আলোচনীত প্ৰথম ব্ৰেখটৰ নাটক আৰু নাট্যৰীতি সম্পৰ্কে আলোচনাৰ যোগেদি ব্ৰেখ্‌ট্‌-চৰ্চা আৰম্ভ হোৱাৰ পিচত এতিয়ালৈকে এই সম্পৰ্কে বেচ কিছু সংখ্যক আলোচনা-পৰ্যালোচনা আদি হৈ যোৱাৰ উপৰিও ব্ৰেখট্‌ৰ নাটক আৰু তেওঁৰ নাট্যৰীতিৰ ওপৰত ভিত্তি কৰি ৰচিত স্থানীয় নাটকৰ পৰিবেশনো হৈ গৈছে। ব্ৰেখট্‌ সম্বন্ধে ইংৰাজী বা অন্য ভাষাৰ কিতাপৰ লগতে ব্ৰেখট-ৰচিত নাটক-প্ৰবন্ধ আদিয়ো যথেষ্ট পোৱা যায় আজিকালি। অসমৰ নাট্যামোদীসকল মোটামুটিভাৱে তেওঁৰ নাটক আৰু নাট্যৰীতি সম্পৰ্কে অবগত। সেয়ে আমি এই পৰ্যালোচনাটোত ব্ৰেখটীয় নাট্যৰীতি কি সেই সম্পৰ্কে আলোচনা কৰিবলৈ নগৈ আন কিছু প্ৰশ্নৰহে আলোচনা কৰিবলৈ চেষ্টা কৰিম।

অধুনা অসম তথা ভাৰতবৰ্ষত ব্ৰেখটীয় নাট্যৰীতিৰ প্ৰয়োগৰ প্ৰচুৰ উদাহৰণ পৰিলক্ষিত হৈছে। প্ৰায়বোৰ নাটকতেই---সেয়া বিপ্লবী--প্ৰগতিশীল বিষয়বস্তুৰ নাটকেই হওক বা প্ৰতিক্ৰিয়াশীল--এব্‌চাৰ্ড্‌ জাতীয় নাটকেই হওক---এই নাট্যৰীতিৰ প্ৰচুৰ ব্যৱহাৰ দেখা যায়। বুৰ্জোৱা নাট্যকাৰসকলে প্ৰচুৰ পৰিমাণে এই নাট্যৰীতিৰ ব্যৱহাৰ আৰম্ভ কৰি দিছে দৰ্শকক 'চমক' দিবৰ বাবে। তদুপৰি আজিকালিৰ বুৰ্জোৱা নাট্যকাৰসকলে প্ৰবলতৰ হৈ আহিব ধৰা বিপ্লবী প্ৰগতিশীল নাট্যান্দোলনৰ বিৰুদ্ধে সক্ৰিয় ভাৱেই নিৰাশাবাদী, পুনৰুৎত্থানবাদী, নৈৰাশ্যবাদী, ছাৰৰিয়েলিষ্ট্‌ বা অস্তিত্ববাদী আদি ধৰণৰ প্ৰগতি বিৰোধী বক্তব্য প্ৰচাৰ কৰিব ধৰিছে, আৰু বক্তব্য প্ৰচাৰৰ বাবে অতি উত্তম মাধ্যম ব্ৰেখটীয় নাট্যৰীতিক এই প্ৰচাৰ কাৰ্যত খটুৱাইছে। অৱক্ষয়ী বুৰ্জোৱা বিষয়বস্তুৰ বিপৰীতে বিপ্লবী বক্তব্য আৰু বিষয়বস্তুৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তা লক্ষ্য কৰিও বুৰ্জোৱা নাট্যকাৰসকলে ওপৰত 'বিপ্লবী' যেন লগা বিষয়বস্তু বা কাহিনী লৈ তাত এইধৰণৰ নেতিবাচক প্ৰগতি বিৰোধী বক্তব্য সূক্ষ্মভাৱে সুমুৱাই দিয়া দেখা গৈছে। এয়া জনগণক বিভ্ৰান্ত কৰাৰ ষড়যন্ত্ৰ। আনপিনে আকৌ বিপ্লবী প্ৰগতিশীল নাট্যকাৰসকলৰ মাজৰ বহুতেই ব্ৰেখটীয় নাট্যৰীতিকেই বিপ্লবী-প্ৰগতিশীল নাটকৰ একমাত্ৰ উপযুক্ত নাট্যৰীতি বুলি সিদ্ধান্ত কৰি বহি আছে। অধিক কি, কোনো কোনোৱে ব্ৰেখটীয় নাট্যৰীতি ব্যৱহাৰ কৰা যিকোনো নাটককেই বিপ্লবী আখ্যা দিয়াও দেখা যায়। তেওঁলোকৰ মানত---'ব্ৰেখটীয় নাট্যৰীতিত ৰচিত নাটক---বিপ্লবী



নাটক!' এনেধৰণৰ সিদ্ধান্তলৈ আহোঁতে তেওঁলোকে নাটকৰ বক্তব্যক বিচাৰৰ মাপ-কাঠি হিচাপে নলৈ নাট্যৰীতিকহে মাপ-কাঠি হিচাপে লয়। এওঁলোকৰ ৰচিত নাটকবোৰতো বিপ্লবী-বক্তব্য গৌণ হৈ পৰে ব্ৰেখটীয় নাট্যৰীতিৰ প্ৰয়োজনাধিক ব্যৱহাৰৰ প্ৰতাপত। অৰ্থাৎ ব্ৰেখটীয় নাট্যৰীতিৰ খাতিৰতেই ব্ৰেখটীয় নাট্যৰীতিৰ ব্যৱহাৰ হয়---বক্তব্যৰ প্ৰয়োজন অনুসৰি নহয়। বুৰ্জোৱা নাট্যকাৰসকলৰ দৰেই এওঁলোকৰো 'stunt' বা 'চমক' দিয়াৰ প্ৰৱণতা লক্ষ্য কৰা যায়। ব্ৰেখটীয় নাট্যৰীতিৰ এই অত্যধিক আৰু অপ্ৰয়োজনীয় ব্যৱহাৰ আৰু বক্তব্য, বিষয় বস্তুৰ সঠিক উপস্থাপনক কোনো গুৰুত্ব নিদিয়াৰ ফলত নাট্যপৰিবেশনৰ প্ৰকৃত উদ্দেশ্যই (অৰ্থাৎ বিপ্লবী বক্তব্য আৰু বিষয়বস্তু প্ৰচাৰ) ব্যৰ্থতাত পৰ্য্যবসিত হৈ পৰে।

শোষক গোষ্ঠীৰ সক্ৰিয় সহায়ত প্ৰতিক্ৰিয়াশীল স্থিতাবস্থাৰ প্ৰবক্তা বুৰ্জোৱা নাট্যকাৰসকল যেতিয়া সুপৰিকল্পিতভাৱেই প্ৰতিক্ৰিয়াশীল নাট্যপৰিবেশনত ব্যস্ত, সেইসময়ত বিশেষকৈ বিপ্লবী--প্ৰগতিশীল নাট্যকাৰসকলৰ উপৰোক্ত প্ৰৱণতা ভীষণভাৱেই ক্ষতিকৰ। এনে প্ৰৱণতাৰ আশু সংশোধন প্ৰয়োজন। এই ব্ৰেখট-সৰ্বস্ব নাট্যান্দোলনৰ বিপৰীতে আন একধৰণৰ প্ৰৱণতা সম্প্ৰতি লক্ষ্য কৰা গৈছে---সেয়া হ'ল ব্ৰেখট-বিবৰ্জিত নাট্যান্দোলন। ব্ৰেখট--সৰ্বস্বতাৰ প্ৰৱণতাক প্ৰতিৰোধ কৰিবলৈ গৈ কোনো কোনোৱে এই বিপৰীতমুখী চৰম প্ৰৱণতাৰ আশ্ৰয় লোৱা দেখা যায়। তেওঁলোকৰ মত হ'ল--ব্ৰেখট অসম তথা ভাৰতবৰ্ষৰ দৰে অনুন্নত সমাজৰ দৰ্শকৰ বাবে সম্পূৰ্ণৰূপে অসংগত (irrerevant)! এই নাট্যৰীতি জাৰ্মেনিৰ দৰে উন্নত সমাজ-ব্যৱস্থাৰ (অৰ্থাৎ য'ত ধনতন্ত্ৰ পূৰ্ণবিকশিত বা য'ত ধনতান্ত্ৰিক সমাজৰ উৎপাদনৰ পিচত সমাজতান্ত্ৰিক সমাজ-ব্যৱস্থাৰ সৃষ্টি হৈছে তেনে সমাজ ব্যৱস্থাৰ) দৰ্শকৰ বাবেহে উপযুক্ত, অৰ্ধসামন্ততান্ত্ৰিক-অৰ্ধঔপনিবেশিক অনুন্নত ভাৰতীয় সমাজ-ব্যৱস্থাৰ (অৰ্থাৎ য'ত ধনতন্ত্ৰৰ এতিয়াও পূৰ্ণবিকাশ হোৱা নাই তেনে সমাজ ব্যৱস্থাৰ) দৰ্শকৰ বাবে নহয়। গতিকেই ভাৰতবৰ্ষত ব্ৰেখটীয় নাট্যৰীতিত নাট্যান্দোলন কৰাৰ কোনো মানে নাই---ইয়াত পৰম্পৰাগত (traditional) নাট্যৰীতিহে একমাত্ৰ উপযুক্ত নাট্য-মাধ্যম।

উপৰোক্ত দুয়োবিধ চৰম প্ৰৱণতাই দ্বান্দ্বিক চিন্তাৰ পৰিপন্থী আৰু বিষয়ীগত (subjective) চিন্তাৰ যে ফল সেইটো তলৰ আলোচনাৰ পৰাই স্পষ্ট হ'ব।

বিপ্লবী-প্ৰগতিশীল নাট্যান্দোলনলৈ ব্ৰেখটৰ অবদান অনস্বীকাৰ্য। বিপ্লবী বক্তব্য প্ৰচাৰৰ বাবে ব্ৰেখটৰ নাটক আৰু নাট্যৰীতি আমাৰ হাতত এক বলিষ্ঠ আৰু শক্তিশালী হাতিয়াৰ। কিন্তু সেইবুলিয়েই ব্ৰেখটৰ নাট্যৰীতিকেই একমাত্ৰ বিপ্লবী-প্ৰগতিশীল নাট্যৰীতি বুলি ধৰি থকাটো নিশ্চয়, শেষ বিচাৰত, ক্ষতিকাৰী গোড়ামিবাদ (dogmatism) বিনে আন একো নহয়। আমাক লাগে ব্ৰেখটীয় নাট্যৰীতিৰ সৃষ্টিশীল অনুকৰণ---গোড়া আৰু বন্ধ্যা অনুকৰণ নহয়। ব্ৰেখটীয় নাট্যৰীতিৰ গোড়া অনুকৰণৰ চৰম উদাহৰণ দেখা যায় কিছুমান নাট্যকাৰ বা পৰিচালকে নাটক বা নাট্য-পৰিবেশনত জোৰকৈ আবেগক সম্পূৰ্ণৰূপে জলাঞ্জলি দিয়াত (এওঁলোকৰ মতে ব্ৰেখেট বোলে সকলো অবস্থাতেই সম্পূৰ্ণৰূপে 'আবেগ' পৰিহাৰ কৰিব কৈছে!) বক্তব্য বা



OKDISCD

কাহিনীৰ প্ৰয়োজনানুসৰি আৱেগ অনাৰ প্ৰয়োজনীয়তা থাকিলেও 'অব্ৰেখটীয়' হৈ পৰাৰ ভয়ত এওঁলোকে নিতান্ত অসংলগ্ন ভাবে আবেগক পৰিহাৰ কৰে। অৰ্থাৎ আবেগ পৰিহাৰহে নাটক বা নাট্য-পৰিৱেশনৰ মূল লক্ষ্য হৈ পৰে, বিপ্লবী বক্তব্য প্ৰচাৰ নহয়। তেনেকৈ, দৰ্শকৰ মোহ (illusion) ভংগ কৰিবলৈ জোৰকৈ য'তে ত'তে মোহ ভংগ কৰাৰ প্ৰবণতাও লক্ষ্যণীয়। আবেগক প্ৰাধান্য নিদিয়াৰ বা মোহ ভংগ কৰাৰ উদ্দেশ্য হ'ল যাতে দৰ্শকে আবেগ আৰু মোহৰ সাগৰত ভাহি গৈ নিৰ্মোহ বিশ্লেষণ শক্তি হেৰুৱাই নেপেলাই, যাতে তেওঁ যুক্তিৰে সমগ্ৰ পৰিস্থিতিটো বিশ্লেষণ কৰি সমাজ সম্পৰ্কে এটা স্থিৰ সিদ্ধান্তত উপনীত হ'ব পাৰে। আবেগ আৰু মোহ-প্ৰধান নাটকৰ বিৰুদ্ধে ব্ৰেখটৰ এয়া নিসন্দেহে অভিনৱ অৱদান। দৰ্শকৰ যুক্তি, বিশ্লেষণ শক্তি যাতে অৱশ বা নিষ্ক্ৰিয় হৈ নপৰে তাৰ বাবে এই আবেগ-দমন আৰু মোহ-ভংগৰ নিশ্চয় অতি প্ৰয়োজন আৰু সেই উদ্দেশ্যৰেই ইয়াক ব্যৱহাৰ কৰাটো বাঞ্ছনীয়। কিন্তু সম্পূৰ্ণৰূপে পৰিহাৰ কৰাটো আবেগ-মোহ-সৰ্বস্বতাৰ চৰম প্ৰবণতাৰ বিপৰীতে আন এক চৰম প্ৰবণতাৰ বলি হোৱাৰেই চামিল। আবেগ-দমন আৰু মোহ-ভংগ কাৰ্য সঠিক ভাবে নকৰিলে ই দৰ্শকজনৰ যুক্তি-বিশ্লেষণ শক্তিক জাগৰিত কৰাত ব্যৰ্থতো হ'বই, লগে লগে বেচিকৈ বিভ্ৰান্তিৰহে সৃষ্টি কৰিব। এই আবেগ আৰু মোহৰ পূৰ্ণ পৰিহাৰৰ উপৰিও হোৱাই নোহোৱাই নাটকত 'ব্ৰেখটীয়' চাপ ৰাখিবলৈ বিভিন্ন ব্ৰেখটীয় প্ৰ-বিধি (টেক্‌নিক) ব্যৱহাৰৰ আতিশয্য প্ৰচুৰ দেখা যায় আৰু ইয়াৰ ফল স্বৰূপে নাটকখনৰ বক্তব্য সম্পৰ্কে একো বুজিব নোৱাৰি দৰ্শক বেচেৰা আগতকৈ শতগুণে বেচি বিভ্ৰান্ত হৈ পৰে। তদুপৰি, দৰ্শকে গ্ৰহণ কৰিব নে নকৰে তালৈ কোনো লক্ষ্য নাৰাখি হকে-বিহকে দিয়া তাত্বিক কছৰতৰ (theoretical exercise) অতি প্ৰাচুৰ্যতো আছেই---এনে প্ৰাচুৰ্যই দৰ্শকৰ ধৈৰ্যচ্যুতি ঘটাবলৈ যথেষ্ট। এনে 'ব্ৰেখটীয়' বিপ্লবী--প্ৰগতিশীল নাটকৰ লগত 'ব্ৰেখটীয়' নাট্যৰীতিত ৰচিত বুৰ্জোৱা প্ৰগতি-বিৰোধী নাটক মিলি সকলো একাকাৰ হৈ বিভ্ৰান্ত দৰ্শকজনক আৰু বেছি বিভ্ৰান্ত কৰি তোলে।

ব্ৰেখটীয় নাট্যৰীতিৰ এই গোঁড়া আৰু যান্ত্ৰিক ব্যৱহাৰৰ উপৰিও ব্ৰেখটীয় নাট্যৰীতিৰ ওপৰত 'ব্ৰেখট-বিদ' সকলৰ বৌদ্ধিক কছৰতৰ (intellectual) প্ৰাচুৰ্যও লক্ষ্যণীয়। এই 'ব্ৰেখটবিদ'সকলে ব্ৰেখটীয় নাট্যৰীতিক অযথা জটিল কৰি তুলিবলৈ প্ৰয়াস কৰি আহিছে। এওঁলোকে এনে ধাৰণাৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰে যেন এই ব্ৰেখটীয় নাট্যৰীতিটো নোহোৱা-নোপজা আৰু সাধাৰণ যদু-মধু-হৰিৰ বুদ্ধিয়ে চুকি নোপোৱা কিবা এটা বস্তুহে! ব্ৰেখটচৰ্চা তেওঁলোকৰ বাবে বৌদ্ধিক আভিজাত্যৰ নিদৰ্শন (বেচেৰা ব্ৰেখট!)। ওপৰত কৈ অহা আবেগ-মোহ পৰিহাৰ সম্পৰ্কে বিভ্ৰান্তি সৃষ্টি কৰাত এওঁলোক সিদ্ধহস্ত। কোনো নাটক বা নাট্য-পৰিৱেশন সম্পৰ্কে আলোচনা কৰোঁতে এওঁলোকে মাথোন নাট্যকাৰ বা পৰিচালকজন ব্ৰেখটৰ পৰা কিমান দূৰ আঁতৰি গ'ল বা ব্ৰেখট সম্পৰ্কে কিমান অজ্ঞ তাৰহে হিচাপ দিয়াত ব্যস্ত হৈ পৰে।

পশ্চিমৰ উন্নত বুৰ্জোৱা সমাজত ব্ৰেখটীয় নাট্যৰীতি অৱশ্যেই এটা অভিনৱ



বস্তু। ইয়াৰ প্ৰয়োগ তেওঁলোকৰ মনত দুৰ্বোধ্য হয়তো হ'ব পাৰে। কিন্তু আমাৰ দৰে সামন্ততান্ত্ৰিক সমাজত ই সমানেই দুৰ্বোধ্য হ'ব নে? বহুতো ক্ষেত্ৰত দেখা যায় যে নাটকৰ কিছুমান প্ৰবিধি আমি বুজিবলৈ টান পালেও গ্ৰামাঞ্চলৰ দৰ্শকৰ বাবে সেয়া সাধাৰণ কথা। উদাহৰণ স্বৰূপে, পশ্চিমৰ বুৰ্জোৱা ধ্যান-ধাৰণাৰে উপধীয়িত (conditioned) হোৱা আমাৰ অনুৰ্বৰ মগজুৰে সাধাৰণ 'aside' প্ৰবিধি বুজিবলৈ অসমৰ্থ হওঁ বুলিয়েই যে গ্ৰামাঞ্চলৰ দৰ্শকে বুজি নাপাব তাৰ কোনো মানে নাই। তাৰোপৰি, লোক-সংস্কৃতি আৰু চীনৰ সামন্ততান্ত্ৰিক নাট্যৰীতি আদিৰ উপাদানবোৰৰ পৰাই জানো ব্ৰেখটে তেওঁৰ নাট্যৰীতিৰ উপাদানবোৰ আহৰণ কৰা নাছিল?

কোৱা হৈছে যে ব্ৰেখট ভাৰতবৰ্ষত---বিশেষকৈ গ্ৰামাঞ্চলত--অচল। ব্ৰেখট সৰ্বস্বতাৰ বিপৰীতে এয়া ব্ৰেখট বিবৰ্জনৰ প্ৰবণতা। ব্ৰেখটীয় নাট্যৰীতিৰ সফল ব্যৱহাৰেৰে অসম তথা ভাৰতবৰ্ষত কিছুমান নাটকে প্ৰচুৰ জনপ্ৰিয়তা লাভ কৰা কথাটোৱেই এনে ধাৰণা যে ভ্ৰান্ত সেয়া প্ৰমাণ কৰিবলৈ যথেষ্ট। আমি এই নাট্যৰীতিৰ প্ৰয়োগ আমাৰ গ্ৰামাঞ্চলৰ দৰ্শকৰ বাবে দুৰ্বোধ্য হোৱাৰ কোনো কাৰণ নেদেখোঁ। বৰং ব্ৰেখটীয় নাট্যৰীতিৰ উপাদানবোৰ লোক-সংস্কৃতি আৰু সামন্ততান্ত্ৰিক নাট্যৰীতিৰ উপাদানবোৰৰ পৰা আহৰিত হোৱাৰ বাবে এই নাট্যৰীতি গ্ৰামাঞ্চলৰ দৰ্শকৰ মাজত আৰু বেছি গ্ৰহণীয় হ'ব বুলিহে ভাবোঁ। আমাৰ অসমৰেই ভাওনা-অভ্যস্ত দৰ্শকৰ বাবে ব্ৰেখটীয় সূত্ৰধাৰ একো নতুন বস্তু নহয়। শূণ্য মঞ্চকেই মৃতদেহপূৰ্ণ যুদ্ধ ক্ষেত্ৰ বা গৰ্জনমুখৰ সাগৰ, অথবা চকী এখন মাথোন থকা শূণ্য মঞ্চকেই ৰাজ-সভা বুলি ধৰিব পৰা অপূৰ্ব কল্পনা শক্তি (imaginative capability) থকা আমাৰ দৰ্শকৰ বাবে ব্ৰেখটীয় মঞ্চ ব্যৱস্থা (stage craft) দুৰ্বোধ্য নোহোৱাই স্বাভাবিক। একেটা মঞ্চতে একে সময়তে দুয়ো কোণত দুটা বিভিন্ন দৃশ্যৰ অভিনয়ৰ দৰে আন আন প্ৰবিধিতো আমাৰ দৰ্শক অভ্যস্ত। সংগীততো ভাওনাবোৰৰ অবিচ্ছেদ্য অংগ। এ্যালিয়েন্যাশ্যন্ এ্যাফেক্ট? মৃত অভিনেতা মঞ্চৰ পৰা উঠি গুচি যোৱা আদি কাৰ্যতো সাধাৰণ কথা। তাৰোপৰি, স্ত্ৰী-পুত্ৰ-ভাগিন-বন্ধু আদিৰে পূৰ্ণ দৰ্শকৰ মাজত অভিনয় কৰোঁতে গ্ৰামাঞ্চলৰ অভিনেতাজনে নিশ্চয় বেচ আত্ম-সচেতন হৈয়েই অভিনয় কৰিবলগীয়াত পৰে আৰু ফলত অভিনীত চৰিত্ৰৰ লগত একাত্ম হ'বলৈ তেওঁৰ সুৰুঙা ক'ত? গ্ৰামাঞ্চলৰ নাটকত পোনে পোনে দৰ্শকক সম্বোধন কৰাটো এটা সাধাৰণ কথা। তাৰ দৰ্শক আৰু মঞ্চৰ মাজত তেনে কোনো দুৰ্ভেদ্য প্ৰাচীৰ নাই। অৰ্থাৎ ব্ৰেখটীয় নাট্যৰীতিৰ প্ৰায় সকলোবোৰ উপাদানেই অশোধিত (crude) অৱস্থাত হলেও আমাৰ গ্ৰামাঞ্চলৰ নাটকত বা ভাওনাত প্ৰচুৰ পৰিমাণে আছে।

আৰু এটা প্ৰশ্ন আহিব পাৰে। দেখদেখকৈ বক্তব্য-প্ৰচাৰধৰ্মী ব্ৰেখটীয় নাটকে অনুন্নত গ্ৰামাঞ্চলৰ দৰ্শকক আকৰ্ষণ কৰিবনে? আকৰ্ষণ নকৰাৰ কোনো কাৰণ নাই। সামন্ততান্ত্ৰিক-ধৰ্মীয় শিল্প-সাহিত্যৰ (feudal-religious art) 'সুফল' স্বৰূপে আমাৰ গ্ৰাম্যসমাজ প্ৰচাৰ-ধৰ্মী শিল্পসাহিত্যৰ লগত সু-পৰিচিত। বুৰ্জোৱা সমা-



OKDISCD

জৰ 'বিশুদ্ধ' শিল্প-সাহিত্যৰ ( pure art) বীজাণু গ্ৰাম্য সমাজত নাই। গতিকে ভীষণ বক্তব্য-ধৰ্মী নাটকেও গ্ৰামাঞ্চলত তেনেকৈ 'নান্দনিক' বাধা পোৱাৰ আশংকা নাই। অধিক কি, চহৰাঞ্চলত ছিনেমা আদি বিভিন্ন আমোদ-আহিলাৰ প্ৰাচুৰ্যৰ বাবে চহৰাঞ্চলৰ লোক যিমান নাটক-বিমুখী, গ্ৰামাঞ্চলৰ লোক তেনে নাটক-বিমুখী নহয়। গ্ৰামাঞ্চলত নাট্য পৰিবেশনৰ পৰিস্থিতি আৰু আৱাহাৱা সদা বিদ্যমান আৰু গ্ৰামাঞ্চলৰ লোকৰ সঁহাৰিও সদা উৎসাহ আৰু উদ্দীপনা উদ্ৰেককাৰী।

এই আলোচনাৰপৰা আমাৰ ধাৰণা হয়, গ্ৰাম-প্ৰধান ভাৰতবৰ্ষত ব্ৰেখটীয় নাট্য-ৰীতিৰ সৃষ্টিশীল আৰু সফল প্ৰয়োগ সম্ভৱ। এই কথা পাহৰিলে নচলিব যে, দুৰ্বোধ্য তাত্ত্বিক কছৰতৰ বাবে ব্ৰেখটীয় নাট্যৰীতি বুজিবলৈ আমি টান পাওঁ বাবেই যে ইয়াৰ প্ৰয়োগো দুৰ্বোধ্য হ'ব (বিশেষকৈ গ্ৰামাঞ্চলৰ দৰ্শকৰ বাবে) তাৰ কোনো অৰ্থ নাই। ব্ৰেখটীয় নাট্যৰীতি গ্ৰামাঞ্চল বা চহৰাঞ্চল সকলোতেই প্ৰয়োগ কৰা যায় নিশ্চয়---মাথোন ইয়াৰ সঠিক প্ৰয়োগৰ প্ৰয়োজন। প্ৰয়োগৰ সময়ত আমি অৱশ্যেই দৰ্শকৰ চেতনা আৰু বিকাশৰ বিদ্যমান স্তৰ (existing level of consciousness and development) সম্বন্ধে চকু ৰাখিব লাগিব। উদাহৰণ স্বৰূপে, নিৰক্ষৰ দৰ্শকৰ মাজত---সেয়া চহৰাঞ্চলৰেই হওক বা গ্ৰামাঞ্চলৰেই হওক---পোষ্টাৰৰ ব্যৱহাৰ কৰা কোনো অৰ্থ নাই। এনে ক্ষেত্ৰত পোষ্টাৰৰ সলনি আমি সফলভাৱে সূত্ৰধাৰৰ ব্যৱহাৰ কৰিব পাৰোঁ। তেনেকৈ, গ্ৰামাঞ্চলৰ দৰ্শকৰ আগত চহৰাঞ্চলৰ জীৱনৰ বিচ্ছিন্নতাক বিষয়বস্তু কৰি ৰচিত হোৱা নাটক দুৰ্বোধ্য হোৱাই স্বাভাৱিক। মূল বিপ্লৱী বক্তব্য স্থিৰ ৰাখি বিষয়বস্তু আৰু নাট্যৰীতিৰ উপাদানবোৰ সেয়ে দৰ্শকৰ চেতনা আৰু বিকাশৰ বিদ্যমান স্তৰৰ লগত সামঞ্জস্য ৰাখি ব্যৱহাৰ কৰাটো বাঞ্ছনীয়।

ব্ৰেখটীয় নাট্যৰীতিয়েই নিশ্চয় একমাত্ৰ বিপ্লৱী-প্ৰগতিশীল নাট্যমাধ্যম নহয়। গোঁড়া আৰু অন্ধভাৱে মাথোন এই নাট্যৰীতিতেই সীমাবদ্ধ থাকেলে ক্ষতি হোৱাৰেই সম্ভাৱনা বেচি। বক্তব্য আৰু কাহিনীৰ প্ৰয়োজননুসৰি যিকোনো উপযুক্ত নাট্যৰীতিকেই ব্যৱহাৰ কৰিব পৰা নমনীয়তাৰ (flexibility) অতি প্ৰয়োজন। স্তানিস্লাভস্কিৰ নাট্যৰীতি বা পৰম্পৰাগত নাট্যৰীতিৰেও সফল সুন্দৰ বিপ্লৱী-প্ৰগতিশীল নাটক সৃষ্টিৰ অজস্ৰ উদাহৰণ আছে। স্বয়ং ব্ৰেখ্‌টেও প্ৰয়োজননুসৰি পৰম্পৰাগত নাট্যৰীতিত নাটক ৰচনা নকৰা নহয়। প্ৰয়োজননুসৰি আন স্থানীয় বা বিদেশী নাট্যৰীতিৰ লগত ব্ৰেখটীয় নাট্যৰীতিৰ সংমিশ্ৰণৰেও সুন্দৰ সফল নাটক সৃষ্টি কৰা যায় নিশ্চয়। নাট্য-সৃষ্টি আৰু পৰিবেশনৰ সময়ত আমি এই কথা পাহৰিলে নচলিব যে---'শিল্প-সাহিত্যৰ ক্ষেত্ৰত সকলোতকৈ বন্ধ্যা আৰু ক্ষতিকৰ গোড়ামিবাদ হ'ল বিনা সমালোচনাৰে অতীতৰ আৰু বিদেশীসকলৰ ৰচনা আৰু শিল্প-কৰ্মক নকল কৰা আৰু সেইবোৰক অনুকৰণ কৰা। + + +



## গল্প

# শিজু গছত গোলাপ

উদয়াদিত্য ভৰালী

----চুলিৰ গুৰিৰপৰা ভৰিৰ পতালৈকে ঘামত জেবজেবিয়া হৈ চেঁচাপানী এবাতি খাওঁ বুলি ৰমা পেহাৰ তাত সোমালো। ৰমা পেহা অঞ্চলটোৰ সকলোৰে পেহা। কথা চহকী মানুহ। অঞ্চলটোত চিনি নোপোৱা লোক নায়েই। একালত বাঘৰ আগ-তেল খোৱা আছিল! পুৰণা বিপ্লৱী বুলি নাম আছে। চেটন বৰুৱাহঁতৰ সময়ৰে বুলি কয়। এতিয়াও সুবিধা পালেই তেওঁ তাহানিৰ ঘটনাবোৰ আমাক শুনায়। সেইবোৰ শুনিলে আমাৰ নিচিনা অলপ ধতুৱাবোৰৰ ভয়তে হাত-ভৰি লুকাব খোজে। হওঁতে পেহাই আচলতে কামবোৰ কৰিছিল নে নাই, গাঁৱৰ আনবোৰে নাজানে। পেহাই কোৱা কথাহে। কাৰণ পেহা তেতিয়া গাঁৱৰ ঘৰত নাছিলেই। আজিকালি পিচে আগৰ তেজ দমিল। ঠিকা কৰি সম্পত্তিও আজিলে ঢেৰ। আগৰ চোক নাই যদিও একেবাৰে যে সেৰসেৰিয়া হৈ গৈছে তেনে নহয়। চেগ বুজি পুৰণা তেজে উক্ দিয়ে। তেনেকুৱা উক্ মুক্ নি উঠিলেই তেওঁ আমাক বিপ্লৱৰ গধুৰ কথাবোৰ বুজায়। আৰু তেজৰ পিৰপিৰণি সকলোতকৈ চাৰ হয় ভোটৰ সময়ত। সেই কেইদিনতো পেহাৰ মৰিবলৈকো সময় নাথাকে। লালঝাণ্ডা লগোৱা গাড়ীত উঠি মুখত আখৈফুটা কথাৰে সেইকেইদিন ঘূৰিফুৰা পেহাক দেখিলে বিপ্লৱৰ ধল আহিল যেনেই লাগে। পেহাৰ চোকা কথাবোৰ আমাৰ ভোটা মগজত নোসোমায়েই। সেয়েহে পেহাই কয়, 'বুইচ, এইবোৰ তহঁতে নুবুজিবি। গধুৰ কথা। অৱশ্যে ভাবি চিন্তি মগজ ঘোলা কৰাৰ কাম নেতাৰহে, তহঁতৰ চিন্তা কৰিব লগা একো নাই। এই টান কামবোৰৰ বিষয়ে তহঁতৰ হৈ আমিয়েই চিন্তা কৰিম। তহঁতে মাত্ৰ কোৱা মতে কৰি যাবি।' সেয়েহে ৰমা পেহাই কয়, আমি কৰোঁ। পিছে কৰিছোহে কৰিছো, ফলৰ দেখোন নাম গোন্ধেই নাই! ৰমা পেহাক সুধিলে ভেকাহি মাৰি ক'ব, 'হেৰৌ এইবোৰ ল'ৰা ধেমালি পাইছ নেকি যে ভুকুতে কলটো পৰিব? সময় ল'ব, বুইচ, সময় ল'ব। পিছে এতিয়া যি দিনকাল পৰিল বিপ্লৱো ফাটি চিৰাচিৰ হ'ল যেন পাইছো! ভোটৰ সময়ত এদলে আহি ক'ব, 'আমাক ভোট দিয়ক, চব ঠিক হৈ যাব।' পোকৰৰ পিচতে আন দলে আহি ক'ব, 'আমাক জয়যুক্ত কৰক, আপোনালোকৰ দুখ-দুৰ্গতিৰ অন্ত পৰিব।' ফলত ৰাইজ জাকৰহে মূৰ ঘমাই থৰকাচুটি হেৰায়। ৰাইজেও সেয়েহে কোচৰটো এৰি পেটৰটোলৈ আশা কৰাতকৈ, বাপেপেকে মন্ত্ৰী, এম, এল, এ



OKDISCD

লগা জাককে বাচে। এইবাৰ বোলে দেশত নতুন বতাহ বলিছে। অৱশ্যে ৰাইজে ঘটনাই নে অঘটন তৰ্কিবই পৰা নাই। এই কেইদিন পেহাৰো চেল বেল্লনি বাঢ়িছে।

----পানীটোপা খাওঁ বুলি ঘৰ সোমায়েই পেহাৰ মুখতেই পৰিলো। বাতৰি এখনত চকু ফুৰাই পেহা আগৰ বাৰান্দাত পাৰি থোৱা আৰামী চকী এখনত বহি আছিল। মই সোমোৱাৰ লগে লগে বঙা ৰঙা আখৰৰ বাতৰিখনৰ ওপৰেৰে পেহাই চাই পঠিয়াওঁতেই মোৰ চকুৱে চকুৱে পৰিল। কিবা এযাৰ ক'ব লাগে বুলিয়েই এহো নেহোকৈ ক'লো, 'পানী এবাতি খাবলৈ সোমালো। অ' পেহী, পানী এবাতি দেচোন। কি কাকত পঢ়িছ পেহা?' লগে লগে পেহাই কাকতখন মুখৰ আগৰপৰা আঁতৰাই নি গলগলিয়া মাতেৰে আৰম্ভ কৰিলে, 'হেৰৌ গৰু, তই বোলে এম ই-লৈকে পঢ়িছিলি? এইখন কাকতো চিনি পোৱা নাই, স্কুল পঢ়িনো কি ফলালি? এইখন আমাৰ পাৰ্টিৰ বিপ্লৱী কাকত। তহঁতক লৈ দেখিছো উপাই নাই। এই গৰুজাকক লৈ কিদাল বিপ্লব কৰিবা?' কথা শুনি মই তলমূৰ কৰিলো যদিও কলগছ ফালি শুকুৱালে শুকাই যোৱা এই টিকাফটা ৰ'দত আহি কথাৰ খোচ খাব লগা হোৱাত টিঙিচকে খঙটো উঠি আহিল। তথাপি খঙটো দমাই ক'লো, 'চা পেহা, আমি আকাল লগা ঘৰ-সংসাৰ থকা মানুহ। ঘৰৰ লেঠা ভাঙোতেই তৰণি নাই। তহঁতৰ দৰে ঠেং জোকাৰি আৰামী চকীত বহি বিপ্লব কৰি ফুৰিবলৈ আমাৰ সময় ক'ত? তোৰ ঘৰততো তোৰ হৈ কৰোতা ঢেৰ। পিছে আমি কথা চেলাই বিপ্লৱ কৰি ফুৰিলে আমাক খুৱাব কোনে? তাতে আজি-কালি তহঁতৰো এশ এটা ভাগ। তই কবি, "আয়ে'হে বিপ্লব কৰিব।' উপেন মাষ্টৰৰ জোৱাঁয়েক যদুনাথে ক'ব, 'নহয়, সিহঁত ফাকিবাজ। আচলতে 'মায়ে'হে বিপ্লৱ কৰিব।' হেৰৌ, তহঁতে যদি এনেকৈ 'আই মাই' খেলি থাক আমিজাক ক'ত মৰোগৈ! গোটেই মখাইতো লালঝাণ্ডা উৰাব! কাকনো বিশ্বাস কৰোঁ কচোন? তাতে তহঁতে ভোট আহিলেহে ভূতৰ দৰে ৰাইজৰ আগত ওলাৱ, নহ'লেতো খবৰেই নাই। তাবো-পৰি অতদিনে দেশৰ ৰজাক গালি পাৰিছিলি, তাৰ পিচত দেখোন সিহঁতৰেই লগ হৈছিলি গৈ। সিহঁতৰেই গুণ বখানিছিলি। যদুনাথৰ লগৰ জাকেও বোলে নতুন ৰজাৰ গা ঘেঁহাইছেগৈ। তহঁতৰ সাঁজাত পোৱা টান। যাকে থুই থুই কৰিবি, নিজৰ কিবা লাভ দেখিলে তাৰ পাততেই ভাত খাবি গৈ।----' খঙৰ ভমকত মোৰ মুখেৰে কথাবোৰ ওলাই গ'ল।

লগে লগে জ্বলা জুইত ঘি পৰাৰ দৰে পেহা জকি উঠিল, 'কি কলি, কি কলি? মই ঠেং জোকাৰি বহি আছোঁ? হুঁঃ। কুকুৰ, তহঁতৰ একেবাৰেই লাজ নাই। চেলা, সিহঁতৰ কথা ভাবি চিন্তিয়েই পোন্ধ টিলা হৈ গৈছে, আকৌ সিহঁতেই বদনাম যাচে, বোলে ঠেং জোকাৰি বহিহে আছো। হেৰৌ আহাম্মখ, ঈশ্বৰে তোক মগজ বুলি গোবৰ দিলে নেকি? নাই, নাই, গোবৰৰো গুণ আছে। ঘোলা কণীৰ কুহুম দিলে যেনহে পাইছো। সেয়েহে কওঁ, বোলো ভূ-ভাৰতৰ অলপ খবৰ ৰাখ। অলপ পঢ়া-শুনা কৰ। এনেয়ে স্কুলত পঢ়িছিলো বুলি জহাই ফুৰিলে হ'ব নেকি?

(৪৬ পৃষ্ঠাত চাওক)



গল্প

# অপৰাধ

বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য

তাৰ হৃদয়ে সমগ্ৰ বাহিৰখন নিৰীক্ষণ কৰিলে। টেলিফোনটো নীৰৱ হৈ গ'ল। অৰ্ধ অন্ধকাৰত খিড়িকীৰ আইনাত যেন ঢেলা শ্বেতকুষ্ঠৰ দাগহে জিলিকিছে। দুটা ক'ৰাছৰ উত্তৰ-প্ৰত্যুত্তৰ সি শুনিবলৈ পাইছে; মনশ্চক্ষুত দুয়োপক্ষৰ দুৰ্বিণীত সংগ্ৰামৰ মন্টাজ-চিত্ৰও দেখিছে। ভুষণ্ডিৰ দৰে তাৰ পৰিণতিও দেখিছে।

নিজৰ গাটো প্ৰায় নগ্ন; অন্তৰ্বসনে কথমপি লিংগদেশ আৰু উৰুদেশ আচ্ছাদিত কৰিছে, বাকী দেহ সম্পূৰ্ণ নগ্ন। কোঠাৰ দুৱাৰ-খিড়িকীবোৰ খোলা; ব্ৰহ্মপুত্ৰৰ পৰা কোবাল বতাহ এজাক আহি দেহ কঁপাই তোলাৰ লগে লগে তাৰ ভাব হ'ল মূৰৰ খোলাটোৰ ভিতৰত তৰপে তৰপে স্মৃতিবোৰ উজাৰ খাই উঠিছে। বিচনাত তললৈ মূৰকৈ ফেৰেঙনিৰ দৰে ভৰি মেলি, নাক বজাই শুই থকা শান্তিলৈ চাই তাৰ অপৰাধ-চেতনা হ'ল। তাইক সি কোনো দিনে জটিল যৌন উপলব্ধিবোৰ ক'ব পৰা নাই; যদি সি কয় নাৰী-পুৰুষে চিৰদিন একেলগে বাস কৰাটো আত্মসংযমৰ উদাহৰণ হলেও, প্ৰকৃতিগত সত্য হ'ব নোৱাৰে। প্ৰচলিত নৈতিকতাবোধ মানি চলিলেও পুৰুষে বা নাৰীয়ে বিবাহিত জীৱনতো আকস্মিকভাবে ন প্ৰেমৰ সন্মুখীন হোৱাটো একো অস্বাভাৱিক নহয়। সি বীণাক ভালপোৱাৰ কথা শান্তিৰপৰা লুকুৱা নাই, কিন্তু ঘৰৰ ভিতৰত শান্তিৰ সমুখত সি অপৰাধীৰ দৰে আত্মৰক্ষা কৰিব লগা হৈছে। অথচ শান্তিৰ লগত সি সুচাৰুৰূপে সংসাৰ চলোৱাত অকণো ত্ৰুটি কৰা নাই। তাত যদি কিবা ব্যাঘাত হৈছে, তাৰ কাৰণ তাৰ বীতশ্ৰদ্ধা নহয়, সীমিত আগ্ৰহে। তথাপি প্ৰচলিত নৈতিকতাৰ দৃষ্টিত সি অপৰাধী। শান্তিৰ প্ৰতি তাৰ বিবাহৰ প্ৰথম কালৰ মোহ আৰু অনুৰাগ নাই, কিন্তু তথাপি সি বীণাকো গ্ৰহণ কৰি নতুন সংসাৰ পাতিম বুলি কোৱা নাই। কাৰণ বীণাৰো এখন সংসাৰ আছে, যদিও তাই গিৰিয়েকৰ লগত সহবাস নকৰে। তাইৰো গিৰিয়েকৰ ওচৰত অপৰাধ-চেতনা হয়। বীণাৰ এজনী ছোৱালীও আছে; তাই যিমানে ডাঙৰ হৈছে সিমানে বীণাৰ প্ৰেম সংকুচিত হৈ আহিছে। এইমাত্ৰ তাই ফোনত কৈছে যে লাৱণ্যই এম-এ পাছ কৰিবৰে পৰা মাকৰ চাল-চলন নিয়মিত ভাবে সমালোচনা কৰিবলৈ লৈছে। তাই কৈছে যদি মাকে অসামাজিক জীৱন যাপন কৰে, তেন্তে তাই ঘৰৰপৰা ওলাই গৈ নিজে নিজৰ ভৰিৰ ওপৰত থিয় হ'ব। তাৰ দৰে বীণাও মুক্ত নহয়।

সম্ভৱতঃ বিয়াহে নাৰী-পুৰুষৰ জীৱনৰ স্থায়ী বন্ধন, প্ৰেম নহয়। দুয়োৰে স্বাধীনতাৰ অধিকাৰ থাকিলেও, অৱস্থা আৰু পৰিস্থিতিয়ে সেই অধিকাৰ লাভ কৰিবলৈ নিদিয়ে।



OKDISCD

সত্যই বাৰান্দালৈ ওলাই গৈ ফেনে-ফোটোকাৰে বাঢ়ি অহা লুইতখনলৈ চালে। লুইতো বুঢ়া হৈছে। কিন্তু নৈখনৰ যৌৱন অটুট আছে। প্ৰকৃত যযাতিৰ দৰে নৈখনৰ শক্তি, কিন্তু সত্যৰ সেই শক্তি নাই। বীণাৰো উৰ্বশীৰ শক্তি নাই। সম্ভবতঃ মানুহৰ বাবে প্ৰেম এটা স্বপ্ন, অতিকথা। এই স্বপ্ন আৰু অতিকথাই তাক সমুখৰ ফালে আগবাঢ়িবলৈ শক্তি দিয়ে। কিন্তু ব্যক্তিৰূপে নহয়, কাৰণ ব্যক্তি মৰণশীল। সমাজ অধিকতৰ ভাৱে লুইতৰ সমানেই দীৰ্ঘজীৱি। গতিকে ব্যক্তিৰ স্বপ্নবোৰ লক্ষ্যৰ চালিকা শক্তি হৈ সাহিত্য-শিল্পত জীয়াই ৰয়। সত্য আৰু বীণাইহঁতে কবিতাত এইবোৰ স্বপ্নৰ আভাস পাইছিল, ভৱিষ্যতৰ মানুহেও এই স্বপ্নবোৰক আগ্ৰহেৰে গ্ৰহণ কৰিব। নিখুত সমাজত বিয়াৰ বহুত খেলিমেলি যাব, কিন্তু দেহৰ খলাবমা থাকিব, প্ৰৌঢ়ত্বৰ জড়তাই যৌৱন আৰু প্ৰেমৰ মুক্তি সংকুচিত কৰিব। সৰহভাগ মানুহে বিয়াৰ শিকলিকে জীৱনৰ জয়মাল্য বুলি লব।

কিন্তু বীণাৰ লগত তাৰ সম্পৰ্ক আৰু শান্তিৰ লগত তাৰ সম্পৰ্কৰ টনা-আঁজোৰা নিৰ্দিষ্ট পৰিমণ্ডলৰ ভিতৰতে শেষ নহয়। শান্তিয়ে তাক ঘৰ ত্যাগ কৰিবলৈ কয়, বীণাই তাক বাহিৰলৈ টানে। শান্তি হৈছে ছেঞ্চৰ, বীণা হৈছে উৎক্ষেপক। সময় বিশেষে শান্তি উদাৰা, বীণা তাৰা।

এইমাত্ৰ ফোনত যে বীণাই অকল লাৱণ্যৰ কথাই কৈছিল, এনে নহয়। আৰু এটা খবৰ দিছিল।

বীণাৰ ককায়েক মন্টুক অভিযোগ-পত্ৰ নিদিয়াকৈ পুলিছে মাজ-নিশা গ্ৰেপ্তাৰ কৰি নিছে। তাই কৈয়েই ফোনটো থৈ দিলে।

সত্য আকৌ ফোনটোৰ ওৰিলৈ গ'ল। ফোনটো দাঙি লোৱাৰ লগে লগে দেখিলে সি নিষ্ক্ৰিয়। কেনো ৰকম উঠি অহা খংটো দমাই সি এইবাৰ শান্তিৰ কামতে গুৱলৈ চেষ্টা কৰিলে। নিতাল মাৰি কিছুসময় থাকিলতো তাৰ টোপনি নাহিল। সি থানাত সুধিব খুজিছিল মন্টুৰ দৰে মানুহ এটাক কিয় মাজ নিশা বিনা অভিযোগে গ্ৰেপ্তাৰ কৰিব লগা হ'ল। কিন্তু পুলিছে কি কব সি এতিয়া জানে। তেওঁলোকে সদায় সংগত কাৰণতেই মানুহ ধৰে। কাইলৈ খবৰ কাগজতো খবৰ ওলাব, তাৰ পিছত পক্ষে আৰু বিপক্ষে লেখা-লেখি হ'ব, কিন্তু মূৰকত ই ৰাজনৈতিক সংগ্ৰাম ৰূপেই দেখা দিবগৈ। ন্যায়ালয়ে গ্ৰেপ্তাৰৰ যুক্তিযুক্ততা বিচাৰ কৰিব, যদি অভিযুক্তই গোচৰ কৰে।

বীণাই ৰাজনৈতিক দৃষ্টিৰ পৰা এই গ্ৰেপ্তাৰ বিচাৰ কৰা নাই, মানবীয় দৃষ্টিৰ্ব পৰাহে কৰিছে।

সত্যই কাটি সলাই শান্তিলৈ চালে। ভৰি দুখনৰ বাহিৰে একোৱেই দেখা নাপালে। শান্তিৰ নিৰুদ্বিগ্ন চিত আৰু চিৰসন্তুষ্ট মনত কোনো দুখে বিকাৰ সৃষ্টি কৰিব নোৱাৰে। সত্যৰ বীণাৰ প্ৰতি হোৱা অহেতুক আকৰ্ষণ, সংসাৰৰ প্ৰতি সি সততে দৰ্শোৱা বীতশ্ৰদ্ধা, ঘৰুৱা কামতকৈ সামাজিক বা ৰাজনৈতিক কাম শ্ৰেষ্ঠতৰ বুলি গণ্য কৰা সত্যৰ ৰাজসিক মনোভাৱ, তাৰ অপৰিমিত অথচ বন্ধ্যা উদ্বিগ্নতা এইবোৰ শান্তিয়ে হাঁহি হাঁহি বিনা অভিযোগে সহ্য কৰি যোৱা দেখিলে সত্যৰ বিবেক জাগি উঠে। তাৰ ভাব হয় শান্তিৰ মাজত মনুষ্যত্বৰ এনে শক্তি আছে, যি শক্তি অমূৰ্ত হৈয়ো আমোঘ, আমেয়। বীণাৰ অধিক দৈহিক সৌন্দৰ্য আছে ; বীণাৰ



মুখ, বুকু, ককাল, চুলি আৰু হাত কিখন সমগ্ৰ দেহৰ লগত সন্তুলিত ৰূপত মিলি সুন্দৰ হৈ প্ৰকাশ পায়। কামনাৰ অভিযোজিত কৰিয়েই যেন তাইৰ দেহ সুঠাম কৰি তুলিছে। বীণাই পাৰিবাৰিক সূত্ৰে ৰাজনৈতিক আৰু সামাজিক ৰুচিও যথেষ্ট পাইছে। তাইৰ মনো ঈশ্বৰ-নিৰ্ভৰশীল নহয় ; পুৰুষ-নিৰ্ভৰশীলতা অথবা পুৰুষৰ প্ৰতি অযুক্তিকৰ শ্ৰদ্ধাও তাইৰ নাই। তাইৰ প্ৰতি তাৰ আকৰ্ষণ তাইৰ উন্নত মানবীয় ৰুচি আৰু সুঠাম দেহক কেন্দ্ৰ কৰি। কিন্তু শান্তিৰ দেহ সুঠাম নহয় ; বিভিন্ন অংগৰ স্বাভাৱিক সমন্বয় তাত নাই। প্ৰথম দেখাত তাইলৈ সত্যৰ বিকৰ্ষনেই হয়, কিন্তু তাৰ অভিৰুচি, কামনা, কৰ্তব্য আৰু মনৰ ওচৰত তাই এনেকৈ আত্ম সমৰ্পণ কৰিলে যে তাইৰ তাৰপৰা অভিন্ন সুকীয়া ব্যক্তিত্ব নাই। পুৰুষক যি নাৰীয়ে ইমান কঠোৰ আত্মত্যাগৰ শক্তিৰে আগোৰ কৰি ল'ব পাৰিছে, সেই নাৰীক অন্তৰাত্মাত গ্ৰহণ কৰি লোৱাৰ বাহিৰে তাৰ অন্যোপায় নাই। শান্তিৰ মাজত স্থূল দৃষ্টিত অধৰা এক অনিৰ্বচনীয় অন্তঃসৌন্দৰ্য বিৰাজ কৰিছে, দেহজ হৈও তাইৰ লগত এক দেহাতীত সম্পৰ্ক গঢ়ি উঠিছে। তাইৰ শক্তি অনতিক্ৰমনীয়। তাইৰ ঋজু আচৰণে কেতিয়াবা তাৰ প্ৰেমত দ্বিধাগ্ৰস্ত বিবেকক ইমান সজোৰে আঘাত কৰে যে তাৰ তেতিয়া অজ্ঞাতে চকুলো বয়। আৰু শান্তিৰ ওচৰত তাৰ অপৰাধী যেন লাগে।

সত্য আকৌ উঠিল, বাহিৰলৈ গল আৰু নিমগ্নচিত্তে বাৰান্দাৰ চকীখনত বহি লুইতলৈ চাবলৈ ধৰিলে। নৈখনৰ প্ৰৱল গতিৰ তাৎপৰ্য সি প্ৰথমবাৰলৈ উপলব্ধি কৰিলে। স্থিতিয়েই হৈছে শান্তি। গতিয়েই হৈছে লুইত দৃঢ় পুৰুষচিত্তই দ্বিধা আত্মদন্দ্বত সাহতচিত্তে অনবৰত সমুখৰ ফালে গতি কৰে, জুৰিৰ পৰা উপনদী, উপনদীৰপৰা নদী, নদীৰ পৰা সাগৰ, সাগৰৰ পৰা মহাসাগৰ।

এই ব্যাখ্যা শুনাহেঁতেন মন্টুৱে ক'লেহেতেন, "তোৰ এইবোৰ ৰোমান্টিক বিভ্ৰান্তি।"!

ৰেলৱে ধৰ্মঘটৰ সময়ত মন্টুক জেললৈ এইবাৰৰ দৰে ধৰি নিওঁতে, সি তাক দেখা কৰিবলৈ গৈছিল। তেতিয়া সি কৈছিল, তয়ো আহ জেললৈ।"

"কিয় ?"

"তোৰ সকলো দ্বিধা, আত্মদ্বন্দ্ব নাইকিয়া হৈ যাব।" চুটি চাপৰ, গাঠলু মন্টুৰ মুখৰ একমাত্ৰ আকৰ্ষণীয় বস্তু হৈছে তাৰ অনচ্ছ কিন্তু উজ্জ্বল চকুযোৰ। তাৰ দৃষ্টিত অনঘ সৰলতা নাই। বনুৱা, ছাত্ৰ আৰু কৃষকক সি এনেকৈ সংগঠিত কৰিবলৈ বিচাৰে, যাতে খণ্ডদাবীৰ সংগ্ৰাম কৰি কৰি সিহঁত বৰ্তমান শাসক শ্ৰেণীৰ অদ্বিতীয় শত্ৰুত পৰিণত হয়। এই উদ্দেশ্য সাধনৰ বাবে যি কোনো পন্থা গ্ৰহণ কৰিবলৈ সদায় প্ৰস্তুত। যি শ্ৰেণী-শত্ৰুৰ ধ্বংসৰ বাবে কাম কৰে, সেই কাম সামান্য হলেও তাৰ বাবে নৈতিক। সি ভাৱে সত্য শাসক শ্ৰেণীৰ ন্যায় আৰু মানৱতাৰ মোহৰ পৰা ওলাব পৰা নাই ; সেই কাৰণে তাৰ জেলবন্দীৰ প্ৰতি অসীম সহানুভূতি, ন্যায়ালয়ত সিহঁতৰ মুক্তিৰ বাবে আৰ্জি দাখিলৰ বাবে অসীম আগ্ৰহ। সত্যই ভাৱে, এই ন্যায় আৰু মানৱতা সম্যক ভাৱে সংগঠিত হ'লে এনে অমোঘ অস্ত্ৰত পৰিণত হ'ব যে শাসক শ্ৰেণীৰ অন্যায় আৰু শোষণৰ ভেটি খহি পৰিব। বীণাৰ প্ৰতি তাৰ আকৰ্ষণতো মন্টুৱে এই ৰোমান্টিক চেতনাৰ খেলিমেলিহে দেখে। "এইটো বুৰ্জোৱা শ্ৰেণীৰ যৌন নৈতিকতা", সি ক'ব, "ফিউডেল পত্নীৰ প্ৰতি তোৰ মোহ প্ৰবল, কিন্তু আকৰ্ষণীয় বুৰ্জোৱা বিবাহিতাৰ বিবাহ-বহিৰ্ভূত প্ৰেমলৈও তোৰ আসক্তি। এই সামন্তবাদী আৰু বুৰ্জোৱা মূল্যবোধৰ দ্বন্দ্ব দূৰীকৰণৰ একমাত্ৰ বাস্তৱ পথ হ'ল বন্দীশাল।"



OKDISCD

তাৰ নিঃশংক চিত্ত আৰু নিসংশয় বিশ্বাস দেখি সত্যই নিঃসংগ বোধ কৰিছিল, তাৰ অন্তৰ কঁপি উঠিছিল আৰু দ্বিধাগ্ৰস্ত বিবেকত উদয় হৈছিল এক দোষ-চেতনা। নিশ্চিত পথলৈ এই আমন্ত্ৰণজনিত যাত্ৰা অসাধ্য কিন্তু সখ্যতাপূৰ্ণ যেন বোধ হয়। কিন্তু সি জানিছিল এই যক্তি নিৰ্বিকল্প নহয় আৰু তাৰ উৎপত্তি ক্ষেত্ৰও অবিশাল। তথাপি প্ৰায় কেইদিন পিছতেই সি জেল পাইছিলগৈ।

হঠাতে ফোনটো বাজিবলৈ ধৰিলে।

সত্য উঠি গ'ল, হাতত লোৱাৰ লগে লগে পৰিচিত মাত শুনি সি উৎফুল্ল আৰু উত্তেজিত

(৪২ পৃষ্ঠাৰ পিচৰ পৰা)

অকল টিপ চহী নিদি চহী মাৰিব জানিলেই নহয়, বুইচ। শুন, আচলতে আমাৰ মাজত আই মাই একো নাই। আমি চবেই বিপ্লবী। বিপ্লবৰ কায়দাৰ বাবেই এইবোৰ লোকক দেখুৱাবলৈ ভাগ বিভাগ। এতিয়া আচল কায়দাটো কি কওঁ শুন। পুৰণা ৰজাৰ দলত সোমাই আমি মানে তহঁতে 'আই' বুলি কোৱা জাকে পুৰণা ৰজাৰ দলত কন্দল লগাই দল ভাঙিলো। তানপিনে তহঁতে 'মাই' বুলি কোৱা জাকে মানে যদুনাথৰ লগৰ জাকে নতুন ৰজাৰ দলৰ গা ঘেঁহাই ৰহি এনে চুটথৰ মেলিব যে মৰ খজুৱতিৰ পোৰণিত নতুন ৰজাৰ দলতো ভাঙন লাগিব। আমি দুয়োজাকে ৰজাৰ দল থানবান কৰি দিলেই দেশৰ সকলো মজদুৰে বিপ্লব আৰম্ভ কৰিব আৰু খেতিয়কজাকে সিহঁতক যোগান দিব। বিপ্লব আৰম্ভ হলেই আমি বিপ্লবীজাক গোট খাই সিহঁতক বাট দেখুৱাই লৈ যাম। বুজিলি এতিয়া, আচল কায়দাটো কি?' কথাকিষাৰ কৈ পেহাই মোলৈ এনেকৈ চালে যেন মই সঁচাকৈয়ে এটা গাধ।

-মোৰ কাম আছে, সোনকালে যাব লাগে। পেহাৰ চেলবেলনি আৰু যাতে শুনিব লগীয়া নহয় সেইবাবে পেহাৰ মুখলৈ চাই ময়ো বুজাৰ ভাও ধৰি ক'লো, 'অ, হয় নেকি? জানো, তহঁতেহে বুজিবি, আমি মূৰ্খজাকে কি বুজিম? তই কৈছ যেতিয়া হয় দে। দিনৌ দহখন বৰ বৰ বাতৰি শেষ কৰি তহঁতে ভূ-ভাৰতৰ খবৰ ৰাখ। তহঁতে নুবুজালে আমি বুজোঁ কেনেকৈ? পিচে এতিয়া কথা চেলাই থাকিলে নহ'ব, পানী এবাতি খাই মই যাওঁ। আমি খেতিয়ক, আৰু তই কোৱা মতে তহঁতে যেতিয়া বজাৰ দলত ভাঙন লগাই শেষ কৰিবি, তেতিয়া মজদুৰবোৰে বিপ্লব আৰম্ভ কৰিব। আৰু সিহঁতে আৰম্ভ কৰিলেই আমি সিহঁতক যোগান ধৰিম। নহয় জানো? কেতিয়াকৈ যোগান ধৰিব লাগে ক'বি। তই কৈছ যেতিয়া ধৰিম দে। মুঠৰ ওপৰত কিবা এটা হ'লেই হ'ল। বৰ তিতাকেঁহা লাগিছে, বুইচ। এতিয়া পিছে মই যাওঁ, অলপ কঠিয়া ধানৰ যোগাৰ কৰিব লাগে। হওতে দিওঁ বুলিলে তয়ো দিব পাৰ। তোৰ মাৰল ঘৰৰ চাঙত বহুত কেইটা টোম দেখিছো। পিচে তইনো ক'ত দিবি? আমাক বিধান দিলে মিতিৰ বুলি ধান কিজানি কমায়েই দিওঁ! যাওঁচোন, জটা মহাজনেই দিয়ে নেকি?--- -কথাকিষাৰ কৈয়েই পেহীয়ে আমাৰ কথাৰ মাজতে দি যোৱা পানী বাতি একে উশাহে পি মই ওলাই আহিলো। লগে লগে পেহাই মৰা ভেকাহি মোৰ কাণত পৰিলহি, 'চব আহাম্মখৰ দল। মই পাতি আছো ৰাজসভাৰ কথা, সি মাজতে কয়, 'কল থোকা বাদুলিয়ে খালে।' জধামূৰ্খ কৰ'বাৰ---!'

+ + +



স্বৰে সুধিলে, "কেতিয়া আহিলা?"

"আহি আছোঁ।" সিফালৰ পৰা উত্তৰ আহিল' "তোমাৰ তালৈকে যাওঁ বুলি ভাবিছোঁ। বিছনা আছে নে?"

'আহাঁ। বাটটো মনত আছে নে?"

"আট্‌লাছত অঁকাৰ দৰে অঁকা আছে।"

"তেন্তে আহাঁ।"

ফোনটো থৈ সত্যই এবাৰ শান্তিলৈ চালে। তাৰ পিছত ওচৰলৈ গৈ গাত চিকুট মাৰি দি কলে, "হেৰা, সাৰ পাইছানে, মামা আহিছে।"

শান্তি ঘপ কৰে উঠি বহিল, গাটো পোনাই কলে, "উচপ খাই গলোগৈ। কোন আহিছে বুলিলে?'

"মামা!"

"এই ৰাতি!"

"অঁ। ৰজাঘৰৰ মানুহৰ ৰাতি দিন কি আছে। যেতিয়াই দৰকাৰ, তেতিয়াই আহিব।"

শান্তি বাথৰুমলৈ গ'ল। সত্যই পাইজামাটো আৰু পাঞ্জাবীটো গাত সুমাই লাইটটো জ্বলাই দিলে। ঘড়ীটোত দুই বাজিছে। "মামা কিয় আহিল?" তাৰ প্ৰশ্ন হ'ল। সংকট নহলে অথবা সংকটৰ লগত সি বিপজ্জনকভাবে জড়িত নহলে মামা কেতিয়াও তাৰ ঘৰলৈ নাহে। মিতিৰ-কুটুম বা বন্ধু-বান্ধবৰ ঘৰত সামাজিক দৰ্শন দিয়া মামাৰ ৰীতি বিৰুদ্ধ কথা, যদি তাত ৰাজনৈতিক উদ্দেশ্য নিহিত নেথাকে।

সত্যই এটা ট্ৰাংক খুলি এখন বিছনাচাদৰ উলিয়ালে আৰু চ'ৰা ঘৰৰ দাঁতিৰ কোঠাটোৰ লাইট জ্বলাই দুখন তোচক দি শকতকৈ বিছনাখন পাৰি তাত ধক্‌ধকীয়া বগা বিছনা চাদৰখন পাৰি দিলে। তাৰ পিছত শোৱা ৰুমলৈ আহি নিজৰ বিচনাৰ ঘূৰণীয়া গাৰুটো হাতত তুলি ললে। শান্তি ইতিমধ্যে বাথৰুমৰ পৰা ওলাই আহিছে। "মামাক কোনটো গাৰু দিওঁ শান্তি?"

ঘূৰণীয়া গাৰুটোৰ ফটাখিনি চাই সত্যৰ মনত হঠাতে দোষ-চেতনা উপজিল। গাৰুটো বিয়াৰ সময়তে কৰোৱা। তাক নতুনকৈ কৰাবলৈ কেইবাদিনো ধুনিঅলা এটাক মতাৰ কথা শান্তিয়ে কৈ আছিল; কিন্তু সি বাহিৰলৈ ওলাই গলেই পাহৰে। ঘৰটোত চূণ দিয়াও তিনিবছৰমান হ'ল, বেৰবোৰ চামনি পৰি ক'লা হৈ পৰিছে। সময়ত পইচা যোগাৰ নহয় বাবেই কামটো কৰোৱা হোৱা নাই। সি হুমুনিয়াহ এটা চাৰি মামাৰ শোৱা কোঠা চাবলৈ গ'ল। দেখিলে শান্তিয়ে বিচনাত আঠুৱা তৰিছে। সি এগিলাচ পানী আনি এখন সৰু মেজত প্লেট এখনেৰে ঢাকি থ'লে, তাৰ পিছত খিড়িকীবোৰৰ পৰ্দাবোৰ ভালকৈ তৰি দিলে। আঠুৱা তৰা হ'লত শান্তিয়ে সুধিলে, "মামাই ভাত খাই আহিছে তো?"

"সুধিবলৈ নহ'ল।"

"বাৰু আহিলে দেখা যাব। এতিয়া চাহৰে যোগাৰ কৰি থওঁ।"

শান্তি পাকঘৰলৈ গ'ল। সত্যই ঘড়ী চালে, আঢ়েটা বাজিছে। বাহিৰৰ লাইটটো জ্বলাই দিলে।

গ্ৰীক নাটকৰ দুই ক'ৰাছৰ কথোপকথনৰ দৰে তাৰ সত্তা আৰু প্ৰতিসত্ত্বাৰ মাজত কথোপকথন আৰম্ভ হ'ল। সত্ত্বাই ক'লে, মামা এজন সৎ কাজুৱা দেশকৰ্মী, কাজেই তেওঁৰ পৰামৰ্শ

তুমি মন পাতি শুনিবা। প্ৰতিসত্যাই ক'লে, শুনা যদি তুমি বিপ্লৱৰ অহিতকাৰী বুলি পৰিগণিত হ'বা। সত্যাই কলে, মোৰ নো কি মূল্য আছে? প্ৰতিসত্যাই ক'লে, এই সংকট-কালত তোমাৰ মূল্য সংগ্ৰামতহে আছে।

বায়ুমণ্ডলত ৰিঙা ৰিঙা ভাব। ঘৰৰ আগৰ আলিবাটটো ক'লা ঘোং এটাৰ দৰে পৰি আছে। মামালৈ বৈ বৈ তাৰ বিৰক্তি লাগিল। চহৰখন শুই আছে। সি উভটি আহি এবাৰ পাকঘৰলৈ গ'ল। এখন প্লেটত দুটা কল আৰু দুখন বিস্কুট সজাই থোৱা আছে। কেৰাচিন ষ্ট'ভটোত পানী উতলি আছে। এটা মূঢ়াত বহি শান্তিয়ে কল মটিয়াইছিল। তাৰ ছেণ্ডেলৰ মাত শুনি তাই পোন হৈ বহি কলে, "ক'তা মামা অহা নাইচোন।" কিন্তু তাৰ উত্তৰলৈ বাট নেচাই শান্তিয়ে তাৰ চকুযুৰি পৰীক্ষা কৰি হাঁহি সুধিলে, "আপুনি চাহ একাপ খাব নেকি?" "দিয়া দিব খুজিছা যদি------" সত্যাই কলে।

"মন্টুক গ্ৰেপ্তাৰ কৰিলে।"

"আপুনিও সাৱধান হোৱা ভাল।" শান্তিয়ে ক'লে।

সত্যাই হাঁহি উঠিল। চাহকাপ খাই খাই সি শান্তিৰ লগত মুকলি মনেৰে কথা পাতিব খুজিলে। কিন্তু কথা পাতিব নোৱাৰিলে। সি জানে মন্টুহঁতে বিশেষ একো কৰা নাই, মাত্ৰ শিক্ষকসকলৰ দৰমহা বঢ়াবৰ বাবে যুদ্ধ কৰিছে। প্ৰাক্-বিশ্ববিদ্যালয় পৰীক্ষা বৰ্জন আন্দোলনৰ কাৰ্যসূচী। চৰকাৰে আৰু বিশ্ববিদ্যালয়ে মিলি পৰীক্ষা পাতিছে। দুয়োপক্ষৰ মাজত সংলাপ বন্ধ হৈ গ'ল। ইপিনে পৰীক্ষাৰ বৰ্জনো চলি আছে। অকল মন্টুৰেই নহয়, বহুত শিক্ষকেই গ্ৰেপ্তাৰ হৈছে। ছাত্ৰও জেলত সোমাইছে। তাৰে কিছুমানক জধে মধে গ্ৰেপ্তাৰ কৰিছে। এইবিলাকৰ মুকলি বিচাৰ হোৱা নাই। সিহঁতক অভিযোগ-পত্ৰও দিয়া হোৱা নাই। সি এনে নিৰ্বিচাৰ গ্ৰেপ্তাৰ সমৰ্থন কৰিব নোৱাৰে। শিক্ষকসকলক দৰমহা নিদিবলৈ কৰা চৰকাৰৰ সিদ্ধান্তও সি সমৰ্থন নকৰে। সি মুকলি ভাবে সভা-সমিতিত কৈ ফুৰিছে। কাগজত লিখিছে, পোষ্টাৰিং কৰিছে। কিহৰ পৰা সি সাৱধান হ'ব এতিয়া? নিজৰ কৰ্তব্যৰ পৰা?

শান্তিয়ে সত্যৰ মুখখন চালে, তাৰ পিছত নিজে নিজে কল্পনা কৰিলে ৰেলৰে ধৰ্মঘটৰ সময়ত ধৰ্মঘটৰ বাবে কাম কৰা বাবে তাক গ্ৰেপ্তাৰ কৰি দুমাহ জেইলত ৰখা কথা। সেই দুমাহ তাইৰ মনত অশান্তি, পইচাৰ হাহাকাৰ। সত্যৰ দৰমহা তিনিমাহলৈ বন্ধ হৈ আছিল। সেই সময়ত মামা আহি তাইক পইচা দিছিল। অকল তাইক পইচা দিয়াই নহয়, শান্তিৰ অকলশৰীয়া মাকক টান বেমাৰৰপৰা ৰক্ষা কৰিছিল ডাক্তৰ লগাই। এই কথা সত্যাই গম নেপায়, গম পালে তাইক তিৰস্কাৰ কৰিলেহেঁতেন। শান্তিয়ে ঘৰুৱা কথা পাতিবলৈ সত্যৰ লগত সময়েই নেপায়। সত্যাই সংসাৰৰ বান্ধৰ পৰা মুক্ত হৈ চলে;- দৰমহাৰ টকাকেইটা বাহিৰে বাহিৰে শান্তিৰ হাতত দি সি নিশ্চিত হৈ বাহিৰলৈ যায়। মাকে কেইবাৰো তাইক ঘৰলৈ মাতিছিল, কাৰণ তেওঁৰ অসুখ দিনক দিনে বাঢ়ি গৈছে। সদায় চিঙিৰ বিষ। মাকলৈ কেইটামান টকা পঠিয়াম বুলিও তাই পঠিয়াব নোৱাৰিলে। মনৰ দুখ তাইৰ মনতে আছে। তাই খালি শেষ খবৰৰ বাবে বাট চাই আছে। তেতিয়া তাই কি কৰিব! কান্দিব নে যাব? মাকৰ যে তাইৰ বাহিৰে আৰু কোনো



নাই! একমাত্ৰ দয়াল মামাই দিল্লীৰ পৰা আহোঁতে যাওঁতে তাইক মাত লগাই খবৰ দি যায়। তাতেই তাই সন্তুষ্ট থাকিব লাগে। এবাৰ নে দুবাৰ এই দূৰ সম্বন্ধীয় মামাকে তাইক দুই এটা ইংগিতো দিছিল; যদি সত্যাই আন্দোলন বাদ দিয়ে, তেন্তে তেওঁ ইয়াতকৈ এটা ভাল কাম দিবৰ বাবে যত্ন কৰিব পাৰে। অকল সেয়ে নহয়, মন্টু যদি তেওঁলোকৰ লগ লাগে, তেন্তে তেওঁ তাক এটা ৰাজনৈতিক কেৰিয়াৰো প্ৰতিশ্ৰুতি দিব পাৰে। তেওঁলোকক মানুহ লগা হৈছে, নিৰ্ভৰযোগ্য, অধ্যয়নশীল আৰু সৎ। শান্তিয়ে এদিন উলিয়াইছিল কথাটো, কিন্তু সত্যাই বিদ্ৰুপৰ হাঁহিৰে তাক উৰুৱাই দিলে।

মামাকে পিছত এবাৰ প্ৰস্তাৱটো পৰিষ্কাৰকৈ উপস্থাপন কৰিছিল। মামাকে ভাবে যে সিহঁতৰ জাতৰ মানুহবোৰ জাতে-পাতে পিচপৰা। তথাকথিত উচ্চজাত কেইটাৰ নেতৃত্বত চলা বিৰোধী দলবোৰৰ লগ লাগি চলিলে সিহঁতৰ উন্নতি হোৱা দূৰৰ কথা, অধোগতিহে হ'ব। গতিকে তেওঁ সত্যক চৰকাৰী দলৰ লগ লাগিবলৈ কৈছিল। শান্তিয়ে সেইমতে সত্যক কথাটো কৈছিল। কিন্তু সত্যাই কলে, চৰকাৰী দলৰ ধাৰণা জাতে-পাতে ভুলেই নহয়, সুবিধাবাদীও। সকলো পিচপৰা জাতৰ নেতাবোৰ লগ লাগিলেও সমাজবাদ আনিব নোৱাৰে। সমাজবাদ মানে পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাৰ আমূল পৰিবৰ্তন। পুঁজিপতি শ্ৰেণীটো উচ্ছেদ কৰক আগতে, সেই প্ৰস্তাৱ মূলতুবী ৰ'ল।

আন এটা সংকটৰ সন্মুখীন শান্তি হৈছিল। শান্তিহঁতৰ একমাত্ৰ ছোৱালী মিনতিক মামাকে নি যোৰহাটত পঢ়ুৱাইছে। পঢ়াশুনাত তাই খুব ভাল কৰিছে। সত্যাই যেতিয়া খবৰ পালে, মিনতিয়ে পৰীক্ষা বৰ্জন নকৰি নিয়মমতে মামাকৰ গাড়ীত পৰীক্ষা হললৈ গৈছে, তেতিয়া সি মুমূৰ্ষু হৈ বহি পৰিছিল। শান্তিক কৈছিল, "তাইক মামাকে নষ্ট কৰা নাছিল।" শান্তিয়ে নীৰৱে সত্যৰ কথা শুনি গৈছিল, একবিন্দুও প্ৰতিবাদ কৰা নাছিল। সত্যাই জীয়েকৰ এই কামক তাৰ আদৰ্শৰ অৱমাননা বুলি ধৰি লৈছিল। তাৰ পিছত সি জীয়েকলৈ এখনো চিঠি লিখা নাই, পৰীক্ষাৰ পিছত তাই অহা-নহাৰ বিষয়েও কোনো আগ্ৰহ দৰ্শোৱা নাই। সত্যৰ এই উদাসীনতা শান্তিৰ পক্ষে অসহ্য হ'লেও, তাই বিন্দুমাত্ৰও আপত্তি তোলা নাছিল। সহি সহি তাই সকলো সহিব পৰা হৈছিল।

সত্যৰ চৰম অতপালি হৈছিল অফিছৰ সহকৰ্মিনী বীণাৰ প্ৰতি হোৱা তাৰ আসক্তিৰ ক্ষেত্ৰত। মন্টুহঁতৰ ঘৰখন মুক্ত আচৰণৰ বাবে জনাজাত। মন্টুৰ বাপেক-মাকে ল'ৰা-ছোৱালীৰ প্ৰেম, বিবাহ, চাল-চলন এইবোৰত পৰাপক্ষত হকাবধা নকৰে। তেওঁলোকো এইবিলাক বিষয়ত সৰুৰে পৰা মুকলিমূৰীয়া আছিল। বাপেক আছিল 'ৰোমান্টিক' মেজাজৰ লোক, আৰু মাক আছিল স্বইচ্ছাই পূৰ্বৰ গিৰিয়েকক ত্যাগ কৰি অহা বিদ্ৰোহিনী। শান্তিক এইবোৰ কথা মামাকে বিতংভাৱে কৈছে। মন্টুৰ বাপেকে মন্টুৰ মাকক বিয়া কৰোৱাৰ আগতে এগৰাকী খ্যাতনামা মহিলা লিখিকাৰ প্ৰেমত ডুব গৈ বৰাগীৰ দৰে হৈছিল। কিন্তু শেষত তেওঁলোকৰ মাজত বিবাহ নহ'লগৈ। মন্টুৰ মাক আছিল এজন চৰকাৰী বিষয়াৰ পত্নী। প্ৰথমতে সংসাৰ ভাল ধৰণেৰেই চলিছিল; কিন্তু গিৰিয়েকৰ মদাহী স্বভাৱ আৰু বদমেজাজ সহিব নোৱাৰি তেওঁ আহি এখন স্কুলত চাকৰি কৰিছিল। মন্টুৰ দেউতাক সেই স্কুলৰ কাষৰে এটা ঘৰত এখন কিতাপৰ দোকান দি স্বাধীন ব্যৱসায়ত মনপুতি লাগিছিল। তাতে চিনাকি হৈ শেষত সি গভীৰ প্ৰেমত পৰিণত হয়। বিবাহৰ পিছত দুয়ো নিজৰ অভিজ্ঞতাৰ



OKDISCD

আলমত ল'ৰা-ছোৱালীবোৰক যথেষ্ট স্বাধীনচিতীয়া কৰি তুলিছিল। মন্টুৰে বাপেকৰ দোকানৰ পৰাই পোন প্ৰথম বৈপ্লবিক আদৰ্শৰ গ্ৰন্থ নি পঢ়িছিল। তাৰ পিছত বিপ্লবৰ প্ৰতি সি আকৃষ্ট হৈ এটা বাওঁপন্থীদলৰ সদস্য হয়। বীণাই পঢ়া-শুনা কৰি ৰেলৰ চাকৰী কৰিছিল আৰু তাতে প্ৰথমতে এজন ক্ষুদ্ৰ প্ৰেছ মালিকৰ লগত বিবাহ সূত্ৰত আবদ্ধ হয়। ছোৱালীজনী হোৱাৰ তিনি বছৰৰ পিছতে বীণাই আবিষ্কাৰ কৰিলে যে গিৰিয়েকে কাকতৰ চোৰাং ব্যৱসায় কৰি বাহিৰা ধন আৰ্জে। কেইবাবছৰো ধৰি গিৰিয়েকৰ এই ভুল তাই শুধৰাবলৈ যত্ন কৰিছিল, কিন্তু গিৰিয়েকে তাইৰ সু-পৰামৰ্শ গ্ৰহণ কৰক চাৰি তাইক বেয়া ব্যৱহাৰহে কৰিবলৈ ধৰিলে। মানুহজনৰ বিবেক আৰু কাণ্ডজ্ঞান নাছিল। সেই কাৰণে তেওঁ পূৰা গধূলি বীণাক মাৰধৰ কৰিবলৈ ধৰিলে। বীণাৰ অসহ্য হ'ল আৰু কিছুদিনৰ ভিতৰতে গিৰিয়েকক এৰি থৈ মাক-বাপেকৰ ঘৰলৈ আহিল। মাক-বাপেকে তাইকহে সমৰ্থন কৰিলে।

শান্তিয়ে বহুত দিন ধৰি গিৰিয়েকৰ মুখত বীণাৰ উচ্ছ্বসিত প্ৰশংসা শুনি আহিছিল। সেইবাবে এদিন গিৰিয়েকৰ লগত তাই উপযাচি বীণাহঁতৰ ঘৰ পালেগৈ। বীণাক দেখিয়েই তাইৰ নিজৰ হীনমন্যতা আৰম্ভ হ'ল। বীণাৰ সুঠাম যৌৱন অটুট হৈ আছিল। তাই শান্তিক নিজৰ বান্ধৱীৰ দৰে ব্যৱহাৰ কৰিলে আৰু ভিতৰলৈ মাতি নি সত্যদাৰ দৰে উচ্চমনা, সৎ আৰু সুন্দৰ গিৰিয়েক পোৱা বাবে তাইক ভাগ্যৱতী বুলি প্ৰশংসা কৰিলে। কথাবিলাক ইমান শান্তভাৱে বীণাই কৈছিল, ইমান প্ৰাণ ঢালি সত্যৰ গুণৰ প্ৰশংসা কৰিছিল যে, শান্তিয়ে বিন্দুমাত্ৰও ভবা নাছিল যে এই উচ্ছ্বসিত প্ৰশংসাত তাইৰ হৃদয়ৰ গভীৰতম অভিলাষ এটা প্ৰকাশ পাইছিল।

ৰেলৰে ধৰ্মঘটৰ আগে আগে আন্দোলনৰ কামত সত্য প্ৰায়ে ঘৰলৈ নহা হৈছিল। পুলিছৰ চোকা চকুৰ হাত সাৰিবৰ বাবে সত্যাই কিছুদিন আত্মগোপন কৰিছিল। বীণাহঁতৰ দূৰ সম্পৰ্কীয় এজন দদায়েকৰ ঘৰত সত্য আত্মগোপন কৰি আছিল। জেইলৰ পৰা ওলোৱাৰ পিছত সত্য যিদিনা ঘৰলৈ আহিল, সেইদিনা ভয়ানক বিমৰ্ষ হৈ পৰিছিল সত্য। শান্তিলৈ মুখ তুলি চাবলৈ তাৰ ভয় হৈছিল। খাওঁতে, কথা পাতোতে সত্যাই তাইৰ লগত ভালদৰে মুকলিভাৱে কথা পতা নাছিল। ৰাতি শুবৰ সময়ত যেতিয়া শান্তিয়ে দেখিলে তাইৰ কাৰণে অপেক্ষা নকৰাকৈয়ে সত্য শুই পৰিছে তেতিয়া তাই বুজিলে আঁতৰি থকা কালছোৱাত কিবা এটা অঘটন ঘটিল।

শান্তিয়ে লাহে লাহে সত্যৰ পৰাই বীণাৰ প্ৰতি তাৰ আসক্তি গাঢ় হোৱাৰ সম্বাদ পালে। এদিন নিশা বীণাই ৰেলৰে ধৰ্মঘটৰ শেহতীয়া সংবাদ দিবলৈ সত্যৰ ওচৰলৈ গৈছিল। সত্যৰ গাত সেইদিনা জ্বৰ আছিল, পুৱাবেলা এবাৰ বমিও হৈছিল। বীণাই গৈ তাৰ অৱস্থা দেখি তাৰ চিকিৎসাৰ দিহা কৰিলে। ডাক্তৰে কেইটামান ইনজেক্‌শ্যন আৰু খোৱা দৰৱ দি গুচি গ'ল। বীণাই দৰৱকেইটা আনাই নিজেই ইনজেক্‌শ্যন এটা দিলে। তাৰ পিচত ওৰেৰাতি তাৰ ওচৰত বহি প্ৰতিপাল কৰিবলৈ ধৰিলে। ৰাতি ভালেমান হোৱা দেখি সত্যাই তাইক যাবলৈ কৈছিল যদিও তাই নগ'ল। তাই কৈছিল, "মোক এইকনো অধিকাৰ নিদিয়ানে?"

"অধিকাৰ?" আচৰিত হৈ সত্যাই সুধিলে।



"অ, অধিকাৰ।" বীণাই নিষ্পলক নয়নে সত্যৰ চকুলৈ চালে। সত্যাই বুজি পালে সেই চাৱনিৰ গূঢ়াৰ্থ কি।

তাই তাৰ হাতখন নিজৰ হাতলৈ নিসংকোচে তুলি ললে। সত্যাই তাত একো অস্বাভাৱিকতা নেদেখিলে। তাৰ পিচত তাই তাৰ কপালখন পিটিকি দি লাহে লাহে কলে, "আজি মোৰ হিয়া ভাগি আহিছে।"

"কি হ'ল, বীণা।"

হঠাতে তাই তাইৰ বাওঁহাতখন দাঙি বাওঁ কাষলতি তল টুকুৰা দেখুৱালে। সেইখিনিতে বগা ব্লাউজটো ফাটিছে, আৰু ব্লাউজটো ৰঙা হৈ পৰিছে। সত্যাই নিবিড় ভাৱে দাগবোৰ চালে আৰু তাৰ পিছত ক'লে, "এতিয়া মই বুজি পাইছোঁ। সিহঁতে মাইকী মানুহৰ গাতো হাত দিছে।"

"মই তেজৰ দাগবোৰ নমচিলো জানা। মই তোমাক দেখুৱাব খুজিছিলোঁ।" কথাষাৰ কোৱাৰ লগে লগে তাইৰ মাত থোকাথুকি হ'ল আৰু চকুৰ পৰা মুকুতাৰ দৰে শুভ্ৰ দুটোপাল অশ্ৰু বাগৰি আহি সত্যৰ বুকুতে পৰিল। সত্যৰ অনুভৱ হ'ল অশ্ৰুখিনি বৰ তপত আৰু কোমল। সি অজ্ঞাতসাৰে তাৰ সোঁ হাতখন নি বীণাৰ ঘা টুকুৰাত থ'লে। বিৰিঙি ওলোৱা তপত তেজে তাৰ হাতখনৰ দুটা আঙুলি বোলাই দিলে।

"তেজ বন্ধ হোৱা নাই বীণা?"

বীণাই ক'লে, "বন্ধ হ'ব। কিন্তু এই আঘাত হৃদয়ত সোমাই গ'ল দাদা। মই কি অপৰাধ কৰিলো দাদা? আমি কি অপৰাধ কৰিলো?"

সত্য আৰু ৰ'ব নোৱাৰিলে, "তোমাৰ একো অপৰাধ হোৱা নাই বীণা। অপৰাধ সিহঁতৰ হৈছে। ইতিহাসে সিহঁতক ক্ষমা নকৰে।"

"অকলতো ময়েই নহয় দাদা, বহুত বোৱাৰী, বহুত গাভৰু আজি লাঞ্চিতা।"

সত্যাই বীণাৰ হুবহু বৰ্ণনা শুনিলে। সি উত্তেজিত হৈ পৰিছে। তাই কথা বন্ধ কৰি কপালত হাত থ'লে, তাৰ পিছত থাৰ্মোমিটাৰটো আনি মুখত ভৰাই দিলে। সত্যাই শূণ্য দৃষ্টিৰে নীৰবে বীণাৰ মুখলৈ চাই ৰ'ল। থাৰ্মোমিটাৰটো চাই বীণা খন্তেকপৰ নীৰৱ হ'ল, তাৰ পিছত বহাৰপৰা উঠিল।

"বহাঁ, বহাঁ, মোৰ একো হোৱা নাই।" সত্যাই ক'লে। "তিৰোতাবোৰতকৈ মোৰ কষ্ট বেছি হোৱা নাই।" সি ৰ'ল। "তুমি সেই কষ্টৰ প্ৰতীক। মোৰ কষ্ট তাৰ তুলনাত একো নহয়।"

বীণা বহিল। সত্যাই বীণাৰ মূৰটো বুকুৰ ওচৰলৈ চপাই আনিলে। "এই কষ্ট যীশুখৃষ্টৰ কষ্টৰ দৰে বীণা। তুমি চাগৈ কৈছা, ভগবান সিহঁতে নেজানে, সিহঁতক ক্ষমা কৰা!"

বীণা অভিভূত হ'ল। এই ভাবটো তাইৰ অন্তৰতম ভাব। মন্টুদাই তেনেকৈ নেভাবে। আন বনুৱাবোৰেও নেভাবে। কিন্তু সত্যদাই তাইৰ হৃদয় দেখা পাইছে, সত্যদা সৰ্ব্বজ্ঞান। এই শক্তিৰ ওচৰত তাই সম্পূৰ্ণভাৱে ধৰা দিলে। "তুমি এই শক্তি ক'ত পালা দাদা, এই বুজি পোৱা শক্তি?"



OKDISCD

"মোৰ স্বভাৱতে আছে।" বীণাই এইবাৰ মূৰটো সত্যৰ বুকুত সুমুৱাই দিলে। সেই-দৰে কিমানপৰ আছিল বীণা তাক সত্যই ক'ব নোৱাৰে, কিন্তু পিছদিনা সাৰ পাই দেখিছে বীণা তাৰ ওচৰত নাই।

সত্যাই এই স্বীকাৰোক্তি কৰি নীৰৱে অপৰাধীৰ দৰে শান্তিৰ ওচৰৰপৰা উঠি গৈছিল। শান্তিৰ হৃদয় ভাগি-ছিগি চূৰমাৰ হ'বৰ উপক্ৰম কৰিছিল, কিন্তু ধৈৰ্য ধৰি পিছদিনাই নৱগ্ৰহ মন্দিৰলৈ গৈ গিৰিয়েকৰ হৈ এগছ ঘিঁউ-চাকি দিলেগৈ। ঘিঁউ-চাকিগছি দিওঁতে দলৈয়ে অভীষ্ট সিদ্ধি হওক বুলি আশীৰ্বাদ দিছিল। কিন্তু তাইৰ ক্ষত হৃদয়ে শান্তি পোৱা নাছিল। পিছদিনা অৱশ্যে বীণা নিজেই আহি ওলালহি। তাই উপযাচি শান্তিৰ লগত এসাজ ভাত খালে, তাৰ পিছত সত্যই য'ত কাহিনীটো এৰিছিলে, তাৰপৰা বৰ্ণালে।

সত্যৰ যেতিয়া টোপনি আহিল, তেতিয়া বীণাই লাহেকৈ মুখখন তাৰ বুকুৰপৰা তুলি আনিলে, আৰু সত্যৰ মুখখন নীৰৱে নিৰীক্ষণ কৰিলে। একেবাৰে নিৰ্দোষ, নিষ্পাপ মুখ।

তাইৰ ভাব হ'ল এই মুখ এখন দাপোণ, য'ত তাই নিজকে দেখা পাইছে। তাই যিকণ অধিকাৰ পাইছে, সেইকণতে তাই সন্তুষ্ট থাকিব লাগিব। কোনো ধৰণৰ গোপন সম্পৰ্কও সিহঁতৰ ভিতৰত গঢ়ি উঠা উচিত নহয়। সত্য আচলতে শান্তিৰ; শান্তিৰ তিৰোতাৰ অধিকাৰ যদি আপোনমনে তাইক এৰি দিয়ে তেতিয়া সুকীয়া কথা। কিন্তু কোনো তিৰোতা ইমান অসাধাৰণ আৰু ত্যাগী হ'ব নোৱাৰে। বীণাৰ প্ৰতি সত্য অধিক আসক্ত হ'লে সত্যৰ সংসাৰেই যে ভাগিব এনে নহয় তাইৰ অৱশিষ্ট সংসাৰতো ভাঙোন ধৰিব। তাই সেই-বাবে তাৰপৰা উঠি আহিল আৰু ৰাতি মনে মনে ঘৰলৈ ঘূৰি আহিল।

শান্তিয়ে বীণাৰ এই উক্তিত বিশ্বাস কৰিলে আৰু তাইৰ বিবেচনাৰ বাবে তাইক ধন্যবাদ জনালে। তাই জানে বীণা ৰূপ আৰু গুণত তাইতকৈ বলীয়ান, আৰু সত্যৰ লগত তাইৰ আদৰ্শগত লক্ষ্যৰো মিল আছে। কাজেই তাইৰ সংযম প্ৰশংসনীয়। বীণাই তাইক নিৰাপদভাৱে সকলো কথা কোৱাত তাইৰ অন্তৰত কৃতজ্ঞতাও উপজিল। বীণাৰ এই গুণ অসাধাৰণ।

সেইদিনাৰেপৰা শান্তিয়ে সত্যৰ নতুন আসক্তিৰ প্ৰতি উদাসীন ভাব দৰ্শাবলৈ ধৰিলে, আৰু ৰূপ-গুণৰ অভাৱ সেৱাৰ বলেৰে পূৰণ কৰিবলৈ সিদ্ধান্ত ললে। ইয়াৰ ফলত সত্যৰ প্ৰবৃত্তি নহলেও চিত্ত তাইৰ প্ৰতি দৃঢ়ভাৱে আকৰ্ষিত হ'ল। ইতিমধ্যে তাই গম পালে বীণাৰ স্বভাৱ বিদ্ৰোহী আৰু মুক্ত হ'লেও, তাই জীয়েকৰ ভৱিষ্যতৰ কথা সততে চিন্তা কৰে। এই দায়িত্ব পালন কৰিবলৈ হ'লে তাইক জীৱনত অধিকতৰ সংযমৰ প্ৰয়োজন হ'ব। এদিন কথাই কথাই তাই শান্তিক নিঃসংকোচে ক'লেও, "বুজিছা নবৌ, মানুহে যি বিচাৰে তাকে পাব নোৱাৰে। পোৱাৰ সীমা আছে, নোপোৱাৰো সীমা আছে। চুটি একোটা জীৱন অনন্ত পৰীক্ষাৰ থলী কৰা মস্কিল।" কিন্তু শান্তিয়ে বুজি পাইছিল, ই সাধাৰণ সত্য নহয়, গুটীয়া জীৱনতহে খাটে, কাৰণ মানুহ মৰণশীল, যৌৱন ক্ষণস্থায়ী।

সত্যই এতিয়া বীণাক ধৰ্মঘটৰ প্ৰতীক আৰু শান্তিক পশ্চাৎমুখী শান্তিৰ প্ৰতীক বুলি গণ্য কৰিবলৈ লৈছে। বীণাই অন্যায়ৰ প্ৰতিবাদ কৰিবৰ বাবে সাহস দেখুৱাইছে, তাই সমাজ-ব্যৱস্থাৰো পৰিৱৰ্তন বিচাৰে ন্যায়ৰ কাৰণে। শান্তিয়ে কিন্তু ধৰ্মঘট, বন্ধ, সত্যা-



গ্ৰহ এইবোৰলৈ ভয় কৰে। তাই তাক ধৰি ৰাখিবলৈ বিচাৰে, য'তে আছে ত'তে। এইটো তাৰ অসহ্য।

শান্তিয়ে সত্যক নীৰৱ দেখি ক'লে--"আজিতো পৰীক্ষা বৰ্জন আন্দোলন ১৫ দিনত ভৰি দিলেহি। ক'তা পৰীক্ষাতো চলিয়েই আছে। বেলৱে ধৰ্মঘটৰ অৱস্থাই হ'ব এই আন্দোলনৰ। চৰকাৰে আন্দোলনটো দমালে। আপোনালোক কেইটামান মানুহক বন্দী কৰি থলেই যদি আন্দোলন বন্ধ হয়, তেন্তে সেই আন্দোলন চল নহয়, পানীৰ বুৰ্‌বুৰ্‌ণিহে।"

সত্যই কথাবোৰ শুনিলে, তাৰ পিছত চাহৰ কাপত মুখ দিলে। সি ক'লে, "দমন যিমানে বেছি হয়, আন্দোলন সিমানে প্ৰবল বুলি বুজিবা।" কিন্তু সত্যই নিজৰ উত্তৰটোত নিজেই সন্তুষ্ট নহ'ল। গতিকে নতুন যুক্তি অৱতাৰণা কৰি সি ক'লে, শিক্ষকসকলে এই প্ৰথম সংগ্ৰামত নামিছে। সন্দেহ নাই এই যাত্ৰাত তেওঁলোকৰ দাবী সফল নহ'ল। কিন্তু তেওঁলোকৰ বহুতেই বুজি পাইছে, খণ্ড সংগ্ৰাম আৰু আজিৰ ৰাজনীতিৰ দিন গ'ল। তেওঁলোকে বৃহত্তৰ সংগ্ৰামত নামিব লাগিব।"

"সংগ্ৰাম যিমানে ডাঙৰ হ'ব, দমন সিমানে বেছি হ'ব" শান্তিয়ে ক'লে,। "দমনৰ বিৰুদ্ধে যুঁজিবৰ বাবে বিদ্ৰোহীবোৰৰ শক্তি ক'তা? তেওঁলোক বিভক্ত।"

"তুমি শক্তিৰ কথা কৈছা।" সত্য ৰ'ল, "কি কৰিব লাগিব তাক মই উপলব্ধি কৰিছোঁ, কিন্তু স্পষ্টভাৱে মই একো দেখা নাই। মানুহৰ ওপৰত আমাৰ বিশ্বাস আছে। মানুহ নিজে নিজেই এদিন ওলাই আহিব----"

শান্তিয়ে হাঁহিলে। "সপোন দেখিছে নেকি?"

"এইবোৰ কথাত ঠাট্টা কৰাটো বেয়া শান্তি। ভুকুতে কল নপকে।"

"মই ঠাট্টা কৰা নাই। কিন্তু আপোনালোক এমুঠি মানুহ। ৰাইজক আপোনালোকে সংগঠন কৰি নোলোৱাকৈ একো কৰিব নোৱাৰে। এতিয়া চিন্তাৰ সময়, আবেগৰ সময় নহয়।"

"জানো। কিন্তু কামৰ অভিজ্ঞতা নহলে চিন্তা কৰিবা কিহৰ ওপৰত?" সত্যই ক'লে, "জে-পি-য়ে কি কৈছে শুনা নাই?"

শান্তি নীৰৱ হ'ল। সত্য নীৰৱে ৰ'ল। চাহ কাপ খাই সি লাহে লাহে ক'লে, "শান্তি, চৰকাৰৰ হাতত সকলো শক্তি আছে, কিন্তু কিয় দেশত দুৰ্নীতি, দাৰিদ্ৰ, অকালমৰণ এই-বোৰ বন্ধ কৰিব পৰা নাই?"

"সম্ভৱতঃ নোৱাৰিব।" শান্তিয়ে ক'লে, জে--পিয়ে জানো পাৰিব?"

"সময় ল'ব।"

শান্তিৰ চকুত ভাহি উঠিল এখন অনন্ত সংগ্ৰাম আৰু অনন্ত দমনৰ চিত্ৰ। তাই সত্যলৈ চালে, সত্যই তাইলৈ চালে; দুয়ো বুজিলে আন্দোলনৰ বতৰ সোনকালে শেষ নহয়। তাই গভীৰ ৰাজনীতি, সংগ্ৰামৰ প্ৰকৃতি, এইবোৰৰ লগত কোনো দিনে নিজৰ সংসাৰখন জড়িত কৰা নাই। ভাবিছিলে সত্যই এদিন নিজে নিজেই মামাৰ উপদেশ গ্ৰহণ কৰিব। তাই

আজি মামা আৰু সত্যৰ পথৰ ভিতৰত এটা পথ বাছি লব লাগিব। এইটো নিৰ্মম আৰু কঠোৰ বাছনি।

অলপ সময় দুয়ো নীৰৱে তাতে বহি ৰ'ল। সত্যই ঘড়ী চালে, তিনি বাজিছে। সত্যই ক'লে, "মামা যে আহিব তাক মই আশা কৰা নাই। অভাৱনীয় কিবা এটা ঘটিব পায়। কংগ্ৰেছ দলৰ নেত্ৰী ইন্দিৰা গান্ধীৰ নিৰ্বাচন বাতিল হৈছে। গুজৰাটৰ নিৰ্বাচনত কংগ্ৰেছৰ পৰাজয় হৈছে। কংগ্ৰেছ দলৰ মাজত ঘৰুৱা সংকট হৈছে। ১৯৬৯ চনৰ প্ৰতিশ্ৰুতি মতে দেশত তেওঁলোকে দাৰিদ্ৰ্য লাঘৱ কৰিব পৰা নাই। আনহাতে প্ৰায়কেইটা বিৰোধী দলেই একগোট হৈছে। এটা নতুন দল ওলাব পাৰে। অহাবাৰ নিৰ্বাচন হ'লে কংগ্ৰেছৰ পৰাজয় হোৱাৰ আশা খুব বেছি। কংগ্ৰেছৰ ২৮ বছৰীয়া শাসনত একো নহ'ল। কিবা যে হ'ব তাক মই আশা কৰা নাই। কংগ্ৰেছৰ পতন নহলে দেশৰ গতি নাই।" সত্য ৰ'ল। "মই আন্দোলনৰ লগত জড়িত হৈ গৈছোঁ, বুজিছা শান্তি। এই আন্দোলনৰ পৰা ঘূৰি অহাৰ পথ নাই। সত্য কথা, এই আন্দোলনলৈ বিভিন্ন ধৰণৰ শক্তি আহিছে। জাতীয় আন্দোলনত এনে শক্তিৰ সমাবেশ হ'বই। আমি যিবোৰ সচেতন, সেইবোৰে আন্দোলনত চৰম ত্যাগ কৰিব লাগিব। ইয়াৰ জুইত আমি হয়তো পোৰা যাম, কিন্তু মানুহ জাগিব। দেশ আৰু স্থিতিশীল হৈ নাথাকে শান্তি।"

"আৰু একাপ চাহ খাব নেকি?" শান্তিয়ে উদ্বিগ্নভাৱে সুধিলে।

"মোৰ ভোক লাগিছে। মোক কিবা অলপ খাবলৈ দিয়া।" সত্যই ক'লে, "মামা আৰু নাহে বুজিছা। মই কিবা এটা খাই শোওঁ। এটা কলকে দিয়া।"

শান্তিয়ে তাৰ হাতত এটা কল তুলি দিলে। সত্য উঠি গ'ল। পাঞ্জাবী আৰু পাইজামাটো খুলি আণ্ডাৰৱাৰটোৰে বিচনাত পৰিল। মনটো অলপ পাতল পাতল বোধহ'ল। খন্তেক পাছতে তাৰ টোপনি গ'ল।

শান্তি বহুতপৰ অকলে বাৰান্দাতে বহি ৰ'ল। সংঘৰ্ষ তাই ভাল নেপায়; এই সংঘৰ্ষ সুদীৰ্ঘ আৰু তাৰ পৰিণাম অনিশ্চিত। সদ্যহতে দমনৰ বাহিৰে তাই একো দেখিব পৰা নাই। এই সংঘৰ্ষত যদি পৰাজিত হয় তেন্তে বহুত দিনলৈ শান্তিহঁতৰ ঘৰ মৰুভূমিৰ দৰে হ'ব।

তাই সত্যক এই পথৰপৰা ওভোতাই অনাত ব্যৰ্থ হ'ল। এতিয়াৰে পৰা তাই অনিশ্চয়তাৰ উদ্বিগ্নতাত থাকিব লাগিব। জীৱন জীৱনৰ দৰে হৈ থকা নাই, জীৱন এতিয়া উদ্বিগ্নতাৰ সমষ্টি।

তাই শুবলৈ নগ'ল। সত্যৰ পঢ়া কোঠাত সোমাই আজি তাই অনুসন্ধান কৰিবলৈ লাগিল এক অজ্ঞাত প্ৰতিদ্বন্দ্বীক। হয়তো সেই বিজয়ী প্ৰতিদ্বন্দ্বী কোনো এক গ্ৰন্থ, কোনো এখন পুস্তিকা, কোনো এখন বুলেটিন। কি তাই ক'ব নোৱাৰে। কিন্তু তাৰ আখৰবোৰ তাইতকৈও সত্যৰ প্ৰিয় হৈ উঠিছে, হয়তো বীণাতকৈও। কিন্তু ক'তো তেনে গ্ৰন্থ বা আখৰৰ সন্ধান নেপালে।



তাই শোৱা কোঠালৈ গ'ল। সত্য ওপৰলৈ মুৰকৈ শুই আছে। দুৰ্ঘোৰ টোপনি। ঠিকেই, তেওঁৰ মুখখন নিৰ্দোষ, নিষ্পাপ। কিন্তু অন্তৰত অজ্ঞাত কিছুমান উদ্বিগ্নতা। ভয়ানক উদ্বিগ্নতা। উদ্বিগ্নতাৰ মূলত আছে বিশ্বাস, সেই বিশ্বাসেহে তাইৰ প্ৰকৃত প্ৰতিদ্বন্দ্বী। তাইৰ শক্তি নাই যে সেই বিশ্বাস দুৰ্বল আৰু নিশ্চিহ্ন কৰে।

তাই গিৰিয়েকৰ মুখলৈ খন্তেকপৰ চাই থাকিল। কপালে--মুখে দুঃখ--কষ্টৰ ৰেখাবোৰ জিলিকি উঠিছে। সেই দুখঃ কষ্টবোৰৰ বোজা তাই বহন কৰিব পৰা নাই। সিহঁতৰ মাজত কোনো বুজা-বুজি হোৱা নাই সেই দিশত।

হঠাতে ফোনটো বাজি উঠিল। শান্তিয়ে আগ্ৰহেৰে দাঙি ল'লে, "কোন? মামা? নহয়। অ', বীণা, কোৱা। শোৱা নাই?

"নবৌ এটা খবৰ পালো।"

"কি?"

"সত্যদাক পাৰিলে ঘৰৰ পৰা ওলাই থাকিবলৈ কোৱা।"

শান্তিয়ে প্ৰমাদ গণিলে। বীণাই যিবোৰ কথা ক'লে, সেইবোৰ সত্যক জনাবলৈ তাই উদ্গ্ৰীৱ হৈ পৰিল। তাই সত্যৰ কাষত বহি হাত বুলাই দিলে। সত্যই হঠাতে শান্তিৰ মুখলৈ চালে।

"কি হ'ল শান্তি?"

"বীণাই ফোন কৰিছিল।"

"আৰু কোনোবা গ্ৰেপ্তাৰ হ'ল নেকি?" সত্য উঠি বহিল।

"পুলিছ লিষ্টত তোমাৰ নাম আছে।" শান্তিয়ে ক'লে, "বীণাই আৰু এটা খবৰ দিলে। ইতিমধ্যে দেশত বহুত গ্ৰেপ্তাৰ হৈছে, তোমাৰ জে--পি সমন্বিতে।"

সত্য উঠিল। আণ্ডাৰৱাৰ পিন্ধি থকা তাৰ সুদীৰ্ঘ দেহটো দোকমোকালিৰ শান্ত পোহৰত ভাস্কৰ্যৰ মূৰ্তিৰ দৰে জিলিকিল। শান্তিয়ে তাৰ কাষলৈ গৈ তাৰ বুকুত মূৰ গুজি খন্তেকপৰ নিতাল মাৰি ৰ'ল, তাৰ পিছত ক'লে, "কিবা এটা সিদ্ধান্ত কৰা।"

"তুমি কি কোৱা।"

"মই?" শান্তিয়ে আচৰিত হৈ সুধিলে, "মই কি ক'ম?"

"মোৰ মন গাজিছিল। অভাৱনীয় কিবা এটা ঘটিব।" সত্যই ক'লে, "মই একো সিদ্ধান্ত কৰিব পৰা নাই। তুমি মোৰ বেগটোত বস্তুবোৰ ভৰোৱা।"

শান্তিয়ে বুজিলে সত্যৰ মনত ঘৰৰপৰা ওলাবৰ ইচ্ছাই প্ৰকট। তাই নিৰ্বিবাদে তাৰ দুটা সাজ, এখন এবিচাদৰ, দাড়ি খুৰোৱা বস্তু, টুথপেষ্ট আৰু ব্ৰাছ, গামোচা, ডায়েৰীখন, আটা-ফনি আৰু আন কিবাকিবি বস্তু বেগত ভৰাই দিলে। সত্য বাথৰূমত সোমাল। শান্তিয়ে সত্যৰ পাইজামা আৰু পাঞ্জাবীটো বেগত সুমুৱালে। তাৰ পিছত অফিছলৈ পিন্ধি যোৱা পেন্ট-কামিজজোৰ যতনাই ডাবত থলে। তাৰ পিছত তাই পাকঘৰলৈ গ'ল। এটা ৰ'ফ আছিল, তাকে কাটি সেকিলে। তাৰ পিছত চাহ কৰিবৰ বাবে কেট্‌লিটো জুইত বহৱাই দিলে।



OKDISCD

সত্যই বাথৰূমত গা ধুলে, তাৰ পিছত আহি সাজটো পিন্ধিলে। তাৰ হাত দুখন কপিছিল। কামিজৰ জেপৰপৰা ফাউনটেন পেনটো আৰু আধলি দুটা মাটিত সৰি পৰিল। সত্যই পেণ্টটোৰে কামিজটোৰে পিন্ধি মূৰ আঁচুৰিবলৈ আইনাত মুখখন চালে। তাৰ সত্তা আৰু প্ৰতিসত্তাৰ দুখন মুখা তাৰ চকুৰ আগত জিলিকি উঠিল। এখন করুণ, এখন বিদ্রুপাত্মক। সি খৰধৰকৈ মূৰ আঁচুৰিলে। তাৰ পিছত শান্তিয়ে বুটলি দিয়া ফাউনটেন পেন আৰু টকা বিশটা জেপত ভৰালে, বেগটোত কিছুমান দৰকাৰী কাগজ-পত্ৰ ভৰাব খুজি বৈ গ'ল।

"এইবোৰ ভৰাবৰ এতিয়াও সময় হোৱা নাই।" সত্যই হাঁহি ক'লে, কিন্তু হাঁহিটো বৰ করুণ।

"কিয় ?" উৎকণ্ঠিত হৈ শান্তিয়ে সুধিলে।

"মই এতিয়াও ক'ব পৰা নাই---" সত্য ৰ'ল আৰু কাগজ-পত্ৰবোৰ শান্তিৰ হাতত গুজি দিলে।

"এইবোৰ থৈ দিবা, পাছত কেতিয়াবা নিয়াম।" শান্তিয়ে কাগজবোৰ লওঁতে সত্যই হঠাতে তাইক বুকুৰ কাষলৈ চপাই আনিলে। শান্তিয়ে দুই হাতেৰে তাক সাৱটি ধৰিলে। কোনো কথা-বতৰা পতাৰ প্ৰয়োজন নহ'ল। সত্যই ক'লে, "সংসাৰত যদি কাৰোবাৰ ওচৰত কিবা কেতিয়াবা অপৰাধ কৰিছোঁ, তেন্তে তোমাৰ ওচৰত। তুমি মন ডাঠ কৰি থাকিবা। আমাৰ জয় হ'বই।"

শান্তিয়ে এই নাটকৰ ভংগী সহজভাৱে গ্ৰহণ কৰিলে। সত্যই তাইৰ ওঁঠত আৰু গালত চুমা খালে। "এইবোৰত কি আছে ?" কাগজবোৰ দেখুৱাই শান্তিয়ে সুধিলে। "বিশেষ একো নাই। পঢ়ি চাবা।"

শান্তিয়ে এইবাৰ তাক হাতত ধৰি পাকঘৰলৈ লৈ গ'ল। সত্যই চাহ খাই সুধিলে, "তোমাৰ হাতত টকা আছেনে. নাই মোক গোটেই কেইটা দিলা ?"

"মোৰ বাবে চিন্তা কৰিব নালাগে। মই চলিব পাৰিম।" খুব শান্তভাৱে শান্তিয়ে ক'লে। "আপুনি স্বাস্থ্যৰ প্ৰতি চকু দিব।"

সত্যৰ চকু সজল হৈ গ'ল।

হঠাতে দুৱাৰত কোনোবাই খুন্দিয়ালে। দুয়ো চক্ খাই উঠিল।

"বাইদেউ আছেনে ?"

"কোন ? শান্তিয়ে ক'লে।"

"আমি পুলিছৰ মানুহ।"

শান্তিয়ে সত্যৰ মুখলৈ চালে, সত্যই শান্তিৰ মুখলৈ চালে। খুব সন্তৰ্পণে দুয়ো দুইৰো মুখলৈ কিছুপৰ চালে ; তাৰ পিছত শান্তিয়ে হাঁহিলে, আৰু আবেগত সত্যক এটা চুমা খালে।

সত্য ওলাই আহি মটৰত বহাৰ পিছত শান্তি সোমাই আহিল। তাইৰ অন্তৰ শূণ্যতাৰে ভৰি পৰিল। কিয় এই গ্ৰেপ্তাৰ, কি ইয়াৰ লক্ষ্য তাৰ কোনো সাৰমৰ্ম বুজিব নোৱাৰিলে। নিৰ্বিচাৰ দমন-কাৰ্য !



মনক বিচলিত হ'বলৈ নিদি তাই পুৱাৰ বনত লাগি গ'ল। প্ৰথমতে বিচনাখন পাৰিলে, ঘৰৰ কোঠাবোৰ সাৰিলে, ঘৰৰ বেৰৰ আলাঞ্জু গুচালে, পাকঘৰটো আঁতালে। বাথৰূমত সোমাওঁতেই তাই ফোন বজা শুনিলে।

ফোনটো দাঙি শান্তিয়ে মামাকৰ মাত শুনিলে। মামাকে ক'লে, "মই যাব খুজিছিলো, কিন্তু কি হ'ল জান শান্তি, এজন চৰকাৰী ঘৰৰ মানুহে মাতিলে। বৰ জৰুৰী আলোচনা এটা আছিল। যাব নোৱাৰিলো। এতিয়া গৈছোঁ।"

শান্তিয়ে অভিযোগৰ সুৰত ক'লে, "এতিয়া সুদা ঘৰত কাক পাবহি ?"

"মই গম পাইছিলোঁ।"

"সেই কাৰণে হ'বলা নাহিল ?"

"সেইবোৰ বহুত কথা। মই গ'লে কথা হ'ম। ঘৰলৈ যাবি নেকি ?" মাৰৰ অৱস্থা বৰ ভাল নহয়।

"যাবৰ মন আছিল, পিছে---"

"বাৰু মই গৈছোঁ।"

ফোনটো থৈ শান্তি লৰালৰিকৈ বাথৰূমলৈ গ'ল। বাথৰূমৰ পৰা ওলাই আহি এজোৰ সাধাৰণ চফেদ শাৰী পিন্ধি, মূৰৰ চুলিবোৰ মেলাকৈ ৰাখি পাকঘৰলৈ গ'ল। পাকঘৰত আকৌ চাহৰ কেট্‌লিটো জুইত তুলি দিলে। তাৰ পিছত বাহিৰলৈ ওলাই গ'ল। বতৰ সম্পূৰ্ণৰূপে স্বৰকাল। তাই যত্নেৰে তুলি-তালি ডাঙৰ দীঘল কৰা আট্‌লাচৰ ডালত এটা অতি ক্ষুদ্ৰ মনোমোহা চৰাই আহি পৰিলহি। চৰাইটো দেখিবলৈ ভাটৌৰ দৰে। তাই আৰু কেইটামান মজলীয়া আকাৰৰ অচিনাকি চৰাই দেখিলে। সিহঁতৰ ঘৰৰ আগৰ আলিবাট-টোৰেদি যান-বাহন আৰু মানুহৰ অহা-যোৱা আৰম্ভ হৈছে। গেটৰ ওচৰত এখন টুল পাৰি তাই আলিবাটটোৰ ফালে চাই ৰ'ল।

মামাকৰ মটৰখন চকুত পৰিলত তাই থিয় হ'ল আৰু গেটখন খুলি দিলে। মামাকে মটৰৰ পৰা নামি তাইৰ গাত চপৰিয়াই মৰম কৰিলে, তাৰ পিছত ক'লে, "তই যাবি নেকি ?"

"ঘৰখন এৰি কেনেকৈ যাওঁ ?"

মামাকে হুমুনিয়াহ কাঢ়ি ক'লে, "ইমাৰজেন্সী ঘোষণা কৰিলে। সত্যক সোনকালে এৰি দিয়াৰ আশা নাই। অকলে ঘৰ চম্ভালিব পাৰিবি অৱশ্যে। কিন্তু মাৰৰ টান।"

"আপুনি যাব কেতিয়া ?"

"কালিলৈ।"

শান্তিয়ে অলপ পৰ ভাবি চিন্তি ক'লে--"ময়ো যাম।"

মোমায়েকৰ মুখত হাঁহি ফুটিল। তেওঁ ক'লে, "বল, মোৰো ভাল লাগিব। মাৰেতো তোক বিচাৰিয়েই আছে।"

শান্তিয়ে ক'লে, "মই চাহ কৰোগৈ।"

মামাকে ক'লে, "চাহ নেলাগে। তই বহ। তোক বহুত কথা ক'ব লগা আছে, কিন্তু



OKDISCD

সময় নহ'ব। শুন, সত্যাই জীৱনটো নষ্ট কৰিলে। এইবোৰ আন্দোলন নহয়, ফুটুকাৰ ফেন। এইবাৰ চাবি, কাম কিদৰে হয়।"

শান্তিয়ে হাঁহি ক'লে, "ইমাৰজেন্সী মানেনো কি মই একো বুজি পোৱা নাই মামা। মই মাথোন জানো মোৰ গিৰিহঁতক বিনা অভিযোগে আটক কৰিছে। অকল তেওঁ কেইই নহয় প্ৰায় সকলো বিৰোধী দলৰ নেতাকে গ্ৰেপ্তাৰ কৰিছে।"

মামাকে বলেবে হাঁহিলে, তাৰ পিছত ক'লে, "বস্তুৰ দাম কমাটো তই জানো নিবিচাৰ ?"

"কোনে নিবিচাৰে ? কিন্তু ইমান দিনে নো আপোনালোকক কোনে বাধা দিছিল ?" শান্তিৰ কথাত শ্লেষৰ সুৰ ফুটি উঠিল। "মই আপোনালোকৰ কথাত আৰু পতিয়ন নেযাওঁ মামা, কাম হ'লে এনেয়ে মানুহে ভাল পাব। জেইললৈ জানো মানুহ চখত যায় ?"

ইয়াৰ পিছত ৰাজনীতিৰ কথা পতা সমিচীন বোধ নকৰিলে মামাকে। কিছুপৰ কথা-পাতি তেওঁ সেইদিনাৰ বাবে বিদায় লৈ গুচি গ'ল।

সত্যক যি বাটেদি পুলিছে জেইললৈ নিছিল, সেই বাটটোৰ কাষে কাষে ঘন শাৰী শাৰী ঘৰ। একেবাৰে মূৰত মন্টুহঁতৰ কিতাপৰ দোকান। সত্যাই মন কৰিলে, কিতাপৰ দোকানৰ বিক্ৰী ৰূমত বহি মন্টুৰ দেউতাকে খবৰ কাগজৰ পেকেট খুলিছে। দোকানখন আধা মেলা অবস্থাতে আছে। এই দোকানখনলৈ অহাটো তাৰ এটা নিত্যনৈমিত্তিক কাম আছিল। এতিয়াও চাগে মন্টুৰ দেউতাকে সি গ্ৰেপ্তাৰ হোৱা কথাটো গম পোৱা নাই। এইবাৰ সোনকালে উভতি অহাৰ আশা নাই তাৰ।

দীঘলী পুখুৰী অতিক্ৰম কৰি কটন কলেজৰ হোষ্টেল পাওঁতে নৌপাওঁতেই সি দেখিলে পৰীক্ষা হলৰ আগত বৈ থকা পুলিছৰ জাক। ইয়েই বোধহয় ভবিষ্যত ব্যবস্থাৰ সূচনা কৰিছে। ৰেলৱে ধৰ্মঘটতে গোন প্ৰথম ভাঙিবৰ বাবে পুলিছৰ অত্যাচাৰ আৰম্ভ হ'ল। এতিয়া সকলোতে। পুলিছে বিনা বিচাৰে এতিয়া মানুহ ধৰি নিব পাৰিব, এবছৰলৈ তেওঁ-লোকক আটক কৰি থোৱাতো বাধা নাই। বন্দীসকলে কোনো আদালতত মুক্তিৰ আৰ্জি দিব নোৱাৰিব। আৰু এই মাত্ৰ পুলিছ বিষয়াজনৰ পৰা গম পালে সম্পূৰ্ণৰূপে বাতৰি কাকতৰ খবৰৰ ওপৰত প্ৰাক্-নিয়ন্ত্ৰণ জাপি দিয়া হৈছে। তাৰ গ্ৰেপ্তাৰৰ খবৰো কাগজত নোলাব।

কোনো খেদ নাই। কিন্তু কিমান দিন এই জৰুৰী অবস্থা থাকিব ? কিমান দিন বন্দী হৈ থাকিব মানুহৰ কণ্ঠ আৰু কাপ ? যিমান দিন তেওঁলোকে বিচাৰে সিমান দিন! 'যিমান' আৰু 'সিমান'ক নিৰ্দিষ্ট কাল বুলিব নোৱাৰি। গতিকে অনিশ্চিত। এতিয়ালৈকে সি গম ধৰিব পৰা নাই, ভবিষ্যত কি! গণতন্ত্ৰ যদি নেথাকেই, তেন্তে সমাজবাদ থাকিব নে ?

পাগবজাৰৰ হাস্পতালৰ আগেদি মানুহৰ অলক্ষিতে সি পাৰ হৈ গ'ল। মানুহে ক'ব নোৱাৰে, ক'ব পাৰিলেও মুখ তুলি এবাৰ চাই সিহঁত নিজ কামত গুচি গ'ল। মানুহে এইদৰেই দূৰণীয়া ঘটনাৰ প্ৰতি নিজৰ নিষ্ক্ৰিয় মনোভাব প্ৰকাশ কৰে। সেই কাৰণেই সিহঁতে সংগঠন আৰু সংগঠিত আন্দোলনত বিশ্বাস কৰে। সম্ভৱতঃ এইবাৰ সিহঁত ব্যৰ্থ হ'ল। কিন্তু এই অভাৱনীয় ঘটনা আৰু গণতন্ত্ৰৰ সংকোচনৰ পিছত সিহঁতে কি পন্থা অবলম্বন কৰিব ? ৰাইজে বা কিমান দিন এই সংকোচন মানি লব ? ক'ব পাৰে, ভাতৰ যোগান দি থাকিব পাৰিলে মানুহে মুক্তি নিবিচাৰে। এই কথা সত্য নহয়। তাৰ বিশ্বাস নহয় মানুহ জন্তু।

জেইল পোৱাৰ পিছত তাক খন্তেকপৰ অফিছ ৰূমত বহুওৱা হ'ল। তাৰপিচত তাক জনোৱা হ'ল যে তাক নগাওঁ জেইললৈ নিয়া হ'ব। গোটেই দিনটো আগত পৰি আছে। "কেতিয়া নিয়া হ'ব ?"---সি সুধিলে। "আধা ঘণ্টাৰ ভিতৰতে," জেইলাৰে উত্তৰ দিলে। কি বিশেষ অভিযোগত তাক গ্ৰেপ্তাৰ কৰা হৈছে, ক'ব পাৰে নে কোনোবাই ? আজিৰ পৰা কাৰণ নিদিলেও হয়। আন্দোলন কৰাটো সি অপৰাধ বুলি নেভাবে, কিন্তু তথাপি সি অপৰাধী। বিনা বিচাৰে সি এতিয়া অনিৰ্দিষ্ট কাল জেইলত থাকিব লাগিব।

খন্তেক পৰৰ বাবে তাক জেইলৰ ভিতৰলৈ নি এটা বি ক্লাছৰ কোঠাত ৰখা হ'ল। কোঠাটোত ওখ এখন শিলৰ বিচনা আছে, তাত সি শুব লাগিব। সি তাতে বহিল, দুৱাৰ-খন বন্ধ হৈ গ'ল। কিছুপৰ সি নিতাল মাৰি ৰ'ল। তাৰ পিছত সি বিচনাখনত দীঘল দিলে। তাৰ টোপনি ধৰিলে। যেতিয়া সি সাৰ পালে, তেতিয়া সি দেখিলে যে দুৱাৰ মুখত জেইলাৰ থিয় হৈ আছে। "এতিয়া আপুনি যাব লাগিব।"

সি উঠি বহিল। তাৰ পিছত এবাৰ বাথৰূমলৈ গ'ল। বাথৰূমটো লেতেৰা। তথাপিও চকু কাণ মুদি সময়খিনি পাৰ কৰি দি সি ওলাই আহিল। এটা কয়দীয়ে চাহ আৰু বিস্কুট আনি দিলেহি। সি খাই লৰালৰিকৈ আহি বাহিৰ পালেহি। যাওঁতে মন কৰিলে "অপৰাধী"ৰ এখন ঠেক সংসাৰ। চোৰ, ডকাইত আৰু নৰহত্যাকাৰীৰ লগত সিহঁতকো অপৰাধী বুলি গণ্য কৰা হৈছে। কিন্তু সি গম নেপায় তাৰ অপৰাধ কি ? সম্ভৱতঃ এতিয়া সামান্যতম সমালোচনাই অপৰাধ। সম্ভৱতঃ বিৰোধ কৰা মানেই অপৰাধ।

নগাঁৱলৈ তাক এখন মটৰত নিয়া হ'ল। কিন্তু দুকাষে দুটা ৰিভলভাৰধাৰী পুলিছ অফিছাৰ। বাটত ক'ৰবাত নামিব খুজিলেও অফিছাৰ কেইজন তাৰ কাষে কাষে থাকে। কাৰণ সুধিলত অফিছাৰ এজনে স্পষ্টভাবে ক'লে, সত্য দাগী ৰাজনৈতিক অপৰাধী। কাজেই তাৰ ওপৰত চোকা চকু ৰাখিবলৈ কোৱা হৈছে। গুৱাহাটী এৰি যিমানে দূৰলৈ আহিবলৈ ধৰিলে, সিমান চিনাকি মানুহৰ মুখ দেখিবলৈ নোহোৱা হ'ল। বাহিৰৰ জগতৰ লগত তাৰ যোগাযোগ বন্ধ হৈ গ'ল। কিতাপ, কাগজ পঢ়াত আৰু লিখাত অসুবিধা পাবলৈ ধৰিলে। তাক দেখা কৰিবলৈ ঘৰৰ মানুহকো আনকি সুযোগ নিদিয়া হ'ল। পুলিছে তাৰ কথা বতৰা, চাল-চলন সকলোবোৰৰ ওপৰত চোকা নজৰ ৰাখিবলৈ ললে। প্ৰকৃত অপৰাধ নোহোৱাকৈয়ে সি অপৰাধৰ গ্লানি হৃদয়ত বহন কৰিছে। + + +





OKDISCD

## বিতৰ্ক

> এই শিতানত আমি জাতীয় আৰু আন্তৰ্জাতিক সাম্যবাদী আন্দোলনৰ বিভিন্ন সমস্যা সম্পৰ্কে বিতৰ্ক মুকলি কৰিছোঁ। প্ৰবন্ধ সমূহে আমাৰ সম্পাদকীয় নীতি প্ৰতিফলিত নকৰিব। এই বিতৰ্কৰ ওপৰত আলোচনা প্ৰকাশ কৰিবলৈ আমি আগ্ৰহী।
>
> সম্পাদক, সাঃ সাঃ

# সাংস্কৃতিক বিপ্লব, বিপ্লবী সংস্কৃতি আৰু গণভিত্তি

ডঃ হীৰেন গোহাঁই

বিতৰ্কক কুৎসা ৰটনাৰ পৰ্যায়লৈ নমাই লৈ যোৱাটো বুৰ্জোৱা আৰু অতিবাম হঠকাৰী গোষ্ঠিবোৰৰ এটা অভ্যাস। বিতৰ্কৰ বিষয়ৰ পৰা মূৰ পোলোকা দি হঠাতে ব্যক্তিগত দুৰ্ণামৰ শিলাবৃষ্টি কৰি ইহঁতে নিজৰ দুৰ্বলতা ঢাকিবলৈ বিচাৰে। পাঠক সমাজক বিভ্ৰান্ত কৰি পৰণি বা নতুন ভুল বা ভ্ৰান্তিক ৰক্ষণাবেক্ষণ দিবলৈ বিচাৰে ইহঁতে। এইটো কেৱল ব্যক্তিগত শঠতাই নহয়, এক শ্ৰেণীগত কৌশল।

কেতিয়াবা দেখা যায় যে প্ৰতিপক্ষই ঘুণাক্ষৰেও যি কথা নাই কোৱা তেনে কথা কোৱা বুলি দাবী কৰি কোনোবাই তৰ্জন গৰ্জন কৰিছে। প্ৰতিপক্ষৰ মুখত এটা ভ্ৰান্ত বা টুলুঙা মন্তব্য আঁৰি দি তাৰ বিৰুদ্ধে বৰটোপ মৰাৰ বীৰত্বও একধৰণৰ কুৎসা ৰটনা। মূল বিতৰ্ক এনে কৌশলে অস্পষ্ট কৰি পেলায় আৰু এনে কৌশলৰ আশ্ৰয় লোৱা ব্যক্তি বা গোষ্ঠিৰ আন্তৰিকতা আৰু সত্যানুসন্ধান সম্পৰ্কে আমাৰ মনত সন্দেহ সৃষ্টি হয়।

প্ৰকৃত বামপন্থী মহলৰ মাজত বিতৰ্কৰ ধাৰা কেনে হোৱা উচিত সেই সম্পৰ্কে মাও ছে' টুঙৰ এটা মন্তব্যই আমাৰ পথ-প্ৰদৰ্শক হ'ব পাৰিব। ১৯৬৬ চনৰ ৮ আগষ্টৰ দিনা চীনা কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ অধিবেশনত যি "১৬ দফীয়া নিৰ্দেশাৱলী" গ্ৰহণ কৰা হয়, সি মাও ছে' টুঙৰে চিন্তাধাৰা প্ৰকাশ কৰিছিল। তাত কোৱা হৈছিল ঃ

"জনগণৰ মাজত বিভিন্ন মত থকা স্বাভাবিক। বিভিন্ন মতৰ মাজত সংঘাত অনিবাৰ্য, প্ৰয়োজনীয় আৰু হিতকৰ। স্বাভাৱিক আৰু সম্পূৰ্ণ বিতৰ্কৰ মাজেদিয়েই জনগণে দৃঢ়তাৰে সৈতে ক'ব পাৰিব কোনটো কথা সঠিক। তেওঁলোকে ভুল সংশোধন কৰিব আৰু ক্ৰমে একমত হ'ব।

তথ্য দাখিল কৰা, যুক্তিৰ দ্বাৰা সকলো দেখুৱা আৰু যুক্তিৰ দ্বাৰা প্ৰত্যয় সৃষ্টি কৰা -----বিতৰ্কত এই পদ্ধতিকে ব্যৱহাৰ কৰিব লাগিব। ভিন্নমত পোষণকাৰী সংখ্যালঘুসকলক মূৰ দোঁৱাবলৈ বাধ্য কৰাৰ কোনোৰকমৰ পদ্ধতি গ্ৰহণ কৰা নচলিব, সংখ্যালঘুকসলক





ৰক্ষা কৰিব লাগিব, কিয়নো যি সত্য, সি কেতিয়াবা সংখ্যালঘুসকলৰ লগতো থাকে। এনে কি সংখ্যালঘুসকলৰ মত যদি ভুলো হয়, তথাপি নিজৰ বক্তব্য যুক্তি দি প্ৰমাণ কৰাৰ আৰু নিজৰ মত পোষণ কৰাৰ অধিকাৰ আৰু সুযোগ তেওঁলোকক দিব লাগিব।

যেতিয়া বিতৰ্ক চলিব তেতিয়া সেই বিতৰ্কক পৰিচালিত কৰিব লাগিব যুক্তিৰ সাহায্যত, জোৰ-জুলুমৰ সাহায্যত নহয়।" (হেমাংগ বিশ্বাসৰ "আকৌ চীন চাই আহিলোঁ"ৰ ২য় খণ্ডত এই নিৰ্দেশাৱলীৰ পূৰ্ণ পাঠ পোৱা যাব)।

অসমত সম্প্ৰতি যিবোৰ বিতৰ্ক চলিছে তাত এই মাৰ্ক্সীয় নীতি গ্ৰহণ কৰা হোৱা নাই। অতি কৌশলেৰে শাসকশ্ৰেণীৰ উত্থান-পতনৰ লগে লগে মোট সলাই এৰেহা চেলেকি ফুৰা ধূৰ্ত শিল্পীৰ কথা বাদেই দিলোঁ, মোটামুটিভাবে মাৰ্ক্সবাদৰ প্ৰতি অনুৰক্ত গোষ্ঠিবোৰৰ মাজতো এই প্ৰবণতা প্ৰবল হৈ আহিছে। যি কোনো বিতৰ্কত তেওঁলোকে নিজেই সত্যৰ একচেটিয়া স্বত্বাধিকাৰী, এনে মনোভাব প্ৰকাশ কৰি প্ৰতিপক্ষৰ মূৰত দুৰ্ণাম জাপি দিছে।

বিভিন্ন বামপন্থী গোষ্ঠিৰ মাজত এনে ধৰণৰ অবাধ আৰু বিপজ্জনক সংঘাত আনকি সাম্প্ৰতিক চীনতো দেখা গৈছিল। সাংস্কৃতিক বিপ্লবৰ সময়ত চীনৰ ছিং-হুৱা বিশ্ববিদ্যালয়ত এনেধৰণৰ দুটা বিবদমান গোষ্ঠিয়ে পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে শোধনবাদ আৰু অতিবাম হঠকাৰিতাৰ কবলত পৰা বুলি অভিযোগ আনিছিল। এগৰাকী উগ্ৰ মতাৱলম্বীয়ে স্বীকাৰ কৰিছে ঃ

"আমি ইমান আত্মকেন্দ্ৰিক আছিলোঁ যে আমি বন্ধু আৰু শত্ৰুৰ মাজৰ পাৰ্থক্য হেৰুৱাই পেলাইছিলোঁ। সেই সুযোগতে বহু ধূৰ্ত শ্ৰেণী-শত্ৰুৱে আমাৰ সংগঠনত মূৰ সুমুৱাইছিলহি।" (Daily Life in Revolutionary China, M.A. Macciocchi, Monthly Review Press New York, 1972, p. 52) এই ধৰণৰ বিতৰ্ক দেখ্‌দেখ্‌কৈ আমাৰ চিন্তাৰ স্পষ্টতাৰ বাবেও অপ্ৰয়োজনীয় আৰু আমাৰ উদ্দেশ্যসাধনৰ ক্ষেত্ৰতো আত্মঘাতী।

মই ক'বলৈ বাধ্য হৈছোঁ যে অলপতে "চিৰন্তন গোষ্ঠি"য়ে প্ৰকাশ কৰা এটা সমালোচনাও এনেধৰণৰ পে'টিবুৰ্জোৱা গোষ্ঠিবাদৰ ব্যাধিত আক্ৰান্ত। (সমলয়, ৪ৰ্থ বছৰ, ১ম সংখ্যা; ১৯৭৭ চন।) এই প্ৰবন্ধটোৱে ("কলা-সংস্কৃতিৰ গণভিত্তি") এহাতে প্ৰতিপক্ষৰ গাত কিছুমান ভিত্তিহীন অভিযোগ আৰোপ কৰিছে, আনহাতে নিজে যথোচিত বিচাৰ আৰু বিশ্লেষণ নকৰাকৈ কিছুমান মত গ্ৰহণ কৰি তাকে শ্ৰেষ্ঠ বুলি পাৰেমানে ঢোল কোবাইছে। কিন্তু ঢোলত চাপৰ মৰা আৰু যুক্তিযুক্ত বিচাৰ কৰা একে বস্তু নহয়। নিজৰ ঢুলীয়া ভাওত নিজে মতলীয়া হৈ থকাত বিশেষ বাধা নাই, কিন্তু যুক্তি বস্তুটো আন মানুহৰ বিচাৰৰ বাবে আগবঢ়োৱা বস্তুহে।

এই প্ৰবন্ধটোত "সাংস্কৃতিক বিপ্লৱ" সম্পৰ্কে এটা ভ্ৰান্ত ধাৰণা প্ৰবল, যিটো আন বহু লেখকৰ ক্ষেত্ৰতো দেখা যায়। প্ৰবন্ধটোৰ মতে পুঁজিবাদী ভিত্তি পৰিবৰ্তন কৰিবলৈ নিবিচাৰিলে সাংস্কৃতিক বিপ্লৱৰ তাৎপৰ্য নাই। "নতুন পৃথিবী"তো শ্ৰীহীৰেণ গগৈয়ে (৫ম বছৰ ৪ৰ্থ সংখ্যা আৰু ৬ষ্ঠ বছৰ ১ম-২য় সংখ্যাত) সাংস্কৃতিক বিপ্লৱক কেৱল বুৰ্জোৱা ৰাষ্ট্ৰযন্ত্ৰ ধ্বংস কৰি সমাজবাদী ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাৰ পিছতহে ফলপ্ৰসূ হ'ব পাৰে---এনে এটা মত পোষণ কৰা দেখা গৈছে। কিন্তু ভাৰত আৰু চীনৰ দৰে দেশত জনগণৰ মাজত





OKDISCD

সামন্তবাদ আৰু সাম্ৰাজ্যবাদৰ বিৰোধিতা প্ৰচাৰ কৰিবলৈ বিচৰা সাংস্কৃতিক অভিযানো সাংস্কৃতিক বিপ্লবৰ এটা পৰ্যায়। মাও ছে টুঙে তাক নতুন গণতান্ত্ৰিক সাংস্কৃতিক বিপ্লব ("New democratic cultural revolution") আখ্যা দিছে। এই দৃষ্টিভংগীৰ পৰা চীনত সাংস্কৃতিক বিপ্লবৰ সূচনা যাঠিৰ দশকত নহয়, ১৯১৯ চনৰ ৪ মে'ৰ আন্দোলনৰ পৰাই। তদুপৰি ক্ষমতা দখলৰ আগতেই সাংস্কৃতিক বিপ্লব হ'ব পাৰে, ৰাজনৈতিক আন্দোলনৰ সহযাত্ৰী হিচাবে। "Prior to the May 4th Movement, China's new culture was a culture of the old-democratic kind and part of the capitalist cultural revolution of the world bourgeoisie. Since the May 4th Movement, it has become new-democratic and part of the socialist cultural revolution of the world proletariat."

(On New Democracy, p 87,
Selected works, Calcutta,
1967)

[৪ মে'ৰ আন্দোলনৰ আগতে চীনৰ নতুন সংস্কৃতি আছিল বিশ্ব বুৰ্জোৱাৰ পুঁজিবাদী সাংস্কৃতিক বিপ্লবৰ এটা অংশ আৰু চৰিত্ৰ প্ৰাচীন-গণতান্ত্ৰিক। ৪ মে'ৰ আন্দোলনৰ পিছৰে পৰা তাৰ চৰিত্ৰ হৈছে নতুন-গণতান্ত্ৰিক আৰু সি বিশ্বৰ সৰ্বহাৰাৰ সমাজবাদী সাংস্কৃতিক বিপ্লবৰ অংশ হৈ পৰিছে।]

"The new political force of the proletariat and the Communist Party entered the Chinese political arena and, as a result, the new cultural force ... ... launched heroic attacks on imperilist culture and feudal culture .. ... for the last twenty years wherever this new cultural force has directed its attack, a great revolution has taken place both in ideological content and in form (for example in the written language)."

(On New Democracy p 86.)

(চীনৰ ৰাজনৈতিক মঞ্চত সৰ্বহাৰা আৰু সাম্যবাদী দলৰ আবিৰ্ভাবৰ লগে লগে আবিৰ্ভাব হ'ল এক নতুন সাংস্কৃতিক শক্তি-----যি সামন্তীয় আৰু সাম্ৰাজ্যবাদী সংস্কৃতিৰ বিৰুদ্ধে প্ৰবল আক্ৰমণ চলালে।-----যোৱা বিশ বছৰে য'তেই এই নতুন সাংস্কৃতিক শক্তিয়ে আঘাত হানিছে তাতেই আদৰ্শগত বক্তব্য আৰু আংগিকৰ ক্ষেত্ৰত বিৰাট বিপ্লবৰ সূচনা হৈছে---যেনে লিখিত ভাষাৰ ক্ষেত্ৰত।)

"Revolutionary culture is a powerful revolutionary weapon for the broad masses of the people. It prepares the ground ideologically before the revolution comes and is an important, indeed essential, fighting front in the general revolutionary front during the revolution."

[ On New Democracy p 95 ]

(ব্যাপক জনগণৰ বাবে বিপ্লৱী সংস্কৃতি এপাট শক্তিশালী বিপ্লৱী অস্ত্ৰ। ই বিপ্লৱ অহাৰ আগতে আদৰ্শগতভাৱে তাৰ ক্ষেত্ৰ প্ৰস্তুত কৰে আৰু বিপ্লৱৰ সময়ত সাধাৰণ বিপ্লৱী ৰণাংগনৰ এটা গুৰুত্বপূৰ্ণ, মৌলিক যুদ্ধক্ষেত্ৰ হৈ পৰে।)

এনেবোৰ উক্তিয়ে প্ৰমাণ কৰে যে মাও ছে' তুঙৰ চিন্তাত সাংস্কৃতিক বিপ্লৱ সমাজবাদী সমাজৰ পৰিণতি নহয়, বৰং সমাজত সৰ্বহাৰা আন্দোলনে সৃষ্টি কৰা আলোড়নৰ ফলশ্ৰুতি। সমাজবাদী ৰাষ্ট্ৰ গঠনৰ বহু আগতে তাৰ সূচনা।

এইবোৰ উক্তিত অৱশ্যে ৰাজনীতিক সংস্কৃতিৰ পৰা পৃথক কৰি দেখুৱা হোৱা নাই। মাও ছে'-তুঙে দুটা বাহিনীৰ কথা কৈছে---সেনাবাহিনী আৰু সাংস্কৃতিক বাহিনী। দুয়োটাৰে নিয়ন্ত্ৰণত থাকে পাৰ্টি। দুয়োটা বাহিনীয়েই বিভিন্ন পথেৰে প্ৰতিক্ৰিয়াক আক্ৰমণ কৰি বিপ্লৱক আগুৱাই নিয়ে। আৰু নতুন-গণতান্ত্ৰিক পৰ্যায়ত দুয়োটাৰে প্ৰধান বল আহে নিপীড়িত আৰু মুক্তিকামী জনগণৰ পৰা। পুৰণা-গণতন্ত্ৰৰ বিপ্লৱত জনগণ সিমান সচেতন আৰু সক্ৰিয় নহয়। কিন্তু নতুন গণতন্ত্ৰৰ সংগ্ৰামত জনগণৰ চেতনা আৰু সক্ৰিয় উদ্যম এটা প্ৰধান লক্ষণ।

আচৰিত নহয় যে শ্ৰমিক আৰু কৃষক শ্ৰেণীৰ জনগণৰ মাজত পৰিব্যাপ্ত নতুন সাংস্কৃতিক চেতনা এই পৰ্যায়ৰ এটা মহান লক্ষ্য আৰু সৃষ্টি। আৰু ঠিক এইবাবেই বিপ্লৱী সংস্কৃতিৰ গণভিত্তিৰ প্ৰশ্নটো এই পৰ্যায়ত ইমান গুৰুত্বপূৰ্ণ।

আনহাতে কেৱল তাত্ত্বিক পাণ্ডিত্যত নিমগ্ন নাইবা ৰোমান্তিক বিপ্লৱৰ সপোনত মছগুল মানুহৰ বাবে এই প্ৰশ্নটো সিমান গুৰুত্বপূৰ্ণ নহয়। যিসকল লোকে নতুন গণতান্ত্ৰিক বিপ্লৱত জনগণৰ ভূমিকা হৃদয়ংগম কৰে তেওঁলোকৰ বাবেহে প্ৰশ্নটো জৰুৰী। কাৰণ নতুন গণতান্ত্ৰিক সাংস্কৃতিক আন্দোলনেহে নতুন গণতন্ত্ৰৰ কৰ্মীসকলক বিপ্লৱী উদ্দীপনা যোগাব পাৰে। "চিৰন্তন গোষ্ঠি"ৰ প্ৰবন্ধটোত গণবোধ্যতাৰ প্ৰশ্নটো পাতলাই উৰুৱাই দিবলৈ চেষ্টা কৰা হৈছে। প্ৰবন্ধটোত এনে মনোভাব প্ৰকাশ পাইছে যেন বিপ্লৱী সংস্কৃতি স্বাভাৱিকতে গণবোধ্য হবই। "এনে বিপ্লৱৰ বাবে কৰা কলাসাহিত্য সহজবোধ্য হোৱাই স্বাভাৱিক।" (সমলয় ৪ৰ্থ বছৰ, ১ম সংখ্যা, পৃঃ ৪৬) পিছ মুহূৰ্ততে আকৌ লুটিবাগৰ মাৰি "চিৰন্তন গোষ্ঠিয়ে এনে মন্তব্যও কৰিছে যে ৰক্ষণশীল জনগণৰ বাবে বিপ্লৱী বক্তব্য আচহুৱা বা দুৰ্বোধ্য হবলৈ বাধ্য। "আমাৰ দৰে শিক্ষিত পাচপৰা অচেতন পাঠকৰ সমাজত বিপ্লৱ তথা পৰিবৰ্তনৰ প্ৰতিটো কথাই নতুন, নতুন বাবেই সহজে বোধগম্য নহয়।" (সমলয়, পৃঃ ৪৬)

এনেধৰণৰ ওলোটা খৰমৰা যুক্তিক উৎকৃষ্ট দ্বান্দ্বিক চিন্তা বুলি কোনোবাই ভাবিব পাৰে। কিন্তু আমাৰ ধাৰণাত ই হ'ল অস্পষ্ট আৰু গোলমলীয়া চিন্তাৰ নমুনা। আকাশতে খৰ মাৰি ফুৰা মানুহে কছৰৎ দেখুৱাব পাৰে, দ্বান্দ্বিক চিন্তা আয়ত্ত কৰিব নোৱাৰে। সমাজৰ বৰ্তমান পৰিস্থিতিত জৰুৰী প্ৰয়োজন কি, তাক নুবুজা বা নজনা মানুহে দ্বান্দ্বিক চিন্তাৰ ঠাইত মূৰ ঘূৰাই অ'ত ত'ত খুন্দিয়াইহে ফুৰিব পাৰে।

বিপ্লবী সাহিত্য হলেই "স্বাভাৱিকতে" সহজবোধ্য নহয়। কাৰণ বিপ্লবী সাহিত্য চৰ্চা কৰা লোকসকলৰ মাজত বিপ্লবৰ পাতনিতে বহু নিম্নমধ্যবিত্ত লোক থকা দেখা যায়। এওঁলোকে নিজৰ শ্ৰেণীচৰিত্ৰ অনুযায়ী আংশিকভাবে বিদগ্ধ বুৰ্জোৱা কৃষ্টিৰ প্ৰভাৱত পৰে আৰু ফলত বহুসময়ত আংগিকৰ কছৰৎ (formalism) কৰিবলৈ গৈ বক্তব্য দুৰ্বোধ্য আৰু সূক্ষ্ম কৰি পেলায়। এনে কলাকৃষ্টিয়ে বিপ্লবী জনগণক কেতিয়াও অনুপ্ৰাণিত বা উদ্বুদ্ধ কৰিব নোৱাৰে। ফলত তাৰ বিপ্লবী লক্ষ্য সত্বেও সি পথভ্ৰষ্ট হয়। এনে ৰচনা অসমীয়া সাহিত্যত অপৰিচিত নহয়। প্ৰকৃততে নিজৰ দোষ ঢাকিবৰ বাবেই এচাম নিম্নমধ্যবিত্তই এই সমস্যা নাই বুলি ক'ব খোজে। আচলতে আমাৰ নিম্নমধ্যবিত্ত লেখকসকল বুৰ্জোৱা বিদগ্ধ কৃষ্টিৰ, মুষ্টিমেয়ৰ বাবে সৃষ্ট কৃষ্টিৰ আদৰ্শৰ পৰা সম্পূৰ্ণ মুক্তনে? সি সন্দেহৰ বিষয়।

মাও ছে' তুঙে কৈছিল যে নিম্নমধ্যবিত্ত লেখকসকলে আত্মপ্ৰকাশৰ (self-expression) লক্ষ্য পাহৰিব পৰা নাই। অথচ তেওঁ যিসকল লেখকৰ কথা কৈছিল তেওঁলোকে বহু দুখ কষ্ট সহি য়েনানৰ বিপ্লবী ঘাটিত যোগ দিবলৈ আহিছিল। তেওঁলোকেই যেতিয়া নিম্নমধ্যবিত্ত দুৰ্বলতা জয় কৰিব পৰা নাছিল অসমৰ নিম্নমধ্যবিত্তই ইমান সহজে তাক জয় কৰিব পাৰিছেনে?

নিম্নমধ্যবিত্ত লেখকে নিজৰ বক্তব্যক দহজনৰ দৃষ্টিভংগীৰ দাপোণ হিচাবে দাঙি ধৰিবলৈ নিবিচাৰে, দহজনৰ আশা আকাংক্ষা, দুখ-ক্ৰোধৰ ইন্ধনেৰে নিজৰ আবেগ উত্তপ্ত কৰিবলৈ নিবিচাৰে। তেওঁৰ বাবে সকলোতকৈ মূল্যবান বস্তু হ'ল তেওঁৰ ব্যক্তিত্ব, তেওঁৰ ব্যক্তিগত দৃষ্টিকোণ, ব্যক্তিগত অনুভূতি। এইবোৰ নিজস্ব কায়দাৰে প্ৰকাশ কৰাই তেওঁৰ মহান ব্ৰত---তেহেলে দহজনে বুজকেই বা নুবুজক। বিপ্লবী লেখকৰ বাবে কিন্তু আত্মপ্ৰকাশৰ অপৰিহাৰ্য চৰ্ত হ'ল গণসংযোগ বা mass-communication! একেজাপে কোনো নিম্নমধ্যবিত্ত লেখকে এই স্তৰলৈ উধাব নোৱাৰে। দীৰ্ঘকালীন প্ৰচেষ্টা আৰু পৰীক্ষাৰ মূৰতহে তেওঁ নিম্নমধ্যবিত্ত ব্যক্তিসত্ত্বা বিলোপ কৰি অৱশেষত জনগণৰ হৃদয়তন্ত্ৰীৰ ধ্বনিত কৰিব পৰা শক্তিৰ অধিকাৰী হয়।

এই কথা আমি ক'তো কোৱা নাই যে সহজ হ'লেই কোনো এটা বস্তু মূল্যবান হ'ব। তেনে হোৱাহলেতো ক--খ মানৰ কিতাপতে কলা-শিল্পৰ চৰম উৎকৰ্ষ জিলিকি উঠিলহেঁতেন। কিন্তু "চিৰন্তন গোষ্ঠি"য়ে তেনে নিৰ্বোধ উক্তি এটা আমাৰ ওপৰত আৰোপ কৰি কি সনাতন কৌশল কৰিছে, পাঠকে লক্ষ্য কৰিব। "সহজবোধ্য হলেই সাহিত্য প্ৰগতিশীল হ'ব বা বিপ্লবী হ'ব বা জনগণৰ হ'ব এনে ধাৰণা ভুল।" (সমলয়, পৃঃ ৪৬)

এনে অদ্ভুত মন্তব্য আমি ক'ত আগবঢ়াইছোঁ "চিৰন্তন গোষ্ঠি"ৰ মহাজনসকলে পাঠকক জনাবনে? "সাহিত্য আৰু চেতনা"ৰ পাতনিত আমি স্পষ্টকৈ কৈছোঁ যে ৰাজনীতি আৰু শিল্প-সাহিত্যত একেখন যুদ্ধই চলি আছে। সেইখন হ'ল শ্ৰেণী সংগ্ৰামৰে ৰূপভেদ। "কবিতাৰ উৎস সন্ধান"তো কৈছোঁ যে প্ৰগতিশীল চেতনাৰ বাহকসকলেই কবিতাৰ নৱজন্ম আনিব পাৰিব---যদিহে তেওঁলোকে মুষ্টিমেয়ৰ বাবে শিল্পসৃষ্টিৰ পথ এৰি জনগণৰ বাবে শিল্পসৃষ্টিত মন দিয়ে। (সাহিত্য আৰু চেতনা, পৃঃ ২২৭)

"চিৰন্তন গোষ্ঠি"ৰ প্ৰবন্ধত জনগণৰ প্ৰতি এক অবজ্ঞা আৰু পুতৌৰ ভাব প্ৰকাশ পাইছে।



ইয়াত এনেধৰণৰ ইংগিত দিয়া হৈছে যেন বিপ্লৱৰ আগতে শিল্পসংস্কৃতিৰ মূলভিত্তি পৰিবৰ্তনৰ আগতে গণসংস্কৃতি সৃষ্টি কৰিবলৈ যোৱাটো বলীয়ালি মাথোন। 'চিৰন্তন গোষ্ঠি'ৰ অবাস্তৱ আৰু মতান্ধ ধাৰণা ই উদঙাই দিছে। উদাহৰণ স্বৰূপে 'চিৰন্তন গোষ্ঠি'য়ে কৈছে ঃ "প্ৰথম বাধা হ'ল জনগণৰ চেতনা তথা জ্ঞানৰ অভাৱ। চেতনা (শ্ৰেণীচেতনা) থাকিলেও বহু সময়ত আখৰজ্ঞান জনগণৰ নাথাকে। গতিকে বৃহত্তৰ জনগণৰ ক্ষেত্ৰত নিম্নস্তৰৰ জ্ঞান সত্যগ্ৰহণ কৰাৰ ক্ষেত্ৰত প্ৰত্যক্ষ বাধা" (সমলয়, পৃঃ ৪২)।

এনে মন্তব্য কিতাপৰ জ্ঞানৰ ভৰত কুঁজা হোৱা লোকৰ পৰাহে আহিব পাৰে। এনে অন্ধতা আতৰাবৰ বাবেই আমি লোকসংস্কৃতিৰ কথা কৈছিলো। লোকসংস্কৃতিৰ বাহন কিতাপ নহয়। মানুহৰ মুখে মুখে আবহমান কালৰেপৰা বাগৰি আছে বহু উৎকৃষ্ট মৰ্মস্পৰ্শী গীতমাত। সাক্ষৰতা তাৰ বাবে অপৰিহাৰ্য নহয়। নাটক আদি কৰিবৰ বাবেও সকলো অভিনেতা সাক্ষৰ নহলেও চলে------নাটক চাবৰ বাবেতো সাক্ষৰতাৰ প্ৰশ্নই নুঠে। যিসকল কবিয়ে ভাবে যে জনগণে গভীৰ ভাবৰ মোল নুবুজে তেওঁলোকে তেওঁলোকৰ কবিতাত কোনো সুৰকাৰৰ হতুৱাই সুৰ আৰোপ কৰি চাওকচোন----দেখিব, কিতাপৰ পাতত জঠৰ হৈ থকা কবিতাই হেজাৰ হিয়া উদ্বেলিত কৰি তুলিব----আৰু সি কেৱল সুৰৰ বাবেই নহয়, ভাবৰ বাবেও।

এই কথা ঠিক যে 'চিৰন্তন গোষ্ঠিৰ' দৰে মত আন কিছু বিপ্লবী লেখকেও পোষণ কৰে। এওঁলোকো জনগণৰ মাজত বিপ্লবী সংস্কৃতি পৰিব্যাপ্ত কৰাৰ ক্ষেত্ৰত নিৰুৎসাহ বা উদাসীন। তাৰ এটা কাৰণ ওপৰত উল্লেখ কৰা মতে জনগণৰ সাংস্কৃতিক মান সম্পৰ্কে অবজ্ঞা, আন কাৰণটো হ'ল জনগণৰ ওপৰত থকা পুঁজিবাদী অৰ্থনৈতিক পীড়নক দুৰ্জয় বুলি ভবাৰ কাপুৰুষসুলভ মনোবৃত্তি। যেহেতু জনগণৰ অধিকাংশৰ ক্ৰয়ক্ষমতা নাই আৰু যেহেতু বুৰ্জোৱা কৃষ্টি ধনিক শ্ৰেণীৰ নিয়ন্ত্ৰণত পণ্যধৰ্মী হৈ পৰে, সেয়ে হেনো বিপ্লবী গণকৃষ্টি সৃষ্টিৰ বিশেষ অৱকাশ নাই। (সমলয়, পৃঃ ৪২)। চিৰন্তন গোষ্ঠিৰ পে'টিবুৰ্জোৱা মানসিকতাৰ পৰিণাম স্বৰূপে তেওঁলোকে পুঁজিবাদী পণ্যশিল্পৰ বিৰুদ্ধে থিয় দিয়া শিল্পীসকলক প্ৰায় অসহায় আৰু ফ্ৰাষ্ট্ৰেটে'ড্ হিচাবে কল্পনা কৰিছে ঃ "সেয়ে গণভিত্তিক সত্য থাকিলেও প্ৰচাৰ আৰু প্ৰকাশ পুঁজিৰ দ্বাৰা নিয়ন্ত্ৰিত হোৱা বাবে গণসত্য প্ৰচাৰ হয় সীমিত, সংকীৰ্ণ পৰিসৰৰ মাজত" (পৃঃ ৪২)

"যিসকল কলাসংস্কৃতি স্ৰষ্টাই পুঁজিবাদী উৎপাদনৰ বিৰুদ্ধে থিয় হয়, তেওঁলোকৰ অৱস্থা হয় ছাটাই হোৱা শ্ৰমিকৰ দৰে। এওঁলোকে যুঁজ কৰিব লগা হয় অতি কণ্টকৰ পৰিবেশৰ মাজত।" (পৃঃ ৪২)

বিপ্লবী ৰাজনীতিৰ কথা চিঞৰি ফুৰি "চিৰন্তন গোষ্ঠি"য়ে কেনেকৈ একক আৰু বিপ্লবী শিল্পীৰ ছবি দাঙি ধৰিব পাৰিলে, সেইটো ভাবিবলগীয়া। বিপ্লবী ৰাজনীতি পাৰ্টিয়ে পৰিচালনা কৰে, আৰু পাৰ্টিৰ যন্ত্ৰতে বিপ্লবী শিল্পীসকল সংঘবদ্ধ হয়। কাৰণ মতাদৰ্শৰ পিছতে বিপ্লবী জনগণৰ শ্ৰেষ্ঠ শক্তি হ'ল সংঘশক্তি। মতাদৰ্শৰ যুদ্ধত প্ৰতিক্ৰিয়াৰ পৰা আঘাত আহিবই। কিন্তু তাত হতাশ হোৱা শিল্পীৰ বিপ্লবী ধাতু নাই।



OKDISCD

নতুন গণতান্ত্ৰিক পৰ্যায়ত বিপ্লৱী পাৰ্টিয়ে এক নতুন সাংস্কৃতিক আন্দোলনৰ গুৰি ধৰিবই লাগিব। এই আন্দোলন হ'ব গণভিত্তিক, তাৰ মাধ্যম হব বিবিধ গণ-মাধ্যম। যি বিপ্লৱী দলে এনে সাংস্কৃতিক আন্দোলন গঢ়ি তুলিবলৈ চেষ্টা কৰা নাই, সেই দল বিপ্লৱী নহয়, স্বপ্নবিলাসীহে।

১৯৪৯ চনৰ পৰা ১৯৬০ চনলৈ আমাৰ দেশত জনসাধাৰণৰ সাক্ষৰতা কিংবা ক্ৰয়ক্ষমতা আজিতকৈ বেছি নাছিল। কিন্তু তেতিয়া ভাৰতীয় গণনাট্য সংঘই অসমত ব্যাপক সাংস্কৃতিক আন্দোলন সৃষ্টি কৰিব পাৰিছিল। চহৰতে আবদ্ধ নাথাকি সি গাঁৱে ভূঞে জনগণৰ মাজত বিয়পি পৰিছিল। ভাৰতৰ জনগণে স্বাধীনতা সংগ্ৰামৰ মাজেদি নতুন গণতান্ত্ৰিক বিপ্লৱ ৰচনাৰ যি শক্তি আৰু সম্ভাৱনা আয়ত্ত কৰিছিল, গণনাট্যসংঘই সৃষ্টি কৰা গণভিত্তিক সাংস্কৃতিক উদ্দীপনাত তাৰ প্ৰকাশ ঘটিছিল। অৱশ্যে পাৰ্টি নেতৃত্বৰ বিশ্বাসঘাতকতাৰ ফলত এই সাংস্কৃতিক আন্দোলনত বাটকেণা লাগিল। বিপ্লৱী গভীৰতাৰ পৰা আঁতৰি সি শোধনবাদৰ বানত উটি গ'ল। গাৱেঁ ভূঞে নতুন বুৰ্জোৱাৰ ক্ষেত্ৰহে সি প্ৰস্তুত কৰিলে অৱশেষত। বিপ্লৱী ভূমিকা থকা শিল্পীসকলৰ বহুতেই বুৰ্জোৱা পণ্যসংস্কৃতিৰ জঘন্যতম বজাৰ বোম্বে'ৰ ছিনেমা জগতত নিজকে বিক্ৰী কৰিলে। এজনেতো ছিনে'মাত উৎকট যৌন উত্তেজনা সৃষ্টি কৰা 'বেশ্যা ছোৱালী' কেইজনী আচলতে কিমান সতী-সাধ্বী ছোৱালী----সেইবোৰ গভীৰ আৰু মূল্যবান আলোচনাতে নিমগ্ন হৈ পৰিছে!

মাও ছে'-টুঙে কৈ গৈছে যে নতুন-গণতান্ত্ৰিক কৃষ্টি জনগণৰ সেৱাত লাগিব। প্ৰাক্ বিপ্লৱ সাংস্কৃতিক আন্দোলনৰ নেতা লু ছুনে উদাৰনৈতিক বুৰ্জোৱা নেতা-সকলৰ বিৰোধিতা কৰি কৈছিল "বিপ্লৱী গণসংস্কৃতি" (revolutionary mass-culture) সৃষ্টি কৰাৰ কথা। এই কথা 'চিৰন্তন গোষ্ঠি'ক আজি আকৌ বুজাব লগা হোৱাটো পৰিতাপৰ কথা। তেওঁলোকে নিজৰ ধাৰণাৰ ভ্ৰান্তি আৰু অস্পষ্টতা আগতে দূৰ কৰি লওক। পিছত আনক জ্ঞান দিবলৈ আহিব।

'চিৰন্তন গোষ্ঠি'ৰ জনগণৰ প্ৰতি যি মনোভাব, সি প্ৰকৃততে বাস্তৱবাদৰ লক্ষণ নে জনগণৰ লগত ঘনিষ্ঠতাৰ অভাৱৰ লক্ষণ? গণসংস্কৃতিক বিপ্লৱী খাতেৰে প্ৰবাহিত কৰাটো যে কঠিন আৰু দুৰুহ কাম, আমি অস্বীকাৰ নকৰোঁ। ৰাজ-নৈতিক বিপ্লৱো কঠিন আৰু দুৰুহ কাম---সেইবুলি জানো তাত অধ্যৱসায় আৰু আত্মত্যাগৰ নাটনি দেখা গৈছে? সাংস্কৃতিক বিপ্লৱৰ গুৰুত্ব তত্ত্বগতভাৱে মানি ললে দেখা যাব যে তাক কাৰ্যকৰী কৰা কৰ্মীৰো অভাৱ নহ'ব।

'চিৰন্তন' নামৰ আলোচনীখন 'চিৰন্তন গোষ্ঠি'ৰে মুখপত্ৰ। কিন্তু তাত সচৰাচৰ যিবোৰ অৰ্থনৈতিক আৰু সামাজিক বিশ্লেষণ নিবেদন কৰা হয় সেইবোৰৰ মতে ভাৰতত সামন্তবাদ বিলুপ্ত হোৱা নাই। অৰ্থাৎ জনজাতীয় সমাজৰপৰা পুঁজিবাদলৈ শিল্পকলাৰ অৰ্থনৈতিক আৰু সামাজিক ভিত্তিৰ পৰিবৰ্তন 'সমলয়'ত যি ধৰণে দেখুৱা

(৭২ পৃষ্ঠাত চাওক)





# গৰম ভাতৰ ধোঁৱা আৰু মুক্তিৰ স্বপ্ন

জ্ঞান পূজাৰী

যোৱা ২৭, ২৮, ২৯, ৩০ আৰু ৩১ আগষ্টত নগাঁৱত সদৌ অসম নাট্য সন্মিলনৰ সৌজন্যত সদৌ অসম ভিত্তিত তিনিদিনীয়াকৈ নাট প্ৰতিযোগিতা অনুষ্ঠিত হয়। ২৮।২৯।৩০ আগষ্টৰ ভিতৰত দাপোণ (যোৰহাট), চাৰ্কাচ (নামৰূপ), ক্ষয়িষ্ণু (বিহপুৰীয়া), বৃত্তৰ ভিতৰত যুক্তি, তৰ্ক আৰু গল্প (লক্ষীমপুৰ), স্ফিংছ (বিশ্বনাথ চাৰিআলি), এজাক জোনাকীৰ জিললমি (নগাঁও), দাপোণ (ছয়গাঁও), হে চাৰ্বাক তোমাক নমস্কাৰ (শিলঘাট)----এই নাটক কেইখন পৰিবেশন হয়। এইবাৰৰপৰা নাটকৰ সময় ৯০ মিনিট।

নাটকৰ ৰচনা আৰু পৰিবেশন পদ্ধতি নিতান্ত নিম্নস্তৰৰ আছিল বাবে ছয়গাঁৱৰ 'দাপোণ,' শিলঘাটৰ 'হে চাৰ্বাক তোমাক নমস্কাৰ' আৰু যোৰহাটৰ 'দাপোণ'---নাটক কেইখন মুঠেই উপভোগ্য হৈ নুঠিল।

আমাৰ বাবে প্ৰেৰণাদায়ক কথা যে অৱশিষ্ট অধিকাংশ নাটকেই কম-বেছি পৰিমাণে নাট্যকাৰৰ সামাজিক দায়বদ্ধতা আৰু সমাজ-জীৱন সম্পৰ্কে থকা ভিন্ন প্ৰতিক্ৰিয়াৰ পৰি-চয়ৰ ইংগিত দিয়ে। অন্ততঃ পন্না লগা চিন্তা চৰ্চাৰ ধাৰক-বাহক এবছাৰ্ড ড্ৰামাৰ উদ্ভট হৈ-চৈৰপৰা এই নাট্যদলসমূহ দূৰত আছিল। যি কোনো কলা-সাহিত্যতে বিষয়বস্তু আৰু আংগিকৰ ওতঃপ্ৰোত সম্পৰ্কৰ দৰে নাট্যকলাতো বিষয়বস্তুৱেহে আংগিকৰ শৈলী নিৰ্ণয় কৰে। নাটকৰ এই উপাদান নাট্যকাৰে নিৰ্বাচন কৰিব মঞ্চৰ বাহিৰৰ সমাজ জীৱনৰ পৰা। প্ৰাকৃতিক জগতৰ ৰূপান্তৰ সাধনৰ দৰেই সমাজৰ ৰূপান্তৰ সাধনৰ কাৰ্যটোও মূলতঃ এটা মুক্তি প্ৰক্ৰিয়া। বিজ্ঞানৰ যুগত মঞ্চ হ'ব লাগিব এনে মুক্তিৰ আনন্দৰ বাহক।

মধ্যবিত্ত শ্ৰেণীৰ দোদুল্যমানতা, নৈতিক স্খলন, চিৰাচৰিত পাৰিবাৰিক সম্পৰ্কৰ ক্ষণ-ভংগুৰতা আৰু তৎপ্ৰসুত দ্বিধা, সংশয় আৰু দ্বন্দ্বৰ পটভূমিত ৰচিত ঘন হাজৰিকাৰ 'বৃত্তৰ ভিতৰত যুক্তি, তৰ্ক আৰু গল্প' প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত দল। ঐতিহাসিক-ভাবে মধ্যবিত্ত শ্ৰেণীৰ অৱস্থান এনে পৰ্যায়ত যে হাজৰিকাৰ আপ্ৰাণ প্ৰচেষ্টা সত্বেও, আংগি-কৰ convention ভঙাত ব্ৰতী হলেও ব্যাবহাৰিক অৰ্থত তেওঁৰ বক্তব্য, তেওঁৰ





OKDISCD

নতুন গণতান্ত্ৰিক পৰ্যায়ত বিপ্লবী পাৰ্টিয়ে এক নতুন সাংস্কৃতিক আন্দোলনৰ গুৰি ধৰিবই লাগিব। এই আন্দোলন হ'ব গণভিত্তিক, তাৰ মাধ্যম হব বিবিধ গণ-মাধ্যম। যি বিপ্লবী দলে এনে সাংস্কৃতিক আন্দোলন গঢ়ি তুলিবলৈ চেষ্টা কৰা নাই, সেই দল বিপ্লবী নহয়, স্বপ্নবিলাসীহে।

১৯৪৯ চনৰ পৰা ১৯৬০ চনলৈ আমাৰ দেশত জনসাধাৰণৰ সাক্ষৰতা কিংবা কুয়ক্ষমতা আজিতকৈ বেছি নাছিল। কিন্তু তেতিয়া ভাৰতীয় গণনাট্য সংঘই অসমত ব্যাপক সাংস্কৃতিক আন্দোলন সৃষ্টি কৰিব পাৰিছিল। চহৰতে আবদ্ধ নাথাকি সি গাঁৱে ভূঞে জনগণৰ মাজত বিয়পি পৰিছিল। ভাৰতৰ জনগণে স্বাধীনতা সংগ্ৰামৰ মাজেদি নতুন গণতান্ত্ৰিক বিপ্লৱ ৰচনাৰ যি শক্তি আৰু সম্ভাৱনা আয়ত্ত কৰিছিল, গণনাট্যসংঘই সৃষ্টি কৰা গণভিত্তিক সাংস্কৃতিক উদ্দীপনাত তাৰ প্ৰকাশ ঘটিছিল। অৱশ্যে পাৰ্টি নেতৃত্বৰ বিশ্বাসঘাতকতাৰ ফলত এই সাংস্কৃতিক আন্দোলনত বাটকেঁণা লাগিল। বিপ্লবী গভীৰতাৰ পৰা আঁতৰি সি শোধনবাদৰ বানত উটি গ'ল। গাৱেঁ ভূঞে নতুন বুৰ্জোৱাৰ ক্ষেত্ৰহে সি প্ৰস্তুত কৰিলে অৱশেষত। বিপ্লবী ভূমিকা থকা শিল্পীসকলৰ বহুতেই বুৰ্জোৱা পণ্যসংস্কৃতিৰ জঘন্যতম বজাৰ বোম্বে'ৰ ছিনেমা জগতত নিজকে বিক্ৰী কৰিলে। এজনেতো ছিনে'মাত উৎকট যৌন উত্তেজনা সৃষ্টি কৰা 'বেয়া ছোৱালী' কেইজনী আচলতে কিমান সতী-সাধ্বী ছোৱালী----সেইবোৰ গভীৰ আৰু মূল্যবান আলোচনাতে নিমগ্ন হৈ পৰিছে!

মাও ছে'-টুঙে কৈ গৈছে যে নতুন-গণতান্ত্ৰিক কৃষ্টি জনগণৰ সেৱাত লাগিব। প্ৰাক্ বিপ্লৱ সাংস্কৃতিক আন্দোলনৰ নেতা লু ছুনে উদাৰনৈতিক বুৰ্জোৱা নেতা-সকলৰ বিৰোধিতা কৰি কৈছিল "বিপ্লবী গণসংস্কৃতি" (revolutionary mass-culture) সৃষ্টি কৰাৰ কথা। এই কথা 'চিৰন্তন গোষ্ঠী'ক আজি আকৌ বুজাব লগা হোৱাটো পৰিতাপৰ কথা। তেওঁলোকে নিজৰ ধাৰণাৰ ভ্ৰান্তি আৰু অস্পষ্টতা আগতে দূৰ কৰি লওক। পিছত আনক জ্ঞান দিবলৈ আহিব।

'চিৰন্তন গোষ্ঠি'ৰ জনগণৰ প্ৰতি যি মনোভাব, সি প্ৰকৃততে বাস্তববাদৰ লক্ষণ নে জনগণৰ লগত ঘনিষ্ঠতাৰ অভাৱৰ লক্ষণ? গণসংস্কৃতিক বিপ্লবী খাতেৰে প্ৰবাহিত কৰাটো যে কঠিন আৰু দুৰুহ কাম, আমি অস্বীকাৰ নকৰো। ৰাজ-নৈতিক বিপ্লবো কঠিন আৰু দুৰুহ কাম---সেইবুলি জানো তাত অধ্যৱসায় আৰু আত্মত্যাগৰ নাটনি দেখা গৈছে? সাংস্কৃতিক বিপ্লবৰ গুৰুত্ব তত্ত্বগতভাবে মানি ললে দেখা যাব যে তাক কাৰ্যকৰী কৰা কৰ্মীৰো অভাৱ নহ'ব।

'চিৰন্তন' নামৰ আলোচনীখন 'চিৰন্তন গোষ্ঠি'ৰে মুখপত্ৰ। কিন্তু তাত সচৰাচৰ যিবোৰ অৰ্থনৈতিক আৰু সামাজিক বিশ্লেষণ নিবেদন কৰা হয় সেইবোৰৰ মতে ভাৰতত সামন্তবাদ বিলুপ্ত হোৱা নাই। অৰ্থাৎ জনজাতীয় সমাজৰপৰা পুঁজিবাদলৈ শিল্পকলাৰ অৰ্থনৈতিক আৰু সামাজিক ভিত্তিৰ পৰিবৰ্তন 'সমলয়'ত যি ধৰণে দেখুৱা

(৭২ পৃষ্ঠাত চাওক)





# গৰম ভাতৰ ধোঁৱা আৰু মুক্তিৰ স্বপ্ন

জ্ঞান পূজাৰী

যোৱা ২৭, ২৮, ২৯, ৩০ আৰু ৩১ আগষ্টত নগাঁৱত সদৌ অসম নাট্য সন্মিলনৰ সৌজন্যত সদৌ অসম ভিত্তিত তিনিদিনীয়াকৈ নাট প্ৰতিযোগিতা অনুষ্ঠিত হয়। ২৮।২৯।৩০ আগষ্টৰ ভিতৰত দাপোণ (যোৰহাট), চাৰ্কাচ (নামৰূপ), ক্ষয়িষ্ণু (বিহপুৰীয়া), বৃত্তৰ ভিতৰত মুক্তি, তৰ্ক আৰু গল্প (লক্ষীমপুৰ), স্ফিংছ (বিশ্বনাথ চাৰিআলি), এজাক জোনাকীৰ জিলমিল (নগাঁও), দাপোণ (ছয়গাঁও), হে চাৰ্বাক তোমাক নমস্কাৰ (শিলঘাট)---এই নাটক কেইখন পৰিবেশন হয়। এইবাৰৰপৰা নাটকৰ সময় ৯০ মিনিট।

নাটকৰ ৰচনা আৰু পৰিবেশন পদ্ধতি নিতান্ত নিম্নস্তৰৰ আছিল বাবে ছয়গাঁৱৰ 'দাপোণ,' শিলঘাটৰ 'হে চাৰ্বাক তোমাক নমস্কাৰ' আৰু যোৰহাটৰ 'দাপোণ'---নাটক কেইখন মুঠেই উপভোগ্য হৈ নুঠিল।

আমাৰ বাবে প্ৰেৰণাদায়ক কথা যে অৱশিষ্ট অধিকাংশ নাটকেই কম-বেছি পৰিমাণে নাট্যকাৰৰ সামাজিক দায়বদ্ধতা আৰু সমাজ-জীৱন সম্পৰ্কে থকা ভিন্ন প্ৰতিক্ৰিয়াৰ পৰি-চয়ৰ ইংগিত দিয়ে। অন্ততঃ পল্লা লগা চিন্তা চৰ্চাৰ ধাৰক-বাহক এবছাৰ্ড ড্ৰামাৰ উদ্ভট হৈ-চৈৰপৰা এই নাট্যদলসমূহ দূৰত আছিল। যি কোনো কলা-সাহিত্যতে বিষয়বস্তু আৰু আংগিকৰ ওতঃপ্ৰোত সম্পৰ্কৰ দৰে নাট্যকলাতো বিষয়বস্তুৱেহে আংগিকৰ শৈলী নিৰ্ণয় কৰে। নাটকৰ এই উপাদান নাট্যকাৰে নিৰ্বাচন কৰিব মঞ্চৰ বাহিৰৰ সমাজ জীৱনৰ পৰা। প্ৰাকৃতিক জগতৰ ৰূপান্তৰ সাধনৰ দৰেই সমাজৰ ৰূপান্তৰ সাধনৰ কাৰ্যটোও মূলতঃ এটা মুক্তি প্ৰক্ৰিয়া। বিজ্ঞানৰ যুগত মঞ্চ হ'ব লাগিব এনে মুক্তিৰ আনন্দৰ বাহক।

মধ্যবিত্ত শ্ৰেণীৰ দোদুল্যমানতা, নৈতিক স্খলন, চিৰাচৰিত পাৰিবাৰিক সম্পৰ্কৰ ক্ষণ-ভংগুৰতা আৰু তৎপ্ৰসূত দ্বিধা, সংশয় আৰু দ্বন্দ্বৰ পটভূমিত ৰচিত ঘন হাজৰিকাৰ 'বৃত্তৰ ভিতৰত যুক্তি, তৰ্ক আৰু গল্প' প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত দল। ঐতিহাসিক-ভাবে মধ্যবিত্ত শ্ৰেণীৰ অৱস্থান এনে পৰ্যায়ত যে হাজৰিকাৰ আপ্ৰাণ প্ৰচেষ্টা সত্বেও, আংগি-কৰ convention ভঙাত ব্ৰতী হলেও ব্যাবহাৰিক অৰ্থত তেওঁৰ বক্তব্য, তেওঁৰ



OKDISCD

চৰিত্ৰসমূহ পুনৰ বৃত্তৰ ভিতৰতে একোৰিয়ামত বিচৰণ কৰাৰ আত্মতৃপ্তিৰে, নিজৰ খোলাৰ ভিতৰতে যুক্তি, তৰ্ক আৰু গল্পৰ পতিত ভূমিত মাটিংচহাব লাগিব, মূলতঃ ই হব sterile, unproductive---মুক্তিৰ আহ্লাদৰপৰা বঞ্চিত, যদিহে এই শ্ৰেণীয়ে নিজৰ খোলাৰপৰা ওলাই আহি মুক্তিকামী ব্যাপক জনগণৰ সংগ্ৰামী আত্মাৰ লগত একাত্ম নহয়। আৰু এই ঐতিহাসিক বস্তুবাদ সম্পৰ্কে থকা তেওঁৰ অস্বচ্ছ ধাৰণাৰ বাবেই তুলনামূলকভাৱে দলগত দক্ষতা, মঞ্চৰ বাবে প্ৰয়োজনীয় বলিষ্ঠ কণ্ঠস্বৰ আৰু কণ্ঠস্বৰৰ মাত্ৰাজ্ঞান, প্ৰয়োজনীয় কেইটামান নিটোল composition--ৰ (সনাতনঃ চোৱা, মই কন্দা নাই---) সমন্বয়-সাধন সত্ত্বেও সামগ্ৰিকভাৱে 'বৃত্তৰ ভিতৰত যুক্তি, তৰ্ক আৰু গল্প'ই আমাক প্ৰত্যয় জন্মোৱাত বিফল হ'ল।

প্ৰায় একে ধৰণৰ নাটকীয় উপাদানেৰে (content) ৰূপায়িত মিলু বৰুৱাৰ 'ক্ষয়িষ্ণু'। যদিও নাট্যকাৰৰ মূল উদ্দেশ্য আছিল আশাব্যঞ্জক, আমাক কঁপাই তুলিলে ইয়াৰ পৰিবৰ্তে আশা ভংগৰ হৃদয় বিদাৰক আৰ্তি আৰু মোহভংগই। নাটকখনৰ সাৱলীলতাৰ অন্তৰায়স্বৰূপ আছিল দুৰ্বল কণ্ঠস্বৰ আৰু কণ্ঠস্বৰৰ মাত্ৰাজ্ঞানৰ অভাৱ, অতিৰিক্ত movement আৰু কেইটামান চৰিত্ৰৰ নিষ্প্ৰভ অভিনয়।

বিপ্লৱ আৰু বিপ্লৱীৰ প্ৰতি থকা উদ্ভট ধ্যান-ধাৰণাৰপৰা উদ্ভূত চিন্তা-চৰ্চাৰ বিকৃত ৰূপায়ণ ডঃ ভবেন শইকীয়াৰ নাটক 'এজাক জোনাকীৰ জিলমিল'। (২য় পুৰস্কাৰ প্ৰাপ্ত)

চাৰ্কাচৰ মালিকে জন্তু-জানোৱাৰবোৰক দিনক দিনে ক্ষুধা, মাৰি-মৰকৰ অতল গহৱৰলৈ নিক্ষেপ কৰাৰ প্ৰতিবাদত চাৰ্কাচৰ ৰিংমাষ্টাৰ, কৰ্মচাৰী, খেলুৱৈ ছোৱালী আদিৰ বিক্ষোভৰ পটভূমিত ৰচিত নাটক অখিল চক্ৰৱৰ্তীৰ 'চাৰ্কাচ'। জনগণৰ প্ৰতীক জন্তু-জানোৱাৰৰ সবল সংগ্ৰামৰ সুৰেই এই নাটকৰ মূল নিয়ন্ত্ৰক শক্তি। কিন্তু নাটকখনৰ বিৰতিৰ পিছৰপৰা অতিৰিক্ত পোহৰৰ খেলা, দুৰ্বল শুট composition' মালিকপক্ষৰ চক্ৰান্ত দেখুৱাবলৈ ফিল্মী ৰেপ' কাহিনীৰ সংযোজন, কেইটামান চৰিত্ৰৰ অভিনয়ৰ আড়ষ্টতা আৰু melodramatic অভিনয়ে বিৰতিপূৰ্বক মঞ্চগত সাৱলীলতা অক্ষুণ্ণ ৰাখিব নোৱাৰিলে। বহুৱা দুজনৰ তীক্ষ্ণ ব্যংগাত্মক সংলাপ কৌতূহল উদ্দীপক।

ৰাক্ষস স্ফিংছে বাটৰুৱাক, নিৰীহ মানুহক চলনা কৰি হত্যা কৰিছিল। ভাগ্যক্ৰমে এদিন উপস্থিত হ'ল ঈদিপাছ। ঈদিপাছেই সেই প্ৰথম মানুহ যি মানুহক চিনিব পাৰিছিল। স্ফিংছে জানিছিল তাৰ এইবাৰ নিস্তাৰ নাই। কাৰণ মানুহে মানুহক চিনিব পাৰিছে। স্ফিংছে কাল বিলম্ব নকৰি পৰ্বতৰ চূড়াৰ পৰা জপিয়াই আত্মহত্যা কৰিছিল। থিব্‌চৰ মানুহখিনিয়ে থিব্‌ছৰ সমতল ভূমি সেইদিনা স্ফিংছৰ তেজেৰে ৰক্তাক্ত হৈছিল। থিব্‌চৰ মানুহখিনিয়ে স্ফিংছৰ অত্যাচাৰৰপৰা মুক্তি পালে। থিব্‌চৰ সমতলভূমি সেইদিনা স্ফিংছৰ তেজেৰে ৰক্তাক্ত হৈছিল সঁচা, কিন্তু সেই তেজৰ প্ৰতিটো কণিকাৰ পৰা জন্ম ললে একোটা নতুন স্ফিংছে। নতুন পোছাক, নতুন চেহেৰা, কথা কোৱাৰ নতুন কিটিপ আৰু নতুন সাঁথৰেৰে নতুন নতুন স্ফিংছ আমাৰ মাজত মূৰ ডাঙি উঠিল। আৰু আমাৰ মাজৰ সেইবোৰ স্ফিংছৰ অন্যায়-অবিচাৰ, শোষণ-নিষ্পেষণৰ বিৰুদ্ধে বিভিন্ন ধৰণৰ প্ৰতিবাদত, সংগ্ৰামত মুখৰ জনসাধাৰণৰ সাৰ্থক প্ৰতিচ্ছবি মূৰ্ত হৈ উঠিছে 'স্ফিংছ' নাটকৰ নাট্যকাৰৰ ৰচনাশৈলীত।
(৭৫ পৃষ্ঠাত চাওক)



গল্প

# লক্ষীনাৰায়ণ ৰেষ্টুৰেণ্টত হেমামালিনী

সত্যসুন্দৰ বৰুৱা

বিজয়া দশমী আজি। দেৱীপূজাৰ শেষ দিন। যোৱা চাৰিদিনৰ সকলো উখল-মাখল, স্ফূৰ্তি-তামচা, গান-বাজনা কেইঘন্টামানৰ পিচতে সাম কাটিব। যেনেকৈ প্ৰকাণ্ড এখন হুলস্থূলীয়া বিয়াৰ পিছত ৰভাতল নিজম পৰে বা যেনেকৈ উত্তেজনাপূৰ্ণ এখন ফুটবল খেল শেষ হোৱাৰ পাছত, খেলুৱৈ, দৰ্শক আটাইবোৰ ঘৰাঘৰি যোৱাৰ পাছত, চাৰিটা গোলপোষ্টৰ মাজৰ বহল খেল-পথাৰখনলৈ মৰিশালীৰ নিস্তব্ধতা নামি আহে। এইখনো যেন এখন প্ৰতিযোগিতামূলক ফুটবল খেলাহে। যোৱা চাৰিদিন ধৰি হোৱা হুলস্থূলীয়া প্ৰতিযোগিতাৰ পাছত আজি চূড়ান্ত খেল।

কাহিনী অথবা ঘটনাস্থান থানা চাৰিআলি। চাৰিও ফালৰপৰা চাৰিটা ৰাষ্টা আহি য'ত লগ লাগিছে তাৰ সোঁ মাজতে পুলিছ পইন্টটো। মানুহ আৰু যান-বাহন নিয়ন্ত্ৰণৰ বাবে স্বাভাৱিকতে আজি এজনৰ ঠাইতে কেবাজনো ট্ৰেফিক কন্ট্ৰল পুলিছৰ নিযুক্তি দিয়া হৈছে। কিয়নো এইটোৱেই হ'ল কেন্দ্ৰস্থল। গোটেই চহৰখনৰ অ'ত ত'ত হোৱা প্ৰায় পঁচিশ ত্ৰিশখন পূজাস্থলীৰ প্ৰতিমা, প্ৰতিখন পূজাস্থলীৰ সংশ্লিষ্ট মানুহ, কেউটা ৰাষ্টাৰে আহি এই চাৰি আলিতে লগ লাগিব আৰু তাৰপৰা পোনে পোনে নদীলৈ যোৱা ৰাষ্টাটোৰে যাত্ৰা কৰিব। এইটোৱেই নিয়ম। এনেকৈয়ে চলি আহিছে কেবা বছৰো। চাৰি আলিটোৰ এটা কোণত পুলিছ থানাখন হোৱাৰ বাবেই ঠাই টুকুৰাই নিশ্চয় থানা চাৰিআলি নাম পাইছে। পশ্চিমফালে যোৱা ৰাষ্টাটোৰ সিপাৰে, থানাখনৰ বিপৰীত কোণতে 'লক্ষীনাৰায়ণ ৰেষ্টুৰেন্ট'খন। এজন বাঙালী ভদ্ৰলোকৰ ৰেষ্টুৰেন্ট---বৰ ভাল চলে। যোৱা চাৰিদিনৰ উপাৰ্জন বৰ ভাল। আজিও মানুহৰ ভিৰ যিমানে বাঢ়িবলৈ ধৰিছে মালিক চক্ৰৱৰ্তী মহোদয়ৰ হাত আৰু মুখ সিমানে চলিছে, মুখত ৰং সিমানে উজ্বলি উঠিছে।

সময় আবেলিৰ প্ৰাকমুহূৰ্ত। আটাইবোৰ পূজাস্থলীৰ দেৱী প্ৰতিমা ইতিমধ্যে ট্ৰাকত উঠাই যাত্ৰা আৰম্ভ কৰিছে নিশ্চয়। চাৰিটা আলিৰ কাষৰ কেউটা ফুটপাথ দৰ্শনপ্ৰাৰ্থী আবাল-বৃদ্ধ-বনিতাৰ ভীৰত গিজ গিজ কৰিছে। ওচৰে-পাজৰে একেসময়তে বহুতবোৰ মাইকত বিভিন্ন কণ্ঠৰ, বিভিন্ন সুৰৰ, বিভিন্ন ভাষাৰ গান বাজি বেসুৰা কোৰাছৰ সৃষ্টি কৰিছে। তাৰ মাজত অসংখ্য মানুহৰ অহৰহ কথাৰ ধ্বনি-প্ৰতিধ্বনি, অহা-যোৱা কৰা গাড়ীমটৰৰ ইঞ্জিন আৰু হৰ্ণৰ চিঞৰ, বিস্ফোৰিত ফট্‌কাৰ শব্দ, শিশুৰ মুখত পূজাৰ পেঁপাৰ পেঁ-পেঁ,



OKDISCD

জয়ঢোল আৰু মাদলত পূজাৰ চেও আৰু ঘন ঘনকৈ বজা ট্ৰেফিক পুলিছৰ মুখৰ হুইচেলৰ শব্দৰ মিশ্ৰণ। অতি হুলস্থূলীয়া এটা গমগমীয়া পৰিবেশ। অথচ ইমান কাষতে হোৱা এই হুলস্থুলৰ মাজতো লক্ষ্মীনাৰায়ণ ৰেষ্টুৰেণ্টৰ কেচ বক্সৰ কাষত বহি থকা মালিক চক্ৰবৰ্তী মহোদয়ৰ মন আৰু চিন্তা এখন বেলেগ ৰাজ্যত। চকুহাল তেওঁৰ এবাৰ কেছ বক্স, একোবাৰ ৰেষ্টুৰেণ্টৰ ভিতৰত বহা, ওলোৱা-সোমোৱা মানুহবোৰৰ ওপৰত সমানে ঘূৰিছে। ভিতৰৰপৰা ওলাই আহি প্ৰতিজন মানুহ কাউণ্টাৰৰ কাষত ৰোৱাৰ সময়ত সতৰ্ক প্ৰহৰীৰ দৰে চক্ৰবৰ্তীয়ে কাণ দুখন সজাগ কৰে---কাম কৰা মানুহকেইটাই কিমান টকাৰ কল দিয়ে সেই চিঞৰটো যাতে ঠিকমতে কাণত পৰে।

ৰেষ্টুৰেণ্টখন বিশেষ ডাঙৰ নহয় যদিও ভিতৰত চলমান গতিময়তা। প্ৰতিখন টেবুল-চকী মুহূৰ্তলৈও খালি পৰি থকা নাই। কোনোৱে খাইছে, কোনোৱে মানুহ চাইছে, কোনোৱে ছিগাৰেটৰ ধোঁৱাৰ কুন্দলী পকাই গল্প মাৰিছে। কাম কৰা প্ৰতিটো মানুহ ভীষণ ব্যতিব্যস্ত। এক বিশৃঙ্খল ব্যস্ততা--যেন কথাৰ এখন ৰেলগাড়ীহে চলিছে। বাহিৰৰপৰা উটি আহিছে অস্বাভাৱিক আবহ সঙ্গীত আৰু তাৰ মাজে মাজে এই ৰেষ্টুৰেণ্টৰ ভিতৰৰ আবদ্ধ বতাহত ঘূৰপাক খাইছে কিছুমান ডায়েলগৰ বিক্ষিপ্ত টুকুৰা। যেনে--

ঃ চায় দো অউৰ খানেকো কুছ....

ঃ (টেবুলত দুটা ধকা) আবে পানী নিদিয় নেকি? চালা...,.

ঃ হেঁ, কত হয়েছে এইখানে? (নেপথ্যত---খুল্লম খুল্লা প্যাৰ কৰেঙ্গে-...)

ঃ এই চালা, এইখানে বল কত হয়েছে।

ঃ আগে এক ৰূপিয়া, পিছে টু--থাটি। (নেপথ্যত---দেহি ঐ, এইহেন বতৰত কোন থাকে ভিতৰত.... । নিশ্চয় অসমীয়া পূজা। বাহিৰত কিৰিলি)

ঃ এক নম্বৰ মে দো চায় অউৰ চাৰ নম্বৰ মে তিন জিলাপী।

ঃ আব্বে, পোৱালী কাপোৰ মাৰ টেবিলত। (মাদল--ধম-ধমা-ধম, ধম-ধমা-ধম, --জয় দুৰ্গামাতা কি জয়---উল্লাসিত জয়ধ্বনি)

ঃ কি খাব? ..গৰম আছে। (জোৰেৰে গাড়ী এখন ব্ৰেক কচি বৈছে।) ... পাঁচটা স্পেছিয়েল চাহ! .. হেঁ, ফাইভ ফিফ্‌টি নেবেন। এই চালা পোৱালী, চুৰৰ বাচ্ছা...কাপপ্লেট উঠা জলদি, কাপোৰ মাৰ। (সুন্দৰী গো, দোহাই দোহাই .. হুঁ, কিতনে আদমী থে? ...)

ঃ দো আদমী চবকাৰ।

ঃ ৰবিচোন ৰবি। (মুখত সোপা দি লগৰটোক ৰখাই কাণ পাতে)। গৰ্ব্বৰ সিঙে ফাটাই দিছে মাইৰী। আজি একচাট দেখিবি নেকি হয়--ছেকেণ্ড শ্বো?

ঃ মাল নাইবে। কালি বৈদ্য হাৰিলো। তহঁতে যদি হাফ্ হাফ্ দিয় তো...

ঃ ফেৰ লগালি 'ঝেং'। ঠিক আছে।

(ফট্ ফট্ ফট্ ফট্। ত্ৰিশ ছেকেণ্ড ফট্‌কাৰ শব্দ। য়ে দোস্তী হম নহী... কিবা এটা গণ্ডগোল হৈছে নেকি বাহিৰত? দৌৰা দৌৰিৰ শব্দ?)



ঃ কি হৈছে হে? ক্যা হুৱা, হ্যায়?

ঃ ডেকা ল'ৰা এটাক গুলিছে ধৰিছে।

ঃ কেলৈ?---কেন, ব্যাপাৰটা কি?

ঃ ফট্‌কা জ্বলাই মাইকীমানুহৰ মেখেলা তললৈ দলিয়াইছিল। চালা বদ্‌তমীছ। (ঠুন, ঠান ঠনাৎ। পানীৰে সৈতে এটা চিচা গিলাছ তলত পৰি কেইবাফাল। কেবাটাও মাইকত কেবাটাও গান সমানে বাজিছে। শব্দবোৰ অস্পষ্ট।)

ঃ কে ৰে সেটা?

ঃ পোৱালী।

ঃ চালা চুৱঁৰেৰ বাচ্চা। দে তো দে, এক থাপ্পৰ দে। চালা, জোৰ নেই হাতে? প্ৰতিদিন একটা কৰে গিলাছ ভাঙিবি।

আনদিনা হোৱা হলে চক্ৰবৰ্তী মহোদয় উঠি আহিলহেঁতেন। খং উঠিলেও আজি কিন্তু সময় নাই। নিঃশব্দে নীৰৱে পোৱালীয়ে ভগা গিলাছৰ টুকুৰাকেইটা উঠাইছে। মানুহবিলাকে অনৰ্গল খাইছে আৰু কথা পাতিছে। যেন এই কেইটাইহে মানুহৰ একমাত্ৰ কাম, একমাত্ৰ উদ্দেশ্য। খবৰ কাগজৰ খবৰতো একেই কথা। এখন দেশৰপৰা আন এখন দেশলৈ মন্ত্ৰী ফুৰিবলৈ গৈছে। তাতো কেৱল কথাপতা আৰু খোৱাৰহে কথা। সময়বোৰ এনেকৈয়ে পল পলকৈ আগবাঢ়িছে। ইমানপৰে নেপথ্যত আবহ সংগীত হৈ থকা শব্দবোৰৰ সুৰ--লয়--ছন্দৰ কিছু সলনি হৈছে। দুৰ্গাৰ প্ৰতিমা আৰু প্ৰতিমাৰ লগত নৃত্য কৰি অহা মানুহবোৰ কঢ়িয়াই প্ৰায়বোৰ ট্ৰাক নদী অভিমুখী পূৱমুৱা ৰাষ্টাটোৰে যাত্ৰা কৰিছে। ঠিক শেষ হওঁ হওঁ হৈছে, কিন্তু ৰেফাৰীৰ শেষ হুইচেল এতিয়াও পৰা নাই--ঠিক এনে সময়ত ফুটবল খেল এখন চাই থকা দৰ্শকবিলাকৰ মাজত যেনে এটা চঞ্চলতা আছে, ভৰি-হাত পোনাই লৰচৰ কৰে, তেনেকৈয়ে ফুটপাথ আৰু অ'ত ত'ত জুমবান্ধি ৰৈ থকা মানুহবোৰো এবাৰত লৰচৰ কৰি উঠিল। যেন ৰক্তপৰিসীমাৰে আগুৰা এটা বৃত্তৰ কেন্দ্ৰৰ পৰা মানুহবোৰ বিক্ষিপ্তভাবে সীমাৰ ফালে আঁতৰি আহিছে। পাতল এন্ধাৰ এসোপা মনে মনে সোমাই আহিছে। এনেতে হঠাৎ বাহিৰে ভিতৰে বগা পোহৰ এটা আলোকিত হ'ল। আলোকিত পোহৰলৈ চাই মালিক চক্ৰবৰ্তীয়ে তিনিটা প্ৰণাম কৰিলে। তাৰ পিছত ধূপ দুডাল জ্বলাই দি কেচবক্সটোক এটা সেৱা জনালে। আৰু যথেষ্ট পৰ চলিব মানুহৰ ভীৰ। কিয়নো আজিয়ে পূজাৰ শেষ দিন। এনেয়ে এবাৰ তেও পোৱালীক মাতি দবিয়ালে। আলোকিত পোহৰত পোৱালীয়ে এইবাৰ ভগা গিলাছৰ অৱশিষ্ট সূক্ষ্ম টুকুৰাবিলাক গুচাবলৈ যত্ন কৰিছে।

মজিয়াৰপৰা ভগা গিলাছৰ টুকুৰাবিলাক উঠাই সি হাতৰ তলুৱাত লৈ ভয়ে ভয়ে মালিকৰ ফালে চালে। তাৰ নাম আচলতে পোৱালী নহয়। আচল নামটো আছিল বলোভদ্ৰ। মাকে মাতিছিল বলাই বুলি। পিছে ইয়ালৈ অহাৰ পিছৰপৰা তাৰ বলাই বা বলোভদ্ৰ নামটো প্ৰায় উঠি যোৱাৰ নিচিনাই হ'ল। সকলোৱেচোন পোৱালী বুলি মাতিয়েই ভাল পায়, যদিও সি নিজে সেইটো নাম শুনি মুঠেই ভাল নেপায়। তাৰ বয়স প্ৰায় ন বছৰ মান হ'ব। বিশেষ ওখ-ডাঙৰ নহয়। তেল নাইকিয়া শুকান চুলিবোৰত সেও তা ফলাৰ অভ্যাস নাই।



OKDISCD

গাত সি কোনোবা হিন্দী ছিনেমাৰ নায়কৰ ছবিৰ অস্পষ্ট চাপথকা এটা মলিয়ন গেঞ্জী পিন্ধিছে। গাঁৱৰ ঘৰ এৰি পলাই অহা চাৰিমাহ হ'ল যদিও এই লক্ষীনাৰায়ণ ৰেষ্টুৰেন্টত সোমোৱা তাৰ তিনিমাহমানহে হৈছে। গিলাছ কাপপ্লেট ধোৱা আৰু টেবুল চাফা কৰাই তাৰ কাম। প্ৰথম অহাতকৈ এতিয়া সি যথেষ্ট কথা জনা বুজা হ'ল, যথেষ্ট টেঙৰো হ'ল। ইতিমধ্যে সি পাঁচখনমান ছি'নেমা চহৰৰ হলত চালে। বিৰি হোপা আৰু চুথা খোৱা অভ্যাস-টোও কিছুদিনৰপৰা ৰপ্ত কৰিলে। তথাপিও মাজে মাজে মাক আৰু ভাই-ভনীকেইটাৰ মুখৰিকিখন মনত পৰিলে তাৰ চকুহাল ঢুলঢুলীয়া পৰে, চেঁপা কন্দান ।এটাই ডিঙিত আহি খুন্দা মাৰি ধৰে। আচৰিত! সি নিজেই ভাবি কেতিয়াবা আচৰিত হয়, চহৰলৈ গুছি অহাৰ

---

(৬৬ পৃষ্ঠাৰ পিছৰ পৰা)

হৈছে তাক ভাৰতৰ ক্ষেত্ৰত চিধাচিধি প্ৰয়োগ কৰিব নোৱাৰি! ভাৰত সম্পূৰ্ণ পুঁজি-বাদী দেশ নহয়। তাত জনগণৰ সকলো শিল্প-সংস্কৃতি এতিয়াও পুঁজিয়ে নিয়ন্ত্ৰণ কৰা নাই। গাৱঁভূঞে এতিয়াও এনে বহু সাংস্কৃতিক অনুষ্ঠান চলি আছে য'ত পুঁজিৰ প্ৰভাৱ নগণ্য। এই অনগ্ৰসৰতাই হ'ল ভাৰতীয় কৃষিজীৱী জনগণৰ অন্যতম বল। কাৰণ কেন্দ্ৰীভূত পুঁজিয়ে গ্ৰাস নকৰা কৃষ্টিক জনগণৰ স্বাৰ্থত নতুন দিশেৰে প্ৰবাহিত কৰাৰ সম্ভাৱনা বিপুল। সংঘবদ্ধ বিপ্লৱী শিল্পীসকলে পাৰ্টিৰ নেতৃত্বত কৃষক জনগণৰ মাজত আজিও জীয়াই থকা এনেবোৰ অনুষ্ঠানক সহজে বিপ্লৱী মাধ্যমলৈ ৰূপান্তৰিত কৰিব পাৰে। অসমৰ গাঁৱেভূঞে এতিয়াও ছিনেমা হল গঢ়ি উঠা নাই। বা আন ধৰণেও পুঁজিবাদী কৃষ্টিয়ে জনগণক সম্পূৰ্ণ আচ্ছন্ন কৰিব পৰা নাই। গঞা যুৱক সমাজত অভিনয় আৰু নাটকৰ প্ৰতি যি স্বতস্ফূৰ্ত আকৰ্ষণ আৰু যি নাট্য-প্ৰতিভা দেখা যায়, তাক ব্যৱহাৰ কৰাৰ কথা ভবা হোৱা নাই কিয়?

দ্বান্দ্বিক চিন্তাৰ দুন্দুভি বজাই "চিৰন্তন গোষ্ঠি"য়ে প্ৰকৃততে যান্ত্ৰিক মেটাফিজিকেল চিন্তাৰেই পৃষ্ঠপোষকতা কৰিছে। নহলে তেওঁলোকে অসম তথা ভাৰতৰ শিল্প-সংস্কৃতিৰ আৰ্থ-সামাজিক ভিত্তিৰ বৈশিষ্ট্য নিশ্চয় পাহৰি নগ'লহেঁতেন। একে ধৰণৰ ভ্ৰান্তি বা বিচ্যুতি দেখা গৈছে জনগণৰ চেতনা সম্পৰ্কে তেওঁলোকৰ মন্তব্যত। তেওঁলোকে এনে মনোভাব প্ৰকাশ কৰিছে যেন পয়চাৰ অভাৱত নিৰক্ষৰ হৈ থকা আৰু কিতাপ-পত্ৰ কিনিব নোৱৰা জনগণৰ চেতনা এটা পিছপৰা অৱস্থাতে ঠিহিৰা মাৰি আছে! বাস্তৱ জীৱনৰ অভিজ্ঞতাই তেওঁলোকৰ মনোজগতৰ সামন্তবাদী উপাদানবোৰত কি বিপৰ্যয় সৃষ্টি কৰিছে, "চিৰন্তন গোষ্ঠি"য়ে লক্ষ্যই কৰা নাই।

গাঁৱেভূঞে ৰাজনৈতিক বক্তৃতাৰ মৰ্ম গঞা ৰাইজে অনুধাৱন কৰা দেখা যায়, যদি বক্তাৰ ভাষা আৰু কৌশল মনোগ্ৰাহী হয়। তেনে ৰাজনৈতিক বক্তৃতাত থকা নতুন চেতনা বা নতুন বক্তব্যই বিশেষ বাধাৰ সৃষ্টি নকৰে। আচলতে দেশৰ অৰ্থনীতিৰ প্ৰবল সংকটে জনগণৰ মনৰ বহু ৰক্ষণশীল ধাৰণাৰ বান্ধোন সোলোক-ঢোলোক কৰি পেলাইছে। তেওঁলোকৰ অভিজ্ঞতাই তেওঁলোকৰ মনত জগাইছে বহু সংশয় আৰু প্ৰশ্ন। নতুন উত্তৰৰ বাবে এচামে খেপিয়াই ফুৰিছে। এই নতুন উত্তৰ জনগণৰ মাজলৈ লৈ যাবলৈ যিদৰে ৰাজনৈতিক কৰ্মীৰ প্ৰয়োজন সেইদৰে প্ৰয়োজন সাংস্কৃতিক কৰ্মীৰ। + + +



চিন্তাটো কেনেকৈ তাৰ মূৰত সোমাল। বোধহয় মাকৰ জ্যেষ্ঠ সন্তান হোৱা বাবে আৰু ঘৰৰ গোটেই গাল মানুহৰ হুমুনিয়াহৰ শব্দ তথা খেং-খেং খাং-খাংখন সি শুনি শুনি আমনি পালে। কিজানি সি ইচ্ছা কৰি এই চহৰলৈ গুছি অহা নাই। জুইৰ দৰে পুৰি থকা পেট নামৰ শত্ৰুটোৱেহে কিজানি জোৰ কৰি তাক এইদৰে ঘৰৰ পৰা আঁতৰলৈ ঠেলি পঠি-য়ালে। প্ৰথমে চহৰত দিগদাৰ হৈছিল যদিও এতিয়া সি পৰিস্থিতিৰ লগত খাপ খাই গৈছে। কামচোন বলোভদ্ৰই ঠিকেই কৰে। অন্ততঃ তাৰ ন বছৰীয়া শৰীৰটোৰ জোখতকৈ সদায় বেছি কাম সি কৰিব লাগে, খীন-মীন যদিও শৰীৰটো তাৰ আঁটিল। এলাপেচা পৰিশ্ৰমে পেলাব নোৱাৰে। পোন্ধৰ আগষ্টত নেহেৰু ফিল্ডত পতা দৌৰ প্ৰতিযোগিতা, জাপমৰা প্ৰতিযোগিতা---এইবোৰ চাবলৈ (চুৰকৈ) গলে কেতিয়াবা সি নিজেও ভাৱে---নিজা ঘৰ-দুৱাৰ এৰি আহি হোটেলত কাম কৰা তাৰ বয়সীয়া আটাইবোৰ ল'ৰাৰ মাজত দৌৰ প্ৰতিযোগিতা পাতিলে সি কিজানি ফাৰ্ষ্ট হ'লহেঁতেন! তেনে প্ৰতিযোগিতা নহয় দেখিহে! অন্ততঃ আজি-লৈকে ক'তো তেনে প্ৰতিযোগিতা হোৱাৰ কথা সি শুনা নাই। পিছে যোৱা চাৰিদিনে বলো-ভদ্ৰৰ ভীষণ খাটনি পৰিছে। পুৱাৰপৰা নিশা ভালেখিনি পৰলৈকে বাহিৰ-ভিতৰ, দৌৰা-দৌৰি কৰি কৰি ন-বছৰীয়া তাৰ শৰীৰটো মুজুৰা পৰি গৈছে। হাত-ভৰি আৰু গোটেই গাটোতে সি বিষ অনুভৱ কৰিছে। নিশা এইকেইদিন দোকানৰ দুৱাৰ বন্ধ কৰি মালিক চক্ৰবৰ্তীয়ে যেতিয়া কেচবক্স খুলি দিনটোৰ আয়ৰ পইচাখিনি হিচাপ কৰে আৰু পিছদিনা নতুন আশাপ্ৰদ এটা ৰাতিপুৱাক আগ্ৰহেৰে কামনা কৰে, সেই সময়ত এৰি অহা মাক আৰু ভাই-ভনী কেইটালৈ বলোভদ্ৰৰ বৰকৈ মনত পৰে। সি নীৰৱে চকুলোটোকে আৰু কামনা কৰে ৰাতিটো যাতে সোনকালে নুপুৱাওক, ৰাতিটো যাতে দীঘল হওক--আৰু দীঘল হওক--আৰু দীঘল হওক!

প্ৰতি আঁচোৰত এডাল-দুডালকৈ সৰি সৰি মূৰৰ চুলি পাতল হোৱাৰ দৰে পল-অনু-পলকৈ সময়বোৰ পাৰহৈ হৈ এটা মুহূৰ্তত সময়ৰ ফুলনিৰ পৰা এটা দিন সৰি পৰিল। বাহিৰৰ হৈ-হাল্লাবোৰ ক্ষীণ হৈ হৈ ক্ৰমাৎ নিতাল মাৰিছে। বহু বিৰতিৰ মূৰে মূৰে ৰাষ্টাত গাড়ী-মটৰো দুই-এখনহে অহা যোৱা কৰিছে। লক্ষীনাৰায়ণ ৰেষ্টুৰেন্টৰ দুৱাৰ প্ৰায় আধা জাপ খাইছে। চক্ৰবৰ্তী মহোদয়ে কেচবক্সৰ পইচা হিচাপ কৰাত মনোযোগ দিছে। পোৱালী ওৰফে বলাই ওৰফে বলোভদ্ৰই শেষবাৰৰ কাৰণে খালি মেজকেইখন তিতা কানিখনেৰে মছিলে, অৱশিষ্ট কাপপ্লেট--গিলাছ কেইটা চপাই-গোটাই আনি ধুবলৈ বুলি টিউবৱেলটোৰ কাষত দমাই ৰাখিলেহি। তাৰ গাটো ভীষণ অৱশ লাগিছে। এই আটাইকেইদিনৰ গোটেইখিনি ভাগৰে তাৰ সমস্ত শৰীৰত হেঁচা মাৰি ধৰিছেহি। তাৰ হাত-ভৰিবোৰ কুটকুটাইছে, ক'ৰবাত পৰি দিওঁ পৰি দিওঁ লাগিছে। চকুৰ পতাহাল গধুৰ বোজা এটাই বাৰে বাৰে যেন দোঁ খুৱাই আনিছে। চকুৰ আগত যেন কিছুমান ধোঁৱাই ধুৱঁলী কুৱঁলী কৰিছে। কাণ দুখন গম গমাইছে, এটা হো হো শব্দ হৈছে। দম দমা দম, দম দমা দম, দম দমা দম---পূজাত বজোৱা চেওত ক'ৰবাত মাদল বাজিছে। শঙ্খ-ঘন্টা-জয়ধ্বনিৰ শব্দ হৈছে। ভাহি আহিছে পূজাৰীৰ মন্ত্ৰ ধ্বনি আৰু কিশোৰ কুমাৰৰ কণ্ঠৰ এটা লাৰে লাপ্পা হিন্দী গান। এইবোৰ শুনি শুনি বলোভদ্ৰ ক্ৰমাৎ আগুৱাই গ'ল। হঠাৎ সি এটা শব্দ শুনিলে---এটা চিনাকী মাত। মাক নেকি? ঠিকেই, মাক আহিছে। তাক মাতিলে---"বলাই--"



OKDISCD

বলাই আগবাঢ়ি গ'ল। এজোৰ নতুন চোলা কাপোৰ তাৰে আগবঢ়াই দি মাকে আকৌ ক'লে--"সেই লেতেৰা কেইটা খুলি পেলাই এই কেইটা পিন্ধ, পূজা চাবলৈ ইমান লেতেৰা হৈ যায়নে? ভায়েৰ-ভনীয়েৰ কিটাক চাচোন।" তাৰ ভায়েক-ভনীয়েক কেইটাই নতুন কাপোৰ পিন্ধি খেলিছে। মাকেও নতুন ৰঙা পাৰিৰ বগা কাপোৰ এযোৰ পিন্ধিছে। মুখত এমোকোৰা হাঁহি উজ্বলি আছে! চহৰৰ আলিয়েদি সিহঁত ফুৰিবলৈ ওলাই আহিল। বলাইৰ সমনীয়া আৰু তাতকৈ সৰু সৰু ল'ৰা-ছোৱালীবোৰে ইফালে সিফালে আনন্দত দৌৰাদৌৰি কৰিছে। সিহঁতৰ হাতে হাঁতে ৰঙা-নীলা বেলুন, মুখত পেঁপা জাতীয় বাজনা। কিছুমানৰ হাতত একোটা সৰু সৰু পিষ্টল। মেগাজীনত গুলি ভৰাই ইটোৱে সিটোৰ গালে টোঁৱাই সিহঁতে 'ঠাহ' 'ঠাহ' ফুটাইছে। বলাইৰো মন গ'ল। সি মাকক কলে--"বৌটি, অ' বৌটি, মোকো এটা বন্দুক কিনি দেনা।" আনকালৰ দৰে মাকে ভেকাহি মাৰিব বুলি বলোভদ্ৰই ভয় কৰিছিল। পিছে আজি মাকে একো নকলে, সি দেখিলে খোচনিৰ পৰা মাকে একে ধৰণৰ সৰু বন্দুক এটা উলিয়াইছে। তাকে বুলি মাকে লৈয়েই আহিছিল হবলা বন্দুকটো। বাঃ মাকে একেবাৰে গুলি ভৰাই থৈছে। অকণমানি পিষ্টলটো দেখিবলৈ বৰ ধুনীয়া। সি মাকক সুধিলে, --"বৌটি, ইমানবোৰ পইচা তই ক'ত পালি?"

"গোসাঁনীয়ে দিলে।"

"কোন গোসাঁনী বৌটি?"

"সৌৱা চা! কিমান ধুনীয়া গোসাঁনী!"

মাকে আঙুলিয়াই দিয়া ফালে চাই বলায়ে দেখিলে এখন দেৱী প্ৰতিমা। লক্ষ্মী, সৰস্বতী, গণেশ, কাতিকৰ পৰিবেষ্টনীৰ মাজত শান্ত-সৌম্য এক দুৰ্গাৰ প্ৰতিমা। চকু মুখত সংহাৰ মূৰ্তি নাই। গোটেই দেহাতে তেওঁৰ চকু চাট মাৰি ধৰা বিভিন্ন অলংকাৰ-পাতিয়ে শোভা কৰিছে। কেউকাষে ধূপ আৰু ধুনাৰ ধোঁৱা উৰিছে। আৰে, সৌৱাচোন কাষতে চক্ৰবৰ্তী বাবু। তেওঁ কিবা এটা বজাইছে। জয়ঢোল, মাদল, নাগাৰা, শংখ-ঘন্টাৰ শব্দই তাল-ফাল কৰিছে। ঢং ঢং ঢং, ধম্ ধমা ধম, ধম্ ধমা ধম্। বৰ দ্ৰুত লয়ত বাজিছে এই বাজনা। পূজাৰী নাই। পূজাৰীৰ মন্ত্ৰও নাই। হঠাতে মাইকত এটা গান বাজিল। দ্বৈত কণ্ঠৰ? নহয় নহয়, সমস্বৰ কণ্ঠৰ এটি হিন্দী গান। এনেতে প্ৰতিমাৰ মূৰ্তিবোৰ লৰচৰ কৰি উঠিল। ধোঁৱাৰ মাজেৰে দুৰ্গাৰ মূৰ্তিটো নাচি নাচি নামি আহিল। উৱা, এয়াচোন হেমা মালিনী! কি আচৰিত! অলপ পিছতে তেওঁৰ কেউকাষে আৰু কিছুমান মানুহ গোট খাই নাচিবলৈ ধৰিলে। ধুনীয়া ধুনীয়া চেহেৰাৰ হৃষ্ট-পুষ্ট মুনিহ-তিৰোতা! বলায়ে থৰ লাগি চাবলৈ ধৰিলে। সৌ বগাকৈ মানুহজন---সেইজন নেহেৰু ফিল্ডত পতাকা তোলা মানুহজন নহয়নে? কাষতে থকা সৌ চুটি কাপোৰ পিন্ধা তিৰোতাজনী কোন? তেওঁচোন কিবা এটা পি খাইছে। নাৰিকলৰ পানী চাগে! ধেৎ নহয় হ'বপায়! নাৰিকলৰ পানীতো ৰঙা নহয়। বেলেগ কিবাহে খাইছে। অলপ আঁতৰত সৌজনচোন হনুমান প্ৰসাদ মহাজন। মূৰত টুপী, কপালত চন্দনৰ তিলক। বাপ্‌ৰে---ইমান ডাঙৰ পেটটোৰে তেওঁ কেনেকৈ নাচিছে? বলাইৰ হাঁহি উঠি গ'ল। হঠাৎচোন সকলো গান বাজনা বন্ধ হৈ গ'ল। হেমা মালিনীৰ চকু মুখত এইবাৰ সংহাৰ মূৰ্তি, তাৰ ফালে কট মটকৈ চাইছে। কেউফালে নাচি থকা মানুহবোৰেও তাৰ ফালে খঙেৰে চাইছে। আটাইবোৰ মানুহক বলায়ে চিনি নেপায় যদিও সি গমপালে যে এই আটাইবোৰ বৰ ডাঙৰ ডাঙৰ মানুহ।





তাৰ ভয় লাগিল। দুজনমানে তাক খেদি অহা যেন পালে। সি চিঞৰি দিলে---"বৌটি--"। সি দৌৰিব খুজিলে। কিন্তু ইকি! তাৰ ভৰি দুটা যে নচলে। যিমানে সি দৌৰিবলৈ চেষ্টা কৰিছে সিমানে ভৰি হালে যেন জোটাপুটি খাইছে, কিহবাই বান্ধি পেলাইছে। হঠাৎ তাৰ পিষ্টলটোলৈ মনত পৰিল। চকু মুদি মানুহবোৰৰ ফালে সি পিষ্টলটো টোঁৱাই 'ধুম' 'ধুম' কৈ ফুটাই দিলে। পলকতে গোটেই ধোঁৱাবোৰ ৰঙীন হৈ পৰিল। আকৌ চিঞৰ বাখৰ। জয়ঢোল, মাদল, নাগাৰাত দ্ৰুত লয়ত ধম্ ধমা ধম, ধম্ ধমা ধম্। বাজনা, পেঁপাৰ শব্দ, মানুহৰ কথা বাৰ্তাৰ টুকুৰা, কাৰোবাৰ অট্টহাস্য। তাৰ কাণ দুখন পূৰিবলৈ ধৰিছে, ৰম ৰমাইছে। কঁকালত বলায়ে হঠাৎ এটা আঘাট অনুভৱ কৰিলে।

ঠান্ ঠান ঠনাৎ। বলাই উচপ খাই উঠিল। মূৰটো টিউবৱেলৰ গাত খুন্দা খালে। হাতৰ প্লেটখন পকা মজিয়াখনত পৰি তিনিফাল হৈ আছে। সি মূৰটো তুলি চালে। চক্ৰবৰ্তীবাবু দাঁত কৰচি ৰৈ আছে। তেওঁৰ এখন হাতৰ আঙুলিয়ে বলাইৰ এখন কাণত প্ৰচণ্ড চেপা দিছে। ভৰি এখনে দ্বিতীয় বাৰ কঁকালত কোবাবলৈ উদ্যত অবস্থাত ৰৈছে আৰু তেওঁ চিঞৰিছে--"চালা চুৱঁৰৰ বাচ্চা। কাম কৰিছ? এটা ফুটা পইচা নেপাব তই এইবাৰ। এই মাস থেকে তোৰ কাম ভি ছুটী। দিন দিন গেলাচ ভাঙিবি, কাপ-প্লেট ভাঙিবি! আমি চালা, গলাই দড়ি নেব নাকিৰে চুৱঁৰেৰ বাচ্চা?"

এখন হাতেৰে বলায়ে চেপাত পিষ্ট কাণখন ঢাকিলে আৰু আনখন হাতেৰে কোনোবা ছিনেমাৰ এক্‌টৰৰ অস্পষ্ট ছবিৰ ছাপ থকা মলিয়ন গেঞ্জীটো তিয়াই পেলোৱা ধাৰাষাৰ চকুৰ পানীবোৰ মছিবলৈ ধৰিলে। ++

(৬৮ পৃষ্ঠাৰ পিছৰ পৰা)

এনে এক নিটোল অথচ চিত্তাকৰ্ষক কাহিনী আৰু চমকপ্ৰদ আংগিকৰ নাটকখনি আৰু কিছু অনুশীলন, যথাযথ আলোক নিক্ষেপন, দলগত সংহতি, সংগীতৰ যথাৰ্থ পৰিবেশন, সংলাপ নিক্ষেপনৰ position আৰু angle সম্পৰ্কে সম্যক উপলব্ধিৰে ৰূপায়ণ কৰা হলে নাটকৰ শেষৰ ফ্ৰিজটো (য'ত প্ৰচ্ছন্ন আছে নাটকৰ বক্তব্য) অধিক বাংময় আৰু ব্যঞ্জনাক্ষম হ'লহেঁতেন। চৰিত্ৰসমূহৰ কণ্ঠস্বৰৰ দুৰ্বলতা যেনেদৰে শ্ৰুতিকটু সূত্ৰধাৰৰ ক্ৰমাগত ক্লান্তি আৰু অৱসাদো দৃষ্টিকটু। অভিনয়ৰ এই ত্ৰুটি, জিকিৰ, হুচৰি আদি chorus-ৰ বিসদৃশ পৰিবেশন, দৃশ্য পৰিবৰ্তন আৰু সৰ্বোপৰি চৰিত্ৰসমূহৰ involvement--ৰ আড়ষ্টতাই নাটকৰ বিকাশক ব্যাহত কৰি তুলিছিল।

'মাৰীচ-সংবাদ'ৰ বিপুল সাফল্যৰ পিছত চাৰিআলি দলৰ প্ৰতি আমাৰ প্ৰত্যাশা বৃদ্ধি পাইছে বাবেই আমাৰ এই আক্ষেপসূচক সমালোচনা।

সৰ্বোপৰি, তিনিদিনীয়া নাট প্ৰতিযোগিতাৰ আলোক নিয়ন্ত্ৰণ আৰু সংগীত পৰিবেশনৰ পিনে লক্ষ্য ৰাখিলে এখন সম্পূৰ্ণ হতাশজনক ছবি ভাহি আহে। আশা কৰোঁ নাট্যদল-সমূহে নাটকৰ এই কেইটা প্ৰয়োজনীয় আৰু অপৰিহাৰ্য দিশলৈ চকু ৰাখে। তথাপি এই নাট প্ৰতিযোগিতাৰ স্মৰণীয় ফচল হ'ল ঃ নাজিম আহ্‌মেদ, ৰঞ্জিত বৰুৱা, তাজৱাৰ চুলতানা শ্বাহ (লক্ষীমপুৰ), বিজয় নাথ (নামৰূপ), সদা শৰ্মা (নগাঁও), পদম শইকীয়া (চাৰিআলি) আৰু দিপালী বৰুৱাৰ (বিহপুৰীয়া) দৰে সৰু-বৰ নগৰ উপকণ্ঠৰ অভিনেতা-অভিনেত্ৰী-সকল, অখিল চক্ৰৱৰ্তীৰ দৰে নাট্যকাৰ, বিশ্বনাথ চাৰিআলিৰ দৰে নাট্য প্ৰযোজক, সেই সকলৰ অহৰহ অনুশীলন আৰু সঠিক ঐতিহ্যবাহী বিষয়বস্তুৰ নিৰ্বাচনে অসমৰ সমাজ-জীৱনৰ প্ৰতি তেওঁলোকৰ আন্তৰিক involvement-এ অসমৰ নাট্য আন্দোলনক আগুৱাই নিব পাৰিব। ++





OKDISCD

বলাই আগবাঢ়ি গ'ল। এজোৰ নতুন চোলা কাপোৰ তালৈ আগবঢ়াই দি মাকে আকৌ ক'লে--"সেই লেতেৰা কেইটা খুলি পেলাই এই কেইটা পিন্ধ, পূজা চাবলৈ ইমান লেতেৰা হৈ যায়নে? ভায়েৰ-ভনীয়েৰ কিটাক চাচোন।" তাৰ ভায়েক-ভনীয়েক কেইটাই নতুন কাপোৰ পিন্ধি খেলিছে। মাকেও নতুন ৰঙা পাৰিৰ বগা কাপোৰ এযোৰ পিন্ধিছে। মুখত এমোকোৰা হাঁহি উজ্বলি আছে! চহৰৰ আলিয়েদি সিহঁত ফুৰিবলৈ ওলাই আহিল। বলাইৰ সমনীয়া আৰু তাতকৈ সৰু সৰু ল'ৰা-ছোৱালীবোৰে ইফালে সিফালে আনন্দত দৌৰাদৌৰি কৰিছে। সিহঁতৰ হাতে হাঁতে ৰঙা-নীলা বেলুন, মুখত পেঁপা জাতীয় বাজনা। কিছুমানৰ হাতত একোটা সৰু সৰু পিণ্টল। মেগাজীনত গুলি ভৰাই ইটোৱে সিটোৰ গালৈ টোঁৱাই সিহঁতে 'ঠাহ' 'ঠাহ' ফুটাইছে। বলাইৰো মন গ'ল। সি মাকক কলে--"বৌটি, অ' বৌটি, মোকো এটা বন্দুক কিনি দেনা।" আনকালৰ দৰে মাকে ভেকাহি মাৰিব বুলি বলোভদ্ৰই ভয় কৰিছিল। পিছে আজি মাকে একো নকলে, সি দেখিলে খোচনিৰ পৰা মাকে একে ধৰণৰ সৰু বন্দুক এটা উলিয়াইছে। তালৈ বুলি মাকে লৈয়েই আহিছিল হবলা বন্দুকটো। বাঃ মাকে একেবাৰে গুলি ভৰাই থৈছে। অকণমানি পিণ্টলটো দেখিবলৈ বৰ ধুনীয়া। সি মাকক সুধিলে, --"বৌটি, ইমানবোৰ পইচা তই ক'ত পালি?"

"গোসাঁনীয়ে দিলে।"

"কোন গোসাঁনী বৌটি?"

"সৌৱা চা! কিমান ধুনীয়া গোসাঁনী!"

মাকে আঙুলিয়াই দিয়া ফালে চাই বলায়ে দেখিলে এখন দেৱী প্ৰতিমা। লক্ষ্মী, সৰস্বতী, গণেশ, কাতিকৰ পৰিবেষ্টনীৰ মাজত শান্ত-সৌম্য এক দুৰ্গাৰ প্ৰতিমা। চকু মুখত সংহাৰ মূৰ্তি নাই। গোটেই দেহাতে তেওঁৰ চকু চাট মাৰি ধৰা বিভিন্ন অলংকাৰ-পাতিয়ে শোভা কৰিছে। কেউকাষে ধূপ আৰু ধুনাৰ ধোঁৱা উৰিছে। আৰে, সৌৱাচোন কাষতে চক্ৰৱৰ্তী বাবু। তেওঁ কিবা এটা বজাইছে। জয়ঢোল, মাদল, নাগাৰা, শংখ-ঘন্টাৰ শব্দই তাল-ফাল কৰিছে। ঢং ঢং ঢং, ধম্ ধমা ধম, ধম্ ধমা ধম্। বৰ দ্ৰুত লয়ত বাজিছে এই বাজনা। পূজাৰী নাই। পূজাৰীৰ মন্ত্ৰও নাই। হঠাতে মাইকত এটা গান বাজিল। দৈৱ কণ্ঠৰ? নহয় নহয়, সমস্বৰ কণ্ঠৰ এটি হিন্দী গান। এনেতে প্ৰতিমাৰ মূৰ্তিবোৰ লৰচৰ কৰি উঠিল। ধোঁৱাৰ মাজেৰে দুগাৰ মূৰ্তিটো নাচি নাচি নামি আহিল। উৰা, এয়াচোন হেমা মালিনী! কি আচৰিত! অলপ পিছতে তেওঁৰ কেউকাষে আৰু কিছুমান মানুহ গোট খাই নাচিবলৈ ধৰিলে। ধুনীয়া ধুনীয়া চেহেৰাৰ হৃষ্ট-পুষ্ট মুনিহ-তিৰোতা! বলায়ে থৰ লাগি চাবলৈ ধৰিলে। সৌ বগাকৈ মানুহজন---সেইজন নেহেৰু ফিল্ডত পতাকা তোলা মানুহজন নহয়নে? কাষতে থকা সৌ চুটি কাপোৰ পিন্ধা তিৰোতাজনী কোন? তেওঁচোন কিবা এটা পি খাইছে। নাৰিকলৰ পানী চাগে! ধেৎ নহয় হ'বপায়! নাৰিকলৰ পানীতো ৰঙা নহয়। বেলেগ কিবাহে খাইছে। অলপ আঁতৰত সৌজনচোন হনুমান প্ৰসাদ মহাজন। মূৰত টুপী, কপালত চন্দনৰ তিলক। বাপ্‌ৰে---ইমান ডাঙৰ পেটটোৰে তেওঁ কেনেকৈ নাচিছে? বলাইৰ হাঁহি উঠি গ'ল। হঠাৎচোন সকলো গান বাজনা বন্ধ হৈ গ'ল। হেমা মালিনীৰ চকু মুখত এইবাৰ সংহাৰ মূৰ্তি, তাৰ ফালে কট মটকৈ চাইছে। কেউফালে নাচি থকা মানুহবোৰেও তাৰ ফালে খঙেৰে চাইছে। আটাইবোৰ মানুহক বলায়ে চিনি নেপায় যদিও সি গমপালে যে এই আটাইবোৰ বৰ ডাঙৰ ডাঙৰ মানুহ।



তাৰ ভয় লাগিল। দুজনমানে তাক খেদি অহা যেন পালে। সি চিঞৰি দিলে--"বৌটি--"। সি দৌৰিব খুজিলে। কিন্তু ইকি! তাৰ ভৰি দুটা যে নচলে। যিমানে সি দৌৰিবলৈ চেষ্টা কৰিছে সিমানে ভৰি হালে যেন জোটাপুটি খাইছে, কিহবাই বান্ধি গেলাইছে। হঠাৎ তাৰ পিণ্টলটোলৈ মনত পৰিল। চকু মুদি মানুহবোৰৰ ফালে সি পিণ্টলটো টোঁৱাই 'ধুম' 'ধুম' কৈ ফুটাই দিলে। পলকতে গোটেই ধোঁৱাবোৰ ৰঙীন হৈ পৰিল। আকৌ চিঞৰ বাখৰ। জয়ঢোল, মাদল, নাগাৰাত দ্ৰুত লয়ত ধম্ ধমা ধম, ধম্ ধমা ধম্। বাজনা, পেঁপাৰ শব্দ, মানুহৰ কথা বাৰ্তাৰ টুকুৰা, কাৰোবাৰ অট্টহাস্য। তাৰ কাণ দুখন পুৰিবলৈ ধৰিছে, ৰম ৰমাইছে। কঁকালত বলায়ে হঠাৎ এটা আঘাট অনুভৱ কৰিলে।

ঠান্ ঠান ঠনাৎ। বলাই উচপ খাই উঠিল। মূৰটো টিউবৱেলৰ গাত খুন্দা খালে। হাতৰ প্লেটখন পকা মজিয়াখনত পৰি তিনিফাল হৈ আছে। সি মূৰটো তুলি চালে। চক্ৰৱৰ্তীবাবু দাঁত কৰচি ৰৈ আছে। তেওঁৰ এখন হাতৰ আঙুলিয়ে বলাইৰ এখন কাণত প্ৰচণ্ড চেপা দিছে। ভৰি এখনে দ্বিতীয় বাৰ কঁকালত কোবাবলৈ উদ্যত অৱস্থাত ৰৈছে আৰু তেওঁ চিঞৰিছে--"চালা চুৱঁৰৰ বাচ্চা। কাম কৰিছ? এটা ফুটা পইচা নেপাব তই এইবাৰ। এই মাস থেকে তোৰ কাম ভি ছুটী। দিন দিন গেলাচ ভাঙিবি, কাপ-প্লেট ভাঙিবি! আমি চালা, গলাই দড়ি নেব নাকিৰে চুৱঁৰেৰ বাচ্চা?"

এখন হাতেৰে বলায়ে চেপাত পিষ্ট কাণখন ঢাকিলে আৰু আনখন হাতেৰে কোনোবা ছিনেমাৰ এক্‌টৰৰ অস্পষ্ট ছবিৰ ছাপ থকা মলিয়ন গেঞ্জীটো তিয়াই পেলোৱা ধাৰাষাৰ চকুৰ পানীবোৰ মচিবলৈ ধৰিলে। ++

(৬৮ পৃষ্ঠাৰ পিছৰ পৰা)

এনে এক নিটোল অথচ চিত্তাকৰ্ষক কাহিনী আৰু চমকপ্ৰদ আংগিকৰ নাটকখনি আৰু কিছু অনুশীলন, যথাযথ আলোক নিক্ষেপন, দলগত সংহতি, সংগীতৰ যথাৰ্থ পৰি-বেশন, সংলাপ নিক্ষেপনৰ position আৰু angle সম্পৰ্কে সম্যক উপলব্ধিৰে ৰূপায়ণ কৰা হলে নাটকৰ শেষৰ ফ্ৰিজটো (য'ত প্ৰচ্ছন্ন আছে নাটকৰ বক্তব্য) অধিক বাংময় আৰু ব্যঞ্জনাক্ষম হ'লহেঁতেন। চৰিত্ৰসমূহৰ কণ্ঠস্বৰৰ দুৰ্বলতা যেনেদৰে শ্ৰুতিকটু সূত্ৰধাৰৰ ক্ৰমাগত ক্লান্তি আৰু অৱসাদো দৃষ্টিকটু। অভিনয়ৰ এই ত্ৰুটি, জিকিৰ, হুচৰি আদি chorus-ৰ বিসদৃশ পৰিৱেশন, দৃশ্য পৰিবৰ্তন আৰু সৰ্বোপৰি চৰিত্ৰসমূহৰ involve-ment--ৰ আড়ষ্টতাই নাটকৰ বিকাশক ব্যাহত কৰি তুলিছিল।

'মাৰীচ-সংবাদ'ৰ বিপুল সাফল্যৰ পিছত চাৰিআলি দলৰ প্ৰতি আমাৰ প্ৰত্যাশা বৃদ্ধি পাইছে বাবেই আমাৰ এই আক্ষেপসূচক সমালোচনা।

সৰ্বোপৰি, তিনিদিনীয়া নাট প্ৰতিযোগিতাৰ আলোক নিয়ন্ত্ৰণ আৰু সংগীত পৰিবেশনৰ পিনে লক্ষ্য ৰাখিলে এখন সম্পূৰ্ণ হতাশজনক ছবি ভাহি আহে। আশা কৰোঁ নাট্যদল-সমূহে নাটকৰ এই কেইটা প্ৰয়োজনীয় আৰু অপৰিহাৰ্য দিশলৈ চকু ৰাখে। তথাপি এই নাট প্ৰতিযোগিতাৰ স্মৰণীয় ফচল হ'ল ঃ নাজিম আহমেদ, ৰঞ্জিত বৰুৱা, তাজৱাৰ চুলতানা শাহ (লক্ষীমপুৰ), বিজয় নাথ (নামৰূপ), সদা শৰ্মা (নগাঁও), পদ্ম শইকীয়া (চাৰিআলি) আৰু দিপালী বৰুৱাৰ (বিহপুৰীয়া) দৰে সৰু-বৰ নগৰ উপকণ্ঠৰ অভিনেতা-অভিনেত্ৰী-সকল, অখিল চক্ৰৱৰ্তীৰ দৰে নাট্যকাৰ, বিশ্বনাথ চাৰিআলিৰ দৰে নাট্য প্ৰযোজক, সেই সকলৰ অহৰহ অনুশীলন আৰু সঠিক ঐতিহ্যবাহী বিষয়বস্তুৰ নিৰ্বাচনে অসমৰ সমাজ-জীৱনৰ প্ৰতি তেওঁলোকৰ আন্তৰিক involvement-এ অসমৰ নাট্য আন্দোলনক আগুৱাই নিব পাৰিব। ++



OKDISCD

# কবিতা

## মোৰ প্ৰেম / দিগন্ত গোহাঞি

আইৰ কলিজাৰ কেঁচা তেজ
তিলে তিলে শুহি নিয়া দেখি
জুই হৈ জ্বলে মোৰ প্ৰেম।
মোৰ প্ৰেম
এতিয়াও মাতৃ গৰ্ভত থকা
মোৰ ভবিষ্যতৰ প্ৰতি
এক প্ৰক্ৰিয়া,
এক সত্য, এক সংগ্ৰাম
আৰু এক ইতিহাস॥

+ +

## তিমিৰ নদীত গা ধুই / কৌস্তুভমণি শইকীয়া

সাতপুৰুষীয়া যন্ত্ৰণাৰ উঞ্চতাত
দেই যোৱা দেহৰ উৰ্বৰতা।
কাঞ্চৰ সাঙিখনৰ কি যে এক কলংকিত ইতিহাস !
পীড়নৰ অনন্ত নিৰ্যাস ?
উস ! কি যে এক তগ্ বগ্ ফেঁহুজালি সপোন,
কলিজা থেতেলা খালেও নথমা
মুক্তিৰ প্ৰগলভতা----দুৰন্ত ঘোঁৰা
ইয়াতেই শেষ হ'ব চন পৰা পথাৰৰ নিস্তব্ধতা।

+ +



## তোমাৰ, মোৰ, আমাৰ বাস্তৱ / লাৱণ্য দেৱীগোস্বামী

এদেও দুদেওকৈ চেওমৰা
লুটনীয়াৰ চেওত ঘূণে খোৱাৰ
কথা শুনি তোমাৰ বুকুত
শ্ৰান্ত হব খুজিও মই সতেজ !

+ +

## মোৰ দেশৰ মানুহ / উদয়শংকৰ বৰগোহাঞি

নিটোল স্বপ্নই যাৰ পৰা অহৰহ লগ এৰা নাই এইবোৰ
মৃতবৎ মানুহৰ প্ৰাণে নবায়ন ৰচনাৰ প্ৰত্যাশাৰে
হাত ভৰি জোকাৰি প্ৰকৃতিৰ ধমনিত হৃদকম্পন জোৰে
বৰ্ষাৰ বিবৰ্ণতাৰ ঠাইত শৰতে প্ৰতিশ্ৰুতি অনাৰ দৰে
দেখিছো মই জীৱনৰ পূৰ্বাভাস--পূৰ্ববৎ গৰিমাৰ আভাস।

+ +

## হেজাৰ বন্ধুৰ হাতত ধৰি / মেহদী আলম

আমাৰো ঘৰ আছিল বন্ধু
আছিল সপোনৰ বানত বিটোৌত
আগত দিনৰ বহুত খেলি-মেলি নক্সা।

কোনে কয় আমি ঘৰ এৰি আহিলো
ঘৰ সজাৰ স্বপ্নেৰে উচ্ছাসী আমাৰ মনৰ গোপনত
অবিৰত বাজে লক্ষ কোটি গৃহহীনৰ
ঘৰ সজাৰ উল্লাস ধ্বনি।

+ +



OKDISCD

## অবাঞ্ছিত / ৰতি বৰুৱা

অস্থিৰতাৰ বৰ্ষা হানি
প্ৰতিটো দিন মোৰ
কষ্ট আৰু যন্ত্ৰণাৰ পাহাৰ।

\+ +

## উপলব্ধি / ৰাজু বৰুৱা

আৰেলিৰ পথাৰৰ মন চুই
সুমথিৰা ৰ'দৰ উত্তাপ।
তোমাৰ খোজৰ শব্দই মোৰ নিচান
উত্ৰাৱল মিচিল সতেজ ইচ্ছাৰ
সবল পদক্ষেপত সহনশীলতা
পোহৰৰ সতেজ আলিংগনত শিহৰিত মই।

\+ +

## ধ্বলফাটৰ আগমুহূৰ্তত / চিদানন্দ বৰা

আন্ধাৰবোৰ
সি যেন
দুপাৰি দাঁতত পেলাই
দকচি পেলাব
তাৰ জীৱনটোক
নেদেখা কৰি ৰখা
আন্ধাৰবোৰ।

\+ +



আলোচনাঃ

# সমাজতান্ত্ৰিক বাস্তবতা আৰু ৰোমাণ্টিকতা

প্ৰসেনজিৎ চৌধুৰী

শ্ৰীধীৰেণ গাঙ্গুলীয়ে তেখেতৰ 'শৰৎ চন্দ্ৰ ও ৰোমান্টিক প্ৰেম' শীৰ্ষক প্ৰবন্ধৰ শেষাংশত বিপ্লবী ৰোমান্টিকতাৰ প্ৰসংগ উত্থাপন কৰি লিখিছে, 'সবশেষে 'ৰোমান্টিসিজম', বিশেষ করে বিপ্লবী রোমান্টিকবাদের ত্ৰুটি সম্পর্কে সতর্কবাণী উচ্চারণ করে বক্তব্য শেষ করছি।' (মানব মন, এপ্ৰিল, ১৯৭৫)। 'বিপ্লবী ৰোমান্টিকতাৰ ত্ৰুটি'ৰ কথা উল্লেখ কৰিবলৈ গৈ তেখেতে বৰ্তমান--বিমুখ ভবিষ্যৎ--সৰ্বস্ব সাহিত্য আৰু 'বিচ্যুতিহীন সৰ্বগুণান্বিত' নায়কৰ কথা কৈছে। সন্দেহ নাই, শ্ৰীগাঙ্গুলীয়ে যি ত্ৰুটিৰ কথা উল্লেখ কৰিছে তাৰ তাৎপৰ্য অপৰিসীম, কাৰণ প্ৰগতিশীল সাহিত্যত এই ধৰণৰ ত্ৰুটি বহু ক্ষেত্ৰত পৰিলক্ষিত হয়। কিন্তু এই ত্ৰুটিক বিপ্লবী ৰোমান্টিকতাৰ ত্ৰুটি বুলিলে বহুলাংশে সমাজতান্ত্ৰিক বাস্তবতাৰ মৰ্ম কথা-কেই জানো পৰোক্ষভাবে অস্বীকাৰ কৰা নহয়? আমি জানো, বিপ্লবী ৰোমান্টিকতা সমাজ-তান্ত্ৰিক বাস্তবতাৰ এটি অন্যতম গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। লুনাচাৰ্স্কিৰ ভাষাত, 'To a certain extent socialist realism is unthinkable without an element of romanticism. In this lies its difference from detached recording. (A. Lunacharsky, On Socialist Realism, On Literature and Art, Moscow, p. 57) কিন্তু এই গুৰুত্বপূৰ্ণ বৈশিষ্ট্যটোৰ ওপৰত সমগ্ৰ গুৰুত্ব আৰোপ কৰিলে--অৰ্থাৎ, বিপ্লবী ৰোমান্টিকতাকেই সমাজতান্ত্ৰিক বাস্তবতাৰ একমাত্ৰ প্ৰধান বৈশিষ্ট্য বুলি ভাবিলে ভবিষ্যৎ-সৰ্বস্ব সাহিত্য কিম্বা বিচ্যুতিহীন নায়কৰ আবিৰ্ভাব ঘটে। আমি ভাবো, এই ত্ৰুটি বিপ্লবী ৰোমাণ্টিকতাৰ ভ্ৰান্ত ব্যাখ্যাৰ ফল। অৱশ্যে অনেক ক্ষেত্ৰত এই ব্যাখ্যাৰ উৎস অত্যুৎসাহী লেখকৰ সৎউদ্দেশ্য-প্ৰণোদিত সাহিত্য-চিন্তা। কিছুক্ষেত্ৰত আকৌ মধ্যবিত্তৰ ইচ্ছাপূৰণমূলক মানসিকতাও ইয়াৰ বাবে দায়ী।

বিপ্লবী ৰোমান্টিকতাৰ প্ৰয়োজন অনস্বীকাৰ্য। সমাজ-বাস্তবক পৰিবৰ্তন কৰাৰ কাৰ্যত এই বিপ্লবী ৰোমান্টিকতাই মানুহক উদ্বুদ্ধ কৰে, মানুহক ভবিষ্যৎমুখী, সক্ৰিয় আৰু আশাবাদী কৰি তোলে। সমাজতান্ত্ৰিক বাস্তবতাই সমাজক কেবল সমালোচনা কৰিয়েই ক্ষান্ত নেথাকে, বিকল্প এখন সমাজৰ---উন্নত ভবিষ্যৎৰ--স্বপ্নৰ দ্বাৰাও মানুহৰ মনত ইতিবাচক আবেগ উদ্দীপনা সঞ্চাৰিত কৰে। কিন্তু এই কথাও আমি মনত ৰখা উচিত হ'ব যে বিপ্লবী ৰোমান্টিকতাৰ অৰ্থ কেবল মাত্ৰ 'ঈপ্সিত ভবিষ্যতের এক আদৰ্শ সমাজ'ৰ চিত্ৰ-অংকনেই নহয়। বৰ্তমানৰ জ্ঞান নোহোৱাকৈ ভবিষ্যতৰ কোনো স্বপ্ন সমাজতান্ত্ৰিক



OKDISCD

বাস্তবতাত স্থান পাব নোৱাৰে, কাৰণ এই ধৰণৰ বৰ্তমান বিমুখ ভবিষ্য-কল্পনা স্বপ্নবিলাসৰ পৰ্য্যায়ত পৰে। এই প্ৰসংগত গোৰ্কিৰ বক্তব্য স্মৰ্তব্য ঃ '.... a knowledge of the forces of the past and the present will enable him [i.e., the writer] —with the aid of his power of amplification— to conceive the possible future.' (Gorky, On Literature, Moscow, P. 168) লক্ষ্যণীয়, কাল্পনিক সম্প্ৰসাৰণৰ দ্বাৰা ভবিষ্যতৰ--গোৰ্কিৰ ভাষাত তৃতীয় বাস্তবৰ--চিত্ৰ-অংকনৰ যি কথা তেওঁ কৈছে তাত অতীত আৰু বৰ্তমান সম্পৰ্কীয় জ্ঞানৰ গুৰুত্ব স্বীকৃত। বিপ্লবী ৰোমাণ্টিকতাই সমাজৰ নেতিবাচক দিশটোক অবহেলা কৰি কেবল আদৰ্শ--সমাজৰ কথা ক'বলৈ যে কোৱা নাই তাৰ, স্পষ্ট ইংগিত গোৰ্কিয়ে দিছে ঃ 'The present day requires that the author or artist does not shut his eyes to negative phenomena; at the same time he should emphasise and thereby 'romanticise' positive phenomena.' (Quoted by V. Kudin, The Essence of Socialist Realism, Art and Society, Moscow, P. 32) সমাজৰ দুটা দিশ----ইতিবাচক আৰু নেতিবাচক--প্ৰতিফলিত কৰিলেও সমাজতান্ত্ৰিক বাস্তবতাই ইতিবাচক দিশটোৰ ওপৰত অধিক গুৰুত্ব দিয়ে, কাৰণ ঐতিহাসিক আশা বাদেই এই বাস্তবতাৰ অন্যতম ভিত্তি। অৱশ্যে সকলো সাহিত্যকৰ্মত এই গুৰুত্বৰ স্বৰূপ যে একে হ'ব তাৰ কোনো মানে নাই।

এইবাৰ 'বিচ্যুতিহীন, সৰ্বগুণান্বিত' নায়কৰ প্ৰসংগলৈ অহা যাওঁক। গোৰ্কিয়ে কৈছে ঃ'...I think the writer is entitled, and moreover is in duty bound, to 'amplify' man. (Gorky, On Literature, Moscow, P. 170) গোৰ্কিয়ে অৱশ্যে বাস্তৱৰ লগত সম্পৰ্কচ্যুত আদৰ্শ-নায়ক 'আৱিষ্কাৰ' কৰাৰ কথা কোৱা নাই, তেওঁৰ নায়কৰ মহত্ব প্ৰকৃততে ইতিবাচক গুণসমূহৰ কেন্দ্ৰীভূত ৰূপ। গোৰ্কিয়ে ডন কুইক্‌ছট্‌, প্ৰমিথিউছ, ফাউষ্ট ইত্যাদি বিশ্ব-বিখ্যাত নায়কসকলক অলীক কল্পনাৰ ফল বুলি নেভাবে, তেওঁৰ মতে এই নায়কসকল Perfectly legitimate and essential poetic exaggenation of actul facts.' আপাত দৃষ্টিত অবাস্তৱ যেন লাগিলেও এই চৰিত্ৰবোৰত বাস্তৱ প্ৰতিফলিত। গোৰ্কিৰ এই বক্তব্যৰ ভ্ৰান্ত ব্যাখ্যাই নায়ক সম্পৰ্কে যান্ত্ৰিক ধাৰণাৰ সৃষ্টি কৰিব পাৰে। সাধাৰণতে প্ৰগতিশীল সাহিত্যৰ নায়ক সম্পৰ্কে দুই ধৰণৰ বিপৰীতমুখী বক্তব্য শুনা যায় ঃ নায়ক হ'ব সৰ্বশক্তিমান, তেওঁৰ কোনো দ্বিধা-দ্বন্দ্ব-দুৰ্বলতা নেথাকে; আকৌ, বিপৰীত মতানুযায়ী, নায়কৰ চৰিত্ৰত ভাল-বেয়াৰ সংমিশ্ৰণ ঘটিব---যিহেতু বাস্তৱ জীৱনত দোষ-গুণলৈয়ে মানুহৰ অস্তিত্ব। সন্দেহ নাই, গোৰ্কিৰ ইতিবাচক নায়ক সম্পৰ্কীয় বক্তব্যৰ যান্ত্ৰিক আৰু অগভীৰ ব্যাখ্যা প্ৰথম মতটোৰ মূল ভিত্তি। আমাৰ মনত হয়, প্ৰগতিশীল শিল্প-সাহিত্যৰ সাধাৰণ নিয়ম হিচাপে নায়ক সম্পৰ্কীয় এই দুই মতৰ কোনোটোৱেই অভ্ৰান্ত নহয়। দ্বন্দ্বহীন চৰিত্ৰই দ্বন্দ্বমূলক বস্তুবাদৰ মূলসূত্ৰকেই অগ্ৰাহ্য কৰে; চৰিত্ৰ-বিকাশৰ অন্যতম গুৰুত্বপূৰ্ণ চৰ্ত--দ্বিধা-দ্বন্দ্ব-দুৰ্বলতাৰ--অনুপস্থিতিৰ ফলত চৰিত্ৰ হৈ পৰে যান্ত্ৰিক, নিষ্প্ৰাণ। আকৌ, বাস্তৱতাৰ নামত, চৰিত্ৰক কেবল ভাল--বেয়া, দ্বিধা-দ্বন্দ্ব ইত্যাদিৰ সংমিশ্ৰণ হিচাপে দেখুৱাবলৈ গলে চৰিত্ৰৰ



ইতিবাচক বিকাশ বাধাপ্ৰাপ্ত হয়। মহৎ সাহিত্যৰ নায়ক, আমি ভাবোঁ; দ্বিধা-দ্বন্দ্বহীন 'অতিমানৱ' নহয়। অৱশ্যে ইয়াৰ অৰ্থ এয়ে নহয় যে এই দ্বিধা-দ্বন্দ্বৰ মাজতেই চৰিত্ৰটো আবদ্ধ থাকিব; কাৰণ সম্ভাবনাপূৰ্ণ নায়কৰ ইতিবাচক উত্তৰণ কিম্বা সেই উত্তৰণৰ প্ৰতিশ্ৰুতিৰ অনুপস্থিতিয়ে সাহিত্যৰ মহত্বক ক্ষুন্ন কৰে।

বিপ্লবী ৰোমাণ্টিকতাৰ ভ্ৰান্ত ব্যাখ্যা প্ৰগতিশীল সাহিত্যৰ পক্ষে ক্ষতিকৰ। বাস্তৱ-জ্ঞান আৰু অভিজ্ঞতাৰ সজীৱ উপলব্ধি নোহোৱাকৈ যি ভবিষ্যৎ-সৰ্বস্ব সাহিত্যৰ সৃষ্টি হয় তাৰ তাৎক্ষণিক আবেদন থাকিলেও সেই আবেদন দীৰ্ঘস্থায়ী আৰু গভীৰ নহয়। নায়কক যান্ত্ৰিকভাবে ইতিবাচক কৰাৰ প্ৰচেষ্টাৰ ফলত চৰিত্ৰ-চিত্ৰন বিশ্বাসযোগ্য আৰু বাস্তৱানুগ নহয়। সন্দেহ নাই, বিপ্লবী ৰোমাণ্টিকতাৰ প্ৰশ্নটো জটিল আৰু গুৰুত্বপূৰ্ণ। কিছু সমস্যা এতিয়াও পৰিস্কাৰভাবে আলোচিত হোৱা নাই। যেনে, ইতিবাচক নায়কৰ কথাই ধৰা যাওঁক। বহু সাহিত্যকৰ্মীৰ মনত এটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উদয় হয় ঃ প্ৰগতিশীল সাহিত্যৰ নায়ক ইতিবাচক হবই লাগিব--এই ধৰণৰ বদ্ধমূল ধাৰণাই জানো সাহিত্যৰ বৈচিত্ৰ আৰু পৰিসৰক সংকুচিত নকৰিব? কিছু ক্ষেত্ৰত--বিশেষকৈ কিছু ব্যংগ সাহিত্যকৰ্মৰ ক্ষেত্ৰত ---নেতিবাচক নায়কক কেন্দ্ৰ কৰি জানো সঠিক বক্তব্য প্ৰকাশ কৰা নেযায়? এই সম্পৰ্কে আমি যোগ্য ব্যক্তিৰ দ্বাৰা বিস্তৃত আলোচনা আশা কৰিছোঁ। পিছে বিপ্লবী ৰোমাণ্টিকতাৰ ভ্ৰান্ত ব্যাখ্যা কিম্বা যান্ত্ৰিক প্ৰয়োগৰ বিৰোধিতা কৰিবলৈ গৈ আমি যেন এই ৰোমাণ্টিক-কতাকেই অস্বীকাৰ কৰি নেপেলাওঁ---সেই সম্পৰ্কেও সতৰ্ক থকা উচিত হ'ব। আমাৰ মনত হয়, বিপ্লবী ৰোমাণ্টিকতাৰ মূল সম্ভাবনা বিষয়বস্তুৰ মাজতেই অন্তৰ্নিহিত থাকে, বিষয় বস্তুৰ নিজস্ব গতি অনুযায়ী তাৰ প্ৰকাশ বাঞ্চনীয়; যান্ত্ৰিকভাবে বিষয়বস্তুৰ ওপৰত বিপ্লবী ৰোমাণ্টিকতা আৰোপ কৰিবলৈ চেষ্টা কৰিলেই এই ৰোমাণ্টিকতাই তাৰ স্বকীয় ক্ষমতা হেৰুৱাই আৰু সাহিত্যই পাঠক-সমাজৰ চেতনাক গভীৰভাবে স্পৰ্শ কৰিবলৈ সক্ষম নহয়।০০

০০এই আলোচনাটো কলিকতাৰ 'পাভলভ ইনষ্টিটিউট'ৰ পৰা প্ৰকাশিত 'মানৱ মন'ৰ বিশেষ অক্টোবৰ (১৯৭৬) সংখ্যাত প্ৰকাশ কৰা হৈছিল। ++



OKDISCD

আলোচনা:

# বুদ্ধিজীৱী, ইমাৰজেন্সী আৰু জনগণ

ভাস্কৰ চক্রৱর্তী

জনগণৰ দোহাই দি, জনগণ-দৰদী দেখুৱাই, নির্মণন যান্ত্রিকতাত কেতিয়াবা কিছু উদ্ধৃতি এৰি দি এওঁলোকে বেছ দিন কটাইছিল। বস্তুতঃ প্রগতিৰ বুলিয়েই হৈ পৰিছিল আত্মবঞ্চনাৰ লজ্জাৰ ৰক্ষা কবচ। উপদেশ বিতৰণ কৰি তথাকথিত বুদ্ধিজীৱীৰ আত্মন্তৰিতাৰে সর্বপ্রকাৰ ধৃষ্টতা দেখুৱাৰ অধিকাৰী বুলি ভাবি নির্বোধ অর্থহীন বিচৰণ কৰি আৰু তেৰাসকলৰ কৃপাপ্রার্থী হৈ সেৱা শুশ্রূষা কৰি এওঁলোকৰ দিন সুন্দৰকৈ পাৰ হৈছিল। দুশ বছৰৰ সাম্রাজ্যবাদী শোষণত ক্লিষ্ট এইদেশৰ জনগণৰ ওপৰত যোৱা ত্রিশ বছৰে আৰু কিমান গ্লানি, কিমান অপমান আৰু শোষণৰ বোজা জাপি দিয়া হৈছে তাৰ হিচাপৰ দৰকাৰ কি? বিশ্লেষণ কৰি চোৱাৰ দায়িত্ব এওঁলোকে লবই বা কিয়? এওলোকৰ নীৰৱতা, সচেতন অবজ্ঞা বা সক্রিয় বিৰোধিতাত যদিও অনেক আলোড়ন কলিতেই মৰহি যায়, এওঁলোকৰ ক্লীবতাৰ ঋণশোধৰ প্রায়শ্চিত্তত যদি এই দেশৰ আৰু এক শতাব্দীও পাৰ হৈ যায়, তাতেই বা এওঁলোকৰ ক্ষতি কি? কোনোবাই যদি উদ্ধত প্রশ্ন কৰে যে কি যাদু কাঠিয়েনো আপোনালোকক ইমান নির্বিকাৰ কৰিলে যে কোনো সংঘাট বা সংগ্রাম হলেও আপোনালোকে Re-act নকৰে বা কৰিলেও শোষকৰ স্বার্থত কৰে--হয়তো উত্তৰ পাব---হে কুদ্ধ যুবক, সময় হোৱা নাই, কৌশল অবলম্বন কৰা। কৌশল অবিহনে কেবল আত্মত্যাগেৰেই কি বিপ্লব হয়?--- এওঁলোকেই হ'ল আমাৰ বুদ্ধিজীৱী সম্প্রদায়। এওঁলোক বহুৰূপী। ইন্দিৰা-ৰাজত্বৰ 'প্রগতিশীলতা' প্রচাৰত ব্যস্ত থাকি এওলোকে এতিয়া ইন্দিৰা আৰু কংগ্রেছ-বিৰোধিতাৰ প্রগতি চর্চাৰ ঠিকাদাৰী কৰিছে। শতমুখে ফেছিবাদী ৰাজত্বৰ গুণ গোৱা এই সম্প্রদায়ৰ মাজত কুৰিদফীয়া আঁচনিয়ে যে 'দাৰিদ্র' গুচাবই, ইন্দিৰা গান্ধীৰ নেতৃত্বত যে সমাজবাদ আহিবই এই বিষয়ে তিলমানো সন্দেহ নাছিল। গণতান্ত্রিক অধিকাৰ ঘূৰাই পাবলৈ জনগণে যেতিয়া পাহাৰ আঁতৰালে এই কাপুৰুষৰ দলে চকুৰ পচাৰতে ৰং বদলাই ওলোটা কথা গাবলৈ আৰম্ভ কৰি দিলে।

যোৱা শতিকাৰ শেষৰ ফালে ইউৰোপত ফেছিবাদৰ যাত্রা আৰম্ভ হৈছিল। শ্রম আৰু পুঁজিৰ দ্বন্দ্ব হ'তেই তীব্র হৈছিল, পুঁজিবাদৰ সংকট আৰু যিমানেই ঘণীভূত হৈছিল, সিমানেই পুঁজিবাদে তথাকথিত গণতন্ত্রৰ মুখা খুলি স্ব-ৰূপত জনগণৰ ওপৰত জপিয়াই পৰিছিল। তেতিয়াই বিশ্বৰ শ্রমজীৱী মানুহৰ লগত হাত মিলাই দেশে দেশে সর্বস্তৰৰ সৎবুদ্ধিসম্পন্ন গণতান্ত্রিক মানুহৰ এক মহান ফেছিবাদ-বিৰোধী সংগ্রাম আৰম্ভ হৈছিল। এই মহান সংগ্রামত ইউৰোপৰ বুদ্ধিজীৱীৰ ভূমিকা অত্যন্ত গুৰুত্বপূর্ণ আৰু গৌৰবৰ। শিল্পী-সাহিত্যিকে কেনেকৈ শোষণ দমনৰ মাজতেই কিতাপ লিখি, ছপাই, হাতে হাতে বিলি কৰিছিল--ছবি আঁকিছিল বা সংগীত ৰচনা কৰিছিল--সেইবোৰ কাহিনী মান-মর্যাদাৰ দলিল হিচাপে উজ্জ্বল হৈ আছে। ৰোমা ৰোলাঁ, আঁৰি বাৰবুছ, আঁদ্রে মাল্ৰো, ইলিয়া এৰেনবুর্গ, বার্নাৰ্ড শ্ব, বাট্রাণ্ড ৰাছেল, ছালি ছেপ্লিন, পল ৰবছন, হাৱার্ড ফাষ্ট, পাব্লো নেৰুডা আৰু কত অগণন শিল্পী-সাহিত্যিকে জনগণৰ পিছত আহি থিয় দিছিল, কেনেকৈ সংগ্রামত নামি পৰিছিল!

কিন্তু দুর্ভগীয়া এই দেশত আমাৰ আত্মবিক্রীত বুদ্ধিজীৱীৰ ইতিহাস কেৱল বিশ্বাসঘাটকতাৰ ইতিহাস। অৱশ্যে দুই এক ব্যতিক্রম নোহোৱা নহয়। যেনে জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ বিৰুদ্ধে, বন্দী মুক্তি আন্দোলনৰ সপক্ষে, বিশ্বজোৰা ফেছিবাদ-বিৰোধী আন্দোলনৰ সমর্থনত ৰবীন্দ্রনাথৰ ভূমিকা। আজি কাগজ খুলিলেই দেখা যাব দেশজোৰা কত পুলিছী নির্যাতনৰ কাহিনী, অগণন জালিয়ানৱালাবাগ! য'তেই শ্রমিক-জনতা বা কৃষক-ছাত্র সংগ্রামত নামিছে--জীয়াই থকাৰ তাগাদাত--তাতেই তেওঁলোকৰ ওপৰত পুলিছ মিলিটেৰী হিংস্রভাৱে জঁপিয়াই পৰিছে। বাওঁপন্থীসকলৰ তৰফৰপৰা যেতিয়াই অগণতান্ত্রিকভাৱে গণ-আন্দোলন দমন কৰাৰ চক্রান্তৰ বিৰুদ্ধে প্রতিবাদ কৰা হয় বা এই তথাকথিত গণতন্ত্রৰ আচল স্বৰূপ সম্বন্ধে জনগণক সতর্ক কৰাৰ চেষ্টা কৰা হয় তেতিয়াই কিন্তু একচেটীয়া পুঁজিপতিৰ স্বার্থত পৰিচালিত সমস্ত সংবাদপত্রই নানাৰকম অপপ্রচাৰ কৰি জনগণক বিভ্রান্ত কৰাৰ চেষ্টা কৰে। জৰুৰীকালীন অৱস্থাৰ repressive machinery সম্বন্ধে আজি মুখৰ বুদ্ধিজীৱীয়ে সৌ সিদিনালৈকে দমননীতিক moral sanction যোগাই আছিছিল। তেলেংগানা আন্দোলন দমনৰ যি বিভৎসতা 'তাৰকুণ্ডে ৰিপ'ৰ্ট'ত প্রকাশ পাইছে সেই হিংস্রতাৰ শেষ যে এতিয়াও হোৱা নাই সেই কথাৰ প্রমাণ কি আমাৰ বুদ্ধিজীৱীসকলে পোৱা নাই? ১৯৬৭ৰ পৰাই পশ্চিমবংগত কিমান কমিউনিষ্টক হত্যা কৰা হৈছে সেইটো বুদ্ধিজীৱীসকলে ভালকৈয়ে জানে। সৌ সিদিনা ঐতিহাসিক ৰেল ধর্মঘটৰ সময়ত যেতিয়া ফেছিষ্ট ইন্দিৰাই Emergencyৰ stage rehearsal দিছিল তেতিয়া আজিৰ মুখৰ Democrat সকল ক'ত আছিল? আজি ৰাজন বা স্নেহলতা ৰেড্ডীৰ কাৰণে কন্দাকটা কৰা সকলে নাজানে নেকি যে এনে হাজাৰ হাজাৰ ৰাজনক ইমাৰজেন্সীৰ বহু আগৰপৰাই সুপৰিকল্পিতভাৱে হত্যা কৰি অহা হৈছে। তৰুণ ছাত্র-কৃষক-শ্রমিকেৰে যেতিয়া দেশৰ জেলখানাবোৰ ভৰ্তি কৰা হৈছিল তেতিয়া এই গণতন্ত্রীসকলৰ বিবেকবোধ ক'ত আছিল? এইবাৰ জনতাই কিছু ৰাজনৈতিক সচেতনতা দেখুৱাত এইসকলে মোট সলোৱা আৰম্ভ কৰিছে--- আকৌ জনগণক বিভ্রান্ত কৰাৰ মতলবত।

অসমৰ অৱস্থা আৰু শোচনীয়। ইয়াত মুখ্যমন্ত্রী প্রমুখ্যে প্রভুসকলৰ লগত সমানে খোজ মিলাই নির্লজ্জভাৱে, নিশ্চিন্তমনে কবি, সাহিত্যিক, শিল্পী, সাংবাদিকসকলে ইন্দিৰাবাদ প্রচাৰত নিমগ্ন হৈছিল। বিনা কাৰণত জেলত আটক কৰা, সংবাদপত্র চেন্সৰ কৰাৰ সময়ত এওঁলোকে ইন্দিৰাৰ তাত্বিক প্রচাৰৰ দায়িত্ব লৈছিল। সগর্বে তথাকথিত 'ফেছিবাদ বিৰোধী' সভাত বক্তৃতা দি ফুৰিছিল ইন্দিৰাৰ ফেছিবাদৰ সমর্থনত। কংগ্রেছক দেখা

OKDSCD

আলোচনা:

# বুদ্ধিজীৱী, ইমাৰজেন্সী আৰু জনগণ

ভাস্কৰ চক্রবর্তী

জনগণৰ দোহাই দি, জনগণ-দৰদী দেখুৱাই, নির্মম যান্ত্রিকতাত কেতিয়াবা কিছু উদ্ধৃতি এৰি দি এওঁলোকে বেছ দিন কটাইছিল। বস্তুতঃ প্রগতিৰ বুলিয়েই হৈ পৰিছিল আত্মবঞ্চনাৰ লজ্জাৰ ৰক্ষা কবচ। উপদেশ বিতৰণ কৰি তথাকথিত বুদ্ধিজীৱীৰ আত্মম্ভৰিতাৰে সর্বপ্রকাৰ ধৃষ্টতা দেখুৱাৰ অধিকাৰী বুলি ভাবি নির্বোধ অর্থহীন বিচৰণ কৰি আৰু তেৰাসকলৰ কৃপাপ্রার্থী হৈ সেৱা শুশ্রূষা কৰি এওঁলোকৰ দিন সুন্দৰকৈ পাৰ হৈছিল। দুশ বছৰৰ সাম্রাজ্যবাদী শোষণত ক্লিষ্ট এইদেশৰ জনগণৰ ওপৰত যোৱা ত্রিশ বছৰে আৰু কিমান গ্লানি, কিমান অপমান আৰু শোষণৰ বোজা জাপি দিয়া হৈছে তাৰ হিচাপৰ দৰকাৰ কি? বিশ্লেষণ কৰি চোৱাৰ দায়িত্ব এওঁলোকে লবই বা কিয়? এও লোকৰ নীৰবতা, সচেতন অবজ্ঞা বা সক্রিয় বিৰোধিতাত যদিও অনেক আলোড়ন কলিতেই মৰহি যায়, এওঁলোকৰ ক্লীবতাৰ ঋণশোধৰ প্রায়শ্চিত্তত যদি এই দেশৰ আৰু এক শতাব্দীও পাৰ হৈ যায়, তাতেই বা এওঁলোকৰ ক্ষতি কি? কোনোবাই যদি উদ্ধত প্রশ্ন কৰে যে কি যাদু কাঠিয়েনো আপোনালোকক ইমান নির্বিকাৰ কৰিলে যে কোনো সংঘাট বা সংগ্রাম হলেও আপোনালোকে Re-act নকৰে বা কৰিলেও শোষকৰ স্বার্থত কৰে--হয়তো উত্তৰ পাব---হে ক্রুদ্ধ যুবক, সময় হোৱা নাই, কৌশল অবলম্বন কৰা। কৌশল অবিহনে কেবল আত্মত্যাগেৰেই কি বিপ্লব হয়?-- এওঁলোকেই হ'লে আমাৰ বুদ্ধিজীৱী সম্প্রদায়। এওঁলোক বহুৰূপী। ইন্দিৰা-ৰাজত্বৰ 'প্রগতিশীলতা' প্রচাৰত ব্যস্ত থাকি এওলোকে এতিয়া ইন্দিৰা আৰু কংগ্রেছ-বিৰোধিতাৰ প্রগতি চর্চাৰ ঠিকাদাৰী কৰিছে। শতমুখে ফেছিবাদী ৰাজত্বৰ গুণ গোৱা এই সম্প্রদায়ৰ মাজত কুৰিদফীয়া আঁচনিয়ে যে 'দাৰিদ্র' গুচাবই, ইন্দিৰা গান্ধীৰ নেতৃত্বত যে সমাজবাদ আহিবই এই বিষয়ে তিলমানো সন্দেহ নাছিল। গণতান্ত্রিক অধিকাৰ ঘূৰাই পাবলৈ জনগণে যেতিয়া গাহাৰ আঁতৰালে এই কাপুৰুষৰ দলে চকুৰ পচাৰতে ৰং বদলাই ওলোটা কথা গাবলৈ আৰম্ভ কৰি দিলে।

যোৱা শতিকাৰ শেষৰ ফালে ইউৰোপত ফেছিবাদৰ যাত্রা আৰম্ভ হৈছিল। শ্রম আৰু পুঁজিৰ দ্বন্দ্ব য'তেই তীব্র হৈছিল, পুঁজিবাদৰ সংকট আৰু যিমানেই ঘনীভূত হৈছিল, সিমানেই পুঁজিবাদে তথাকথিত গণতন্ত্রৰ মুখা খুলি স্ব-ৰূপত জনগণৰ ওপৰত জপিয়াই পৰিছিল। তেতিয়াই বিশ্বৰ শ্রমজীৱী মানুহৰ লগত হাত মিলাই দেশে দেশে সর্বস্তৰৰ সৎ-বুদ্ধিসম্পন্ন গণতান্ত্রিক মানুহৰ এক মহান ফেছিবাদ-বিৰোধী সংগ্রাম আৰম্ভ হৈছিল। এই



মহান সংগ্রামত ইউৰোপৰ বুদ্ধিজীৱীৰ ভূমিকা অত্যন্ত গুৰুত্বপূর্ণ আৰু গৌৰবৰ। শিল্পী-সাহিত্যিকে কেনেকৈ শোষণ দমনৰ মাজতেই কিতাপ লিখি, ছপাই, হাতে হাতে বিলি কৰিছিল--ছবি আঁকিছিল বা সংগীত ৰচনা কৰিছিল--সেইবোৰ কাহিনী মান-মর্যাদাৰ দলিল হিচাপে উজ্জ্বল হৈ আছে। ৰোমা ৰোলাঁ, আঁৰি বাৰবুছ, আঁদ্রে মাল্ৰো, ইলিয়া এৰেনবুর্গ, বার্নার্ড শ্ব, বার্ট্রাণ্ড ৰাছেল, ছালি ছেপ্লিন, পল ৰবছন, হাৱার্ড ফাষ্ট, পাব্লো নেৰুডা আৰু কত অগণন শিল্পী-সাহিত্যিকে জনগণৰ পিছত আহি থিয় দিছিল, কেনেকৈ সংগ্রামত নামি পৰিছিল!

কিন্তু দুর্ভগীয়া এই দেশত আমাৰ আত্মবিক্রীত বুদ্ধিজীৱীৰ ইতিহাস কেবল বিশ্বাসঘাটকতাৰ ইতিহাস। অৱশ্যে দুই এক ব্যতিক্রম নোহোৱা নহয়। যেনে জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ বিৰুদ্ধে, বন্দী মুক্তি আন্দোলনৰ সপক্ষে, বিশ্বজোৰা ফেছিবাদ-বিৰোধী আন্দোলনৰ সমর্থনত ৰবীন্দ্রনাথৰ ভূমিকা। আজি কাগজ খুলিলেই দেখা যাব দেশজোৰা কত পুলিছী নির্যাতনৰ কাহিনী, অগণন জালিয়ানৱালাবাগ! য'তেই শ্রমিক-জনতা বা কৃষক-ছাত্র সংগ্রামত নামিছে--জীয়াই থকাৰ তাগাদাত--তাতেই তেওঁলোকৰ ওপৰত পুলিছ মিলিটেৰী হিংস্রভাৱে জঁপিয়াই পৰিছে। বাওঁপন্থীসকলৰ তৰফৰপৰা যেতিয়াই অগণতান্ত্রিকভাৱে গণ-আন্দোলন দমন কৰাৰ চক্রান্তৰ বিৰুদ্ধে প্রতিবাদ কৰা হয় বা এই তথাকথিত গণতন্ত্রৰ আচল স্বৰূপ সম্বন্ধে জনগণক সতর্ক কৰাৰ চেষ্টা কৰা হয় তেতিয়াই কিন্তু একচেটীয়া পুঁজিপতিৰ স্বার্থত পৰিচালিত সমস্ত সংবাদপত্রই নানাৰকম অপপ্রচাৰ কৰি জনগণক বিভ্রান্ত কৰাৰ চেষ্টা কৰে। জৰুৰীকালীন অৱস্থাৰ repressive machinery সম্বন্ধে আজি মুখৰ বুদ্ধিজীৱীয়ে সৌ সিদিনালৈকে দমননীতিক moral sanction যোগাই আহিছিল। তেলেংগানা আন্দোলন দমনৰ যি বিভৎসতা 'তাৰকুণ্ডে ৰিপ'ৰ্ট'ত প্রকাশ পাইছে সেই হিংস্রতাৰ শেষ যে এতিয়াও হোৱা নাই সেই কথাৰ প্রমাণ কি আমাৰ বুদ্ধিজীৱীসকলে পোৱা নাই? ১৯৬৭ৰ পৰাই পশ্চিমবংগত কিমান কমিউনিষ্টক হত্যা কৰা হৈছে সেইটো বুদ্ধিজীৱীসকলে ভালকৈয়ে জানে। সৌ সিদিনা ঐতিহাসিক ৰেল ধর্মঘটৰ সময়ত যেতিয়া ফেছিষ্ট ইন্দিৰাই Emergencyৰ stage rehearsal দিছিল তেতিয়া আজিৰ মুখৰ Democrat সকল ক'ত আছিল? আজি ৰাজন বা স্নেহলতা ৰেড্ডীৰ কাৰণে কন্দাকটা কৰা সকলে নাজানে নেকি যে এনে হাজাৰ হাজাৰ ৰাজনক ইমাৰজেন্সীৰ বহু আগৰপৰাই সুপৰিকল্পিতভাৱে হত্যা কৰি অহা হৈছে। তৰুণ ছাত্র-কৃষক-শ্রমিকেৰে যেতিয়া দেশৰ জেলখানাবোৰ ভৰ্তি কৰা হৈছিল তেতিয়া এই গণতন্ত্রীসকলৰ বিবেকবোধ ক'ত আছিল? এইবাৰ জনতাই কিছু ৰাজনৈতিক সচেতনতা দেখুৱাত এইসকলে মোট সলোৱা আৰম্ভ কৰিছে--- আকৌ জনগণক বিভ্রান্ত কৰাৰ মতলবত।

অসমৰ অৱস্থা আৰু শোচনীয়। ইয়াত মুখ্যমন্ত্রী প্রমুখ্যে প্রভুসকলৰ লগত সমানে খোজ মিলাই নির্লজ্জভাৱে, নিশ্চিন্তমনে কবি, সাহিত্যিক, শিল্পী, সাংবাদিকসকলে ইন্দিৰাবাদ প্রচাৰত নিমগ্ন হৈছিল। বিনা কাৰণত জেলত আটক কৰা, সংবাদপত্র চেন্সৰ কৰাৰ সময়ত এওঁলোকে ইন্দিৰাৰ তাত্ত্বিক প্রচাৰৰ দায়িত্ব লৈছিল। সগর্বে তথাকথিত 'ফেছিবাদ বিৰোধী' সভাত বক্তৃতা দি ফুৰিছিল ইন্দিৰাৰ ফেছিবাদৰ সমর্থনত। কংগ্রেছক দেখা



OKDSCD

দেখিবলৈ সমৰ্থন কৰাৰ মুখলভ্ৰ্নিগৰা বাছি থাকিবৰ বাবে কিছুৰে তথাকথিত বাওঁপন্থীদলৰ লগ লাগিয়েই সমস্ত কুকৰ্ম আৰু অপপ্ৰচাৰ কৰিছিল। গুৱাহাটীতো উঠোতে বহোঁতে মাৰ্ক্স আওৰাই, কিছু বুদ্ধিজীৱীয়ে তেওঁলোকৰ বিভিন্ন অনুষ্ঠান বচাবলৈ মন্ত্ৰী আৰু নন্দী-ভূংগীসকলৰ আশীষ বিচৰাৰ নিচিনা অদ্ভুত দৃশ্যও আমাৰ চকুত পৰিছিল। ৰবীন কলিতাক হত্যা কৰা সময়ত কলেজ-বিশ্ববিদ্যালয়ত যেতিয়া সন্ত্ৰাসৰ আৱহাৱা সৃষ্টি হয়, বহু ছাত্ৰই যেতিয়া সংবিধানৰ মৌলিক অধিকাৰসমূহৰ মাজত কৰ্মসংস্থানৰ অন্তৰ্ভুক্তিৰ হকে মুক্তি দাবী ধৰে, বহু ছাত্ৰক যেতিয়া কলেজৰ পৰা বহিস্কৃত কৰা হয়, ছাত্ৰ-শিক্ষক-শ্ৰমিক নেতা অত্যাচাৰিত আৰু লাঞ্চিত হয়, তেতিয়াই জনগণৰ ধনেৰে গুৱাহাটীত কংগ্ৰেছী ভাওনা দেখুওৱা হয় আৰু ইন্দিৰাপুত্ৰৰ অভ্যৰ্থনাত পৰান্নভোজী, কৃপাপ্ৰাৰ্থীসকলৰ মাজত দৌৰাদৌৰি লাগি যায়। আকাশ ছানি ধৰা সেই ভয়ংকৰ মুহূৰ্তত আমাৰ সমস্ত বুদ্ধিজীৱীয়ে লাজমান কাটি কৰি থৈ উলংগ প্ৰেত নৃত্যত যোগ দিয়ে।

কিন্তু শেষ কথা তেওঁলোকৰ নহয়। ইতিহাসে বাৰে বাৰে প্ৰমাণ কৰি আহিছে যে শেষ কথা হ'ল জনগণৰ। জনগণ এখন যুদ্ধত জয়ী হৈছে, কিন্তু জনতা চৰকাৰৰ ৰাজনৈতিক চৰিত্ৰ সম্বন্ধে জনগণক সঁকিয়াই দিয়াৰ দায়িত্ব কাৰ? এই চৰকাৰ গণতন্ত্ৰ ৰক্ষাত প্ৰতিশ্ৰুতিবদ্ধ হলেও তেওঁলোকৰ লগত মেহনতী জনতাৰ দ্বন্দ্ব অৱশ্যম্ভাৱী। ইতিহাসৰ অভিজ্ঞতাৰ শিক্ষা হ'ল যে পুঁজিবাদী সমাজ ব্যৱস্থাৰ মাজতেই স্বৈৰাচাৰী ফেছিবাদ প্ৰৱণতাৰ বীজ সুপ্ত হৈ থাকে। আমাৰ দেশৰ অন্তঃসাৰশূন্য সামন্তবাদী ধ্যান-ধাৰণাৰ লগত পুঁজিবাদী অপসংস্কৃতিৰ অসম্ভূত 'ককটেইলে'তো সকলো সময়তে ফেছিবাদৰ ভেটি তৈয়াৰ কৰিছে। সেয়েহে সকলো শুভবুদ্ধি সম্পন্ন মানুহেই উপলব্ধি কৰিছে যে আচল সতৰ্ক পহৰাৰ প্ৰয়োজন এতিয়াহে। দগাবাজ বুদ্ধিজীৱীৰ প্ৰতি জনগণে আঙুলিয়াই দেখুৱাইছে---কৈফিয়ৎ দিব লাগিব। ইতিহাসে বিশ্বাসঘাটকক ক্ষমা নকৰে। ++

ড° হীৰেন গোহাঁইৰ
আৰু এখন বিতৰ্কমূলক প্ৰবন্ধ সংকলন

**কাল-ভ্ৰমৰ**

প্ৰকাশ পালে
মূল্য ঃ ৩·৫০ টকা মাত্ৰ।

প্ৰকাশক ঃ জাৰ্ণাল এম্পৰিয়াম ॥ নলবাৰী—৭৮ঃ৩৩৫





# ভাৰতীয় ইতিহাস প্ৰসংগ

দ্বিজেন দাস

নেতিবাচক আৰু পৰলোকবাদী দৰ্শনৰদ্বাৰা প্ৰভাৱিত হোৱাৰ বাবে বাস্তৱ জীৱনৰ কথা লিপিবদ্ধ কৰাৰ প্ৰতি ভাৰতীয় মানুহৰ এটা স্বভাৱসিদ্ধ অনিহা। বাস্তৱ ইহলোকতকৈ কাল্পনিক পৰলোক মানুহৰ অন্তিম লক্ষ্য হোৱাত প্ৰাচীন ভাৰতবৰ্ষত ইতিহাস ৰচনা কৰা নাছিল। আমাৰ প্ৰাচীন নথি-পত্ৰ বিলাকত ৰাজনৈতিক, আৰ্থনৈতিক আৰু জনগণৰ সংগ্ৰামী চেতনাৰ পৰিবৰ্তে সাধাৰণতে বংশাৱলী, উপাখ্যান, মঠ-মন্দিৰ আদিৰ বিবৰণহে পোৱা যায়। ৰামায়ণ, মহাভাৰত আৰু বহু পুৰাণ (Mythology) আদিত ইতিহাসৰ উপাদান থাকিলেও তাক প্ৰকৃতাৰ্থত ইতিহাস বুলিব নোৱাৰি। হোমাৰৰ ইলিয়াডৰ নিচিনা ৰামায়ণ আৰু মহাভাৰত যুদ্ধ-কাব্য। কিন্তু উপকাহিনীৰ মাত্ৰাধিক্যই ৰামায়ণ আৰু মহাভাৰতৰ মূল কাহিনীক Formless illogical কৰি তোলাৰ ফলত ইতিহাসৰ উপাদান অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ অৰণ্যৰ মাজত হেৰাই গৈছে। আন এটা মন কৰিবলগীয়া কথা হ'ল, গ্ৰীক বীৰসকলৰ বীৰত্ব আৰু ব্যক্তিত্বত আছে মাটিৰ পৃথিবীৰ গোন্ধ আৰু স্পৰ্শ; কিন্তু ভাৰতীয় বীৰসকলৰ অলৌকিক আৰু অবিশ্বাস্য কাৰ্যাৱলীয়ে মাটিৰ পৃথিবীৰ স্পৰ্শ আঁতৰাই ৰাখিছে। মুঠ কথা, প্ৰাচীন ভাৰতবৰ্ষত ইতিহাস চৰ্চা হোৱাৰ কথা সমৰ্থন কৰিব নোৱাৰি। আমাৰ শাস্ত্ৰসমূহত ৰঞ্জীৱ উপাদানৰ পৰিবৰ্তে ধৰ্মীয় ধ্যান-ধাৰণাৰ মাজেদি জাতি-ভেদ প্ৰথা, অলৌকিক অন্ধবিশ্বাস, কু-সংস্কাৰ, আত্ম সমৰ্পণ-তত্ত্ব আদিক সাৰ পানী দি জীয়াই ৰখাৰ প্ৰচেষ্টা দেখা যায়। প্ৰাচীন কালৰ পৰাই ভাৰতীয় মানুহৰ ঐতিহাসিক বাস্তৱবোধ সম্বন্ধে উপলব্ধি কৰাৰ আগ্ৰহৰ অভাব। এইবোৰৰ অভাৱৰ বাবে আমি যিমান কল্পনাপ্ৰৱণ সিমান কিন্তু সত্যনিষ্ঠ আৰু বাস্তৱবাদী নহয়।

অতীতক বৈজ্ঞানিক দৃষ্টিভংগীৰে পৰীক্ষা-নিৰীক্ষা কৰাৰ পৰিবৰ্তে আমি ৰোমাণ্টিক আবেগেৰে আঁকোৱালি লবলৈ ভাল পাওঁ। এই অবাঞ্চিত আবেগৰ সোঁতত উটি যোৱাৰ বাবে আমাৰ প্ৰাচীন শাস্ত্ৰসমূহক বৈজ্ঞানিক দৃষ্টিত সমালোচনা কৰাৰ সাহসৰ অভাৱ আৰু ফলশ্ৰুতি স্বৰূপে ভাৰতীয় ইতিহাস আৰু সংস্কৃতিত দেখা দিছে নানা হাস্যকৰ বিসংগতি। ১২ শ শতিকাত ভাৰত ভ্ৰমণ কৰা প্ৰখ্যাত মুছলমান পৰিব্ৰাজক আলবেৰুণীয়ে এটা তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে ঃ বিশ্বৰ সকলো দেশত পণ্ডিত আৰু মূৰ্খ, বৈজ্ঞানিক দৃষ্টিভংগী আৰু কুসংস্কাৰ আছে; কিন্তু ভাৰতবৰ্ষৰ নিচিনা বিশ্বৰ কোনো দেশতে মূৰ্খৰ কু-সংস্কাৰক



OKDISCD

পণ্ডিতৰ বৈজ্ঞানিক দৃষ্টিয়ে বিশ্বাস নকৰে। দূৰদৰ্শন আৰু কৃত্ৰিম উপগ্ৰহৰ বিজ্ঞাপন সত্ত্বেও আমি বিনাদ্বিধাই ক'ব পাৰোঁ যে আমাৰ মধ্যযুগীয় সমাজ ব্যৱস্থাৰ কোনো মৌলিক পৰিবৰ্তন হোৱা নাই। নহলেনো এছ, ভগৱন্ত নামে এজন আণবিক বিজ্ঞানীয়ে ধৰ্ম আৰু বিজ্ঞানৰ মাজত থকা পাৰ্থক্য অবজ্ঞা কৰি অন্ধ বিশ্বাসী আৰু যাদুসৰ্বস্ব ধৰ্মগুৰুৰ হকে ওকালতি কৰে নে?

হিন্দুতকৈ মুছলমানৰ ইতিহাস-চেতনা প্ৰবল আছিল। আচলতে ভাৰতবৰ্ষৰ ইতিহাস ৰচনাৰ আৰম্ভ হয় মুছলমান যুগৰ পৰা। মুছলমান যুগত ৰচিত হোৱা বহু গ্ৰন্থত জন-সাধাৰণৰ ইতিহাসৰ উপাদান থাকিলেও ৰজা-মহাৰজাৰ যুদ্ধবিগ্ৰহ আৰু কাৰ্যাৱলীয়ে অযথা প্ৰাধান্য লাভ কৰিছে। মুছলমানযুগৰ ইতিহাস অধ্যয়ন আৰু বিশ্লেষণৰ ক্ষেত্ৰত আমি এটা কথা পাহৰিলে নচলিব যে মুছলমান যুগত ঘটা ঘটনাসমূহৰ মৌলিক কাৰণ হ'ল ধৰ্মীয় দাবী-- secular দাবী নহয়। এই ধৰ্মীয় কন্দলৰ মাজেদি শ্ৰেণীসংগ্ৰামৰ এটা ৰূপ প্ৰকাশ পাইছিল। সামন্ত যুগৰ অৱস্থানুযায়ী এই সংগ্ৰাম প্ৰচলিত ধৰ্ম-মতৰ বিৰোধী অতিন্দ্ৰীয়বাদৰ (Mysticism) আকাৰত বা সশস্ত্ৰ সংগ্ৰামৰ আকাৰত দেখা দিছিল। এইটো আছিল মধ্যযুগৰ ধৰ্মৰ সংগ্ৰামী ভূমিকা। ৰামানন্দ, কবীৰ, তুকাৰাম, শংকৰদেৱৰ প্ৰচাৰিত ভক্তিধৰ্ম বা বৈষ্ণৱধৰ্ম শোষক শ্ৰেণী আৰু সনাতনীসকলৰ উৎপীড়নৰ প্ৰতি-বাদ; স্পষ্টত এইটো মুছলমান ধৰ্মৰ প্ৰভাৱ। এনে অৱস্থাত মুছলমান যুগটো ভাৰতীয় সংস্কৃতিৰ অন্ধকাৰযুগ আৰু হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ থলি হিচাবে কোনো পধ্যেই চিহ্নিত কৰিব নোৱাৰি। দুখৰ বিষয়, জাতীয়তাবাদী ঐতিহাসিকসকলে এই যুগটো বৈজ্ঞানিক দৃষ্টিভংগীৰে আলোচনা কৰাৰ পৰিবৰ্তে অধিক ভাবে বিভ্ৰান্তহে কৰিছে।

আধুনিক ইতিহাস চৰ্চাৰ আৰম্ভণি হয় বৃটিছ সাম্ৰাজ্যবাদী যুগত আৰু ভাৰতীয় আধু-নিক ইতিহাস ৰচনা কৰা হয় সাম্ৰাজ্যবাদীৰ পৃষ্ঠপোষকতাতে। নিজৰ অমানবিক উপনিবেশীয় শোষণৰ স্বৰূপ লুকাই ৰাখিবলৈ সিহঁতে ভাৰতীয় ইতিহাস চৰ্চাত হাত দিছিল। সিহঁতৰ ধাৰণাত ভৌগোলিক অৱস্থা, জলবায়ু আৰু সংস্কৃতিৰ দিশত পশ্চিমীয়া মানুহতকৈ ভাৰতীয় মানুহ নিকৃষ্ট; গতিকে ইতিহাসৰ তথাকথিত বায় হিচাবে শাসিত হ'বলৈ বাধ্য। এই ভ্ৰান্ত ধাৰণাৰ প্ৰচাৰ কৰি নিজস্বাৰ্থ পূৰণৰ বাবে সাম্ৰাজ্যবাদীয়ে এদল বুদ্ধিজীৱী নিয়ো-জিত কৰিলে ভাৰতৰ ইতিহাস ৰচনা কৰিবলৈ। এলফিনষ্টন, গ্ৰাণ্ট, ডাফ, ট'ড, মোৰলেণ্ড আদিৰ দ্বাৰা যি ইতিহাস ৰচনা কৰা হ'ল সি হ'ল ভাৰতীয় ৰজা-মহাৰজাৰ সাম্ৰাজ্য উৎ-থান-পতনৰ বিৱৰণী মাত্ৰ। অৰ্থাৎ ভাৰতীয় ইতিহাসৰ প্ৰকৃত ধাৰাটোক বিভ্ৰান্তভাৱে ৰজা-মহাৰজাৰ ঘটনাৱলীক কেন্দ্ৰ কৰি গতি তুলিবৰ চেষ্টা কৰিলে। নিজৰ শোষণৰ বাঘ নখ লুকাই ৰাখি হিন্দু আৰু মুছলমান ৰজাসকলৰ উৎপীড়ণক অতিৰঞ্জিতভাৱে তুলি ধৰিলে।

ইউৰোপৰ নৱজাগ্ৰত জাতীয়তাবাদৰ প্ৰভাৱ সম্পূৰ্ণ উপেক্ষা কৰি উপনিবেশীয় বেপাৰ বাণিজ্য আৰু সাম্ৰাজ্যবাদক বজাই ৰখাৰ কাৰণে সাম্ৰাজ্যবাদীয়ে ভাৰতীয় ইতিহাস ৰচনা কৰিলে। আজিও আমি এই ধাৰাৰ হকে নিৰ্লজ্জ ওকালতি কৰিবলৈ এৰা নাই। তাৰ প্ৰমাণ বৰ্তমান প্ৰচলিত ইতিহাসৰ পাঠ্যপুথিসমূহ।

আন এটা কথা লক্ষ্য কৰিবলগীয়া যে এদল পশ্চিমীয়া বুৰ্জোৱা ঐতিহাসিকে প্ৰাচীন



ভাৰতীয় ইতিহাসৰ তথ্য আহৰণ কৰিলে ঐতিহ্যৰ তথাকথিত পুৰোহিতসকলৰ শাস্ত্ৰ আৰু শাস্ত্ৰৰ ব্যাখ্যাৰপৰা। এই শাস্ত্ৰসমূহৰ বক্তব্যত নিৰ্ভৰ কৰি ভাৰতীয় সমাজ ব্যৱস্থাৰ প্ৰতি নানা ভ্ৰান্ত ধাৰণা কৰিলে। ফলশ্ৰুতি স্বৰূপে আৰম্ভণিৰ পৰা ভাৰতীয় ইতিহাস দুই ফালৰপৰা বিভ্ৰান্ত হ'ল—এফালে সাম্ৰাজ্যবাদীৰ স্বাৰ্থ আৰু আন ফালে ব্ৰাহ্মণ্য ব্যৱস্থা আৰু ব্ৰাহ্মণ্য শ্ৰেণীৰ প্ৰতিক্ৰিয়াশীল ব্যাখ্যা; অথচ উৎপাদন ব্যৱস্থাৰ পৰিবৰ্তনৰ ফলত ভাৰতীয় সমাজ জীৱনত দেখা দিয়া স্তৰবিন্যাস সম্পূৰ্ণ উপেক্ষা কৰা হ'ল। আন এটা দলে ভাৰতীয় সভ্যতাক অবৈজ্ঞানিকভাৱে গ্ৰীক সভ্যতাৰ মানদণ্ডৰ লগত তুলনা কৰাত লাগি গ'ল। ডঃ স্মিথৰ লেখনিত এই প্ৰৱণতা স্পষ্ট দেখা যায়। এই ঐতিহাসিক-সকলে ভাৰতীয় ইতিহাসৰ ঘটনা প্ৰবাহক এক বিচ্ছিন্ন দ্বীপমালা হিচাপে ধৰি ললে আৰু সমাজ ব্যৱস্থাৰ ক্ৰম পৰিবৰ্তনৰ আলোচনাৰ পৰিবৰ্তে ভাৰতীয় ইতিহাসক ৰজা আৰু বংশাৱলীৰ ক্ৰম অনুসাৰে হিন্দুযুগ, মুছলমান যুগ, আৰু বৃটিছ যুগত বিভক্ত কৰিলে। ইতিহাসত আলোচনাৰ সুবিধাৰ বাবে যুগ বিভক্ত কৰিব পাৰি। কিন্তু সেই বিভাজনত কোনো ধৰা-বন্ধা নিয়ম থাকিব নোৱাৰে। যুগসমূহ water tight নহয়, প্ৰত্যেকটি প্ৰত্যেকটিৰপৰা পৃথক বা বিচ্ছিন্ন নহয়। মানুহৰ সমাজ পৰিবৰ্তনশীল। বাস্তৱতে প্ৰত্যেক বিভাগৰ লগত আনটো বিভাগৰ যোগ আৰু সম্বন্ধ আছে। আদিম সাম্যবাদী সমাজৰপৰা সামন্তবাদ আৰু সামন্তবাদৰপৰা পুঁজিবাদ, পুঁজিবাদ সমাজবাদলৈ উত্তৰণ ঘটিছে—সমাজ বিবৰ্তনৰ এটা সোঁতক বিভিন্ন নামে অভিহিত কৰা হৈছে। প্ৰত্যেকটি যুগে এটা নিজস্ব বৈশিষ্ট্য লাভ কৰিছে উৎপাদন ব্যৱস্থাৰ পৰিবৰ্তনৰ ফলত।

পশ্চিমীয়া ঐতিহাসিকক প্ৰত্যুত্তৰ দিবলৈ আগবাঢ়ি অহা জাতীয়তাবাদী ঐতিহাসিক-সকল গ্ৰীণ, কাৰ্লাইল, বাৰ্ক, বানথাম, হেগেলৰ আদৰ্শবাদ, দৈৱ্যবাদ আদিৰ দ্বাৰা প্ৰভা-বিত। ইতিহাস চৰ্চাৰ ক্ষেত্ৰত ইউৰোপীয় ধাৰা আৰু টেকনিক অনুকৰণ কৰিলেও জাতীয়তা-বাদৰ platform সৃষ্টি কৰাটোৱেই আছিল তেওঁলোকৰ অন্যতম লক্ষ্য। সাম্ৰাজ্য-বাদীৰ কৌশলৰ প্ৰত্যুত্তৰ দিবলৈ গৈ ভাৰতীয় জাতীয়তাবাদী ঐতিহাসিকসকলে ইতি-হাসক জাতীয়তাৰ হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰিলে, আৰু ৰজা, ঘটনা, যুগ, ধৰ্মানু-ষ্ঠান আদিৰ অযথাভাৱে গুৰুত্ব বৃদ্ধি কৰিবলৈ যত্ন কৰিলে। জাতীয়তাবাদৰ এই পক্ষপাতিত্বৰ ফলত বহু ঐতিহাসিকে সত্যক নতুনকৈ সজাই-পৰাই তুলিলে। ইতিহাস আলোচনা কৰাৰ ক্ষেত্ৰত তেওঁলোকে বহু প্ৰতিক্ৰিয়াশীল চিন্তাক সমৰ্থন কৰিলে। আৰ্যগৌৰৱ বা আধ্যাত্মিকতা-বাদৰ উচ্ছ্বাসত উটি যোৱাত ইতিহাস ৰচনাৰ ক্ষেত্ৰত এই শ্ৰেণীটোৱে প্ৰতিক্ৰিয়াশীল আৰু নেতিবাচক চিন্তাৰ আশ্ৰয় লবলৈ বাধ্য হ'ল। এনেকুৱা চিন্তাধাৰাৰ ফলত সমাজ জীৱনত এটা নতুন অথচ ভয়ানক প্ৰতিক্ৰিয়া গা কৰি উঠিল। আৰ্যগৌৰৱত উথলি উঠা উচ্চজাত হিন্দুৱে ভাৰতৰ মুক্তিৰ নামত সনাতনী হিন্দু সংস্কৃতিৰ ধ্বজা ডাঙি ধৰিলে। ৰাজনৈতিক গুৰুত্ব সম্পূৰ্ণ উপেক্ষা কৰি সামাজিক দিশত অবৈজ্ঞানিকভাৱে ইতিহাসত গুৰুত্ব আৰোপ কৰিলে মধ্যবিত্ত বুদ্ধিজীৱী শ্ৰেণীটোৱে। বালগংগাধৰ তিলককে ধৰি কিছুমানে বেদ, প্ৰাচীন ভাৰতৰ বিবাহ, শিক্ষা, মহাভাৰতৰ সময়ৰ অনুষ্ঠান আদিক লৈ ইতিহাস ৰচনাৰ নামত প্ৰতি-ক্ৰিয়াশীল আৰু ঐতিহাসিক তথ্য উদঘাটন কৰিলে। অৰবিন্দৰ মতে ভাৰতীয় জাতীয়তা-বাদৰ মৌলিক শক্তি হ'ল ঈশ্বৰ প্ৰদত্ত ধৰ্ম আৰু এই সনাতনধৰ্মক আদৰ্শ কৰি



OKDISCD

# শীতৰ আমেজ শীতকালীন খেতি

পূজাৰ পিচতেই শীত। শীতকালীন খেতিৰ বতৰ।
আপোনাৰ বাৰীডৰা শাক পাচলিৰে ভৰাই দিয়ক।
খাবলৈ হ'ব সতেজ খাদ্য আৰু ৰাহি হ'ব টকা।

0 বাৰীডৰা আগতে মিহিকৈ চহাই লব।
0 আগৰে পৰাই গোবৰ বা পচন সাৰ দি ৰখা ভাল।
0 বিশ্বাসযোগ্য ঠাইৰ পৰা বীজ সংগ্ৰহ কৰিব।
0 বীজ তলী ওখকৈ কৰিব।
0 পানীৰ যোগান দিব।
0 পোক পৰুৱা দমন কৰিব। বনবাত নিৰাব।
0 উন্নত পদ্ধতি অৱলম্বন কৰিব।
0 সময়ত দেখিব বহুত টকাৰ শাক পাচলি আপোনাৰ ঘৰতে হৈছে।
0 ওচৰৰ কৃষি বিষয়াৰ পৰা পৰামৰ্শ গ্ৰহণ কৰিব।

( অসম কৃষি তথ্য প্ৰচাৰ শাখাৰ দ্বাৰা প্ৰচাৰিত )



তলি ধৰিলেহে সনাতন ধৰ্মৰ পোহৰ বিশ্বত বিয়পি পৰিব। তেওঁলোকৰ এই চিন্তাধাৰাক সহজসাধ্য কৰি তুলিলে সাম্ৰাজ্যবাদীয়ে যুগুতোৱা তথ্যই। এই চিন্তাধাৰাৰ বিকাশৰ ফলত nationalist position ত এটা দ্বন্দ্বৰ সৃষ্টি হ'ল। হিন্দুযুগক অবাঞ্ছিতভাবে দাঙি ধৰাৰ ফলত মুছলমান বুৰ্জোৱাৰ মাজত ভীষণ প্ৰতিক্ৰিয়াই দেখা দিলে। এইটো আমি জানি থোৱা ভাল যে সাম্ৰাজ্যবাদীৰ সা-সুবিধাৰপৰা বঞ্চিত হোৱাৰ ফলত ভাৰতীয় মুছলমান বুৰ্জোৱাৰ বিকাশৰ গতি আছিল অতি লেহেম আৰু তেওঁলোকে ৰাজনৈতিক মঞ্চতো প্ৰৱেশ কৰিছিল পলমকৈ। এনে অৱস্থাত হিন্দু আৰু মুছলমান বুৰ্জোৱাৰ স্বাৰ্থৰ দিশত যি প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল তাক তীব্ৰতৰ কৰি তুলিবলৈ সাম্ৰাজ্যবাদীয়ে পাহৰা নাছিল। উপনিৱেশীয় আৰু বুৰ্জোৱা ৰাষ্ট্ৰযন্ত্ৰ জীয়াই ৰখাৰ সফল আৰু কাৰ্যকৰী কৌশল হ'ল শোষিতৰ মাজত বিভাজনৰ বীজ সিঁচি দিয়া। নিজৰ শ্ৰেণী-স্বাৰ্থৰ প্ৰতি সচেতন মধ্যবিত্ত শ্ৰেণীটোৱে অতীত ঐতিহ্যৰ গৌৰৱত গদ্ গদ্ হলেও, সমাজৰ পিৰামিডৰ তলত চেপা খাই থকা মানুহখিনিৰ প্ৰতি মনোযোগী নাছিল। কাৰণ বংগ ভংগ (১৯০৫) আন্দোলনৰ সময়লৈকে তেওঁলোকে জনগণৰ ওচৰ চাপি যোৱা নাছিল। ১৯৩০ আৰু ১৯৪০ চনতো ঐতিহাসিকসকলে সাম্প্ৰদায়িক ৰাজনীতিৰপৰা মুক্ত হ'ব নোৱাৰিলে। মুঠ কথা, জাতীয় আন্দোলনৰ সময়ছোৱাত ৰচনা কৰা বহু ইতিহাস সম্প্ৰদায় আৰু শ্ৰেণী-দৃষ্টিভংগীৰ দ্বাৰা প্ৰভাবিত।

আন এটা কথা মন কৰিবলগীয়া যে, সাম্ৰাজ্যবাদীৰ অমানবীয় শোষণৰ বিৰুদ্ধে শোষিত কৃষক শ্ৰেণীটোৱে অব্যাহত গতিত গণ-সংগ্ৰাম চলাই আছিল। ভাৰতৰ উনবিংশ শতাব্দীটোৰ ইতিহাস আছিল বিদেশী আৰু দেশীয় শাষকগোষ্ঠীৰ বিৰুদ্ধে ভাৰতীয় কৃষকে চলোৱা আপোচ বিহীন সংগ্ৰামৰ ইতিহাস আৰু এই সংগ্ৰামী চেতনাই বিকাশ লাভ কৰিছে ভাৰতৰ প্ৰগতিশীল জাতীয়তাবাদত। অথচ এই সংগ্ৰামৰ অধ্যায় ইচ্ছাপূৰ্বকভাৱে জাতীয়তা-বাদী ঐতিহাসিকসকলে এৰাই যোৱাৰ চেষ্টা কৰিছে।

স্বাধীনভাৱে ইতিহাস ৰচনাত নিয়োজিত হোৱা যদুনাথ চৰকাৰ, কে, এম পাণিক্কৰ, জৱাহৰলাল নেহৰু আদিৰ লিখনিত historical method থাকিলেও intellectual jugglery বুলি ক'ব পাৰি। ডঃ ৰমেশ চন্দ্ৰ মজুমদাৰ, ৰাধা কুমুদ

'সাম্প্ৰতিক সাময়িকী'ত 'কৃষি আৰু কৃষক' নামেৰে এটি নতুন শিতান অহা সংখ্যাৰ পৰা মুকলি কৰা হ'ব। এই শিতানত আমি কৃষক ৰাইজৰ বিভিন্ন সমস্যা, অসম তথা ভাৰতৰ কৃষি-অৰ্থনীতিৰ ওপৰত প্ৰবন্ধ প্ৰকাশ কৰিবলৈ ইচ্ছা কৰোঁ। প্ৰবন্ধ-পাতিৰ ভাষা অতি সহজ-সৰল হোৱা বাঞ্ছনীয়।

সম্পাদক, সাঃ সাঃ



OKDISCD

মুখাজী, অলটেকাৰ আদিৰ ৰচিত ইতিহাস তথ্যবহুল, সন্দেহ নাই ; কিন্তু আন্তৰ্জাতিক মান-
দণ্ডৰ পিনৰপৰা ত্ৰুটিপূৰ্ণ। 'Cambridge History of India ৰ তুলনাত
ভাৰতীয় বিদ্যাভবনে দহ খণ্ডত ৰচনা কৰা বিৰাট ভাৰতীয় ইতিহাস সংস্কৃতি, অৰ্থনৈতিক
সাহিত্য, বংশাৱলী আদিৰ তথ্য বহুল বৰ্ণনাৰে পৰিপূৰ্ণ হলেও হিন্দুধৰ্ম আৰু সনাতনী
ব্যাখ্যাৰ প্ৰৱণতা ইয়াত স্পষ্ট।

এইটো ধৰি ল'ব পাৰি যে সাম্ৰাজ্যবাদী আৰু জাতীয়তাবাদী ঐতিহাসিকৰ দ্বাৰা
প্ৰবৰ্তিত হোৱা ইতিহাসৰ ধাৰাটো অকল ত্ৰুতিপূৰ্ণই নহয়, প্ৰতিক্ৰিয়াশীলো। উৎপাদন
ব্যৱস্থাৰ পৰিৱৰ্তনৰ ফলত সমাজ-জীৱনত দেখা দিয়া ক্ৰান্তিকাৰী পৰিৱৰ্তনৰ স্তৰ
বিশ্লেষণ কৰাৰ পৰিবৰ্তে তেওঁলোকে নিজৰ সুবিধাৰ অনুকূলে ইতিহাস ৰচনা কৰা হ'ল।
এই মাৰাত্মক প্ৰণালীৰে বহুল প্ৰচাৰৰ ফলত আমাৰ সমাজ জীৱনত দেখা দিলে কিছু-
মান ভয়ংকৰ প্ৰতিক্ৰিয়া, যাৰ শেষ পৰিণতি হ'ল সাম্প্ৰদায়িক ভিত্তিত ভাৰত বিভাজন।
স্বাধীনতাৰ তিনিটা দশকৰ পিছতো এই ধাৰা পৰিবৰ্তন কৰাৰ তৎপৰতা আমাৰ ঐতি-
হাসিকৰ মাজত বিশেষ পৰিলক্ষিত হোৱা নাই। এই ক্ষেত্ৰত আমি The Indian
Council of Historical Research নামৰ সংস্থাটোৰ কথা উল্লেখ
কৰিব পাৰোঁ।

১৯৭২ চনৰ ১২ মাৰ্চত চৰকাৰ মনোনীত সদস্যৰে গঠিত হোৱা The Indian
Council of Historical Research নামৰ সংস্থাটোৰ লক্ষ্য হ'ল giving
a proper direction to historical research and encouraging
and fostering objective and scientific writing of History
কিন্তু বাস্তৱ কাৰ্যক্ষেত্ৰত ভাৰতবৰ্ষৰ বৈজ্ঞানিক ইতিহাস ৰচনাত এই সংস্থাই বিশেষ উল্লেখ-
যোগ্য বৰঙণি দিয়া বুলি কব নোৱাৰি। বৰং বহুক্ষেত্ৰত অন্যায় আৰু পক্ষপাতিত্বমূলক
আচৰণ কৰাৰ অভিযোগ অনাৰ থল আছে। ডঃ ধৰ্মানন্দ ডিগম্বৰ কৌশম্বীৰ ক্ষেত্ৰত লোৱা
দৃষ্টিভংগীৰ কথাকে আমি উল্লেখ কৰিব পাৰোঁ। এহাতে মাৰ্ক্সীয় দৰ্শনৰ সুগভীৰ
অধ্যয়ন আৰু আনহাতে প্ৰাচীন সভ্যতা, সাহিত্য, পুৰাতত্ত্ব, আদিৰ অধ্যয়নৰ সংমিশ্ৰণত
কৌশম্বীয়ে ভাৰতীয় ইতিহাস ৰচনাৰ ক্ষেত্ৰত নতুন আৰু বৈজ্ঞানিক পথৰ সন্ধান দিব
পাৰিছে। Introduction to the study of history of India, The cul-
ture and civilisation of ancient India আৰু Myth and Reality.
তেওঁৰ প্ৰখ্যাত গ্ৰন্থ। তেওঁৰ মতে উৎপাদন ব্যৱস্থাৰ ক্ৰমপৰিবৰ্তনৰ অধ্যয়ন আৰু
বিশ্লেষণ কৰি বৈজ্ঞানিক ইতিহাস ৰচনা কৰিব পাৰি। কিন্তু আচৰিত কথা যে কৌশম্বীৰ
প্ৰবৰ্তিত ধাৰাৰ প্ৰতি professional আৰু সা-সুবিধাৰ ক্ষেত্ৰতো গতানুগতিক আৰু
Academic level ত বিশেষ মনোযোগ দিয়া আজি পৰ্যন্ত দেখা নাই। গৱেষণাত
শ্ৰেণী স্বাৰ্থ অনুকূলে সুবিধা দিয়াৰ অভিযোগ আনিব পাৰি। এই প্ৰতিক্ৰিয়াশীল
চক্ৰৰপৰা ভাৰতীয় ইতিহাস উদ্ধাৰ কৰা আজিৰ প্ৰগতিশীল ঐতিহাসিকৰ মহান কৰ্তব্য।
এওঁলোকে ইতিহাসৰ চালিকা শক্তিৰে জনগণৰ সংগ্ৰামী চেতনাক পৰিস্ফুট কৰি ভাৰতীয়
ইতিহাসৰ বৈজ্ঞানিক ভিত্তি স্থাপন কৰিব লাগিব। মানবজাতিৰ ক্ৰমবিকাশৰ গুৰিতে
হ'ল শ্ৰেণী সংগ্ৰাম—শোষক আৰু শোষিতৰ অবিৰত সংগ্ৰামৰ ইতিহাস। + +



অনুবাদ

# চীনৰ জনস্বাস্থ্য আৰু কৃষক

মূল : জে.এচ. হৰ্ণ
অনু : দিলীপ দাস

(আগতে প্ৰকাশিত প্ৰবন্ধৰ পিচৰ অংশ)

## প্ৰগতিৰ প্ৰথম পদক্ষেপসমূহ

গ্ৰাম্য অঞ্চলৰ জনস্বাস্থ্যৰ এনেকুৱা এটা অবস্থাকে ১৯৪৯ চনত চীনৰ জনচৰকাৰে (People's Government) উত্তৰাধিকাৰীসূত্ৰে লাভ কৰে। সেয়ে চীনৰ পৰৱৰ্তীকালৰ উন্নয়নসমূহ এনেকুৱা এটা পটভূমিত বিচাৰ কৰি চাব লাগিব। চীনৰ নতুন শাসনযন্ত্ৰ (New regime) আৰু তাৰ চিকিৎসক গোষ্ঠীটোৱে সমুখীন হোৱা চিকিৎসা সংক্ৰান্তীয় কামৰ বিশালতা সম্পৰ্কে অতিৰঞ্জিত কৰাৰ সলনি বহু কথা বাদ দিহে ইয়াত ক'ব খোজা হৈছে।

চীনত তেৰ বছৰ কাল কটোৱা আমেৰিকাৰ ডঃ উইনফিল্ডে ১৯৪৮ চনত লেখিছিল যে চীনৰ বেমাৰসমূহৰ সচৰাচৰ কাৰণসমূহ তাৰ জনবহুল কৃষক সমাজৰ গাঁথনিতে শিপাই আছে।

মুক্তিৰ পিচৰপৰা দেশৰ জনসংখ্যা এহাতে উল্লেখযোগ্যভাৱে বাঢ়িল আৰু আনহাতে জনস্বাস্থ্যৰ অবস্থাৰো পৰিৱৰ্তন হ'বলৈ ধৰিলে। ই এটা কথা স্পষ্ট কৰি দেখুৱালে যে, অতি জনবহুলতা জনস্বাস্থ্যৰ অবনতিৰ এটা বিশেষ কাৰণ নাছিল।

মুক্তিৰ পিচত চীনে গ্ৰহণ কৰা প্ৰথম পদক্ষেপসমূহৰ এটা আছিল সহজলভ্য চিকিৎসাকৰ্মীসকলক একগোট কৰা। এই সময়ত আধুনিক ডাক্তৰৰ অনুপাত উলিয়ালে প্ৰতিলাখ মানুহৰ মাজত এজনকৈও নপাৰিছিল। তেওঁলোকৰ প্ৰায় সকলোবিলাকে কেইখনমান ডাঙৰ মহানগৰীত বাস কৰিছিল। ফলস্বৰূপে, বহু হাজাৰ traditional ডাক্তৰ মানুহৰ আস্থাভাজন হ'ব পাৰিছিল। এইবিলাক কথালৈ লক্ষ্য ৰাখিয়ে ১৯৫০ চনৰ আগষ্ট মাহত প্ৰথম জাতীয় স্বাস্থ্য সন্মিলন (Fi.st National Health Conference) আহ্বান কৰা হয় আৰু traditional আৰু আধুনিক ডাক্তৰসকলৰ মাজত ঐক্য স্থাপনৰ কাৰণে মাও ছে-তুঙে আহ্বান দিয়ে।

আধুনিক বৈজ্ঞানিক জ্ঞান সম্পৰ্কে traditional ডাক্তৰসকলৰ অক্ষমতা যিয়েই নহওক কিয় তেওঁলোকে যে জনসাধাৰণৰ স্বাস্থ্য ৰক্ষাত মূল্যবান বৰঙণি যোগাব পাৰিছিল সেই বিষয়ে কোনো সন্দেহ নাই। এই ডাক্তৰসকলৰ অবদানক আন এটা উচ্চমানৰ বিকল্প নোপোৱাকৈ নাকচ কৰা হলে মূৰ্খামি আৰু দায়িত্বহীনতাৰ চৰম নিদৰ্শন



OKDSCD

হ'লহেঁতেন। তদুপৰি, ওপৰত কৈ অহা দৰে পৰৱৰ্তী উন্নয়নসমূহে প্ৰমাণ কৰি দিলে, যে, আধুনিক ডাক্তৰসকলে পুৰণি ডাক্তৰসকলৰ পৰা যথেষ্ট শিকিবলগীয়া আছিল আৰু দুয়ো প্ৰকাৰ ডাক্তৰৰ সমন্বয়তহে এটা নতুন পথ মোকোলাব পৰা যায়।

মুক্তিৰ পিচৰ দুটা বছৰৰ ভিতৰত চীনৰ স্বেচ্ছাসেৱকসকলে কোৰিয়ানবিলাকক আমেৰিকাৰ আক্ৰমণ ওফোৰাই দিবলৈ সহায় কৰিছিল। তদুপৰি, আমেৰিকাই যুদ্ধকালীন অস্ত্ৰ হিচাবে কোৰিয়াত ব্যৱহাৰ কৰা কীটানুৱে যি বিপদৰ সৃষ্টি কৰিছিল তাৰ পৰা জনসাধাৰণৰ স্বাস্থ্য ৰক্ষা কৰিবলৈ তেওলোকক একত্ৰিত কৰাটো প্ৰয়োজন হৈ পৰিছিল। এই প্ৰয়োজনতে এটা দেশপ্ৰেমমূলক স্বাস্থ্য অভিযান গঢ়ি তোলা হৈছিল। বিভিন্ন বয়সৰ হাজাৰ হাজাৰ লোকে স্বাস্থ্য বিষয়াসকলৰপৰা আৱশ্যকীয় দ্ৰব্য আৰু তাৰ ব্যৱহাৰ সম্পৰ্কে শিক্ষা লৈ মাখি, এন্দুৰ, উৰহ আৰু মহৰ বিৰুদ্ধে নিৰ্মূলীকৰণ অভিযান চলাইছিল।

এই অভিযানৰ অভূতপূৰ্ব কৃতকাৰ্যতাক আনকি বহুতো পশ্চিমীয়া পৰ্যবেক্ষকেও স্বীকৃতি দিছে। দেশৰ বহু অংশত মাখি প্ৰায় নাইকিয়া হৈছিল। এইটো সঁচাকৈয়ে মাখিৰ প্ৰাদুৰ্ভাৱেৰে পীড়িত প্ৰাচ্যত আছিল এটা আচৰিত দুঃসাহসিক কাৰ্য আৰু এইটো সম্ভৱ হৈছিল কেৱল অভূতপূৰ্বভাৱে একত্ৰিত হোৱা সজাগ জনতাৰ কাৰণেহে।

অৱশ্যে মাখি আৰু অন্যান্য পোক-পৰুৱাৰ নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজন এটা দীৰ্ঘকালীন অভিযানৰ। ই এটা অস্থায়ী অভিযান নহয়। সেইকাৰণে কোৰিয়া-সংঘৰ্ষৰ পিচত এই দেশপ্ৰেমমূলক স্বাস্থ্য অভিযানটো চীনা জনসাধাৰণে বেমাৰৰ বিৰুদ্ধে চলোৱা অভিযানৰ এটা স্থায়ী অংশ হিচাবে থাকি গ'ল। ইয়াক আজিকালি গাঁওবিলাকত ঘূৰি ফুৰা চিকিৎসক দলৰ স্বাস্থ্য আৰু পৰিষ্কাৰ পৰিচ্ছন্নতা বিষয়ক কামৰ লগত ঘনিষ্ঠভাৱে সাঙুৰি দিয়া হৈছে।

মুক্তিৰ বহু বছৰ পিচলৈকে স্বাস্থ্য উন্নতিৰ প্ৰধান চেষ্টাসমূহ নগৰ-চহৰবিলাকতে আবদ্ধ আছিল। ইয়াৰ অৱশ্যে বহুত কাৰণো আছিল। তাৰে কিছুমান যুক্তিসংগতো আছিল আৰু আন কিছুমান সাংস্কৃতিক বিপ্লৱৰ সময়ত পুনৰ পৰীক্ষা কৰি তীব্ৰভাৱে সমালোচনা কৰা হৈছিল।

অধিক ডাক্তৰক প্ৰশিক্ষণ দিয়াটো সেই সময়ত অতীৱ প্ৰয়োজন হৈ পৰিছিল। তাৰ কাৰণে নগৰবিলাকত নতুন মেডিকেল স্কুল আৰু প্ৰশিক্ষণৰ ব্যৱস্থা থকা হস্পিতালৰ প্ৰয়োজন হৈ পৰিছিল। আগৰ কুৰি বছৰৰ তুলনাত ১৯৪৯ আৰু ১৯৬৪ চনৰ ভিতৰত পোন্ধৰ গুণতকৈ বেছি আধুনিক ডাক্তৰে স্নাতক উপাধি লাভ কৰিছিল। ১৯৬৩ চনত ২৫০০০ জনে স্নাতক উপাধি লাভ কৰিছিল আৰু মোৰ বিশ্বাস, চীনে বৰ্তমান যিমান সংখ্যক চিকিৎসক কৰ্মীৰ সৃষ্টি কৰিব পাৰিছে পৃথিৱীৰ আন কোনো দেশে সিমানখিনি কৰিব পৰা নাই। ইতিমধ্যে traditional ডাক্তৰসকলৰ পাঠ্যতালিকা উপযুক্ত ধৰণে মানবিশিষ্ট কৰা হৈছে আৰু ttaditional ঔষধৰ গৱেষণাৰ কাৰণে বিদ্যালয়ো স্থাপন কৰা হৈছে। চিকিৎসা বিষয়ক গৱেষণাৰ ভাল অগ্ৰগতি হৈছে আৰু সা-সৰঞ্জাম আৰু কৰ্মীৰে কিছুমান প্ৰথম শ্ৰেণীৰ পৰীক্ষাগাৰ স্থাপন কৰা হৈছে।

এই সময়খিনিতে দেশত শিল্পৰ ক্ষিপ্ৰ উন্নতি হৈছিল। ফলস্বৰূপে, চহৰ অঞ্চলত জনসংখ্যা বৃদ্ধি পাবলৈ ধৰিছিল আৰু তাৰ লগে লগে শিল্পকৰ্মী আৰু তেওঁলোকৰ পৰিয়াল-



বৰ্গক চিকিৎসা সেৱা আগবঢ়োৱাটো অত্যাৱশ্যকীয় হৈ পৰিছিল। ১৯৬৪ চনত সেয়ে চহৰসমূহৰ হস্পিতেলৰ বিচনাৰ সংখ্যা আগৰ তুলনাত দহ গুণ বৃদ্ধি পাইছিল।

এই সকলোখিনিৰপৰা এটা কথাই স্পষ্ট হৈ পৰে যে, সেইসময়ত চিকিৎসাৰ সহজলভ্য সকলো সা-সুবিধা গাঁওবিলাকৰ সলনি চহৰবিলাকত গোট খাইছিল।

## বলিষ্ঠ পৰিবৰ্ত্তনসমূহ

১৯৫৮ চনত গ্ৰাম্য অঞ্চলসমূহত গঢ়ি উঠা গণ কমিউনে (Rural People's Communes) উপৰোক্ত অৱস্থাটোৰ আমূল পৰিবৰ্তন ঘটাইছিল। চীনৰ ইতিহাসত পোন প্ৰথমবাৰৰ বাবে হোৱা এই বৃহৎ আকাৰৰ একত্ৰীকৰণে এনেকুৱা ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ সৃষ্টি কৰিছিল যি সামাজিক নিৰাপত্তা আৰু জনকল্যাণমূলক কামসমূহৰ গ্ৰাম্য ব্যৱস্থা এটাক নিৰাপত্তা দিব পাৰিছিল।

অভিজ্ঞতাৰ অভাৱ থকা সত্ত্বেও তাকৰীয়া সম্পদ আৰু কম সংখ্যক চিকিৎসককৰ্মী লৈয়ে গণ কমিউনসমূহৰ বেছিভাগে চিকিৎসা কেম্প খুলিছিল আৰু গ্ৰাম্য অঞ্চলসমূহত বেমাৰ প্ৰতিৰোধৰ প্ৰথমটো অস্থিৰ পদক্ষেপ দিছিল।

ইয়াৰ পিচৰ তিনিটা বছৰ আছিল বৰ দুৰ্ভগীয়া। তাৰ মুখ্য কাৰণ আছিল অভূতপূৰ্ব খৰাংবতৰ আৰু বানপানী। ফলস্বৰূপে, এই সময়ছোৱাত কম পৰিমাণৰহে শস্য চপাব পৰা হৈছিল। চীনৰ জনতাই কিন্তু কঁকালৰ টঙালি ভালদৰে বান্ধি লৈছিল। গণ কমিউন ব্যৱস্থাক সূক্ষ্মভাৱে পৰীক্ষা কৰি চোৱা হৈছিল। ই যি ধৰণে এটাৰ পিচত আন এটা আঘাতৰ সমুখীন হোৱাত সফলতা দেখুৱাইছিল সি প্ৰমাণ কৰি দিছিল যে, চীনৰ বিভিন্ন অৱস্থাৰ লগত কেৱল ইহে থাপ খাব পাৰে। গণ কমিউনসমূহে চীনৰ বিৰাট জনশক্তিক প্ৰাকৃতিক দুৰ্যোগৰ বিৰুদ্ধে যুঁজিবলৈ সক্ষম কৰি তুলিছিল আৰু এটা সুসংগত বিতৰণ ব্যৱস্থা কাৰ্যকৰী কৰি তুলিছিল।

উল্লিখিত তিনিটা বছৰত মানুহৰ খাদ্যৰ নাটনি আছিল যদিও তেওঁলোকে অনাহাৰে দিন কটাবলগীয়া হোৱা নাছিল। তেওঁলোকে ৰুচিসন্মত পোছাক পৰিধান কৰিব পৰা নাছিল যদিও তেওলোকৰ সকলোৱে বতাহ আৰু ঠাণ্ডাৰ পৰা ৰক্ষা পাবলৈ কাপোৰ আছিল। যেতিয়া এই অভাৱ অনাটনৰ বছৰকেইটা পাৰ হৈ গৈছিল তেতিয়া সমগ্ৰ জাতিটোৱে চেয়াৰমেন মাও-এ কেবাবছৰে কৈ অহা কথাৰ সত্যতা উপলব্ধি কৰিলে। মাও-এ কৈছিল—কৃষিয়ে জাতীয় অৰ্থনীতিৰ একমাত্ৰ ভেটি আছিল আৰু হ'ব লাগিব। কৃষিয়ে নিশ্চয় অগ্ৰাধিকাৰ পাব লাগিব। গ্ৰাম্য অঞ্চলসমূহৰ উন্নতি সৰ্বপ্ৰথমে হ'ব লাগিব!

এই ধ্বনিসমূহ চীনৰ চুকে কোণে বিয়পি পৰিবলৈ ধৰিলে আৰু বিভিন্ন উপায়ে প্ৰকাশ লাভ কৰিবলৈ ধৰিলে। গ্ৰাম্য অঞ্চলসমূহৰ চাহিদা পূৰণ কৰিবলৈ শিল্পক পুনৰ গ্ৰাম্যমুখী কৰা হ'ল। নিত্য ব্যৱহৃত দ্ৰব্যসমূহ প্ৰধানকৈ কৃষকৰ স্বাৰ্থলৈ লক্ষ্য ৰাখিহে উৎপাদন কৰিবলৈ লোৱা হ'ল। বানপানী আৰু খৰাং বতৰৰ প্ৰত্যাহ্বানৰ সমুখীন হ'বলৈ যন্ত্ৰ আৰু কৰ্ম শক্তিক পানী নিয়ন্ত্ৰণ আৰু সংৰক্ষণৰ বিৰাট প্ৰকল্পসমূহ আগনত বিস্তৰভাৱে খটুৱা হ'ল। ৰাসায়নিক সাৰ, কৃষি-সঁজুলি আৰু অন্যান্য যন্ত্ৰ-



OKDSCD

সমূহৰ উৎপাদনক অগ্ৰাধিকাৰ দিয়া হ'ল। লগে লগে গাঁও অঞ্চলসমূহত বিদ্যুতীকৰণৰ কাম আগবাঢ়িবলৈ ধৰিলে। হেজাৰ বিজাৰ ডেকা নগৰীয়া বদ্ধিজীৱীয়ে গণ কমিউ-নক শক্তিশালী কৰাৰ অৰ্থে আৰু আধুনিক বিজ্ঞানৰ প্ৰবৰ্তন কৰাৰ উদ্দেশ্যে গাঁও অঞ্চলত বাস কৰাৰ আহ্বানত সঁহাৰি দিলে।

১৯৬৫ চনৰ আদি ভাগত চেয়াৰমেন মাওৰ উপৰ্য্যুপৰি নিৰ্দেশৰ সঁহাৰিত গ্ৰাম্য অঞ্চলসমূহৰ স্বাস্থ্যসেৱাক গ্ৰাম্যমুখী কৰাৰ এটা নতুন আৰু বৈপ্লৱিক নীতি গ্ৰহণ কৰা হ'ল।

তাৰ পিচত সাংস্কৃতিক বিপ্লৱৰ ধুমুহাৰ কালছোৱাত যেতিয়া প্ৰত্যেকটো বস্তুৱেই পুনৰাই পৰীক্ষা কৰি চোৱা হ'ল আৰু অতীতৰ দোষ-ত্ৰুটীবোৰ শুধৰাই লোৱা হ'ল আৰু লগতে তাৰ কাৰণসমূহো গোহৰলৈ অনা হ'ল তেতিয়া এইটো স্পষ্ট হৈ পৰিল যে, যিটো কাৰণৰ বাবে এই নীতি আগতে কাৰ্যকৰী কৰিব পৰা হোৱা নাছিল, সেয়া হৈছে পাৰ্টিৰ সমাজ বিৰোধী অংশটোৰ আৰু তেতিয়াৰ ৰাষ্ট্ৰ প্ৰধান লিউ-ছাও-চিৰ দ্বাৰা পৰি-চালিত শাসনযন্ত্ৰৰ বিৰোধিতা।

চীনৰ সাংস্কৃতিক বিপ্লৱৰ প্ৰথম দুটা বছৰত উত্তৰ-পূৱৰ অকল হাইলুংকিয়াং প্ৰদেশতে ৮৪০০ জনতকৈ অধিক চিকিৎসাকৰ্মীয়ে চহৰ ত্যাগ কৰি গ্ৰাম্য অঞ্চলসমূহত বাস কৰিবলৈ লৈছিল।

এই কথাত সন্দেহ নাই যে, আধুনিক স্বাস্থ্যসেৱাক চীনৰ কোটি কোটি কৃষক জনসাধা-ৰণৰ সেৱাত আগবঢ়োৱাৰ বৰ্তমানৰ যি অভিযান আৰু যি অভিযানৰ সক্ৰিয়তা দিনে দিনে বৃদ্ধি পাই গৈছে, সি এটা অস্থায়ী অভিযান নহয়। ই বৰ্তমান আৰু ভৱিষ্যতৰ চাহিদা পূৰণ কৰিব পৰা এটা দীৰ্ঘকালীন নীতি। এই নীতিয়ে স্বাস্থ্যনীতিক সেই সামগ্ৰিক জাতীয় নীতিৰ ( overall national policy ) পৰ্যায়লৈ আনিছে, যি বেছি পৰিশ্ৰম কৰি আটাইতকৈ কম গোৱাসকলৰ, বিশেষকৈ দেশৰ সৰ্বমুঠ জনগণৰ শতকৰা ৮০ ভাগ গঠন কৰা কৃষকসকলৰ প্ৰতি কৰা ঐতিহাসিক অন্যায়ৰ শুধৰণী কৰিছে।

এইটো এটা এনেকুৱা আমূল পৰিৱৰ্তন যাৰ প্ৰভাৱ এচিয়া, আফ্ৰিকা, লেটিন আমে-ৰিকা আৰু প্ৰকৃতপক্ষে সকলো ঠাইৰ দাৰিদ্ৰ-পীড়িত আৰু ৰোগাক্ৰান্ত মানুহৰ ওপৰত পৰিছে। ই দেশৰ দুখীয়া অঞ্চলৰ পৰা সমৃদ্ধিশালী অঞ্চললৈ, গ্ৰাম্য অঞ্চলৰপৰা চহৰলৈ আৰু চহৰৰ দুখীয়া অঞ্চলৰ পৰা বেছি স্বচ্ছল অঞ্চললৈ যোৱাৰ ডাক্তৰসকলৰ পৃথিবী ব্যাপী যি এক প্ৰবণতা আছে তাৰ পৰিৱৰ্তন ঘটাইছে। এই সকলোবিলাক মোৰ নিজৰ দেশতো ঘটি আছে। ১৯৬৫ চনত কয়লা-সমৃদ্ধ ৰণ্ডা উপত্যকাৰ ৯৮০০০ মানুহৰ চোৱা চিতা কৰিবলৈ মাত্ৰ ৩৯ জনহে সাধাৰণ চিকিৎসক আছিল; তাৰো ৯ জন আছিল ৬৫ বছৰৰ ওপৰৰ আৰু এজন ৯০ বছৰৰ ওপৰৰ। বৰ্তমান ডাক্তৰ আৰু আন বিজ্ঞানকৰ্মী সকলৰ ইংলেণ্ডৰপৰা আমেৰিকালৈ আৰু ভাৰতৰপৰা ইংলেণ্ডলৈ অৰ্থাৎ প্ৰতি ক্ষেত্ৰতে দুখীয়া দেশৰ পৰা সমৃদ্ধিশালী দেশলৈ যোৱাৰ এক নিৰৱচ্ছিন্ন গতি দেখা গৈছে।

চীনৰ নতুন স্বাস্থ্যনীতিয়ে সমগ্ৰ পৃথিবীতে এটা সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব।

++



এই শিতান লেখক আৰু পাঠকৰ মতামত প্ৰকাশৰ কাৰণে মুকলি থাকিব। সাহিত্য-সংস্কৃতি বিষয়ৰ যি কোনো চিন্তাই পত্ৰ লেখকে ব্যক্ত কৰিব পাৰে। ব্যক্তিগত কথাৰ টনা-আঁজোৰাক কোনো ক্ষেত্ৰতে প্ৰশ্ৰয় দিয়া নহ'ব। যি কোনো চিঠি প্ৰকাশ কৰা-নকৰাৰ অধিকাৰ সম্পা-দকৰ। মতামতৰ বাবে সম্পাদক দায়ী নহ'ব।

সঃ সাঃ সাঃ

# চিঠি-পত্ৰ

## ভূপেন হাজৰিকা সম্পৰ্কে

(১)

সম্পাদক,

'সাম্প্ৰতিক সাময়িকী'ৰ প্ৰথম বছৰ তৃতীয় সংকলনত প্ৰকাশিত ভূপেন হাজৰিকাৰ প্ৰতিভা মূল্যায়নৰ নিখুঁত প্ৰচেষ্টাই প্ৰতিজন পাঠকৰ মন নিঃসন্দেহে চুই গৈছে। এই প্ৰচে-ষ্টাৰ প্ৰাসংগিকতাৰ তুলনা নাই। অসমৰ স্বনামধন্য শিল্পীসকলে জীৱিত কালত এনে ধৰণৰ বৈজ্ঞানিক পৰ্যালোচনা লাভ কৰা নাই বুলি আমাৰ দৃঢ় বিশ্বাস। ইতিহাসত ভূপেন হাজৰিকাৰ স্থান এই পৰ্যালোচনাই অতি নিখুঁতভাবে নিৰ্ণয় কৰিছে। উল্লেখ কৰিব পাৰি যে আজি কিছু বছৰ আগতে এই শিল্পীগৰাকীক 'অসম বাতৰি' নামৰ সংবাদ পত্ৰখনিয়ে ৰাজহুৱা সমালোচনাৰ সমুখলৈ আনিছিল। কিন্তু এই সমালোচনা ইমান দুৰ্গন্ধময় আৰু ব্যক্তিগত আক্ৰোশ-জনিত আছিল যে ই পাঠকৰ উশাহ বন্ধ কৰিবৰ উপক্ৰম কৰিছিল। সমালোচনাত আনকি শিল্পীৰ ছিগাৰেটৰ ব্ৰেণ্ড কি আছিল তাকো উল্লেখ কৰা হৈছিল। 'সাম্প্ৰতিক সাময়িকী'ৰ এই মহৎ প্ৰচেষ্টাই সামাজিক মূল্যবোধহীন অসুস্থ মধ্যবিত্ত সাংবাদিকতা আৰু সমাজ সচেতন সুস্থ সাংবাদিকতাৰ মাজত পাৰ্থক্যৰ এক সুন্দৰ সীমা ৰেখা টানিলে।

সমাজ সচেতন পাঠকৰ বাবে পৰ্যালোচনাটি সম্পূৰ্ণ হৈছে কিন্তু সাধাৰণ পাঠকৰ ক্ষেত্ৰত কিছু ব্যতিক্ৰমে দেখা দিব কিয়নো পৰ্যালোচকৰ অনিশ্চাসত্ত্বেও দুটামান বিশেষ দিশত কিছু কম পোহৰ পৰিছে। আমি মাত্ৰ তাকে উনুকিয়াই দি পৰ্যালোচনাটি অধিক উজ্জ্বল পোহৰত চাব বিছাৰিছোঁ; যাৰ দ্বাৰা সাধাৰণ পাঠকৰ মনত অকণো খোকোজা নাথাকিব।



OKDISCD

সমূহৰ উৎপাদনক অগ্ৰাধিকাৰ দিয়া হ'ল। লগে লগে গাঁও অঞ্চলসমূহত বিদ্যুতীকৰণৰ কাম আগবাঢ়িবলৈ ধৰিলে। হেজাৰ বিজাৰ ডেকা নগৰীয়া বুদ্ধিজীৱীয়ে গণ কমিউ-নক শক্তিশালী কৰাৰ অৰ্থে আৰু আধুনিক বিজ্ঞানৰ প্ৰবৰ্তন কৰাৰ উদ্দেশ্যে গাঁও অঞ্চলত বাস কৰাৰ আহ্বানত সঁহাৰি দিলে।

১৯৬৫ চনৰ আদি ভাগত চেয়াৰমেন মাওৰ উপৰ্যুপৰি নিৰ্দেশৰ সঁহাৰিত গ্ৰাম্য অঞ্চলসমূহৰ স্বাস্থ্যসেৱাক গ্ৰাম্যমুখী কৰাৰ এটা নতুন আৰু বৈপ্লবিক নীতি গ্ৰহণ কৰা হ'ল।

তাৰ পিচত সাংস্কৃতিক বিপ্লৱৰ ধুমুহাৰ কালছোৱাত যেতিয়া প্ৰত্যেকটো বস্তুৰেই পুনৰাই পৰীক্ষা কৰি চোৱা হ'ল আৰু অতীতৰ দোষ-ত্ৰুটীবোৰ শুধৰাই লোৱা হ'ল আৰু লগতে তাৰ কাৰণসমূহো গোহৰলৈ অনা হ'ল তেতিয়া এইটো স্পষ্ট হৈ পৰিল যে, যিটো কাৰণৰ বাবে এই নীতি আগতে কাৰ্যকৰী কৰিব পৰা হোৱা নাছিল, সেয়া হৈছে পাৰ্টিৰ সমাজ বিৰোধী অংশটোৰ আৰু তেতিয়াৰ ৰাষ্ট্ৰ প্ৰধান লিউ-ছাও-চিৰ দ্বাৰা পৰি-চালিত শাসনযন্ত্ৰৰ বিৰোধিতা।

চীনৰ সাংস্কৃতিক বিপ্লৱৰ প্ৰথম দুটা বছৰত উত্তৰ-পূবৰ অকল হাইলুংকিয়াং প্ৰদেশতে ৮৪০০ জনতকৈ অধিক চিকিৎসাকৰ্মীয়ে চহৰ ত্যাগ কৰি গ্ৰাম্য অঞ্চলসমূহত বাস কৰিবলৈ লৈছিল।

এই কথাত সন্দেহ নাই যে, আধুনিক স্বাস্থ্যসেৱাক চীনৰ কোটি কোটি কৃষক জনসাধা-ৰণৰ সেৱাত আগবঢ়োৱাৰ বৰ্তমানৰ যি অভিযান আৰু যি অভিযানৰ সক্ৰিয়তা দিনে দিনে বৃদ্ধি পাই গৈছে, সি এটা অস্থায়ী অভিযান নহয়। ই বৰ্তমান আৰু ভৱিষ্যতৰ চাহিদা পূৰণ কৰিব পৰা এটা দীৰ্ঘকালীন নীতি। এই নীতিয়ে স্বাস্থ্যনীতিক সেই সামগ্ৰিক জাতীয় নীতিৰ ( overall national policy ) পৰ্যায়লৈ আনিছে, যি বেছি পৰিশ্ৰম কৰি আটাইতকৈ কম গোৱাসকলৰ, বিশেষকৈ দেশৰ সৰ্বমুঠ জনগণৰ শতকৰা ৮০ ভাগ গঠন কৰা কৃষকসকলৰ প্ৰতি কৰা ঐতিহাসিক অন্যায়ৰ শুধৰণী কৰিছে।

এইটো এটা এনেকুৱা আমূল পৰিৱৰ্তন যাৰ প্ৰভাৱ এচিয়া, আফ্ৰিকা, লেটিন আমে-ৰিকা আৰু প্ৰকৃতপক্ষে সকলো ঠাইৰ দ্ৰাৰিদ্ৰ-পীড়িত আৰু ৰোগাকান্ত মানুহৰ ওপৰত পৰিছে। ই দেশৰ দুখীয়া অঞ্চলৰ পৰা সমৃদ্ধিশালী অঞ্চললৈ, গ্ৰাম্য অঞ্চলৰপৰা চহৰলৈ আৰু চহৰৰ দুখীয়া অঞ্চলৰ পৰা বেছি স্বচ্ছল অঞ্চললৈ যোৱাৰ ডাক্তৰসকলৰ পৃথিৱী ব্যাপী যি এক প্ৰৱণতা আছে তাৰ পৰিৱৰ্তন ঘটাইছে। এই সকলোবিলাক মোৰ নিজৰ দেশতো ঘটি আছে। ১৯৬৫ চনত কয়লা-সমৃদ্ধ ৰণ্ডা উপত্যকাৰ ৯৮০০০ মানুহৰ চোৱা চিতা কৰিবলৈ মাত্ৰ ৩৯ জনহে সাধাৰণ চিকিৎসক আছিল; তাৰো ৯ জন আছিল ৬৫ বছৰৰ ওপৰৰ আৰু এজন ৯০ বছৰৰ ওপৰৰ। বৰ্তমান ডাক্তৰ আৰু আন বিজ্ঞানকৰ্মী সকলৰ ইংলেণ্ডৰপৰা আমেৰিকালৈ আৰু ভাৰতৰপৰা ইংলেণ্ডলৈ অৰ্থাৎ প্ৰতি ক্ষেত্ৰতে দুখীয়া দেশৰ পৰা সমৃদ্ধিশালী দেশলৈ যোৱাৰ এক নিৰৱচ্ছিন্ন গতি দেখা গৈছে।

চীনৰ নতুন স্বাস্থ্যনীতিয়ে সমগ্ৰ পৃথিৱীতে এটা সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব।

++

এই শিতান লেখক আৰু পাঠকৰ মতামত প্ৰকাশৰ কাৰণে মুকলি থাকিব। সাহিত্য-সংস্কৃতি বিষয়ৰ যি কোনো চিন্তাই পত্ৰ লেখকে ব্যক্ত কৰিব পাৰে। ব্যক্তিগত কথাৰ টনা-আঁজোৰাক কোনো ক্ষেত্ৰতে প্ৰশ্ৰয় দিয়া নহ'ব। যি কোনো চিঠি প্ৰকাশ কৰা-নকৰাৰ অধিকাৰ সম্পা-দকৰ। মতামতৰ বাবে সম্পাদক দায়ী নহ'ব।

সঃ সাঃ সাঃ

# চিঠি-পত্ৰ

## ভূপেন হাজৰিকা সম্পৰ্কে

(১)

সম্পাদক,

'সাম্প্ৰতিক সাময়িকী'ৰ প্ৰথম বছৰ তৃতীয় সংকলনত প্ৰকাশিত ভূপেন হাজৰিকাৰ প্ৰতিভা মূল্যায়নৰ নিখুঁত প্ৰচেষ্টাই প্ৰতিজন পাঠকৰ মন নিঃসন্দেহে চুই গৈছে। এই প্ৰচে-ষ্টাৰ প্ৰাসংগিকতাৰ তুলনা নাই। অসমৰ স্বনামধন্য শিল্পীসকলে জীৱিত কালত এনে ধৰণৰ বৈজ্ঞানিক পৰ্যালোচনা লাভ কৰা নাই বুলি আমাৰ দৃঢ় বিশ্বাস। ইতিহাসত ভূপেন হাজৰিকাৰ স্থান এই পৰ্যালোচনাইঅতি নিখুঁতভাবে নিৰ্ণয় কৰিছে। উল্লেখ কৰিব পাৰি যে আজি কিছু বছৰ আগতে এই শিল্পীগৰাকীক 'অসম বাতৰি' নামৰ সংবাদ পত্ৰখনিয়ে ৰাজহুৱা সমালোচনাৰ সমুখলৈ আনিছিল। কিন্তু এই সমালোচনা ইমান দুৰ্গন্ধময় আৰু ব্যক্তিগত আক্ৰোশ-জনিত আছিল যে ই পাঠকৰ উৎসাহ বন্ধ কৰিবৰ উপক্ৰম কৰিছিল। সমালোচনাত আনকি শিল্পীৰ ছিগাৰেটৰ ব্ৰেণ্ড কি আছিল তাকো উল্লেখ কৰা হৈছিল। 'সাম্প্ৰতিক সাময়িকী'ৰ এই মহৎ প্ৰচেষ্টাই সামাজিক মূল্যবোধহীন অসুস্থ মধ্যবিত্ত সাংবাদিকতা আৰু সমাজ সচেতন সুস্থ সাংবাদিকতাৰ মাজত পাৰ্থক্যৰ এক সুন্দৰ সীমা ৰেখা টানিলে।

সমাজ সচেতন পাঠকৰ বাবে পৰ্যালোচনাটি সম্পূৰ্ণ হৈছে কিন্তু সাধাৰণ পাঠকৰ ক্ষেত্ৰত কিছু ব্যতিক্ৰমে দেখা দিব কিয়নো পৰ্যালোচকৰ অনিশ্চাসত্ত্বেও দুটামান বিশেষ দিশত কিছু কম পোহৰ পৰিছে। আমি মাত্ৰ তাকে উনুকিয়াই দি পৰ্যালোচনাটি অধিক উজ্বল পোহৰত চাব বিছাৰিছোঁ; যাৰ দ্বাৰা সাধাৰণ পাঠকৰ মনত অকণো খোকোজা নাথাকিব।



OKDISCD

ভূপেন হাজৰিকাৰ সুদীৰ্ঘ সাংস্কৃতিক জীৱনৰ খতিয়ান দাঙি ধৰি আন্তৰ্জাতিক তথা দেশীয় ৰাজনীতিৰ সৈতে এই সাংস্কৃতিক খতিয়ানৰ যোগসূত্ৰ বিচাৰি উলিওৱাত পৰ্য্যালোচক মৌলিকভাৱে সফল হৈছে। এইখিনিতে আমাৰ সন্মুখত দুটা প্ৰশ্নই দেখা দিছে। প্ৰথমটো হৈছে, আন্তৰ্জাতিক কমিউনিষ্ট নেতৃত্বৰ বিভাজন আৰু দেশীয় বামপন্থী ৰাজনীতিত ইয়াৰ প্ৰতিক্ৰিয়া সম্পৰ্কে সাধাৰণ পাঠকক খুব চমুকৈ হলেও কিছু অৱগত কৰিব লাগিছিল। দ্বিতীয় কথাটো হৈছে, উক্ত পৰিস্থিতিসমূহ ভূপেন হাজৰিকাৰ বিচ্যুতিৰ বাবে দায়ী বোলোতে পৰ্যালোচকৰ ব্যাখ্যাই দ্বন্দ্ববাদক কিছু আঘাত কৰিছে--কিয়নো উক্ত পৰিস্থিতিসমূহে ভূপেন হাজৰিকাৰ সাংস্কৃতিক জীৱনত যি নেতিবাচক (nigative) প্ৰভাৱ পেলাইছে তাৰ বাবে পৰিস্থিতি দায়ী হ'ব নোৱাৰে বৰঞ্চ ভূপেন হাজৰিকাৰ দুৰ্বল সামাজিক চেতনাহে দায়ী।

গোটেই প্ৰক্ৰিয়াটোৰ এটি পৰ্যালোচনা ডাঙি ধৰিছোঁ। ষ্টালিনৰ মৃত্যুৰ পাছত আন্তৰ্জাতিক ক্ষেত্ৰত কমিউনিষ্ট নেতৃত্বৰ বিভাজন সাধাৰণ পাঠকে চীন আৰু ৰাছিয়াৰ মাজৰ নেতৃত্বৰ খোৱা-কামোৰা বুলি জ্ঞান কৰে। এই বিভাজন যে ব্যক্তিগত নহয়, সম্পূৰ্ণ আদৰ্শগত সেই কথা চমুকৈ অৱগত কৰাৰ প্ৰয়োজনীয়তা আমি আগতেই উল্লেখ কৰিছোঁ। আন্তৰ্জাতিক কমিউনিষ্ট নেতৃত্বৰ বিভাজন তথা বিৰোধ, মাৰ্ক্সবাদ আৰু মাৰ্ক্সবাদৰ প্ৰতি বিশ্বাস ঘাটকতাৰ বিৰোধ। ছোভিয়েট ৰাছিয়াত সংশোধনবাদীহঁতে সৰ্বহাৰা পাৰ্টিৰ নেতৃত্ব দখল কৰিলে (যাৰ বাবে সংশোধনবাদীহঁতক দোষ দিলেই নহ'ব, দোষৰ বোজা ষ্টালিনেও বহন কৰিব লাগিব) আৰু ১৯৫৬ চনত পাৰ্টিৰ ২০ তম কংগ্ৰেছত বিশ্বাসঘাটক দলৰ প্ৰধান পুৰোহিত খ্ৰুছ্চেভে আত্মপ্ৰকাশ কৰিলে; ঘোষণা কৰিলে সমাজবাদলৈ উত্তৰণৰ নতুন তৰিকা (বেইমানী)। সংসদী পথেৰে শান্তিপূৰ্ণ পদ্ধতিৰে সমাজবাদলৈ উত্তৰণৰ ফৰ্মুলা ডাঙি ধৰাৰ লগে লগে আন্তৰ্জাতিক ক্ষেত্ৰত আদৰ্শৰ বিৰোধ আৰম্ভ হ'ল। শুদ্ধ মাৰ্ক্সবাদ--লেনিনবাদ আৰু ষ্টালিনৰ চিন্তাধাৰাৰে সজ্জিত হৈ চীনা কমিউনিষ্ট পাৰ্টিয়ে এই বিশ্বাসঘাটকতাৰ প্ৰতিবাদ জনালে। এই বিৰোধ প্ৰথমে সমাজবাদী শিবিৰতে আবদ্ধ আছিল। কিন্তু বিশ্বাসঘাটক ছোভিয়েট নেতৃত্বই নিজৰ সংশোধনৰ পৰিবৰ্তে যেতিয়া নিছক কূটনৈতিক চক্ৰান্ত আৰম্ভ কৰিলে তেতিয়াই এই বিৰোধৰ সৈতে বিশ্বৰ মেহনতী জনগণক এই পৰিস্থিতিৰ মুখামুখি হ'বলৈ আৰু শুদ্ধ মাৰ্ক্সবাদী-লেনিনবাদী লাইন বাছি লবলৈ আহ্বান জনালে চীনৰ কমিউনিষ্ট পাৰ্টিয়ে। এই বিৰোধ যিহেতু আদৰ্শগত গতিকে ইয়াত এটা বৰ্জনীয়, আনটো গ্ৰহণীয় আদৰ্শ থাকিবই। হাজাৰ সংঘাতৰ সন্মুখতো গ্ৰহণীয় তথা শুদ্ধ আদৰ্শই বিকাশ লাভ কৰিবই, সুপ্ৰতিষ্ঠিত হ'বই হ'ব। এয়েই দ্বান্দ্বিক নিয়ম-- যাৰ বাবে চীনা কমিউনিষ্ট পাৰ্টিৰ মহান পৰিচালক মাও-ছে-তুং বিশ্বৰ মেহনতী জনগণৰ মহান নায়ক হিচাবে পৰিগণিত হ'ল। চীনৰ মহান সাংস্কৃতিক বিপ্লৱে নেতৃত্ব সুসংহত কৰিলে। এই বিৰোধ তথা নেতৃত্বৰ বিভাজনে ভাৰতবৰ্ষতে কিয় বিশ্বৰ প্ৰতি ৰাষ্ট্ৰৰ সমাজবাদী ৰাজনৈতিক সংগঠনসমূহত বিৰোধৰ প্ৰতি ক্ৰিয়াৰ সৃষ্টি কৰে। বিশ্বৰ প্ৰতিটো সমাজবাদী সংগঠনত এই আদৰ্শগত বিৰোধে সৃষ্টি কৰা প্ৰতিক্ৰিয়াই সংশোধনবাদ আৰু মাৰ্ক্সবাদ-লেনিনবাদৰ বিৰোধ তীব্ৰ কৰি তোলে। সংশোধনবাদৰ সৈতে সংগ্ৰাম কৰি মাৰ্ক্সবাদ নিজস্ব গতিৰে আগুৱাই যায়। ভাৰতবৰ্ষতো অনুৰূপ প্ৰতিক্ৰিয়া সৃষ্টি হোৱাটো নিতান্ত স্বাভাৱিক কথা; তাত আচৰিত হ'ব লগা



একো নাই। ইয়াতো সংশোধনবাদৰ সৈতে মাৰ্ক্সবাদ লেনিনবাদে সংগ্ৰাম কৰে। আৰু মাৰ্ক্সবাদ লেনিনবাদ আৰু মাও-ছে-তুঙৰ চিন্তাধাৰা আগুৱাই যায়।

গতিকেই এই আদৰ্শবাদী বিৰোধত দেশৰ বামপন্থী ৰাজনীতিত যেনেকৈ সংশোধনবাদ সুবিধাবাদে জন্ম পালে ঠিক তেনেকৈয়ে এই সংশোধনবাদ সুবিধাবাদৰ সৈতে সংগ্ৰাম কৰি মাৰ্ক্সবাদ-লেনিনবাদো আগুৱাই যায়। গতিকেই সংশোধনবাদৰ বিচনাত শুই হাতভৰি মেলি দিয়া ৰাজনৈতিক নেতাসমূহৰ যি হ'ল, ভূপেন হাজৰিকাৰ বেলিকাও সেই একেই অৱস্থা হ'ল। আদৰ্শবাদী এই বিৰোধত যদি শিল্পীগৰাকী হতাশ হ'ল তেন্তে তাৰ বাবে দায়ী তেওঁৰ দুৰ্বল সামাজিক চেতনা। ব্যক্তিৰ বিকাশৰ বাবে প্ৰয়োজনীয় মূল বস্তু তথা ভিত্তি হৈছে সামাজিক চেতনা। পৰিস্থিতি এটা স্বৰ্তহে মাত্ৰ। গতিকেই আন্তৰ্জাতিক তথা দেশৰ ৰাজনীতিত উদ্ভৱ হোৱা নতুন অৱস্থাই শিল্পী গৰাকীৰ বিচ্যুতিৰ বাবে দায়ী বুলিলে দ্বন্দ্ববাদৰ বিৰোধিতা কৰা হ'ব। বৰঞ্চ আমি এই সিদ্ধান্তলৈ আহিব পাৰো যে আন্তৰ্জাতিক কমিউনিষ্ট নেতৃত্বৰ বিভাজন, দেশৰ বামপন্থী ৰাজনীতিৰ সুবিধাবাদ, অসমীয়া নতুন বুৰ্জোৱা তথা শক্তিশালী মধ্যশ্ৰেণীৰ আবিৰ্ভাৱ এই সকলোবোৰ একোটা হত সামাজিক অৱস্থাহে মাত্ৰ।

সামাজিক অৱস্থা যেতিয়া নিম্নতৰৰপৰা উচ্চতৰ পৰ্যায়লৈ গতি কৰিলে, অৰ্থাৎ আন্তৰ্জাতিক কমিউনিষ্ট নেতৃত্ব যেতিয়া সুসংহত হ'ল দেশীয় বামপন্থী ৰাজনীতি যেতিয়া সুবিধা বাদ সংশোধনবাদৰপৰা মুক্ত হৈ শুদ্ধ মাৰ্ক্সবাদ-লেনিনবাদী লাইনেৰে ভাৰতীয় বিপ্লৱত নতুন দিনৰ সূচনা কৰিলে তেতিয়া শিল্পীগৰাকী ক'লৈ গ'ল? পৰিস্থিতিৰ পতনৰ কালৰ পৰা নতুন বিকাশৰ কালছোৱাতে শিল্পী গৈ অপসংস্কৃতিৰ অন্ধকূপত আশ্ৰয় ললেগৈ। যি মূল বস্তুৰ অভাৱত তেওঁৰ এনে হ'বলৈ পালে সি হ'ল তেওঁৰ গভীৰ মৌলিক সমাজ চেতনাৰ অভাৱ।

গণনাট্য সংঘৰ সংস্পৰ্শত বাস কৰা, গণনাট্যৰ দায়িত্বশীল পদত থকা আন এজন অসমৰ প্ৰিয় শিল্পী হেমাংগ বিশ্বাসৰ নাম এইখিনিতে উল্লেখ কৰিব পাৰি। এই শিল্পীগৰাকী শ্ৰেণী সমন্বয় তথা অপসংস্কৃতিৰ নৰকলৈ নগৈ নিজকে আজিও শ্ৰেণী সংগ্ৰামৰ সৈতে ঘনিষ্ঠভাৱে জড়িত কৰি ৰাখিবলৈ সক্ষম হৈছে। কিয়নো তেওঁৰ সামাজিক চেতনাত গভীৰ মৌলিকতা আছে।

এইখিনিতে গণনাট্য সংঘৰ ভূমিকা, ইয়াৰ সতে জড়িত শিল্পীসকল তথা ৰাজনৈতিক দলক লৈ কিছু আলোচনা কৰাৰ প্ৰয়াস কৰিব পাৰি। ভূপেন হাজৰিকাই যদিও এই প্ৰগতিবাদী সাংস্কৃতিক সংগঠনৰ সংস্পৰ্শলৈ আহি দুই এটা প্ৰগতিবাদী গীত গাইছিল তথাপি হাজৰিকাই কোনো দিনেই নিজৰ ৰাজনৈতিক চেতনাক সুস্থভাৱে গঢ়ি তুলি তাৰ বিকাশ ঘটোৱাত প্ৰবৃত্ত হোৱা নাই। আনহাতে ৰাজনৈতিক দলেও এই শিল্পীসকলৰ ৰাজনৈতিক চেতনাৰ বিকাশৰ কোনো উদ্যোগ লোৱা নাই। দলৰ এই সংশোধনবাদী লাইন ধৰা পেলাবলৈ শিল্পীসকলৰ মাজত ৰাজনৈতিক সচেতন ব্যক্তিৰ অভাৱ থকাটো স্বীকাৰ কৰিব লাগিব, যাৰ বাবে এই সাংস্কৃতিক সংগঠনসমূহৰ সামাজিক ভূমিকা যেনে হ'ব লাগিছিল তেনে নহ'ল। অৰ্থাৎ সাংস্কৃতিক বিপ্লৱৰ মাজেদি জনগণৰ সাংস্কৃতিক চেতনাৰ বিকাশ ঘটাই ৰাজনৈতিক সংগঠনৰ মাজেদি তাক ধৰি ৰখা প্ৰক্ৰিয়া গঢ়ি নুঠিল। বৈপ্লৱিক

সংগঠন গঢ়ি নুঠিল। ইয়াৰ বাবে ৰাজনৈতিক দলৰ গাতে কেবল দোষ জাপি দিলে দ্বন্দ্ব-বাদৰ বিৰোধিতা কৰা হ'ব। গতিকেই গণনাট্য সংঘৰ শিল্পীসকলৰ মাজত দলৰ এই লাইন ধৰা পেলাই নতুন লাইন প্ৰতিষ্ঠা কৰিব পৰা সমাজ সচেতন শিল্পীৰ অভাৱো স্বীকাৰ কৰিবই লাগিব। দেশৰ বামপন্থী ৰাজনীতিৰ সুবিধাবাদ, আৰু গণনাট্য সংঘৰ দৰে সাংস্কৃতিক সংগঠনৰ ৰাজনৈতিক সুস্থ চেতনাৰ অভাৱ দুয়োটাই এনে পৰিস্থিতিৰ বাবে দায়ী।

ভূপেন হাজৰিকাক জনপ্ৰিয় (সমাজ চেতনাহীন মধ্যবিত্তৰ মাজত) শিল্পী হিচাবে সদৌ শেষত আমি স্বীকৃতি দিছোঁ। কিন্তু তেওঁ গণশিল্পী হ'ব নোৱাৰিলে। এটা সুন্দৰ কণ্ঠ, তাল, মান, লয়ৰ জ্ঞান থাকিলে গীত গাব পাৰি, জনপ্ৰিয়তা অৰ্জন কৰিব পাৰি, কিন্তু গণশিল্পী হ'ব নোৱাৰি। গণশিল্পী হ'বলৈ শিল্পীসুলভ সকলো গুণ থকা সত্বেও সুস্থ সামাজিক চেতনা থাকিবই লাগিব। যাৰ অভাৱত ভোগা হাজৰিকাক নিজৰ গীতেৰে কৈছোঁ,

'ঔৰে গছতে মৌৰে বাহ ললে
মই নবগালো গছত
গছৰ মৌ নাপাৰি মৌ বিচাৰিলো
চেনেহীৰ মিঠাকৈ ওঁঠত।'

ঔ বগাই মৌ নিবিচাৰে হাজৰিকাই, সেইকণ কষ্ট কৰাৰ হেপাহ নাই, মৌ বিচাৰিছে চেনেহীৰ ওঁঠতহে। যাৰ লাগিছিল ৰণলৈ, গ'ল হাজৰিকা ভোজলৈ। ইতি।

--ললিত বৰমুদৈ

(২)

সম্পাদক,

প্ৰথম বছৰ তৃতীয় সংকলন 'সাম্প্ৰতিক সাময়িকী'ত ডঃ ভূপেন হাজৰিকা সম্বন্ধে ওলোৱা আপোনাৰ সমালোচনা পঢ়িবলৈ গৈ পুনঃ পুনঃ উজুটি খালোঁ।

১। ডঃ হাজৰিকা এজন শিল্পীহে, পেছাদাৰ বিপ্লৱী নহয়। এদল শিল্পীয়ে তুলিৰে কেনভাছত নানা ৰামধেনু ৰঙেৰে পৰীক্ষামূলক বহুবিধ ছবি আঁকে। তাৰে কিছুমান হৈ উঠে প্ৰগতিশীল, ৰাইজৰ অনুকূলে প্ৰবল প্ৰতাপশালী, কিছুমান নহয়। ডঃ হাজৰিকাই সমকালীন অসমীয়া সমাজৰ আশা, আকাংক্ষা, বেদনা, দ্বন্দ্ব ৰূপায়িত কৰিছে কথা, কালি আৰু সুৰৰ সংমিশ্ৰণ ঘটাই।

২। দোলাভাবী শ্ৰেণী সমন্বয় নহয়
শ্ৰেণী সংগ্ৰামৰ ভূমিকিহে মাত্ৰ

ঘামভৰা নঙঠা পিঠিৰ আৰ্তনাদ আৰু সৰু ল'ৰাটোক বিহত চোলা কিনি নিদিয়াৰ কাৰণে যি বেদনাক্ষুব্ধ চেতনাৰ উচ্চস্তৰত উঠাৰ প্ৰয়াস ডঃ হাজৰিকাই চলাইছিল, তাক শলাগহে জনাব লাগে, গৰিহণা নহয়।

৩। গণনাট্য আৰু হাজৰিকা



গণ আন্দোলন আৰু জন জাগৰণৰ কোবাল সোঁতত সেইদিনা অকল জ্যোতি, ৰাভা আৰু হাজৰিকাই অহা নাই, হেমাংগ বিশ্বাস, দিলীপ শৰ্মা, হেমেন ঠাকুৰ আদি বহুতেই আহিছিল, আৰু ভাৰতৰ বহু ৰাজ্যত গণনাট্য আন্দোলনে এক নতুন জাগৰণৰ সূচনা কৰিছিল ; যি আজিও বহু প্ৰতিবন্ধকতাৰ মাজেদি গণনাট্য সংঘ, তাৰ ঐতিহাসিক দৃষ্টিকোণ জীয়াই ৰাখিবলৈ প্ৰাণপাত সংগ্ৰাম চলাই আছে। ডঃ হাজৰিকা এতিয়া শ্ৰেণী সমঝোতাত লিপ্ত নে নাই ক'ব নোৱাৰোঁ, কিন্তু তেওঁৰ শিল্প সৃষ্টিয়ে এতিয়াও ৰাইজক উদ্বুদ্ধ কৰি আছে। মাৰ্ক্সবাদ জনা মানুহমাত্ৰই যেনেকৈ কমিউনিষ্ট হ'ব নোৱাৰে তেনেকৈ জনগণৰ সতে নিজকে বিলাই দিয়া শিল্পীক যদি জনগণে কমিউনিষ্ট বুলি আখ্যা দিয়ে তেন্তে সেইটো সন্মানহে জনোৱা যেন পাওঁ (বদনাম নহয়)। শোষক তেওঁলোকৰ সৰ্ববিধ অস্ত্ৰ সদায় প্ৰয়োগ কৰাত লিপ্ত। ডাঠ উপাধি, প্ৰভৃত অৰ্থৰ প্ৰলোভন আৰু চাটুকাৰ সমাজৰ মাজেদি যি অপচেষ্টা ডঃ হাজৰিকাক হাত কৰিবলৈ কৰা হৈছে তাক গ্ৰহণ কৰা হলে তেওঁ ইমান দিনে সলিল চৌধুৰী বা শম্ভু মিত্ৰ হ'ব লগা হ'লহেঁতেন। কিন্তু তেওঁ এতিয়াও সেইটো বাট লোৱা নাই বা তাৰ চিকাৰ হোৱা নাই বুলি ক'ব পাৰোঁ।

মই গণনাট্যৰ সাধাৰণ সমৰ্থক হৈ বিচাৰোঁ শিল্পীৰ পৃথিৱী। ইতি---

মনোহৰ কুণ্ডু
১/৭ বিবেক নগৰ, ঝিলৰোড
কলিকতা--৩২

(৩)

সম্পাদক,

আপোনাৰ আলোচনীৰ দ্বিতীয় বছৰ প্ৰথম সংকলনত ডঃ হীৰেণ গোহাঁয়ে লিখা 'ভূপেন হাজৰিকা' শীৰ্ষক চিঠিখন পঢ়িলো। পঢ়ি কেইটামান কথাত তেখেতে কৰা মন্তব্যৰ লগত একমত হ'ব নোৱাৰিলোঁ।

সাম্প্ৰতিক কালৰ অসমৰ সাংস্কৃতিক জগতৰ এজন আলোড়ণকাৰী শিল্পী হিচাবে ডঃ হাজৰিকাৰ গীতৰ বহুল সমালোচনাৰ প্ৰয়োজনীয়তা আছে। কাৰণ সমালোচনাই এজন শিল্পীক নিখুঁত হোৱাৰ সুবিধা দিয়ে। সেয়া হ'বলৈ যাওঁতে সেই সমালোচনা হ'ব লাগিব গঠনমূলক আৰু নিৰপেক্ষ দৃষ্টিভংগীৰ।

চিঠিখনিৰ আৰম্ভণিতে ডঃ গোহাঁইদেৱে এটা অদ্ভুত মন্তব্যৰে সমালোচনাৰ দুৱাৰ মুকলি কৰিছে ঃ সেয়া হ'ল, ডঃ ভূপেন হাজৰিকাৰ সমালোচনা সম্পৰ্কে তেওঁ নিজে (ডঃ হাজৰিকা) আৰু তেওঁৰ 'ভক্ত বাহিনী' হেনো অতি স্পৰ্শকাতৰ। আচলতে ই ডঃ গোহাঁইৰ এটা ভ্ৰান্ত ধাৰণা মাথোন। তেওঁৰ গীতৰ সমালোচনাত তেওঁ (হাজৰিকাই) স্পৰ্শকাতৰতা অনুভৱ নকৰে বুলি এটি গীতৰ মাধ্যমেৰে কেতিয়াবাই কৈ থৈছে, তেওঁৰ 'ভক্তবাহিনীৰ'তো কথাই নাই। গীতটিৰ দুটামান শাৰী তুলি দিলো ঃ



OKDISCD

'ভুল যদি হয় সৃষ্টিত মোৰ
তুমি হোৱা চিন্তিত
সমালোচনাৰ অগণিত পুৰি
মোকো কৰা উন্নত ?'

অৱশ্যে সেই সমালোচনা destructive নহৈ creative হোৱা বাঞ্চনীয়।

অৱশ্যে এইটো কথা আমিও স্বীকাৰ কৰোঁ যে, ডঃ হাজৰিকাই জনতাক লৈ
খুব কম গীত (নাই লিখা বুলিলেও হয়) হে ৰচনা কৰিছে বা গাইছে, সস্তীয়া প্ৰেম,
ৰোমান্সৰ মাজতে তেওঁ আবদ্ধ হৈ আছে। কিন্তু সেই বুলিয়েই ডঃ গোহাঁইদেৱে কোৱাৰ
দৰে তেওঁৰ গীতসমূহ আমি টিলিকতে উৰাই দিব নিশ্চয় নোৱাৰোঁ।

আশা ৰাখিছোঁ ডঃ গোহাঁইদেৱে এই বিষয়ে চিন্তা কৰি চাব। ইতি---

--অমিয় কুমাৰ মহন্ত
চতিয়া, দৰং

দ্বিতীয় বছৰ প্ৰথম সংখ্যাত ঘোষণা কৰা মতে 'ভূপেন হাজৰিকা সম্পৰ্কে' আমাৰ সম্পাদকীয় নিবন্ধটিৰ ওপৰত লেখা চিঠি-পত্ৰৰ উত্তৰ দিয়াৰপৰা আমি বিৰত থাকিলোঁ। আমাৰ সম্পাদকীয় নিবন্ধটিৰ ওপৰত লেখা অজস্ৰ চিঠি-পত্ৰৰ সামান্য সংখ্যক চিঠিহে প্ৰকাশ কৰা হৈছে। সকলোবিলাক চিঠি প্ৰকাশ কৰিবলৈ আলোচনীত ঠাইৰ অভাৱ। অৱশ্যে প্ৰকাশিত চিঠিৰ ওপৰত কোনো গুৰুত্বপূৰ্ণ প্ৰশ্ন উঠিলে আলোচনা মুকলি কৰিবলৈ আমি প্ৰস্তুত। পৰৱৰ্তী কোনো এক সংখ্যাত আমাৰ মন্তব্য প্ৰকাশ কৰা হ'ব। ----সম্পাদক

# নতুন ৰাজনৈতিক পৰিস্থিতিত

সম্পাদক,

দ্বিতীয় বছৰ প্ৰথম সংখ্যা 'সাম্প্ৰতিক সাময়িকী' পঢ়িলোঁ। সময়োচিত সম্পাদকীয়-
টিৰ বাবে আন্তৰিক অভিনন্দন জনাইছোঁ।

তথাপি মোৰ কেইআষাৰমান ক'ব লগা থাকিল--আপোনাৰ সম্পাদকীয় প্ৰসংগত।

অনস্বীকাৰ্য যে 'এই নিৰ্বাচনৰ ফলস্বৰূপে সমগ্ৰ উপমহাদেশতে মাকিণ পুঁজিৰ
প্ৰভাৱ আৰু ক্ষমতা বাঢ়িল,' অৰ্থাৎ আন্তৰ্জাতিক বজাৰ ভাগ বিতৰণৰ চৰম মুহূৰ্তত নিৰ্বা-
চনৰ আগে আগে ৰুছ শিবিৰ আৰু আমেৰিকান শিবিৰ স্পষ্টতঃ দুভাগ হৈ পৰিছিল।
অৰ্থাৎ ভাৰতৰ কংগ্ৰেছ-চি, পি, আই বিৰোধী চাৰিটা দলৰ সংগঠিত নহৈ উপায় নেথা-
কিল। সামন্ত শ্ৰেণীক ৰক্ষণাবেক্ষণ দিয়া পাৰ্টি স্বতন্ত্ৰ, ঝাৰখণ্ড আদি পাৰ্টিও জনতাৰ
লগত চামিল হ'ল। মুঠতে নিৰ্বাচনোত্তৰ পৰিস্থিতিত আমেৰিকান পুঁজিৰ প্ৰভাৱ স্বাভাবি-
কতে কিছু পৰিমাণে বাঢ়িব পাৰে।



দুই বৃহৎ শক্তিৰ দ্বন্দ্ব যিমানেই বৃদ্ধি পাইছে, ভাৰতৰ শাসনাধিষ্ঠ দলসমূহৰ সংকটে সিমানেই তীব্ৰৰূপ ধৰিছে। পুঁজিবাদৰ নিয়ম অনুসৰি, পুঁজিবাদৰ সংকটকালত শাসক শ্ৰেণী (মন্ত্ৰী-আমোলা) আৰু শোষক শ্ৰেণীৰ (টেমেকা একচেটীয়া পুঁজিগতি) দ্বন্দ্বইও তীব্ৰৰূপ লয়। এনে সংকটকালত ৰাষ্ট্ৰীয় মালিকানা একচেটীয়া হোৱাৰ প্ৰবণতাই অধিক আৰু অন্যহাতেদি দেশৰ অৰ্থনৈতিক বাজেট সমাজ কল্যাণমূলক দপ্তৰসমূহত বিনিয়োগ কৰাৰ পৰিবৰ্তে পুলিছ মিলিটাৰী-প্ৰতিৰক্ষাত এক বৃহৎ পৰিমাণৰ অৰ্থ বিনিয়োগ হয়। এই এক-নায়কত্ববাদৰ ( Fascism ) অত্যাচাৰ, স্বৈৰাচাৰৰ পৰা মুক্তি দিয়াৰ প্ৰতিশ্ৰুতিৰ বিনি-ময়তে ইন্দিৰা কংগ্ৰেছক ওফৰাই জনতা দলক শাসনত অধিষ্ঠিত কৰিলে জনসাধাৰণে।

অধিষ্ঠিত কৰিলে বুলিলেই নহ'ব। যি শ্ৰীমতীয়ে লোক চক্ষুক দেখুৱাবলৈকে হলেও আইনক বুঢ়া আঙুলি প্ৰদৰ্শন কৰিলে, নিজকে সুপ্ৰতিষ্ঠিত কৰিবলৈকে সংবিধান সংশোধনী কৰিলে, সেই শ্বেত সন্ত্ৰাসৰ নায়িকাই জনতা দলক বিনা ৰক্তপাতে কিয় গাদী এৰি দিলে? নিৰ্বাচন নুন্যতমভাৱে হলেও কিয় সুস্থ হ'ল? যিটোৱে আমাক আন্তৰ্জাতিক বজাৰ দখলত ৰুছ-মাৰ্কিণ (বুজাপৰা, প্ৰতিযোগিতা আৰু প্ৰতিদ্বন্দ্বিতাৰ প্ৰতিফলন) বুজা-পৰাৰ ৰাজনীতিলৈ আঙুলিয়াই নিদিয়েনে?

কিন্তু বৰ্তমান কালত বামপন্থী শিবিৰৰ প্ৰকৃতাৰ্থত এটা দলগত ভিত্তি নথকাকৈ জনতা পাৰ্টিক কমিউনিষ্ট বিৰোধী কোৱাটো যুক্তিসংগতনে? যদি হয়, ইয়াৰ ব্যাখ্যা বিশ্লেষণাত্মক হোৱা উচিত নাছিলনে? নূন্যতমভাৱে হলেও জনসাধাৰণে কেতবোৰ সাংবি-ধানিক ক্ষমতা ঘূৰাই পাইছে। তদুপৰি মাৰ্কিণ সাম্ৰাজ্যবাদৰ দ্ৰুত অৱক্ষয়ৰ যুগত, (কিছিংগাৰৰ ভাষাত ২য় বিশ্বযুদ্ধৰ পিছত আমেৰিকা আৰু ইমান অসুবিধাত পৰা নাই) বহিৰ্বাণিজ্যত চীনৰ লগত মাৰ্কিণ সাম্ৰাজ্যবাদৰ সম্পৰ্ক তথা ৩য় বিশ্বত ইয়াৰ সুদূৰ-প্ৰসাৰী প্ৰতিক্ৰিয়া নিশ্চয় তাৎপৰ্যপূৰ্ণ। তদুপৰি ভাৰতীয় জনগণৰ হেঁচাত চি, পি, আই (এম.এল)ৰ ওপৰত থকা নিষেধাজ্ঞাও প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হৈছে। সাময়িকভাৱে হলেও বাম শিবিৰৰ সমুখত নিৰ্বাচনে আনি দিয়া এই সীমিত সা-সুবিধা ঐক্যবদ্ধভাৱে exploit কৰাৰ দায়িত্ব এক প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে।

'কংগ্ৰেছৰ আমোলত চি পি আইৰ ভূমিকাৰ' পৰা কি প্ৰমাণ হয় নুবুজিলোঁ। অনস্বী-কাৰ্য, 'বামপন্থী আন্দোলন দুৰ্বল কৰি বামপন্থী কাৰ্যসূচী সবল কৰিব নোৱাৰি'। কিন্তু চি পি আই-এ বামপন্থী কাৰ্যসূচী হাতত লোৱা তথ্যটি নুবুজিলোঁ। ৰুছ সামাজিক সাম্ৰা-জ্যবাদৰ দালাল পাৰ্টি বুলি পূৰ্বে পৰোক্ষ ইংগিত দিয়াৰ পিছত চি পি আই-এ বামপন্থী কাৰ্যসূচী কেনেদৰে ৰূপায়ণ কৰিবলৈ লৈছিল নুবুজিলোঁ।

যদিহে ধৰি লোৱা হয় যে, ভাৰতৰ বৰ্তমান ৰাষ্ট্ৰ চৰিত্ৰৰ বহিঃপ্ৰকাশ ফেছিবাদী নহয়, সাময়িকভাৱে হলেও অন্ততঃ তথাকথিত গণতান্ত্ৰিক পৰিবেশৰ সা-সুবিধা সদ্-ব্যৱহাৰৰ দায়িত্ব বামপন্থী শক্তিসমূহৰ হাতত; তেনেহলে এই সংসদীয় গণতন্ত্ৰত নিৰ্বা-চনত অংশ গ্ৰহণ কৰা সম্পৰ্কে লেনিনৰ এষাৰ কথা স্মৰণীয়--- 'Whilst you lack the strength to do away with bourgeois parliaments and every other type of reactionary institution, you must work



OKDISCD

within them because it is there that you will still find workers who are duped by the priests and stultified by the conditions of rural life, otherwise you risk turning into nothing but windbags.' ( Left wing … … … … … … disorder. Page 42) কাৰণ মনত ৰাখিব লাগিব যে 'নিৰ্বাচন প্ৰত্যাহাৰ কৰা'-- এই লাইনটো চি পি আই (এম-এল) নিষিদ্ধ কৰাৰ পিছতহে আহিছিল। এই বিতৰ্কমূলক বিষয়টিৰ আলোচনাৰ বাবে মুকলি আৰু স্বাস্থ্যকৰ বাতাবৰণ সৃষ্টিৰ প্ৰয়োজন নাই জানো ? ইতি--

--অৰূপ চলিহা
নতুন দিল্লী-১

উৎকৃষ্ট মানৰ
ব্লক, ডিজাইন আৰু ৰঙীন বেটুপাত মুদ্ৰণৰ বাবে
শৰাইঘাট গ্ৰাফিক আৰ্টচ্
এম, টি, ৰোড, গুৱাহাটী- ৭৮১০০৩
ফোন ২৮৩৮৭

সকলো ধৰণৰ
উন্নত মানৰ ছপা কামৰ বাবে
সীমান্তিকা
প্ৰিন্টাৰ্চ
এম, টি, ৰোড, গুৱাহাটী-৭৮১০০৩





## আকৌ চীন চাই আহিলোঁ (২য় খণ্ড)

হেমাংগ বিশ্বাস (কলিকতা, ১৯৭৭)

মেচ ঃ ১৫ টকা।

হেমাংগ বিশ্বাসৰ চীন ভ্ৰমণৰ কাহিনী আন দহজন বিদেশী ভ্ৰমণকাৰীৰ ভ্ৰমণ কাহিনীতকৈ বেলেগ। কাৰণ কোনো কোনো ভ্ৰমণকাৰীৰ দৰে আচৰিত বা চাঞ্চল্যকৰ তথ্য বা দৃশ্যতে তেওঁৰ দৃষ্টি আবদ্ধ নহয়। অথবা আন এচাম ভ্ৰমণকাৰীৰ দৰে এখন বেলেগ দেশৰ, বেলেগ সমাজৰ ৰহস্য উন্মোচন কৰাৰ পিনে তেওঁৰ আগ্ৰহ নাই। তেওঁৰ বাবে সমসাময়িক চীনৰ তাৎপৰ্য হ'ল সমাজবাদী সমাজ নিৰ্মাণৰ সাফল্য। তেওঁৰ ঘটনাবহুল আৰু বিচিত্ৰ জীৱনৰ ঘাতপ্ৰতিঘাতৰ মাজেদি তেওঁ যি মতাদৰ্শৰ প্ৰতি আনুগত্য অটুট ৰাখিছে, সেই মতাদৰ্শৰ চাক্ষুস, কাৰ্যকৰী প্ৰমাণ হিচাবেই যাইকৈ চীনৰ প্ৰতি তেওঁৰ আকৰ্ষণ। কিবা যদি চাঞ্চল্যকৰ, আচৰিত ঘটনা তেওঁ লিপিবদ্ধ কৰিছে, সি সমাজবাদী সমাজৰেই বিস্ময়কৰ অবদান মাত্ৰ।

আৰু এই দৃষ্টিকোণেই তেওঁৰ বিবৰণলৈ আনি দিছে এক অনন্য আন্তৰিকতা আৰু সাৱলীলতা। তেওঁ যেন চীনা জনগণৰ লগত সম্পূৰ্ণৰূপে মিলি গৈ তেওঁলোকৰ সমস্যা, সংগ্ৰাম আৰু সাফল্যৰ স্বৰূপ উপলব্ধি কৰিবলৈ চেষ্টা কৰিছে। ফলত তেওঁৰ ভাষাই আকৰ্ষণীয় হৃদ্যতা আৰু আবেগময়িতা অৰ্জন কৰিছে। আৰু পাঠকৰ পক্ষেও শুকান তথ্যৰ মৰুভূমি সৰস কৰি তুলিছে এই নিবেদিত অন্তৰৰ প্ৰাণময়তাই। কিতাপখনৰ এইটোৱেই শ্ৰেষ্ঠ গুণ। তাৰ অৰ্থ এইটো নহয় যে কিতাপখনত তথ্য আৰু যুক্তিৰ অভাব আছে। বাস্তবিকতে ৰঙা চীনৰ অৰ্থনীতি আৰু সমাজৰ বিভিন্ন দিশ (যেনে কৃষি, চিকিৎসা, শিক্ষা, শিল্প, নাৰীমুক্তি, তা-চিন মনোবৃত্তি, বিপ্লবী পীকিং অপেৰা) সম্পৰ্কে তেওঁ বহু সমৃদ্ধ তথ্য আমাৰ আগত দাঙি ধৰিছে, লিন-পিয়াও ৰহস্য আৰু শিল্প-সংস্কৃতিত বিপ্লব সম্পৰ্কে তেওঁ অসমীয়া পাঠকৰ বাবে অজ্ঞাত বহু ঘটনা বিবৃত কৰি সমসাময়িক চীনৰ ইতিহাস বুজাত সহায় কৰিছে, আৰু সাংস্কৃতিক বিপ্লব সম্পৰ্কে কেইখনমান গুৰুত্বপূৰ্ণ দলিল অসমীয়া পাঠকৰ হাতত পৌছাই দিছে। সন্দেহ নাই যে সমসাময়িক চীনৰ সম্পৰ্কে অসমীয়া পাঠকৰ জ্ঞান আৰু ধাৰণা উন্নত কৰাত এইখন কিতাপে বিশেষ বৰঙণি যোগাব। আৰু সেইবোৰ তথ্যৰ যোগান ধৰিছে ইমান মনোৰম ভংগীৰে----যে সেইবোৰ আয়ত্ব কৰোঁতে পাঠকৰ সমুলি আহকাল নহয়।

সমসাময়িক চীনত সমাজবাদ নির্মাণৰ সংগ্ৰাম চলি আছে। সৰ্বহাৰাৰ একনায়কত্বই মাও ছে-তুঙে কোৱা দৰেই তাত সকলো শ্ৰেণীদ্বন্দ্বৰ অবসান ঘটোৱা নাই। সামন্তবাদী আৰু পুঁজিবাদী শ্ৰেণীৰ অবশেষৰ লগত আৰু গোপনে গঢ়ি উঠিব খোজা নতুন পুঁজিবাদৰ লগত সমাজবাদী জনগণৰ অহৰহ সংগ্ৰাম চলিছে তাত। মাজে মাজে বিশৃংখলা হৈছে, কিছু সমাজবাদী শক্তি কেতিয়াবা থমকি ৰৈছে--- কিন্তু সংগ্ৰাম চলি আছে, সমাজবাদ অগ্ৰসৰ হৈ আছে। মাজে মাজে দেখা গৈছে প্ৰগতিৰ মুখা পিন্ধি প্ৰতিক্ৰিয়াই জনগণক বিভ্ৰান্ত কৰিবলৈ বিচাৰিছে, একালৰ বৰেণ্য নেতাৰ মাজত দুৰাকাংক্ষা, ক্ষমতালোভ বা স্বাৰ্থচিন্তাৰ বীজ অংকুৰিত হৈ তেওঁক অধঃপতিত কৰিছে, প্ৰতিক্ৰিয়াৰ অস্ত্ৰত পৰিণত কৰিছে; কিন্তু সামগ্ৰিকভাবে চীনৰ জনগণৰ অগ্ৰগতি স্তব্ধ হোৱা নাই। মাও ছে'-তুঙৰ সঠিক শিক্ষা হৃদয়ত ধাৰণ কৰি তেওঁলোকে সকলো বাধা বিঘিনি জয় কৰি আগুৱাই আছে। হেমাংগ বিশ্বাসৰ ভ্ৰমণ কাহিনীয়ে ঘাইকৈ ইয়াৰেই বতৰা লৈ আহিছে। এই অগ্ৰগতিৰেই পৰিণাম হ'ল সকলো দিশতে প্ৰস্ফুতিত হোৱা জনগণৰ অদ্ভূত উদ্ভাবনীশক্তি, দেশ গঠনত শ্ৰমৰ তন্ময়তা, অপৰিসীম আৰু আনন্দ-উচ্ছ্বল স্বাৰ্থত্যাগ। সমাজবাদী মানুহে চীনত জন্মলাভ কৰিছে। বিশ্বাসৰ ভ্ৰমণ কাহিনীৰ পাতে পাতে তাৰেই প্ৰমাণ। ধৰ্মগুৰুসকলে যি নিঃস্বাৰ্থ আৰু সামাজিক মানসিকতাৰ অলীক সপোন দেখিছে যুগে যুগে, চীনৰ সমাজত সি এতিয়া জীৱন্ত বাস্তব হৈ পৰিছে। এই খবৰ আমাৰ বাবে কম প্ৰেৰণাদায়ক নহয়।

হেমাংগ বিশ্বাসৰ প্ৰধান পৰিচয় শিল্পী তথা সাংস্কৃতিক কৰ্মী হিচাবে। সেয়ে শিল্প সংস্কৃতিৰ জগতত ঘটা বিপ্লব সম্পৰ্কে তেখেতে এইবাৰৰ ভ্ৰমণত বিস্তাৰিত অনুসন্ধান চলাইছিল আৰু সেই বিষয়ে তেখেতৰ বিবৰণো হৈছে চিত্তাকৰ্ষক। অপে'ৰা, চলচ্চিত্ৰ, সাহিত্য, শিল্পীৰ স্থান আৰু ভূমিকা, অতীতৰ মূল্যায়ণ আৰু ব্যবহাৰ---- এইবোৰ ক্ষেত্ৰত তেখেতে দিয়া দুই লাইনৰ সংঘাতৰ বৰ্ণনা শিক্ষাপ্ৰদ আৰু ভাবোদ্দীপক।

কিতাপখনৰ ছপাবন্ধা প্ৰথম খণ্ডতকৈ বহু উন্নত। সম্ভব হলে কিতাপখনৰ দুয়োটা খণ্ডৰে কেচা বন্ধা (Paper back) সস্তা সংস্কৰণ এটা উলিয়াবলৈ আমি প্ৰকাশকক অনুৰোধ কৰিলোঁ।

কিতাপখনৰ দুটামান খুতোঁ উল্লেখ কৰাটো উচিত হ'ব। ভ্ৰমণ কাহিনীৰ বিভিন্ন অংশৰ ঐক্যসূত্ৰ সাধাৰণতে শিথিল হয়। তথাপি বিশ্বাসৰ এই কিতাপখনৰ কোনো কোনো ঠাইত বিভিন্ন পৰিচ্ছেদৰ মাজত থকা যোগসূত্ৰ অতিমাত্ৰাই ক্ষীণ যেন ধাৰণা হয়। ফলত কেতিয়াবা কিতাপখন এখন বিচিত্ৰ প্ৰবন্ধ সংকলন যেন হৈ পৰিছে। আমি জানো, বিভিন্ন ৰাজহুৱা কামত শ্ৰদ্ধেয় বিশ্বাস সদা ব্যস্ত। তেখেতৰ স্বাস্থ্যও আজি কেইবছৰমান ধৰি ভাল অবস্থাত নাই। হয়তো সময় সুবিধা থকা হলে কিতাপখনৰ পৰিকল্পনা অধিক উন্নত আৰু সংহত হ'লহেতেন।

এইবাৰেই হয়তো তেখেতে কোনো কোনো ঠাইত পূৰ্ণাংগ আৰু বিশ্বাসযোগ্য বিশ্লেষণ আগবঢ়াব পৰা নাই। জৰ্জ টমছনৰ Capitalism and After (বাংলা অনুবাদ ঃ পুঁজিবাদ ও তারপর) গ্ৰন্থত ছোভিয়েট সমাজব্যবস্থাৰ অধঃপতনৰ ফলত ক্ৰমিৰ সংকটৰ স্বৰূপ অধিক গভীৰতাৰে দেখুৱা হৈছে। কোনো কোনো ঠাইত চীনৰ সম্প্ৰতি চলি থকা লাইনৰ খুটিনাটি লৈ তেওঁ অধিক সমালোচনামূলক (critical) দৃষ্টিকোণ লব

সাম্প্ৰতিক



পাৰিলেহেঁতেন। আমি জানোঁ যে কোনো কোনো ক্ষেত্ৰত ব্যক্তিগতভাৱে সমসাময়িক চীনৰ কোনো কোনো কথা তেখেতৰ পছন্দ হোৱা নাই। কিন্তু এক ভ্ৰান্ত বিনয় বশতঃ তেখেতে এইবোৰ সংশয় কিতাপত প্ৰকাশ নকৰাকৈ আছে। অত্যুৎসাহৰ ফলতেই ছিয়াং চিং আৰু য়াও-ৱেন-য়ুৱানৰ সম্পৰ্কে তেখেতে তেতিয়া যিবোৰ মন্তব্য দিছিল সেইবোৰ এতিয়া অলপ অতিৰঞ্জিত যেন লগা হৈছে। আমিও ভাবোঁ যে ছিয়াং চিংহঁতৰ লাইনত গুৰিৰে পৰা মতান্ধতাৰ কেৰোণ আছিল---মাওৰ চিন্তাধাৰা যাৰ পৰা মুক্ত। ছিয়াং চিঙৰ ব্যক্তিত্বতো বহুত ভেজাল আছিল। মাৰ্কিন বান্ধৱী Roxane witke ৰ আগত তেওঁ দিয়া ব্যক্তিগত মতামতসমূহৰপৰা তেওঁৰ উচ্চাকাংক্ষী, আত্মগৰ্বী অথচ সীমিত বুদ্ধি আৰু সংকীৰ্ণ চিন্তাৰ উমান পোৱা যায়। সেইবুলি বৰ্তমান চীনা চৰকাৰী সূত্ৰৰপৰা ওলোৱা কিছুমান "তথ্য" (যেনে --ছিয়াং চিং হেনো আচলতে গুপ্তচৰ আছিল) মানি লোৱাটো আমাৰ পক্ষে কঠিন। শ্ৰদ্ধেয় বিশ্বাসে দিয়া সুদীৰ্ঘ পাতনিত ("কৈফিয়ৎ") "চাৰিজনীয়া কুচক্ৰ"ৰ (Gang of Four) ভূমিকা সম্পৰ্কে তেখেতৰ আত্মসমালোচনা, যুক্তিপূৰ্ণ আৰু শক্তিশালী হৈছে। কিন্তু তেখেতে এই কথাখিনি এইধৰণেও ক'ব পাৰিলেহেঁতেন ঃ সাংস্কৃতিক বিপ্লবৰ নেতা মাও, প্ৰধান শক্তি চীনা জনগণ। যিমানদিনে চাৰিজনীয়া দলে মাওৰ চিন্তাধাৰা আৰু জনগণৰ কৰ্মধাৰাৰ লগত একাত্ম হৈ কাম কৰিছিল, তেওঁলোকৰ বিচ্যুতি হোৱা নাছিল। তাৰপৰা আঁতৰি নিজা উপদল এটা গঠন কৰাৰ লগে লগে মতান্ধতা, সংকীৰ্ণতা, অহংকাৰ আৰু অত্যাচাৰী মনোভাবে তেওঁলোকক গ্ৰাস কৰিলে।

বহুকাল অসমৰ বাহিৰত থকা সত্বেও বিশ্বাসৰ ভাষা আচৰিত ধৰণে সাবলীল আৰু সৰস হৈ আছে। জতুৱা ঠাঁচৰ প্ৰয়োগে তেওঁৰ বৰ্ণনা প্ৰায়েই উপভোগ্য কৰিছে। টান কথাবিলাকো সহজ অসমীয়াত বুজোৱাত তেখেত পাকৈত। কিন্তু "উলাহৰ মাদলি" (পৃঃ৫৪) "নামনাচ" (পৃঃ ১১৯), "তচোনচো" (পৃঃ ১৩০), "মাজিউ চৰিত্ৰ" (পৃঃ ১৭৪) আদি ঠাইত অসমীয়া জতুৱা ঠাঁচৰ কিছু বিকৃতি ঘটিছে। + +

## ৰত্নকান্ত বৰকাকতিৰ গদ্যসম্ভাৰ

সম্পাদকঃ শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞা
(লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী-১৯৭৭)
বেচঃ ত্ৰিশ টকা।

ৰোমাণ্টিক অসমীয়া কবিসকলৰ ভিতৰত ৰত্নকান্ত বৰকাকতি এজন আগশাৰীৰ কবি। কিন্তু গদ্যলেখক হিচাবেও তেখেতৰ ৰচনা তাকৰীয়া নাছিল। এই কিতাপখনত তেখেতৰ সকলো গদ্যৰচনা একেলগে যুগুতাই দিয়াত সাহিত্যৰ ছাত্ৰ আৰু গবেষকক সহায় কৰিব।

বৰকাকতিৰ কবিতা যেনেদৰে কোমল আৰু ভাববিভোৰ, গদ্য তেনে নহয়। তেওঁৰ ব্যক্তিত্বৰ এটা কঠোৰ দিশ কিতাপখনে প্ৰকাশ কৰিছে। তৰ্কযুদ্ধত তেওঁ প্ৰতিপক্ষক ধৰাসামৰিকী



OKDISCD

## ॥ আমাৰ শাৰদীয় নিবেদন ॥

বিষ্ণু ৰাভা, এতিয়া কিমান ৰাতি (জীৱনী) তিলক দাস-- ১২'০০
অশান্ত প্ৰহৰ (উপন্যাস) কাঞ্চন বৰুৱা--- ১০'০০
ছিণ্ডিয়ো কৰ্ম বন্ধন (প্ৰবন্ধ) যোগেন্দ্ৰনাথ ভূঞা--- ৫'০০
ৰোমন্থন (উপন্যাস) নন্দ শইকীয়া--- ৫'০০
অংকুৰ (গল্প সংকলন) সম্পাদনাঃ অজিত কুমাৰ ভূঞা--- ৬'০০
মন্টু সংবাদ (চেমনীয়াৰ গল্প) কালীনাথ শৰ্মা--- ৪.০০
পলৰীয়া প্ৰতিধ্বনি (চেমনীয়াৰ উপন্যাস) হৰেন্দ্ৰ নাথ বৰঠাকুৰ--- ৪.০০
শিল জুৰিৰ সাঁকো (ন-শিকাৰুৰ উপন্যাস) কুমাৰ কিশোৰ--- ৪'০০
বৰদোৱা-গুৰুচৰিত (প্ৰবন্ধ) সম্পাদনাঃ ডঃ মহেশ্বৰ নেওগ--- ১২.০০
প্ৰিয়ঙ্গু (কবিতা সংকলন) গৌতম প্ৰসাদ বৰুৱা--- ৪'৮০
বিবাহ আৰু জীৱন (শাস্ত্ৰসন্মত প্ৰবন্ধ) গুৰুদত্ত ভাগৱতী--- ৫'০০
সম্পূৰ্ণ ডাকৰ বচন---সম্পাদনাঃ হেমৰথ বৰ্মণ--- ৫'০০
মঞ্চকলা (থিয়েটাৰ আৰু যাত্ৰা সম্পৰ্কে আলোচনা) কুমাৰ কিশোৰ--- ৬'০০
শেষ ক'ত ? (উপন্যাস) ডঃ প্ৰফুল্লদত্ত গোস্বামী--- ৩.৫০

লগতে

হস্তৰেখা আৰু জ্যোতিষ-বিজ্ঞান-২০'০০ ॥ সাহিত্য আৰু চেতনা-১৫.০০ ॥ বগুকানেহাৰ-১০'০০ ॥ অসীমত যাৰ হেৰাল সীমা-১৫'০০ ॥ জতুগৃহ-৮'০০ ॥ হিমানী-হিল্লোল-৮'০০ ॥ মন আৰু মন-৮'০০ ॥ মেডিকেল কলেজ-৮'০০ ॥ গধূলি লগ্ন-৮'০০ ॥ উপমা কালিদাসস্য-৭'০০ ॥ সাহিত্য-সংস্কৃতিৰ প্ৰবাহ-৭'০০ ॥ অঘৰী আত্মাৰ কাহিনী-৬'৫০ ॥ মণি-কাঞ্চণ-৬'০০ ॥ মাটিৰ মানুহ-৬'০০ ॥ বহাগতে পাতি যাওঁ বিয়া-৬'০০ ॥ সৃজণ আৰু মনন-৬'০০ ॥ ৰাজপথৰ নায়ক-৬'০০ ॥ শিশুৰ প্ৰতিপালন-৬'০০ ॥ আঠজনী মিছেছ-৫'৫০ ॥ বলম্-৫'০০ ॥ অস্তিত্বৰ শিকলি-৫'০০ ॥ অভিনেত্ৰী-৫'০০ ॥ হৃদয়-৫'০০ উ খুন্ জংঙা-৫'০০ ॥ নিষিদ্ধ চেতনা-৫'০০ ॥ মুছাফিৰখানা-৫'০০ ॥ অচিন নায়ক-৪'০০ মহানগৰ-৪ ০০ ॥ গ্ৰহণান্ত-৪'০০ ॥ উত্তাপ-৪'০০ ॥ জৰাসন্ধৰ নৃত্য-৪'০০ ॥ দেৱী ইন্দ্ৰাণী ৪'০০ ॥ সোণালী চুলি-৩'০০ ॥ কুঁৱলী-৩'০০ ॥ ফুলিথকা সূৰ্য্যমুখী ফুলটোৰ ফালে-২'৫০ ॥ ৰামধেনু কাৰ ধেনু ?-২'০০ ॥ ইত্যাদি---

( আমি অন্যান্য প্ৰকাশকৰ কিতাপো যোগান ধৰোঁ )

আগধন নপঠালে অৰ্ডাৰ পঠোৱা নহয়।

**গুৱাহাটী বুক ষ্টল**

শিলপুখুৰী, গুৱাহাটী--৭৮১০০৩ ঃ দিছপুৰ, গুৱাহাটী-৭৮১০০৬



শায়ী কৰিবলৈ ৰজু মুঠি মাৰি গঠিয়াইছে কেইবাবাৰো। তেওঁৰ গদ্যৰ এই পৌৰুষ সত্বেও সি খহটা নহয়, নিমজ আৰু চিকুণ।

চিন্তাৰ পিনৰ পৰা বৰকাকতি আছিল ভাববাদী আৰু যাইকৈ ৰবীন্দ্ৰনাথৰ বৈদান্তিক ভাবধাৰাৰ অনুগামী। তেওঁৰ ৰচনাৰ বহু ঠাইত ৰবীন্দ্ৰনাথৰ প্ৰতিধ্বনি সুস্পষ্ট। কোনো ৰচনাৰ মূলভাৱো (যেনে বেজবৰুৱাৰ ডালিমী সম্পৰ্কীয় আলোচনা য'ত ৰবীন্দ্ৰনাথে শকুন্তলা আৰু মিৰাণ্ডাৰ মাজত কৰা তুলনা প্ৰতিফলিত হৈছে) ৰবীন্দ্ৰনাথৰ পৰাই লোৱা। ৰবীন্দ্ৰনাথৰ প্ৰতি য'তেই তেওঁ শ্ৰদ্ধা নিবেদন কৰিছে তাতেই তেওঁৰ ভাষা উচ্ছ্বসিত আৰু ভক্তি গদ্ গদ্ হৈ উঠিছে। কিন্তু ভাববাদী পৰিমণ্ডলৰ ভিতৰতো ৰবীন্দ্ৰনাথৰ চিন্তাধাৰাই যি বিকাশ বা বিস্তাৰ লাভ কৰিছিল, বৰকাকতিৰ ৰচনাত তেনে বিকাশৰ চিন নাই। তেওঁ ৰবীন্দ্ৰনাথৰ দৰে ফেছিবাদৰ বিৰুদ্ধে কোনো সতৰ্কবাণী শুনোৱা নাছিল। ভাৰতীয় ৰাজনীতিত মাজতে হঠাৎ হিন্দু মহাসভাৰ সমৰ্থক হৈ উঠিছিল। তেওঁৰ চিন্তাৰ এই আপেক্ষিক দৈন্য দুখজনক; কাৰণ বৰকাকতিৰ এটা চিন্তাশীল মন আছিল। ফ্ৰয়ড্ প্ৰভৃতি আধুনিক মনিষীক উপনিষদৰ উক্তিৰ ফৰ্মুটি মাৰি যাইল কৰিব খোজা প্ৰচেষ্টাত ৰক্ষণশীলতাৰ প্ৰভাবেই বেছি।

বৰকাকতি তেওঁৰ সমসাময়িক অসমীয়া লেখকসকলৰ দৰে অসমীয়া জাতীয়তাবাদত আচ্ছন্ন আছিল। তাৰ সৎ দিশ হ'ল তেওঁৰ গভীৰ আৰু নিভাঁজ দেশপ্ৰেম। তাৰ অশুভ দিশ হ'ল অন্ধ স্বজাত্যবোধ আৰু সংকীৰ্ণতা। এই দিশটো সম্পৰ্কে সতৰ্ক হ'বৰ সময় হ'ল।

সামগ্ৰিকভাবে সুখপাঠ্য হলেও ইয়াত নতুন কথা বিশেষ একো নাই। বাণী কাকতিৰ দৰে তেওঁ আমাক ভবাব নোৱাৰে। আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস সম্পৰ্কে তেওঁ দিয়া মন্তব্যও উপকৃৱা বিধৰ। তুলনাত ভাববাদী দৃষ্টিকোণৰপৰা লেখা হলেও মাদ্ৰাজত দিয়া ভাষণত একধৰণৰ গভীৰতা আছে। কাৰণ তেওঁৰ সামগ্ৰিক জীৱন দৰ্শনৰ অন্তঃস্থলীৰ পৰাই উদগত হৈছিল তাৰ ভাববোৰ। শেহত এটা কথা উল্লেখ কৰা উচিত হ'ব যে, অসমত এনে ধৰণৰ বৃহৎ মূল্যবান গ্ৰন্থ (ব্যাবসায়িক দিশটো মুঠেই নিৰাপদজনক নহয় বুলি জানিও) প্ৰকাশ কৰাৰ সাহস লয়ার্ছ বুক ষ্টলে বহ ক্ষেত্ৰত কৰিছে। তাৰ বাবে প্ৰকাশকক আমাৰ আন্তৰিক শলাগ জনাইছোঁ। + +

--হীৰেন গোহাঁই
১১।৯।৭৭

কাল-ভ্ৰমৰ,
ডঃ হীৰেন গোহাঁই,
প্ৰকাশক জাৰ্ণাল এম্প'ৰিয়াম, নলবাৰী, চেপ্টেম্বৰ'৭৭,
বেচঃ ৩'৫০ টকা,।

হীৰেন গোহাঁইৰ আগৰ কেউটা প্ৰবন্ধ সংকলনৰ দৰে 'কাল-ভ্ৰমৰ'ৰ স্বৰূপো বহুৰঙী। অতি কম কলেবৰৰ ভিতৰতে তেওঁ ইয়াত বেজবৰুৱাৰ অবদান, গণভিত্তিক সংস্কৃতি,



OKDISCD

লুকাচ্চ / মাও ছে-তুং, মোৱামৰীয়া বিদ্রোহ, হেম বৰুৱাৰ কবিতা, জৰুৰীকালীন ৰাজনীতি আৰু শিল্পকলা প্ৰভৃতি বিভিন্ন বিষয়ৰ ওপৰত আলোকপাত কৰাৰ প্ৰয়াস কৰিছে। গোহাঁইৰ মেধা স্বভাৱসিদ্ধ যদিও তেওঁৰ প্ৰত্যয় অনুশীলিত। সেয়ে তেওৰ শক্তি যিদৰে তথ্যভিত্তিক আলোচনা আৰু বিশ্লেষণত, সীমাবদ্ধতা সিদৰে অন্ধ আত্মশ্লাঘাত।

সংকলনটিৰ দুটা প্ৰবন্ধত তেওঁ যথাযথ মাৰ্ক্সবাদী পদ্ধতিৰে দুজন পূৰ্বসুৰী--বেজবৰুৱা আৰু হেম বৰুৱাৰ সাহিত্যৰ গঠন আৰু ক্ৰমবিকাশৰ স্তৰবোৰ চিহ্নিত কৰিছে। বেজবৰুৱাৰ বাবে জাতীয় জীৱনৰ আদৰ্শ আছিল সামন্তবাদৰ বিপৰীতে ন-মানবতা, যাৰ তেজাল অনুভূতিয়ে প্ৰাণসঞ্চাৰ কৰিছিল তেওঁৰ আগবয়সৰ সকলো ৰচনাক। কিন্তু সাম্ৰাজ্যবাদী অৰ্থনীতিৰ মেৰপাকত বন্দী জাতীয় জীৱনৰ মুক্তিৰ প্ৰতি বেজবৰুৱা আছিল উদাসীন, তেওঁৰ সকলো সংস্কাৰধৰ্মী আবেগ সত্বেও। সেয়ে, ক্ৰমাগতভাৱে খহনশীল জাতীয় অৰ্থনীতিৰ নিৰাপত্তাহীনতাত তেওঁৰ মন আধ্যাত্মিক ভাববিলাসত ব্যাকুল হৈ আহিল। পুৰণি পৃথিৱী ন-কৈ চাই লোৱাৰ আশাৰে দীপ্ত লক্ষ্মীনাথৰ ৰচনাত ক্ৰমে প্ৰবল হৈ ধ্বনিত হ'ল আধ্যাত্মিক অৱসাদ আৰু আত্মসমৰ্পণৰ বৈষ্ণৱী সুৰ ঃ "দুবৰি বনতকৈও সৰু তই লক্ষ্মীনাথ / ধূলিৰো তলৰে ধূলি----"। কিন্তু, গোহাঁয়ে ঠিকেই আঙুলিয়াইছে, বেজবৰুৱাৰ সাহিত্যত আমি আজি পথৰ সন্ধান নকৰোঁ ; তেওঁৰ সপোনেই আমাৰ উত্তৰাধিকাৰ। একেদৰে, পেব্লু' নেৰুদাৰ কবিতাৰ দৰে হেম বৰুৱাৰ কবিতাও জনজীৱনৰ মহাকাব্য হ'ব পাৰিলেহেঁতেন যদিও কাৰ্যতঃ সেয়া নহ'ল। কাৰণ সংকটৰ স্বৰূপ বুজিলেও বৰুৱাই তাৰ সমাধানৰ পথৰ প্ৰয়াস নকৰিলে। অথচ তেওঁৰ যি এমুঠি কবিতা কেঁচাজীৱনৰ কঁপনিৰে মহীয়ান যৌৱনৰ প্ৰত্যয়দীপ্ত আকাংক্ষাৰে সিক্ত, সেয়া আমাৰ উত্তৰাধিকাৰৰ অংগ।

লেখকে কোৱাৰ দৰে সংকলনটিৰ বেচি ভাগ প্ৰবন্ধই বিতৰ্কমূলক। সেয়ে এনেধৰণৰ সৰুফুটীয়া আলোচনাত সকলোতে মনোযোগ দিয়াৰ অৱকাশ কম। মোৱামৰীয়া বিদ্ৰোহৰ বিষয়ে অমলেন্দু গুহৰ দৰে গোহাঁয়েও যি নিষ্ঠা আৰু উদ্যমেৰে গৱেষণা চলাইছে, দিনৌ নতুন নতুন তথ্য সংগ্ৰহ, পৰীক্ষা আৰু সংগঠন কৰিছে, সেয়া সকলোৰে আদৰৰ। কিন্তু উদ্যমে স্পৰ্দ্ধাৰ ঠাই ললে বিপদ। অসম বুৰঞ্জীৰ এই গুৰুত্বপূৰ্ণ অধ্যায়ৰ বিষয়ে পৰম্পৰাগত ধাৰণাৰ মূলোচ্ছেদ কৰি ১৯৫০ চনতে অমলেন্দু গুহই আঙুলিয়াই দিছিল (Assam Tribune 18.10.50) তাৰ শ্ৰেণীগত দিশটোলৈ। তেতিয়াৰেপৰা তেওঁ এই বিষয়টো, বা সাধাৰণভাৱে অসমৰ ইতিহাস, নিষ্ঠাৰে অধ্যয়ন কৰি আছে। ব্যক্তিগতভাৱে আমি নিজে গুহৰ বহুতো ধাৰণাৰ সৈতে একমত হ'বলৈ অপাৰগ। মোৱামৰীয়া বিদ্ৰোহ সম্বন্ধে সম্প্ৰতি 'আমাৰ প্ৰতিনিধি'ত ওলাই থকা তেওঁৰ প্ৰবন্ধৰাজিত মাজে মাজে তথ্যই উপস্থাপিত তত্ত্বৰ বিৰোধিতাও কৰিছে। কিন্তু সেই বুলি কেতবোৰ টেঙৰ ইংগিতেৰে তেওঁৰ গৱেষণাক হেয় কৰাৰ কাৰ্যক প্ৰশ্ৰয় দিয়াটো হ'ব বৌদ্ধিক অসততা। গোহাঁইৰ মতে, "আহোম সামন্ত ব্যৱস্থাৰ গঠন বুজি নাপালে মোৱামৰীয়া বিদ্ৰোহৰ তাৎপৰ্য্য, তাৰ বিশেষ বলিষ্ঠতা আৰু দুৰ্ব্বলতা বুজি পোৱা টান।" (পৃঃ ৪৬)। ঠিক কথা। কিন্তু এই উক্তিৰ পিচতে আছে ঃ "এই পিনৰ পৰা এই লেখকৰ লগতে ডঃ অমলেন্দু গুহৰ গৱেষণা আৰু আলোচনাই নিশ্চয় নতুন দিশৰ সন্ধেদ লওঁতা।" (পৃঃ ৪৭)। অৰ্থাৎ এই গৱেষণাত লেখকে নিজকেহে অগ্ৰণী বুলি ভাৱে।



'লুকাচ্চনে মাও ছে'-তুং' প্ৰবন্ধ বোধকৰোঁ আমাৰ সমালোচনা (সাম্প্ৰতিক সাময়িকী, ১ঃ৪ ; ২ঃ১)ৰ উত্তৰ। লুকাচ্চ মৰণোন্মুখ সংস্কৃতিৰ একনিষ্ঠ, কঠোৰ বিশ্লেষক, আৰু মাও ছে'-তুং নতুন সংস্কৃতিৰ পয়গম্বৰ ঃ এই কথাত কাৰোৱেই আপত্তি নাই। কিন্তু আমি উত্থাপন কৰা সকলো প্ৰশ্নৰে উত্তৰ গোহাঁইৰ পৰা নেপালোঁ। মাও ছে'-তুঙৰ প্ৰতি এক অনুমেয়, উষ্ণ অনুৰাগে মাজে মাজে তেওঁৰ বক্তব্যক সোলোক ঢোলোক কৰিছে। অতীতৰ কোনবোৰ ৰচনা আমি ভৱিষ্যত্যলৈ কঢ়িয়াই নিম, আৰু কেনেকৈ ?--এই প্ৰশ্নৰ উত্তৰ আমি কাৰ ৰচনাত বিচাৰিম ? "বুৰ্জোৱা বুদ্ধিজীৱীৰ স্বভাৱসিদ্ধ ভাববাদে" লুকাচ্চৰ ৰচনা আৰু চিন্তাক ক্ষতিগ্ৰস্ত কৰা বুলি অভিযোগ অনা গোহাঁয়ে মাৰ্ক্সৰ E. P. M.ৰ বিষয়ে কি ক'ব ? শ্ৰেণী চেতনাৰ আপেক্ষিকতাৰ বিষয়ে গোহাঁয়ে শোধনবাদী চহুই উলিওৱা যুক্তিৰাজি মানি লৈছে। এই বিষয়ে কিছু বিস্তৃত আলোচনাৰ আশা ৰাখিছোঁ।

শেষত, জনগণৰ ভাষা। আমাৰ পূৰ্বৰ আলোচনাত গণভিত্তিক সংস্কৃতিৰ বিষয়ে দুই এটা সমস্যাৰ অৱতাৰণা কৰিছিলোঁ। মাৰ্ক্সীয় বিশ্ববীক্ষাত 'জনগণ' কোনো বিমূৰ্ত, আতিভৌতিক ধাৰণা নহয় ; ঐতিহাসিক পৰিস্থিতিয়ে নিৰ্দিষ্ট স্থানত, নিৰ্দিষ্ট কালত ঠিৰাং কৰা এটা কংক্ৰিট সত্য। কিন্তু গোহাঁইৰ 'জনগণ'ত ভাববাদী উপাদানেই সৰহ, বুৰ্জোৱা মানবতাৰ বিমূৰ্ত কনচেপ্টৰ প্ৰতি তেওঁৰ তাত্ত্বিক শত্ৰুতা সত্বেও। সংজ্ঞাহীন এই তত্ত্বৰ অনিবাৰ্য প্ৰাপ্তি হ'ব হেগেলীয় প্ৰপঞ্চবাদত।

'জনগণৰ চহকী, জীয়া ভাষা' গোহাঁইৰ ৰচনাত এক বিমূৰ্ত, তাত্ত্বিক ধাৰণা। আগৰ আলোচনাত আমি গোহাঁইক আহ্বান কৰিছিলোঁ 'চহকী, জীয়া ভাষা'ৰ সংজ্ঞা দি আমাৰ কৌতূহল শাঁত কৰিবলৈ। এই সংকলনত হয়তো তেওঁ সজ্ঞানেই এনে সংজ্ঞাদানৰ পৰা বিৰত আছে ; অথবা, 'চহকী, জীয়া ভাষা' নিজেই ব্যৱহাৰ কৰি পাঠকৰ কৌতূহল মিতোৱাৰ পৰোক্ষ চেষ্টা তেওঁ কৰিছে। যদি দ্বিতীয়টো সঁচা হয়, তেন্তে অনুমতি সাপেক্ষে আমি তেওঁৰ কেতবোৰ বাক্য পৰীক্ষা কৰি জনগণৰ ভাষাৰ এটা মোটামুটি সংজ্ঞা সাজি ল'ব পাৰোঁহঁক ঃ

(১) "অৱশ্যে দেহা বেচি ফুৰা পোহাৰীয়ে হাটে-বজাৰে নিজকে সতী-সাধ্বী প্ৰমাণ কৰিবলৈ সকলোৰে লগত চিঞৰ-বাখৰ কৰি কাজিয়া কৰি ফুৰাৰ দৰে এওঁলোকৰ কোনো কোনোৱে নিজৰ "স্বাধীনতা" প্ৰমাণ কৰিবলৈ য'তে ত'তে বেবাই ফুৰে।" (পৃঃ ৯১-৯২)।

(২) "চৰকাৰে মোক জেলত ভৰোৱা নাছিল ঠিকেই ! কিন্তু প্ৰতিদিনে প্ৰতি সপ্তাহতে খবৰ কাগজত বা ৰেডিয়ত উক্ত লেখক বা সাংবাদিক মহলৰ হতুৱাই মোৰ ব্যক্তিগত জীৱন সম্পৰ্কে তুমুল কুৎসাৰটনা কৰিছিল। ইহঁতে আনকি মোৰ পৰিবাৰৰ বিষয়েও কুৎসিত ইঙ্গিত দিবলৈ এৰা নাছিল। কোনোবাই ইহঁতৰ এই ইতৰামিত আপত্তি কৰিলেও 'ধেমালি নুবুজে' বুলি ওলোটাই ভেকাহি মাৰিছিল। ইহঁতৰ 'ৰসবোধ'ৰ নমুনা দেখি ধাৰণা হয় যে কোনোবাই সিহঁতৰ দেউতাকক খুন কৰিলেও, ভনীয়েকক ধৰ্ষণ কৰিলেও তাকে লৈ ধেমালি কৰিব পৰা ৰসিক ইহঁত।"

'এইবোৰ শিয়ালে এতিয়াও মাজে মাজে হোৱা দি থকা দেখি----" (পৃঃ ৯৪)।

গোহাঁইৰ বিশিষ্ট ৰীতিৰ প্ৰথম নমুনাটোত জৰুৰীকালীন সময়ত নিজৰ সত্তাক নীলামত বিক্ৰী কৰা শিল্পীসকলৰ এটা অংশক ভৰ্ৎসনা কৰা হৈছে। কিন্তু ফাল্টু (extra) ব্যঞ্জনাৰ খাটিৰত পোনপটীয়া উক্তি এৰি লেখকে চিত্ৰকল্পৰ সহায় লৈছে। উপমাৰ লগে লগে বিষম ৰূপ ধৰি উপমা পৰিবৰ্তিত হৈছে ৰূপকলৈ ঃ জৰুৰীকালীন শিল্পীবোৰ পোহাৰী, পোহাৰীবোৰ ছাগলী, 'বেবাই ফুৰে'! ইয়াত অলংকাৰৰ যথাযথতা বা বিসংগতি আমাৰ প্ৰশ্ন নহয়। প্ৰশ্ন হ'ল ৰুচিৰ। এয়ে নেকি 'জনগণৰ চহকী, জীয়া ভাষা'? প্ৰসংগ-ক্ৰমে উল্লেখযোগ্য যে 'সাহিত্যৰ সত্য'ত কচুবেপাৰীজনো লেখকৰ পেংলাইৰপৰা সাৰি যোৱা নাছিল। বোধকৰোঁ পোহাৰী, কচুবেপাৰী আদি জীৱবোৰে 'জনগণ'ত এতিয়াও নামভৰ্তি কৰা নাই।

কোনো লোকে গোহাঁইক 'ইমাৰ্জেন্সিৰ লাইখুটা' (পৃঃ ৯৩) হিচাপে ৰাইজৰ আগত ডাঙি ধৰিব খোজা বুলি আমি নাজানো। তাৰ লিখিত প্ৰমাণ নাই যদিও কাৰোবাৰ চ'ৰা ঘৰৰ গুণগুণনি (?)কে গোহাঁয়ে এটা বিষয় কৰি লৈছে; উদ্দেশ্য আত্মপ্ৰকাশ। চৰকাৰে তেওঁৰ বিপ্লৱী ভূমিকাৰ শলাগ নোলোৱাত আক্ষেপ ঃ 'চৰকাৰে মোক জে'লত ভৰোৱা নাছিল ঠিকেই-----কিন্তু'!

কিন্তু! আত্মপ্ৰকাশৰ তাড়ণাই নিশ্চয় সকলোকে নিয়ন্ত্ৰণ কৰে। শক্তিমান প্ৰতিপক্ষৰ অহংকাৰ ধূলিস্যাৎ কৰি বীৰশিৰোমণি মহম্মদ আলি দৰ্শকৰ ফালে নামি আহে "I'm the greatest" চিঞৰ টানি। সেয়া আমোদদায়ক। কিন্তু ("কিন্তু"!) গোহাঁইৰ আত্মপ্ৰকাশৰ তাড়ণাত নিহিত আছে এক ট্ৰেজিক সম্ভাৱনা ঃ আৰিষ্টটলৰ ভাষাত সি একেধাৰে সঞ্চাৰ কৰে কৰুণা আৰু ভীতিকৰ। আমাৰ সমাজ-সংস্কৃতিৰ ক'ৰবাত কি এটা এনে ভুল হৈ আছে, যাৰ বাবে গোহাঁইৰ দৰে এজন প্ৰখৰ, মেধাৱী লোকো নিজৰ অস্তিত্বত সন্দিহান, কল্পিত দৈত্যৰ সৈতে এক অবিৰত, থৈয়ানথৈয়া ৰণত কৰুণভাৱে লিপ্ত?০০

ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামী

০০ এই পুথি সমালোচনা প্ৰসংগত অহা সংখ্যাত ডঃ হীৰেন গোহাঁইৰ মন্তব্য প্ৰকাশ কৰা হ'ব। ---সম্পাদক



## ন-পুথিৰ চিনাকি

> সমালোচনা নহয়, চিনাকিহে। এই শিতানত আমি নতুন কিতাপৰ এটি থুল-মূল পৰিচয় আগবঢ়াম। সাধাৰণতে দেখা যায় যে নতুন ভাল কিতাপ প্ৰকাশ হ'লে আমাৰ বহু পাঠকে গমকে নাপায়। আকৌ বহু সময়ত সমালোচকৰ পক্ষপাতিতামূলক সমালোচনাই পাঠকক বিভ্ৰান্ত কৰি ভাল কিতাপ এখন পঢ়াৰ পৰা বঞ্চিত কৰে। সেয়ে নতুন কিতাপৰ সাধাৰণ পৰিচয় এটি আগবঢ়াই পাঠকক আমি কিছু খবৰ দিয়াৰ যত্ন কৰিম। প্ৰয়োজন বোধে এই কিতাপৰ সমালোচনা পৰৱৰ্তী সংখ্যাত প্ৰকাশ কৰিম। এইবাৰ মেদিনী চৌধুৰীৰ দুখন নতুন কিতাপৰ পৰিচয় আগবঢ়াইছোঁ। এক বিশিষ্ট ৰচনা-শৈলীৰ অধিকাৰী চৌধুৰী অসমীয়া সাহিত্যত সু-পৰিচিত। ---সম্পাদক

### মেদিনী চৌধুৰীৰ দুখন নতুন উপন্যাস

"তাত নদী নাছিল' আৰু 'অৰণ্য আদিম' (প্ৰকাশক ঃ নতুন প্ৰকাশ, শিলপুখুৰী, গুৱাহাটী ৭৮১০০৩) নামৰ দুখন উপন্যাস ছপা হৈ ওলাইছে। দুয়োখন উপন্যাসেই খাটিখোৱা মানুহৰ কেঁচা ঘাম আৰু মাটিৰ গোন্ধেৰে সমৃদ্ধ। 'তাত নদী নাছিল'ৰ পটভূমি হ'ল ভাৰতবৰ্ষৰ এখন ভিতৰুৱা গাঁও। তাৰ সমাজ আৰু গঞা সাধাৰণৰ সুখ দুঃখ হাঁহি কান্দোন অবিকৃতভাৱে তাত তুলি ধৰিবৰ চেষ্টা কৰা হৈছে। দেশৰ ঐতিহাসিক ঘটনাবোৰৰ সতে সেইসকলৰ দ্বিধাজড়িত সংযোগ আৰু সেইবোৰৰ প্ৰতি মাজে মাজে অজ্ঞতাজনিত অনীহা অথচ সেইসকলে গম নোপোৱাকৈয়ে কিদৰে গাঁৱৰ সমাজ-জীৱনত তাৰ প্ৰতিক্ৰিয়াবোৰ প্ৰকট হৈ উঠে ভিতৰুৱা গাঁৱৰ এই চাৰিত্ৰিক বৈশিষ্ট্যসমূহ তাত ৰোমাঞ্চ বা ভাৱানুবেগৰ স্পৰ্শ নপৰাকৈ দেখুৱাবৰ চেষ্টা কৰা হৈছে।

'তাত নদী নাছিল' মূলতে দেশৰ ভিতৰুৱা গাঁও এখনৰ ৰোমাঞ্চবিহীন প্ৰত্যক্ষ কাহিনী। জগত মৌজাদাৰৰ উপৰিপুৰুষে দুঘৰ নে তিনিঘৰ আপোন-মানুহেৰে এই গাঁও পাতিছিলহি। ভোটৰ উপদ্ৰৱত তিষ্ঠিব নোৱাৰি, হাইজাত উছন গৈ, নদীভংগত ছেদেলি ভেদেলি হৈ এদিন লগত মাত্ৰ দুই নে তিনিঘৰ মানুহ লৈ নদী নোহোৱা জংঘলাকীৰ্ণ ঠাই এডোখৰত এই গাঁওখন পাতিছিলহি। তাৰ পাচত লাহে লাহে তালৈ বহুত মানুহ আহিছিল। জীউৰাম আহিছিল, বলী চিকাৰীৰ ককাক আহিছিল; আহিছিল হৰেশ্বৰ দৰ্জি, ধন্দ্ৰা কমাৰ এনেদৰে আৰু বহুত জন। এসময়ত গাঁওখন ধনে জনে গমগমাই উঠিছিল।

## আমাৰ শাৰদীয় অৰ্ঘ্য

| | |
|---|---|
| অভিশপ্ত চম্বল ॥ খগেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা | ১০·০০ |
| বিলকিচ বেগম ॥ খগেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা | ১০·০০ |
| অনন্য প্ৰান্তৰ ॥ মেদিনী চৌধুৰী | ১৫·০০ |
| জন্ম (নাটক) ॥ মহেন্দ্ৰ নাথ বৰঠাকুৰ | ৩·০০ |
| আনন্দৰাম ঢেকীয়াল ফুকন ॥ নন্দ তালুকদাৰ | ১৫·০০ |
| ৰত্নকান্ত বৰকাকতিৰ গদ্য সম্ভাৰ ॥ যোগেন্দ্ৰ নাৰায়ণ ভূঞা | ৩০·০০ |
| জীৱনৰ বাটত (উপন্যাস) ॥ বীণা বৰুৱা | ১২·৫০ |
| বাসনাৰ অতীত (অনুবাদ) ॥ প্ৰণীতা দেৱী | ৩০·০০ |
| জ্ঞানানন্দ শৰ্মা পাঠকৰ সাহিত্য আলোচনা ॥ | ১৫·০০ |
| পুৰণি অসম বুৰঞ্জী ॥ পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ১৫·০০ |
| অসমীয়া কথা সাহিত্য (পুৰণি ভাগ) ॥ বিৰিঞ্চি কুমাৰ বৰুৱা | ৪·০০ |
| বিচিত্ৰ নাৰায়ণ দত্ত বৰুৱাৰ স্মৃতি গ্ৰন্থ ॥ | ১০·০০ |
| কবিতাৰ ৰ'দ ॥ হীৰেণ ভট্টাচাৰ্য | ৩·০০ |
| প্ৰেমৰ গান ॥ হীৰেণ ভট্টাচাৰ্য | ৩·০০ |
| এৰি অহা দিনবোৰ ॥ নলীনী বালা দেৱী | ১৮·০০ |
| Threads Woven : Ideals, Principles and Administration ॥ B. P. Singh | 30·00 |
| Anglo-Assamese Relations, (Ph. D. Thesis, University of London) S. K. Bhuyan | 50·00 |
| The Pronouncing Anglo-Assamese Dictionery B. N. Bhattacharjee | 26·00 |
| Milton : Tradition and Paradise Lost : A Heretical View : (Ph. D. Thesis, Cambridge University) Dr. Hiren Gohain | 65·00 |
| Human Sacrifice and Head Hunting in North Eastern India, B. Gohain | 30·00 |
| Assamese its Formation : and Devolopment B. K. Kakati | 30·00 |

**লয়াৰ্চ বুক ষ্টল**

পাণবজাৰ ॥ গুৱাহাটী-৭৮১০০১

ফোনঃ-২৩৭৯৯




জগত আছিল মণ্ডল। অঞ্চলৰ মহাপ্ৰতাপী ঘনাই তহচীলদাৰৰ মন যোগাবলৈ বুলি তেওঁ কৰিব নোৱাৰা কাম একোৱেই নাছিল। দোপতদোপে উন্নতি কৰি তেওঁ নিজে মৌজাদাৰ খিতাপ লৈয়ে ক্ষান্ত নাথাকিল। প্ৰভূত সম্পত্তিও আহৰণ কৰিলে।

জগতে ভাবিছিল তেওঁৰ সম্পত্তি, খিতাপ, গাঁৱৰ সন্মান যুগমীয়া হৈ ৰ'ব। সম্পত্তি খিতাপতো তেওঁৰ এক পুৰুষৰ পাচতে ধূলিত মিহলি হৈ গ'ল; আৰু গাঁও ? তেওঁৰ নাতিয়েকৰ দিনতে গাঁওখন একেবাৰে উচ্ছন্ন উঠিল।

জগতে সঁচাকে বহুত ভাবিছিল। গাঁৱৰ সেই নিঃসহায় অসূৰ্যস্পৰ্শা বোৱাৰীজনীৰ কথা ভাবি সঁচাকে দুঃখ লাগে। প্ৰতাপী তহচীলদাৰৰ এৰাতিৰ যৌন ক্ষুধা নিবৃত্তিৰ বাবে জগতে কি যে জঘন্য কাম কৰিবলগীয়া হৈছিল ! তথাপি সি কৰিছিল ; আৰু তাৰ কৃতিত্বত মোহিত হৈ তহচীলদাৰে কমিছনাৰ চাহাবক ধৰি মেলি তাক মণ্ডলৰ পৰা কৰিছিল কাননগো আৰু শেষত মৌজাদাৰ। জগতৰ অখণ্ড প্ৰতাপৰ সন্মুখত বলি হৈছিল কত জনৰ উপভোগ্য যৌৱন, জীৱন, মৰ্যাদা, আত্মসন্মান !

সমস্তযুগীয়া অৱশেষৰ প্ৰতিভূ জগতৰপৰা মাত্ৰ এটা বংশৰ কাহিনী কিতাপখনত সামৰা হৈছে। কিন্তু সেই সময়খিনিতে সেই মানুহবোৰৰ জীৱনবোধৰ সাল-সলনিবোৰ স্পষ্ট হৈ ওলাই পৰিছে। তেওঁলোকৰ ঈশ্বৰ, গাভৰু ছোৱালী, ঘৈণী, ডেকা ল'ৰা, পথাৰ, বননি, বাঘ, জুৰি, যাদু, ভূত, চৰাই, পদূলি, গৰুৰপাল আটাইবোৰে শান্ত পানীত মাছে বনোৱাদি নিবিচৰাকৈয়ে দেখা দিছেহি কাহিনীৰ মাজে মাজে। মুঠতে 'তাত নদী নাছিল' এখন বিৰাট 'মুৰেল'। নদীহীন, গতিহীন সময় স্তব্ধ কৰি ৰখা এখন গাঁৱৰ 'মুৰেল'।

'অৰণ্য আদিম' অৱশ্যে অৰণ্যৰ কাহিনী নহয়। কয়লাখাতৰ জীৱনক আশ্ৰয় কৰি লেখা এখন সৰু উপন্যাস। সেই সমাজত মাত্ৰ দুটা শ্ৰেণী থাকে। তাৰে এটা হ'ল কোম্পানীৰ কভেনেন্টেড অফিছাৰ আৰু আনটো হ'ল অন্যান্য। এই দুটা শ্ৰেণীৰ মাজত যি এক অপৰিমেয় প্ৰভেদ বিদ্যমান সেয়ে উপন্যাসৰ উপজীব্য বিষয়। তদুপৰি আৰু এটা দিশ তাত দেখুৱাবলৈ যত্ন কৰা হৈছে। কোম্পানীৰ বিষয়া কিছুমানৰ ভদ্ৰতা, মাৰ্জিত ৰুচি আৰু শিষ্টাচাৰৰ অন্তৰালত এটা আৰণ্যক মন লুকাই থাকে। সেই মনৰ হিংস্ৰতা কি যে ভয়াবহ বহুতে হয়তো কল্পনাই কৰিব নোৱাৰিব। সেই মনৰ গহণ আদিম অৰণ্যৰ দৰেই প্ৰাণঘাতী বিপদেৰে ভৰা। উপন্যাসখনত তেনে মনৰ স্বৰূপ উদ্ঘাটনৰো যত্ন কৰা হৈছে। আমি জনাত অসমীয়া সাহিত্যত এনেবোৰ বিষয় লৈ আজিলৈকে কোনো উপন্যাস লেখা হোৱা নাই। সাধাৰণ মানুহৰ জীৱনবোধ, যৌনানুভূতিৰ ইমান নিবিড় চিত্ৰ আৰু কৰবাত আছে যদিও আমাৰ চকুত পৰা নাই। + +

অণু বৰা

# ডঃ ভবেন্দ্ৰনাথ শইকীয়াৰ সন্ধ্যাৰাগ ঃ তিনিটা অভিমত



সন্ধ্যাৰাগৰ এটি বিশেষ দৃশ্যত ৰুণু দেৱী আৰু ৰাজু বৰদলৈ

## প্ৰথম অভিমত

মাধৱ ডেকা

ডঃ ভবেন্দ্ৰনাথ শইকীয়াৰ চলচ্চিত্ৰ 'সন্ধ্যাৰাগ' চালোঁ। ছবিখনৰ উপজীব্য উপস্থাপিত বিষয়বস্তু নাইবা প্ৰতিপাদনৰ লগত তাৰ নাম শিতানৰ সমন্বয়সাধনৰ বিষয়ে নিৰ্মাতাই কি ভাবিছিল তাৰ উমান নাপালোঁ যেন লাগিল।

ছবিখন চাই হোৱা মোৰ প্ৰতিক্ৰিয়া মিশ্ৰিত। ইয়াৰ আগৰ যি কোনো অসমীয়া ছবিৰ তুলনাত ডঃ শইকীয়াৰ 'সন্ধ্যাৰাগ' কেইবাটাও দিশৰপৰা বৈশিষ্ট্যপূৰ্ণ। ডঃ শইকীয়াই বোধকৰোঁ এই প্ৰথমবাৰৰ বাবে অসমীয়া চিত্ৰামোদীসকলক আঙুলিয়াই দেখুৱালে যে, চিৰাচৰিত আৰু অপৰিহাৰ্য বুলি ভুলকৈ ভাবি অহা আংগিকসমূহৰ কাৰাপ্ৰাচীৰ ভেদ কৰি নিতান্ত বাস্তৱতাপূৰ্ণ আংগিকৰ মাধ্যমেৰে মনোজ্ঞ চলচ্চিত্ৰকলাৰ সৃষ্টি সম্ভৱপৰ। চাই ভাল লাগিবলৈ হলে ছবি এখন কেনেকুৱা হ'ব লাগে এই বিষয়ে আমাৰ সাধাৰণ চিত্ৰামোদীৰ ৰুচিজ্ঞানক বম্বেৰপৰা ওলোৱা সচৰাচৰ হিন্দী বোলছবিবোৰে এনেকৈ দুৰাচ্ছন্ন কৰি পেলাইছে যে আমি বহুতেই প্ৰায় ভাবিব নোৱৰা হৈছোঁগৈহঁক যে অপনায়ক, বিদূষক, সখাশত্ৰুৰ সমাহাৰবেষ্টিত নিৰ্দিষ্ট নায়ক-নায়িকাৰ লগতে চিৰন্তন ত্ৰিভুজৰ তৃতীয় বিন্দুৰ অধিকাৰী উপনায়ক, অতি উদাৰ বা অতি আত্মকেন্দ্ৰী গুৰুজন ব্যতিৰেকেও চলচ্চিত্ৰ এখন হৈ উঠিব পাৰে। এইবোৰৰ উপৰিও প্ৰত্যেকখন চলচ্চিত্ৰই চকুৰ পানীৰপৰা নিষ্ঠুৰতালৈকে ষড়ৰস-সমন্বিত আৰু দেহবিচাৰৰ গীতৰপৰা বিহুসুৰীয়া গীত পাৰ হৈ কাবাৰে-ডিস্কোথেকলৈকে সামৰা অন্ততঃ পৌণে একডজন গীত, ব্লেকমাৰ্কেট-স্মাগলিং পালোৱানী আৰু হত্যা আদি অপৰাধৰপৰা নৈতিক-ধৰ্মমূলক বিবৃতিলৈকে আৰু সদৌ শেহত 'ধৰ্মৰ সদায় জয়' সূচক নিবৃত্তিলৈকে সৰ্বসম্পন্ন 'ভেৰাইটি শ্বো' হৈ নুঠিলে সি চলচ্চিত্ৰই নহয়। হিন্দী ছবিয়ে প্ৰবৰ্তন কৰা এইবোৰ বিকৃত জনপ্ৰত্যাশাৰ চিকাৰ হৈ ইমানদিনে ওলোৱা আমাৰ অধিক সংখ্যক অসমীয়া ছবিও কিম্ভূতকিমাকাৰ হৈ ওলায়। অৱশ্যে এইটোও অতি সঁচা যে বেছিভাগ অসমীয়া ছবিৰ লিখক-নিৰ্দেশক-প্ৰস্তুতকাৰীৰ নিজৰ বৰীয়াকৈ ৰাইজক দিবলগীয়া একো নথকাৰ বাবেও হিন্দী ছবিৰ অনুকৰণৰ আশ্ৰয় নোলোৱাকৈ 'চকুৰ তললৈ জাল নিয়াব পৰা' ( Potboiler ) ছবি এখন কৰি তুলিব নোৱাৰে।

ডঃ শইকীয়াৰ ছবিক অন্ততঃ এই এটা কথাৰ বাবেই আদৰণি জনাওঁ যে তেওঁ এই 'দুষ্ট-পৰম্পৰা'ৰ ওপৰলৈ উঠিবলৈ প্ৰয়াস পাইছে আৰু এই প্ৰয়াসত আংশিকভাৱে সফলো হৈছে। অপৰাধ-উত্তেজনা যে তেওঁ ছবিত পৰিহাৰ কৰিছেই, আনফালেদিও ছবিখন তলথাপৰ ৰুচি বা সস্তীয়া মানসিকতাপ্ৰসূত প্ৰত্যাশাৰ 'কামধেনু' হ'বলৈ দিয়া নাই। সমসাময়িক জীৱনৰ প্ৰতিফলন ছবিখনত বহুপৰিমাণেই হৈছে যদিও চৰিত্ৰৰ তীব্ৰ বা তীক্ষ্ণ ৰূপায়নত তেওঁ মনোনিবেশ কৰা নাই, অথচ গৃহপৰিচাৰিকা চাৰু, গৃহকৰ্ত্ৰী আৰু বাহনচালকজনৰ চৰিত্ৰৰ মৃদু অথচ সফল ৰূপায়ন উপযুক্ত পৰিমাণেই ঘটাব পাৰিছে। যি বিবেচনাৰ ফালৰপৰা ছবিখনৰ আটাইতকৈ মনোগ্ৰাহী সবলতা আমাৰ চকুত পৰিছে, সেইটো হৈছে কৃত্য আৰু দৃশ্যবিন্যাসৰ বিভিন্ন খুটিনাটিৰ প্ৰতি নিৰ্দেশক আৰু সংলাপ ৰচনাকাৰীৰ বাস্তৱমুখী, শিল্পীসুলভ তীক্ষ্ণ দৃষ্টি আৰু তাৰ সফল ৰূপায়ন। এই এটা ফালৰ পৰা সন্ধ্যাৰাগ অসমীয়া ছবিবোৰৰ মাজত অনন্যসাধাৰণ হৈছে বুলি ন দি ক'ব পাৰোঁ। ডঃ শইকীয়াই এই বিষয়ত অসমীয়া ছবিজগতৰ নতুন ক্ৰিয়াভূমিত পদক্ষেপ কৰিছে বুলি ক'বলৈ বাধা নাই।

ছবিখনত বক্তব্য বা প্ৰতিপাদ্য বিষয়ৰ পৰিসৰ নাইবা ভিত্তি বৰ ব্যাপক নহয়, এটা সহানুভূতিশীল পৰিয়াল আৰু তেওঁলোকৰ নিষ্ঠাৱতী আৰু অনুগতা দুখীয়া ছোৱালী এজনীৰ প্ৰায় বিৰল অথচ আন্তৰিক মধুৰতা আৰু সদৌ শেহত বিভিন্ন অৱস্থাৰ তাড়ণাত ছোৱালীজনীৰ (আৰু লগতে তাইৰ মাক-ভনীয়েকৰ) বাহনচালকজনৰ আশ্ৰয় গ্ৰহণ---- ইমানেই ছবিখনৰ ঘটনামূলক উপজীব্য। পৰিয়াল এটাৰ মানবীয় সহানুভূতি, দুখীয়া ছোৱালীজনীৰ নিষ্ঠা আৰু আনুগত্য আৰু আমোঘ অৱস্থাৰ তাড়ণা----ইয়াতকৈ বেছি কথা ছবিখনে দৰ্শকলৈ বহন কৰা নাই। খুটিনাটিৰ পৰ্যাপ্ত আৰু নিখুঁত চিত্ৰায়নে ডঃ শইকীয়াৰ সংবেদনশীল মনৰ প্ৰতিফলন ঘটাইছে।



OKDISCD

আমি গিচে ইমানদিনে ইয়াতোকৈ আৰু বেচি অন্ততঃ কেইখনমান অসমীয়া ছবিৰ পৰা (আৰু নিতান্ত কথা-সাহিত্যৰ পৰাও) বিচাৰি আছোঁ ঃ আমাক আৰু কিছুমান কৃতি লাগিছিল যিবোৰে জনজীৱনৰ সংঘাতসমূহ আৰু তাৰ সমাধান (লাগিলে যিমানেই ৰূপকতা-মূলক নহওক) জনমানসত উপস্থাপিত কৰি সঁচাসঁচিকৈ কলাকাৰৰ সক্ৰিয় সমাজ চেতনা প্ৰতিফলিত কৰিব পাৰে। আমাৰ দেশত বা সমাজত এনেবোৰ সংঘাত সমস্যা যে অসংখ্য তাৰ কথা নকলেও হ'ব। এইবোৰ পাহৰাই ৰাখিব খোজা মধ্যবিত্তৰ নিতান্ত ব্যক্তিগত হৃদয়বৃত্তি বা মূল্যহীন সংবেদনশীলতাৰ চানেকী কথা-সাহিত্য বা ছবিৰ যোগেদি আৰু কিমান গ্ৰহণ কৰিম? অৱশ্যে সংগ্ৰামমুখিতা বা আদৰ্শনিষ্ঠাৰ অভাৱত মননশীলতাবিহীন কোনো কোনো জনসমুদায়ে তাকেই ডাঙৰ কলা-কৃতি বুলি গ্ৰহণ কৰে আৰু নাছিছাছ সদৃশ অনুভূতি উপভোগ কৰে। সমাজ-সচেতন মননশীলতাই হলে তাকে কলাকাৰৰ পলায়ন বৃত্তি বা মনোজাগতিক (আৰু লগতে আৰ্থিক) শোষণবৃত্তি বুলিহে ল'ব খোজে। এইফালৰ পৰা 'সন্ধ্যাৰাগ'ৰ কৃতিত্বও সীমিত পৰিমাণৰহে। কিন্তু এনেকুৱা কলা সৃষ্টিৰ আংগিক বা Technique ৰ অনুসন্ধানত এই ছবিয়ে সঁচাসঁচি সমাজ সচেতন, বাস্তৱতামূলক ছবি প্ৰস্তুত কৰিবলৈ সাহস আৰু সম্বল পোৱা উচিত। সেয়ে হলে সন্ধ্যাৰাগ সফল হ'ব। উৎসাহজনক কথা এয়াও যে বৰ ডাঙৰ প্লট বা উত্তেজনামূলক কাহিনী নাইবা 'ভেৰাইটী শ্বো'ৰ অনুপান নথকা সত্বেও জনসাধাৰণে ইয়াক আন অসমীয়া ছবিৰ তুলনাত অলপ বেছি আদৰ দেখুৱাইছে।

লাগে সবলতৰ, সাৰ্থক, কাৰ্যক্ষম আৰু বাস্তৱমুখী সমাজচেতনা, ইতিহাসচেতনা আৰু সমস্যা আৰু তাৰ সমাধানৰ বাবে কলাকাৰৰ দিশা প্ৰাপ্তিৰ চেতনা। আমাৰ দৰে সমস্যা-কীৰ্ণ অথচ সমাধানবিমুখ সমাজৰ বাবে লাগে সমস্যাসমূহৰ যথাযথ উপস্থাপন আৰু সমা-ধানৰ পথনিৰ্দেশ, লাগিলে কলাকৃষ্টি কিছুপৰিমাণে প্ৰচাৰধৰ্মী হলেও হওক, যদি কলা-সম্মত হয়।

মোৰ বোধেৰে সন্ধ্যাৰাগ এখন আংশিকভাৱেহে সফল ছবি; কিন্তু অসমীয়া ছবিৰ ক্ৰমবিকাশত যিখিনি সি অৰিহণা যোগাইছে সি ভৱিষ্যতৰ আন ছবিৰ বাবে সুস্থ উপজীৱ্য বুলি প্ৰমাণিত নহৈ নাথাকে।

## দ্বিতীয় অভিমত

প্ৰতুল শইকীয়া

'সন্ধ্যাৰাগ' শব্দটোৱে এটা কৰুণ বা বিষণ্ণ অৱস্থাৰ ইংগিত নিদিয়েনে? শব্দটোৱে পবিত্ৰ পৰিবেশৰ ধাৰণাও জন্মায়। সন্ধ্যাৰ সময়ত স্তুতি-মিনতি-প্ৰাৰ্থনা কৰা ঘৰুৱা পৰিবেশবোৰৰ কথা সুঁৱৰিলেই শব্দটোৰ তদ্ৰূপ অৰ্থ এটা নিশ্চয় মনলৈ নহাকৈ নাথাকে; কিন্তু 'সন্ধ্যাৰাগ' চাই প্ৰেক্ষাগৃহৰপৰা ওলাই অহা দৰ্শকজনৰ মুখত কি যে এটা স্বস্তিৰ ভাৱ! চাৰু ৰক্ষা পৰিল! সন্তানৰ পিতৃ হবলৈ অক্ষম মতি ড্ৰাইভাৰৰ লগত গুচি যাবলৈ স্থিৰ কৰাৰ ফলতে যেন তাই দৰিদ্ৰতা তথা দুৰ্ভিক্ষৰ কৰাল গ্ৰাসৰপৰা ৰক্ষা পৰিল!



জনপ্ৰিয় গল্প লেখক ডঃ ভবেন্দ্ৰনাথ শইকীয়াই প্ৰথমখন কথাছবি নিৰ্মাণ কৰিয়েই অসমীয়া কথাছবি জগতত এটা নতুন গতিৰ সূচনা কৰিলে বুলি কাকতে পত্ৰই কৰা মন্তব্যত প্ৰভাৱান্বিত হৈ 'সন্ধ্যাৰাগ' চাবলৈ যোৱা দৰ্শকৰ অন্ত নাই। অৱশ্যে 'সন্ধ্যা-ৰাগ'ৰ জৰিয়তে ডঃ শইকীয়াই কি ক'বলৈ বিচাৰিছে বুলি সুধিলেহে তাৰ সুস্পষ্ট উত্তৰ দিয়া দৰ্শকৰ অভাৱ।

বিষয়-বস্তু তথা বক্তব্যৰ দিশটোলৈ অহাৰ পূৰ্বেই এষাৰ কথা উনুকিয়াই থোৱাটো সমীচিন হ'ব বুলি ভাবিছোঁ। সাধাৰণ দৰ্শকৰ অশালীন ৰুচিবোধক সন্তুষ্ট কৰিবলৈ অকণো চেষ্টা নকৰি ডঃ শইকীয়াই 'সন্ধ্যাৰাগ'ক এখন সুৰুচিসম্পন্ন মাৰ্জিত কথাছবি হিচাপে প্ৰযোজনা কৰাতেই যাইকৈ সফলতা লাভ কৰিছে বুলি ইতিমধ্যে ফুটি-ফাটি যোৱা প্ৰশংসা-বোৰৰ কিবা যৌক্তিকতা আছেনে? দ্বিতীয়বাৰ চিন্তা কৰাৰ কষ্ট নোপোৱাকৈ একেষাৰতে কৈ থ'ব পাৰি যে 'সন্ধ্যাৰাগ'ৰ অন্তৰালত ডঃ শইকীয়াই পটুতাৰ প্ৰলেপনেৰে লোকচক্ষুৱে সহজে মণিব নোৱৰাকৈ পোষণ কৰা ব্যাৱসায়িক দৃষ্টিভংগী উধৰপৰা মুধলৈ বিজড়িত হৈ আছে। দেখিলেই স্নাতকোত্তৰ শ্ৰেণীত পঢ়ি থকা চৌখিন মধ্যবিত্ত পৰিয়ালৰ ফুল-আলসুৱা কোমলাংগী কন্যা যেন লগা দুজনী ৰূপহীক ৰূপালী পৰ্দাত উলিয়াই দিয়া হৈছে দুজনী চাকৰণী হিচাপে। মানুহেতো তেওঁলোকক গাঁৱৰ কুৰিনেচীয়া সূতাৰ দগধা মেখেলা-চাদৰ পিন্ধা, ৰোৱা-তোলা কৰি হাত-ভৰি চিৰাল ফটা দিয়া সেউতী-মালতীহঁতৰ অথবা হাতত ভগা বাটি লৈ বাটে-ঘাটে দুৱাৰে দুৱাৰে ভিক্ষা মাগি ফুৰা ভিক্ষাৰিণীবিলাকৰ সমপৰ্যায়তো নেপেলায়। মধ্যবিত্ত শ্ৰেণীৰ দৰ্শকসকলে ভাবিব--সেই কেইজনী তেওঁলোকৰে (শ্ৰেণীৰে) ছোৱালী, ভাগ্যৰ বিড়ম্বনাৰ ফলতহে সিহঁত গৈ চাকৰণী হ'বলগীয়া হ'ল। এই-টোৱেই হ'ল ---'সন্ধ্যাৰাগ'ৰ আটাইতকৈ দৰ্শনীয় ব্যাৱসায়িক আবেদন। মধ্যবিত্ত শ্ৰেণীৰ সাধাৰণ দৰ্শকৰ মনোৰঞ্জনৰ প্ৰতি অত্যন্ত সচেতন হৈয়েই যে 'সন্ধ্যাৰাগ' প্ৰযোজনা কৰা হৈছে সেই বিষয়ে সন্দেহৰ থল নাই। পংগু সামন্তীয় সংস্কৃতিয়ে আগুৰি ৰখা পৰিয়ালটোত চাৰু নামৰ লহপহীয়া গাভৰু এজনীয়ে চাকৰণীৰ জীৱন যাপন কৰিছে। দৰ্শকৰ মনত পোনচাটেই সহানুভূতি জন্মিলেই দেখোন! কিন্তু আচাৰ-ব্যৱহাৰ, থকা-মেলা, খোৱা-বোৱা কথা-বতৰাত অপৰিহাৰ্য বৈষম্যই তাইক কিমানদূৰ লাঞ্চিতা কৰি তুলিলে? অৱশ্যে দুঃসহভাৱে দেখুৱাবলগীয়া তেনে লাঞ্চনাক ডঃ শইকীয়াই ক্ৰোধৰ কাৰণ নকৰি বেজাৰ তথা সহানুভূতিৰ কাৰণ হিচাপে প্ৰকাশ নকৰাকৈ থকা নাই। 'আই ঐ দেহি, ইমান মৰম লগা ছোৱালীজনীয়ে লোকৰ ঘৰত চাকৰণী হৈ জীৱন কটাইছে!'---খুব বেছি এনে এটা ছেণ্টিমেণ্ট, এনে এটা উচ্ছ্বাসৰ বাহিৰে বিশ্ৰামৰ আগৰছোৱাত অন্য কি 'ইমপেক্ট--(সাঁচ) ৰাখিব পাৰিলে? কিন্তু ডঃ শইকীয়াই নিশ্চয় জানে যে কথাছবি চলাবলৈ তেনে ধৰণৰ আবেগ উচ্ছ্বাসেই যথেষ্ট। দাস-দাসীৰ প্ৰতি সহানুভূতি জন্মিলেই হ'ল, দাস-বৃত্তিটোৰ প্ৰতি ঘৃণা নজন্মিলেইবা! দাস-বৃত্তিক পৰিপুষ্ট কৰি তোলা সামগ্ৰিক আৰ্থ-সামাজিক ব্যৱ-স্থাৰ কদৰ্যতাৰ প্ৰতি চকু মেল নাখালেইবা!

ব্যাৱসায়িক কথাছবি 'সন্ধ্যাৰাগ'ৰ বিষয়বস্তুৰ অৱতাৰণা কৰা হৈছে এটা আকস্মিক দুৰ্ঘটনাৰ জৰিয়তে। বিজ্ঞানৰ শিক্ষক ডঃ শইকীয়াই অন্ততঃ কাৰ্য-কাৰণৰ সংগতি এটা দেখুৱাবলৈ চেষ্টা কৰিছে বুলি আশ্বস্ত হৈ পৰিলে কবলৈ একো নাইকিয়া হয়। আমগছৰ



OKDISCD

পৰা পৰি বাপেক মৰি থকাৰ কাৰণেই চাৰুহঁতৰ ঘৰৰ অবস্থা না-জল না-থল হ'ল, দুবেলা-দুমুঠিৰ বাবে হাহাকাৰ হ'ল---আৰু অবশেষত চাৰু আৰু তৰু নগৰলৈ গৈ বিলাসী মধ্যবিত্তৰ ঘৰত চাকৰণী হ'বলগীয়া হ'ল। গতিকে চাৰু আৰু তৰু চাকৰণী হোৱাৰ মূলতে সিহঁতৰ বাপেকৰ আকস্মিক মৃত্যু! বিশ্ববিদ্যালয়ৰ এজন শিক্ষক, বিশেষকৈ এজন বিজ্ঞানৰ শিক্ষকৰপৰা দৰিদ্ৰতা সম্পৰ্কে ইমান ভুল ব্যাখ্যা কোনে আশা কৰিছিল? দৰিদ্ৰতা সম্পৰ্কে ইমান ভ্ৰান্তিমূলক ধাৰণা এটা দৰ্শকলৈ উপহাৰ দিয়াৰ সাহসেইবা ডঃ শইকীয়াই পালে ক'ত? প্ৰচলিত অৰ্থনৈতিক ব্যৱস্থাৰ শোষণমূলক চৰিত্ৰ কিবা প্ৰকাৰে উপস্থাপন কৰি--আকস্মিক দুৰ্ঘটনাটো দেখুৱাহেঁতেনো অন্ততঃ কিছু সকাহ পোৱা গ'ল-হেঁতেন! কিন্তু ইচ্ছাকৃতভাৱে মূল কথাটো আঁতৰত থৈ দিলে আপুনি কৰিব কি! আপুনি ভাবিবই বা কি? আপুনি নিশ্চয় ভাবিব---দৰিদ্ৰতাৰ প্ৰকৃত কাৰণটো দেখুৱাই দিলে কেনে-বাকৈ শ্ৰেণী দ্বন্দ্বৰ কথা প্ৰকাশ পায় বুলি, বিশেষকৈ শ্ৰেণী-সংঘাতৰ কাৰণে মানুহ সাজু হ'বলৈ ধৰে বুলি যিসকলে ভয় কৰে--ডঃ শইকীয়াও সেইসকলৰেই এজন, ডঃ শইকীয়াও এজন সাধাৰণ স্থিতাবস্থাপ্ৰেমী বুদ্ধিজীৱী!

যিয়েই নহওক, চাৰু আৰু তৰু নগৰৰ সম্ভ্ৰান্ত মানুহৰ ঘৰত চাকৰণী হ'ল। 'সন্ধ্যাৰাগ'ৰ সৰহছোৱা দৈৰ্ঘ্য মধ্যবিত্তৰ ঘৰত চাকৰণী ছোৱালীক কেনেকৈ ৰখা হয়, মৰম কৰিলেও চাকৰণী যে চাকৰণীয়েই---কোনো কাৰণতে আৰু কোনো মুহূৰ্ততেই যে গিৰীহঁতৰ সমান শাৰীলৈ নিয়া নহয় (অৱশ্যে যৌন দুৰ্বলতা হেতু সমান শাৰীলৈ উত্তেজনাৰ মুহূৰ্তত নিব পাৰে!) সেই কথাকে ডঃ শইকীয়াই বঢ়িয়াকৈ নিৰীক্ষণ-পটুতাৰে দেখুৱাইছে। এইখিনি কথা দেখুৱাবলৈ ডঃ শইকীয়াই যিমান মনোনিবেশ কৰিলে--চাৰু আৰু তৰু গাঁৱলৈ ঘূৰি যোৱাৰ পিছত সিহঁতে সন্মুখীন হোৱা সমস্যাৰ ক্ষেত্ৰত যদি তাৰ সমানেই মনোনিবেশ কৰিলেহেঁতেন তেন্তে দৰ্শকে অন্ততঃ 'সন্ধ্যাৰাগ'ৰ এটা বক্তব্যৰ আভাস পালে-হেঁতেন। এই অধ্যায়টোত ছবিখনৰ আটাইতকৈ পৰিহাসজনক দুৰ্বলতা হৈছে এয়ে যে গাঁওখনৰ সামগ্ৰিক দৰিদ্ৰতাটো নেদেখুৱাই--চাৰুহঁতৰ পৰিয়ালটোক তথা সিহঁতৰ পৰিয়াল-টোৰ দৰিদ্ৰতাক বিচ্ছিন্নভাৱে দেখুৱাই ডঃ শইকীয়াই আৰম্ভণিতে কৰি অহা ভুলটোকেই পুনৰ প্ৰতিষ্ঠা কৰিলে; যেন গাঁওখনত সিহঁতৰ পৰিয়ালটোহে একমাত্ৰ খাবলৈ নোপোৱা মানুহ (আৰম্ভণিতে বাপেক গছৰপৰা পৰি মৰি থকাৰ কাৰণেই সিহঁতৰ খাবলৈ নোপোৱা অবস্থা হোৱাৰ কথা প্ৰস্তাবনা স্বৰূপে দেখুৱাই অহা হৈছে)। গাঁওখন নিশ্চয় খাবলৈ পোৱা আৰু খাবলৈ নোপোৱা মানুহ---এই দুয়োবিধ মানুহ থকা ঠাই; গতিকে এই দুবিধ মানুহৰ মাজত স্বাৰ্থৰ দ্বন্দ্বও অপৰিহাৰ্য। এনে দ্বন্দ্বৰ প্ৰতি উদাসীন মানুহৰ দৰে ডঃ শই-কীয়াই প্ৰাকৃতিক দৃশ্যাৱলীৰ ওপৰতে প্ৰাধান্য দি সেইখন যে গাঁও সেইকথা প্ৰতিষ্ঠা কৰিব খুজিছে; গাঁওখন যে সামন্তীয় পদ্ধতিৰ কৃষি-অৰ্থনীতিৰ কেন্দ্ৰ, গাঁওখন যে পৰস্পৰ বিৰোধী স্বাৰ্থৰ দ্বন্দ্বেৰে ভৰপূৰ ঠাই--সেই দিশটোত ডঃ শইকীয়াই 'ভোজ'টোৰ বাহিৰে সুচিন্তিতভাৱে মনোনিবেশ নকৰিলে বুলিয়েই ক'ব পাৰি। ফলত, চাৰুহঁতৰ পৰিয়ালটোক এটা বিচ্ছিন্ন পৰিয়ালৰ দৰেই ৰাখি থোৱা হ'ল। সিহঁত লঘোনে-ভোকে থকাৰ সময়ত সিহঁতৰ লেখীয়া খাবলৈ নোপোৱা মানুহবোৰে অন্ততঃ এষাৰ সহানুভূতিৰ মাত দিলে-হেঁতেন, যদি সেইখন সঁচাকৈয়ে গাঁও হ'লহেঁতেন!



খুতি-নাতিবোৰ দেখুওৱাত ডঃ শইকীয়াৰ হাত পৈণত বুলি খ্যাতি আছে। পিচে, তাকে কৰিবলৈ যাওঁতে ৰাগৰ আলাপৰ দৰেই 'সন্ধ্যাৰাগ'ৰ গতিও মন্থৰ হৈ পৰাত দৰ্শকৰ হয়তো আমনিও লাগিব। মানুহে আজিকালি পেনপেনীয়া কথাবোৰ ভালেই নোপোৱা হৈছে। মানুহৰ জীৱনলৈয়ো কিছু পৰিমাণে দ্ৰুততা, আহিছে। ছবিখন বাস্তৱধৰ্মী কৰি তুলিবলৈকে যদি খুতি-নাতি কথাবোৰত বা জীৱনৰ ক্ষুদ্ৰাংশবোৰত সময় দিয়া হৈছে বুলি কোৱা হয় তেন্তে তাৰ জৰিয়তে সংশ্লিষ্ট সমাজখনৰ জীৱনৰ সামগ্ৰিক স্বৰূপৰ অৰ্থ এটা ফুটি উঠিব লাগিছিল; কিন্তু ডঃ শইকীয়াৰ গোটেই দৃষ্টিভংগীটোৱেই নিৰপেক্ষ মানবতাবাদী হোৱা হেতুকে বাস্তবাংশবোৰ যেন উপৰিভাগতে সীমাবদ্ধ হৈ ৰ'ল। ডঃ শইকীয়াৰ অতুলনীয় নিৰীক্ষণ-পটুতাক আমি শিল্প-সাহিত্য-সংস্কৃতিৰ অতুলনীয় সম্পদ হিচাপেই গ্ৰহণ কৰিবলৈ সাজু---যদিহে তাৰ জৰিয়তে সত্যৰ উপৰিভাগ প্ৰকাশ কৰাতেই আবদ্ধ নাথাকি তেওঁ সত্যৰ অভ্যন্তৰৰ ছবি ফুটাই তুলিব পাৰে বা অভ্যন্তৰৰ নিশ্চিত ইংগিত দিব পাৰে। সমাজৰ বাস্তৱতাৰ প্ৰতি সচেতন নহ'লে সেয়া সম্ভৱো নহয়। দৰিদ্ৰতাৰ ভৰত পেপুৱা লগা গাঁৱৰ অশিক্ষিতা তিৰোতা এগৰাকীয়ে কেনেকৈ কথা কয়, কেনেকৈ খোজটো দিয়ে বা নগৰৰ সম্ভ্ৰান্ত পৰিয়ালৰ গিৰীহঁতনীৰ মাত-কথা চলন-ফুৰণত 'সম্ভ্ৰান্ত' লক্ষণ কেনেকৈ ফুটি উঠে বা গাঁৱৰ এজন মাতব্বৰে তামোল খাই পিকটো কেনেকৈ পেলায়---এইবোৰ হুবহু ৰূপত ৰূপালী পৰ্দাত দেখিবলৈ পালে ভালেই লাগে, কিন্তু এনে ধৰণৰ নিৰীক্ষণৰ বিচক্ষণতাক 'তাৰিফ' কৰিবৰ বাবে প্ৰেক্ষাগৃহত বহি থাকিবলৈ ধৈৰ্য লাগে। ধৈৰ্যৰ অভাৱ নহয়---যদিহে বিষয়-বস্তুক আমনি নলগাকৈ আগবঢ়াই নিয়া হয় আৰু তেনে ধৰণৰ খুতি-নাতিবোৰো বিষয়বস্তুৰ এৰাব নোৱৰা অংগ হিচাপেহে দেখুওৱা হয়।

'সন্ধ্যাৰাগ'ৰ পৰিণতি সম্পৰ্কতেই সম্ভৱতঃ ডঃ শইকীয়া আটাইতকৈ বেছি প্ৰশ্নৰ সন্মুখীন হ'ব। মতি নামৰ ইম্প'টেন্ট মানুহটোৰ লগত গুচি নগ'লে চাৰুৰ (তৰুৰো) জীয়াই থকাৰ অন্য কোনো উপায় নাইকিয়া হ'ল। সেই মুহূৰ্তত মতিৰ আৱিৰ্ভাৱে অৱশ্যে দৰ্শকক সকাহহে দিলে। গতিকে চাৰুৱে ইম্প'টেন্ট মানুহটোতেই শেষ আশ্ৰয় বিচৰাৰ জৰিয়তে তাইৰ বা সিহঁতৰ জীৱন-সন্ধ্যাৰ যি ভয়াবহ ছবি আঁকিবলৈ বিচৰা হৈছিল সেয়া প্ৰায় নিষ্ফল হ'ল বুলিয়েই ক'ব লাগিব--ডঃ শইকীয়াৰ মনত থকা উদ্দেশ্য-টোৰ দিশৰপৰা। চাৰু খাবলৈ নাপাই মৰাতকৈ অন্ততঃ মতি ড্ৰাইভাৰৰ আশ্ৰয়তেই জীয়াই থাকিব এতিয়া--এইটোৱেই দৰ্শকৰ মনলৈ সকাহ আনিলে। দ-কৈ জুকিয়াই চালে এই কথা স্পষ্টভাৱে ওলাই পৰে যে শেষৰ সেই ইম্প'টেন্ট পৰিণতি আনিবৰ বাবেই মতি ড্ৰাইভাৰ নামৰ এটা ইম্পটেন্ট মানুহৰ চৰিত্ৰ উদ্ভাৱন কৰা হৈছিল। দৰিদ্ৰতা কদৰ্য বস্তু, সন্দেহ নাই; কিন্তু অত্যন্ত ব্যক্তিকেন্দ্ৰিক মনোভাব পোষণ নকৰিলে দৰিদ্ৰতাৰ সমাজতাত্ত্বিক দিশটোৰ সংগ্ৰামী তাৎপৰ্য ৰক্ষা কৰিব পৰা গ'লহেঁতেন। মতি ড্ৰাইভাৰৰ দৰেই সন্ধ্যাৰাগৰ পৰিণতিটোও ইম্প'টেন্ট!

এই কথা উল্লেখ নকৰাটো দোষণীয় হ'ব বুলি আমি ভাবোঁ যে--ড্ৰাইভাৰ এজন 'ইম্প'টেন্ট' হ'ব পাৰে, কিন্তু 'সন্ধ্যাৰাগ'ৰ বিষয়-বস্তুৰ ক্ষেত্ৰত ড্ৰাইভাৰ এজনক ইম্প'টেন্ট কৰি দেখুৱাটো, বিশেষকৈ চাৰুহঁতৰ নিচিনা খাবলৈ নোপোৱা মানুহৰ দুখ কষ্টৰ প্ৰতি সংবেদনশীল শ্ৰমজীৱী মানুহ এটাক ইম্প'টেন্ট কৰি দেখুৱাটো অতিশয় অসৎ-উদ্দেশ্য-



OKDISCD

প্ৰণোদিত বুলি ভাবিবলৈ থল আছে। শ্ৰম কৰি জীয়াই থকা মানুহৰ স্বাৰ্থৰ একতা দেখুৱাবলৈ যি বিৰাট থল আছিল তাক ইচ্ছাকৃত ভাবে মষিমূৰ কৰি পেলোৱা হ'ল---মতি ড্ৰাইভাৰক 'ইম্প'টেন্ট' কৰি, শ্ৰমজীৱী মানুহৰ সৃজনী-শক্তিৰ প্ৰতি তাচ্ছিল্য কৰি। এতেকে, সন্ধ্যাৰাগ কেনেধৰণৰ ৰিয়েলিষ্টিক ছবি হ'ল? কাৰ উদ্দেশ্য পূৰণ কৰা ৰিয়েলিষ্টিক ছবি হ'ল? নাচ-গান নথকা, লোমহৰ্ষক ঘটনা নথকা, সচৰাচৰ হিন্দী ছবিৰ নিচিনা 'হৈ হাল্লা' নথকা, মাৰপিত নথকা-----ছবি হলেই জানো তাক প্ৰকৃততে ৰিয়েলিষ্টিক ছবি বুলিব পাৰি? যিয়েই নহওক, ডঃ শইকীয়াই বাস্তৱতাৰ উপৰিভাগত প্ৰদক্ষিণ কৰিছেহে এখোন, অভ্যন্তৰত প্ৰবেশ কৰি মানুহৰ জীৱনৰ বাস্তৱতাক সমাজৰ বাস্তৱতাৰে অভিব্যক্তি হিচাপে যে এদিন নহয় এদিন দেখুৱাব পাৰিব--তাৰ প্ৰতি আমি আস্থা হেৰুৱাই দিয়া নাই। সেই সম্ভাৱনাৰ প্ৰতি শ্ৰদ্ধা ৰাখিয়েই ইমানখিনি লিখা হ'ল। ++

## তৃতীয় অভিমত

চিত্ৰামোদী


সন্ধ্যাৰাগ বুলিলেই সততে মনলৈ আহে গধূলিৰ ধূসৰতা, দিনান্তৰ বিষাদ আৰু ক্ষীণকৈ হলেও ভীম পলাশী ৰাগৰ কৰুণতা।

ডঃ ভবেন্দ্ৰনাথ শইকীয়াৰ চলচ্চিত্ৰ জগতত প্ৰথম প্ৰয়াস 'সন্ধ্যাৰাগ' চাই কিন্তু তেনে কোনো অনুভূতিয়েই মনলৈ নাহিল। হয়তোবা ছবিখনৰ নামকৰণেই ভ্ৰান্তিমূলক নতুবা সন্ধিয়াৰ বিষণ্ণতাক স্বৰূপকৈ উপস্থাপন কৰাত শইকীয়া ব্যৰ্থ হৈছে।

স্বৰচিত চুটিগল্প 'বাণপ্ৰস্থ'ৰ ভেটিতেই শইকীয়াই 'সন্ধ্যাৰাগ'ৰ চিত্ৰনাট্য ৰচিছে। মূল কাহিনীত গাঁৱৰ নিঃস্ব পৰিয়াল এটিৰ দুজনী ছোৱালীয়ে চহৰত মধ্যবিত্ত পৰিয়ালত বনকৰা ছোৱালী ৰূপে কিছু বছৰ কটোৱাৰ পিছত গাঁৱলৈ উভটি গৈ নিজকে গাঁৱৰ পৰিবেশ আৰু অৰ্থনৈতিক অবস্থাৰ লগত জীণ নিয়াবলৈ কৰা ব্যৰ্থ চেষ্টাকে প্ৰস্ফুটিত কৰা হৈছে।

সাধাৰণতে Pre-credit sequence অথবা Title music-ৰে সমগ্ৰ ছবিখনিৰ গতি বা কাহিনী বিন্যাসৰ microscopic আভাষ দিয়া হয়। কিন্তু 'সন্ধ্যাৰাগ'ৰ আৰম্ভণিতে দেখুৱা (মানুহ এজনে গছ বগাবলৈ চেষ্টা কৰোঁতে ডাল ভাগি ভূ-পতিত হোৱা) দৃশ্যাংশৰে ছবিখনিৰ অবশ্যম্ভাবী পৰিণতি বা আন তেনে কোনো ভাবাবেগ মনলৈ নানে। সমগ্ৰ ছবিখনিতে দৃশ্যাংশবোৰৰ দীৰ্ঘম্যাদী উপস্থাপনে বাৰুকৈয়েই আমনি লগায়। উদাহৰণ স্বৰূপে--চাৰুৱে গাঁৱৰপৰা চহৰলৈ যাওঁতে তাইৰ মানস পটত ভূমুকি মৰা ভেট, ঔটেঙা, শাক বোটলা দৃশ্যাদি; চহৰ অভিমুখী যান-বাহনৰ ব্যস্ততা আৰু কোলাহল; মতি ড্ৰাইভাৰৰ ঘৈণীয়েকৰ কাপোৰ সলোৱা (পেটিকোট পৰিহিতা গাভৰু এগৰাকীয়ে অসমীয়া চিত্ৰামোদীৰ যৌন আবেদনৰ মাপ কাঠি নেকি?); সন্তান কামনাৰে মাতাজীৰ আশীৰ্বাদ (জয় সন্তোষীমা!) আৰু বিভিন্ন নাদৰ পৰা পানী গোটোৱা; সৰু চাৰুৱে 'চাৰৰ' ঘৰত ল'ৰা-ছোৱালীৰ ধেমালী উপভোগ কৰা (আমাৰ গাঁৱৰ ল'ৰা-ছোৱালীয়ে





'সন্ধ্যাৰাগ'ৰ আন এটি দৃশ্যত ৰুণু দেবী আৰু অৰুণ শৰ্মা।

ধেমালী-ধুমুলা নকৰে চাগে--কেবল চহৰতহে কৰে!); বিয়াৰ প্ৰস্তুতি পৰ্ব; মাজ ৰাতি গেট সজোৱা ল'ৰাৰ মাজত চাৰুৱে নচাৰ বাসনা (যুক্তিসংগত দৃশ্য নে বাৰু?) ভনীয়েক তৰুক বলাৎকাৰ কৰিব খোজাৰ প্ৰস্তুতি; গাঁৱলৈ ঘূৰি অহাৰ পাছত চাৰুৰ হাত উদং হোৱাৰ লগতে গছপাত সৰাৰ দৃশ্য; আৰু গাঁৱত 'চাৰৰ' সম্মানাৰ্থে আয়োজন কৰা বক্তৃতা, ভোজ ইত্যাদি।

মূল বক্তব্য---চহৰত দীৰ্ঘদিন ধৰি বন কৰা ছোৱালী এজনীয়ে (ৰেডিঅ'গ্ৰাম, ফ্ৰিজ, টেলিফোন, মটৰগাড়ী, কলিং বেল, বিচিত্ৰ ৰঙী মহিলাৰ আলোচনী আদিৰে অতি পৰিচিতা) ভৰ গাভৰু অবস্থাত গাঁৱৰ নিঃকিন পৰিবেশলৈ উভটি আহি কেনে দোমোজাত পৰিব লগীয়া হয়।

কিন্তু 'সন্ধ্যাৰাগ'ৰ আলমত শ্ৰীশইকীয়াই, মূল বক্তব্যৰপৰা ফালৰি কাটি মতি ড্ৰাইভাৰৰ বীৰ্যহীনতাক গইনা লৈ কল্পনাপ্ৰসূত কেতবোৰ চৰিত্ৰ আৰু ঘটনাৰ সমাবেশেৰে ছবিৰ যৱনিকা টানিছে।

চলচ্চিত্ৰৰ মুখ্য উপাদান হৈছে চিত্ৰ। (শব্দ সংলাপ, সংগীত বা অন্যান্য শব্দৰাজি গৌণহে।) 'সন্ধ্যাৰাগ'ৰ মেটমৰা সংলাপে নিশ্চয় ছবিখনিক মৌলিকত্বৰ প্ৰলেপ দিব নোৱাৰে। ক্ষেত্ৰ বিশেষে ইন্দুকল্প হাজৰিকাৰ চিত্ৰগ্ৰহণ দক্ষতাপূৰ্ণ (অন্তৰ্দৃশ্যসমূহত); কিন্তু সামগ্ৰিকতাৰ মাপকাঠিৰে 'অতি চমৎকাৰ' বুলি আপ্লুত হোৱাৰ কোনো কাৰণ নেদেখোঁ। একেজন আলোকচিত্ৰীৰে কৃত 'গঙা চিলনীৰ পাখি'ত কেমেৰাই যি কাব্যিক আৰু ব্যঞ্জনাময় পৰিবেশৰ সৃষ্টি কৰিছিল সেয়া 'সন্ধ্যাৰাগ'ত বিৰল। অবশ্যে পৰিচালকৰ ব্যক্তিত্ব বা চলচ্চিত্ৰৰ সম্যক জ্ঞানেহে ছবি এখনিৰ সামগ্ৰিকতাত প্ৰভাৱ বিস্তাৰ কৰে। ++

আপোনালৈ শাৰদীয় পূজাৰ অভিনন্দন আগবঢ়াইছোঁ

বোৱাকটা সঁজুলি

পাণবজাৰ, গুৱাহাটী—১

ফোন : ২৪৩২৩

সকলো প্ৰকাৰৰ
তাঁতশালৰ সঁজুলিৰ
যোগান ধৰোঁতা

সাম্প্ৰতিক সাময়িকীলৈ শাৰদীয় ওলগ সহ

বি, এন, দে এণ্ড কোং

পাণবজাৰ, গুৱাহাটী-৭৮১০০১ ॥ ফোন : ২৬৯৭৯

গুৱাহাটী মহানগৰত ভাৰতৰ বিখ্যাত বাতৰিকাকত
আৰু আলোচনীসমূহৰ যোগান আমিয়েই ধৰোঁ।

দি ষ্টেটছমেন্, জুনিয়ৰ ষ্টেটছমেন্, টাইমছ্ অব্ ইণ্ডিয়া, নৱভাৰত টাইমছ্, ইকনমিক্ টাইমছ্ ইলাষ্ট্ৰেটেড্ উইক্লী, ফিল্ম ফেয়াৰ, ধৰ্মযুগ, ফেমিনা, মাধুৰী, ইভছ্ উইক্কলী, স্প'ৰ্টছ্ উইক্, ষ্টাৰ্ এণ্ড ষ্টাইল্, অন্লুকাৰ, ছান দে'॥



# সাময়িক প্ৰসঙ্গে

## ভাৰত-চীন মৈত্ৰী সন্থাৰ অভিবৰ্তন

বিশেষ প্ৰতিনিধি

বিশ্বৰ শোষিত আৰু নিপীড়িত মানুহৰ আশাৰ থল সাম্প্ৰতিক চীনৰ বিষয়ে জানিবলৈ ইচ্ছা কৰা আৰু সেই দেশৰ লগত সম্পৰ্ক ৰখাৰ আগ্ৰহ কৰাটো আমাৰ পক্ষে শুভ লক্ষণ; কিয়নো অতি কম সময়ৰ ভিতৰতে চীনে সুষম অৰ্থনৈতিক বিকাশ সম্ভৱ কৰি তুলিছে আৰু পৃথিৱীৰ ভিতৰতে এটা লেখতলবলগীয়া জাতি হৈ উঠিছে। আমাৰ দেশৰ মানুহৰ জীৱন আৰু মননৰ বিকাশত চীনৰ প্ৰগতিয়ে বাট দেখুৱাব পাৰে। ভাৰতৰ লগত চীনৰ সাংস্কৃতিক সম্পৰ্ক বহুদিনীয়া হলেও সেই সম্পৰ্কই ধাৰাবাহিকতা ৰক্ষা কৰিব পৰা নাই। সীমান্ত সমস্যাও এটা সময়ত উভয় দেশৰ মাজত বিবাদৰ কাৰণ হৈ উঠিছিল। এই বিবাদ আজিও নিষ্পতি হোৱা নাই সঁচা, কিন্তু উভয় দেশৰ জনগণে ভাবে যে, এনে বিবাদ শান্তিপূৰ্ণ আলোচনাৰ মাজেদি নিষ্পত্তি কৰিব পাৰি। পাকিস্তান, নেপাল আৰু ব্ৰহ্মদেশে এনে উপায়েৰেই চীনৰ লগত সীমা বিবাদ নিষ্পত্তি কৰিছে। গতিকে সেই বিবাদৰ কাৰণসমূহ উভয় দেশৰ মৈত্ৰী বন্ধনৰ অন্তৰায় হ'ব নোৱাৰে! চীনৰ লগত অতীতৰ দৰেই সাংস্কৃতিক বন্ধন আমি পুনৰ সুদৃঢ় কৰি তুলিব পাৰোঁ। ১৯৫৬ চনত ছান য়াট্-চেনৰ নব্বৈ বছৰীয়া মৃত্যু বাৰ্ষিকীত মাও-ছে-তুঙে চীন সম্পৰ্কে এনেদৰে কৈছিলঃ 'এই দেশ এখন বৃহৎ আৰু বলিষ্ঠ সমাজবাদী ঔদ্যোগিক দেশত পৰিণত হ'ব; তেনে হোৱাটো উচিত, কিয়নো দেশখনৰ আয়তন হ'ল ৯,৬০০০০০ বৰ্গ কিলোমিটাৰ আৰু জনসংখ্যা হ'ল ষাঠি কোটি। এনে এখন দেশে সমগ্ৰ মানৱ জাতিৰ বাবেই অবদান যোগোৱা উচিত। অতীতত বহুদিন ধৰি এই দেশে যি অবদান আগবঢ়াইছিল সি নগণ্য; এই বাবে আমি লজ্জিত।' মাও-ছে-তুঙৰ এই কথাৰ পৰা বুজিব পাৰি, কেৱল আন্তৰ্জাতিক মৈত্ৰীৰ বাবেই যে চীন দেশ আগ্ৰহান্বিত এনে নহয়, পৃথিৱীৰ অগণন পীড়িত মানুহৰ কল্যাণৰ বাবেও উদ্বিগ্ন।

গুৱাহাটীৰ জিলা পুথিভঁৰালত যোৱা ৬ আৰু ৭ আগষ্ট তাৰিখে অনুষ্ঠিত হোৱা ভাৰত চীন মৈত্ৰী সন্থাৰ অভিবৰ্তনৰ উদ্দেশ্যও আছিল চীন দেশৰ লগত ঘাইকৈ, সাংস্কৃতিক বিনিময় স্থাপন কৰা। উভয় দেশৰ জনসাধাৰণেই জ্ঞান-বিজ্ঞানৰ ক্ষেত্ৰত পাৰস্পৰিক বিনিময় হোৱাটো আন্তৰিকতাৰে বিচাৰে।

এই অভিবৰ্তনত অসমৰ বিভিন্ন ঠাইৰ ভালেমান প্ৰতিনিধিয়ে যোগ দিয়াৰ উপৰিও কবি সাহিত্যিক শ্ৰীহেমাংগ বিশ্বাস আৰু পশ্চিম বংগৰ বিখ্যাত লেখিকা শ্ৰীমতী মৈত্ৰেয়ী দেৱীও



OKDISCD

উপস্থিত থাকি অভিবৰ্তনৰ সৌষ্ঠৱ বঢ়ায়। এওঁলোক উভয়েই এই বুলি মত প্ৰকাশ কৰিছিল যে, চীন-ভাৰতৰ সংঘৰ্ষৰ সময়তো চীনা চৰকাৰ বা জনসাধাৰণ কোনোৱেই ভাৰতীয় মানুহৰ প্ৰতি কুমাৰি ভাব ৰখা নাছিল। শ্ৰীবিশ্বাসে অভিবৰ্তন উদ্বোধন কৰে আৰু মুকলি অধিৱেশনতো ভাগ লয়। তেওঁ কয় যে উভয় দেশৰ মাজত বন্ধুত্ব স্থাপন কৰাত কেনেকৈ কৃতকাৰ্য হ'ব পাৰি তাৰ কথা অভিবৰ্তনে সক্ৰিয়ভাবে চিন্তা কৰিলেহে ইয়াৰ উদ্দেশ্য সাধন হ'ব। তেওঁ আৰু কয় যে তেওঁ চীনলৈ দুবাৰ গৈছে আৰু তাত তেও যি দেখিছে তাৰ পৰা তেওঁৰ ধাৰণা হৈছে যে চীনে বিভিন্ন ক্ষেত্ৰত অসাধ্য সাধন কৰিছে। ভাষণ প্ৰসংগত আত্ম-নিৰ্ভৰশীলতা, সৃষ্টিক্ষম প্ৰতিভা আৰু স্বতঃস্ফূৰ্ত কৰ্মপ্ৰেৰণাৰে চীনৰ মানুহে কেনেকৈ প্ৰগতি সম্ভৱ কৰি তুলিছে তাৰ বৰ্ণনা দিয়ে। শ্ৰীমতী মৈত্ৰেয়ী দেবীয়ে চীনৰ পৰিচ্ছন্নতা দেখি মুগ্ধ হৈছে বুলি মন্তব্য কৰে। তেওঁৰ মতে চীনত নিবনুৱা সমস্যাৰ কবাল মূতি নাই, বহুদিন ধৰি বস্তুৰ দাম একেদৰেই চলিছে। তাত অপ্ৰয়োজনীয় বস্তুৰ উৎপাদন নহয়। অভিবৰ্তনৰ সাফল্য কামনা কৰি তেওঁ কয় যে ভাৰত চীন-মৈত্ৰী সম্পৰ্কে ভাৰতৰ আন ক'তো এনে ধৰণৰ ৰাজ্যিক অভিবৰ্তন হোৱা নাই; এই অভিবৰ্তনে আন আন ৰাজ্যকো নিশ্চয় বাট দেখুৱাব। অভিবৰ্তনত নাগালেণ্ড শান্তি মিছনৰ গুৰি ধৰোঁতা ডাঃ আৰাম আৰু তেওঁৰ পত্নীয়েও যোগ দিয়ে। অভিবৰ্তনৰ আলোচনা চক্ৰ উদ্বোধন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা শ্ৰীমতী নীলিমা দত্তই আৰু দুই দিন সভাৰ কাৰ্য পৰিচালনা কৰে সন্থাৰ সভাপতি ডঃ দেবপ্ৰসাদ বৰুৱাই।

সন্থাৰ প্ৰতিনিধি সমাবেশত কেইবাটাও প্ৰস্তাৱ গৃহীত হয়। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল ভাৰত চৰকাৰৰ প্ৰতি চীনৰ লগত সম্পৰ্ক স্বাভাবিক কৰিবলৈ দিয়া আহ্বান। প্ৰস্তাৱটোত কোৱা হয় যে বাণিজ্যিক আৰু সাংস্কৃতিক যোগাযোগৰ জৰিয়তে দুয়োখন দেশৰ সম্পৰ্ক উন্নত হলে সীমান্তবিবাদৰ সমাধানো সহজ হৈ পৰিব। তাকে নকৰি সীমান্ত বিবাদৰ ওপৰতে অত্যধিক মনোযোগ দি থাকিলে সম্পৰ্ক উন্নত হোৱাৰ আশা নাথাকিব। আৰু এটা প্ৰস্তাৱত কোৱা হয় যে অসমৰ বানপানী সমস্যা সমাধানৰ বাবেও চীনৰ লগত অৰ্থনৈতিক আৰু বৈজ্ঞানিক সহযোগিতাৰ প্ৰয়োজন।

৭ তাৰিখে সাধাৰণ অধিৱেশনৰ পিছত সন্ধিয়া এখন সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। তাত গুৱাহাটীৰ ঐক্যতান গোষ্ঠী, আই পি টি এ, যোৰহাটৰ ভাৰত-চীন মৈত্ৰী সন্থাৰ শাখা সমিতি আৰু বৰপেটাৰ ভাৰত-চীন মৈত্ৰী সন্থাৰ শাখা সমিতিৰ তৰফৰপৰা কেবাজনো শিল্পীয়ে অংশ গ্ৰহণ কৰে আৰু দৰ্শকমণ্ডলীক আপ্যায়িত আৰু অনুপ্ৰাণিত কৰে।

অভিবৰ্তন উপলক্ষে চীনা দূতাবাসৰপৰা পঠোৱা চিত্ৰসমূহৰ এখন প্ৰদৰ্শনীও হৈছিল। প্ৰদৰ্শনী উদ্বোধন কৰিছিল ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই। চীনা প্ৰগতিৰ আভাস থকা এই চিত্ৰসমূহ সকলো দৰ্শকে বিশেষ আগ্ৰহেৰে চাইছিল। চীনা দূতাবাসৰপৰা চীন সম্পৰ্কীয় ভালেমান পুথি, লু-চুন আদি লেখকৰ ৰচনা আদিও পঠোৱা হৈছিল। সমবেত ৰাইজৰ বহুতেই সেইবোৰ পুথি কিনি লৈছিল। মাত্ৰ দুঘন্টাৰ ভিতৰতে প্ৰদৰ্শনী স্থলীত সকলো কিতাপ আলোচনী বিক্ৰী হৈ যোৱা কথাটো উল্লেখযোগ্য। ই আমাৰ ৰাইজৰ চীন সম্পৰ্কে নানা কথা জানিবলৈ থকা অসীম আগ্ৰহৰ কথাকে সূচায়। উদ্যোক্তাসকলে সুবিধা হলে এনে



কিতাপ আলোচনী যোগাৰ ধৰাৰ ব্যৱস্থা কৰিলে ভাল হয়। চীনা দূতাবাসৰ এনে সক্ৰিয় সহযোগ কৃতজ্ঞতাৰে স্মৰণ কৰা উচিত। আমি ভাৰত-চীন মৈত্ৰী সন্থাৰ স্থায়িত্ব আৰু প্ৰসাৰ কামনা কৰিছোঁ। ++

## মাও-ছে-তুঙৰ প্ৰথম মৃত্যু-বাৰ্ষিকী পালন

বিশেষ প্ৰতিনিধি

ভাৰত-চীন মৈত্ৰী সন্থাৰ উদ্যোগত যোৱা ৯ চেপ্তেম্বৰ তাৰিখে কটন কলেজৰ ইউনিয়ন হলত মাও-ছে-তুঙৰ প্ৰথম মৃত্যু বাৰ্ষিকী উদ্‌যাপন কৰি তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। এই উপলক্ষে হোৱা সভাত সভাপতিত্ব কৰে প্ৰবীণ নেতা শ্ৰীবিশ্ব গোস্বামীয়ে।

আধুনিক চীনৰ নিৰ্মাতা আৰু বিশ্বৰ শোষিত মানুহৰ বৰণীয় পুৰুষ মাও-ছে-তুঙৰ বলিষ্ঠ নেতৃত্ব, তেওঁৰ কৰ্ম আৰু চিন্তাধাৰাৰ বিষয়ে সভাত আলোচনা হয়; এই আলোচনাত ডঃ পদেশ্বৰ গগৈ, তিলক হাজৰিকা, নলিনীধৰ ভট্টাচাৰ্য আৰু বিশ্বজিৎ চক্ৰৱৰ্তীয়ে অংশ গ্ৰহণ কৰে। ডঃ গগৈয়ে চীন দেশৰ সাংস্কৃতিক ঐতিহ্য আৰু বৰ্তমানৰ প্ৰগতিৰ আভাস দিয়ে। মাও-ছে-তুঙৰ কাৰ্য আৰু চিন্তাৰ থূলমূল বিবৰণ দি তাৰ লগত গান্ধীজীৰ আদৰ্শৰ মিল বা অমিল ক'ত তাক ফঁহিয়াই দেখুৱায় শ্ৰীতিলক হাজৰিকাই। আজিৰ অধিকাংশ ছাত্ৰৰ মাজত ৰাজনীতিৰ প্ৰতি থকা উদাসীনতাৰ বিষয়ে উনুকিয়াই শ্ৰীচক্ৰৱৰ্তীয়ে কয় যে উঠি অহা যুবকসকলে ৰাজনীতি উপেক্ষা কৰিলে নহ'ব, কিয়নো প্ৰতিক্ৰিয়াশীল ৰাজনীতিয়ে সমাজৰ পৰিবৰ্তন অনাত সদায় বাধাহে দিয়ে। মাও-ছে-তুঙৰ বাণী উদ্ধৃত কৰি তেওঁ যুবকসকলক এইদৰে সকিয়াই দিয়ে। বৌদ্ধিক আভিজাত্য পৰিহাৰ কৰি সমাজ-বাস্তৱক বস্তুনিষ্ঠভাবে অধ্যয়ন কৰা আৰু জনগণৰ কাষলৈ গৈ তেওঁলোকৰ সুখ-দুখৰ ভাগ লোৱাৰ মানসিকতা অৰ্জন কৰিব নোৱাৰিলে আমি মাওৰ উপযুক্ত উত্তৰাধিকাৰী হ'ব নোৱাৰিম বুলি শ্ৰীভট্টাচাৰ্যই অভিমত দাঙি ধৰে।

সভাপতি গোস্বামীদেৱে কয় যে মাও-ছে-তুঙৰ দৰে সংগ্ৰামী পুৰুষৰ মৃত্যু তিথি পালনত তেওঁ অংশ গ্ৰহণ কৰিবলৈ পাই গৌৰব বোধ কৰিছে। এনে এজন বিপ্লৱী পুৰুষ সকলো দেশৰে নিপীড়িত মানুহৰ আশা-ভৰসাৰ স্থল। ভাত-চীন মৈত্ৰী সম্পৰ্কে তেওঁ কয় যে, এই চেষ্টা নিশ্চয় প্ৰশংসনীয়; চীনৰ ফালৰপৰাও এই ক্ষেত্ৰত আগ্ৰহ পৰিলক্ষিত হ'ব বুলি তেওঁ আশা পোষণ কৰে।

সভাৰ শেষত ডঃ হীৰেন গোহাঁয়ে বক্তাসকলৰ ভাষণৰ এটি বিশ্লেষণ কৰে আৰু সভাত সমবেত হোৱা সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পিছত চীনা দূতাবাসে পঠিওৱা মা-ছে-তুঙৰ মৃত্যুত দেশ বিদেশৰ মানুহৰ শোক প্ৰকাশ সম্বন্ধীয় প্ৰামাণ্য চিত্ৰ এখন দেখুওৱা হয়। ++



OKDISCD

# STATFED
RENEWS ITS PLEDGE

To Serve People of Assam

by Streamlining Public Distribution System through Co-opeyatives to curb rising trends of price

by Marketing Agricultural Commodities like paddy and wheat to ensure fair price to growers as well as to build up buffer stock of foodgrains.

STATFED will add new dimensions in its vital fields of action and achieve greater result in time to come.

## ASSAM STATE CO-OP. MARKETING & CONSUMERS' FEDERATION



*With Best Compliments Of*

## Central Tea Warehouse

Zoo Road, Gauhati 781005


OKDISCD

SAMPRATIK SAMAYIKEE
VOLUME II Collection II & III

D. M. No. 5746-49/G
Price Rs. 3·00

FOR
QUALITY
AND
BULK PRINTING

HEMKOSH PRESS

(Approved Printers to the Govt. of Assam and O. N. G.C.)

Hemchandra Road ☐ SIBSAGAR
Phone : 415

OKDISCD

BE IT A SMALL JOB
OR A BIG ONE
WE UNDERTAKE IT WITH
EQUAL PROFICIENCY

*EQUIPED WITH*
*MODERN MACHINARIES*

HEMKOSH PRINTERS

( PRINTERS & BLOCK MAKERS )
Silpukhuri ☐ GAUHATI 78100³
Phone : 26520

Published by M. Deuri on behalf of 'SAMPRATIK GOSTHI'
and Printed at Hemkosh Printers, Silpukhuri, Gauhati, 781003.